## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্র মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❒ কেন্দ্রীয় বাজেট ২০১৮-১৯ ঃ অগ্রগতিৰ দিশে অর্থনীতি | ✍ হাসমুখ আধিয়া | ৩ |
| ❒ অর্থনীতি পুনৰুজ্জীৱিতকৰণ | ✍ জে ডী আগৰৱালা | ৫ |
| ❒ এম এছ এম ই ঃ সবলীকৰণৰ চালিকা শক্তি | ✍ অনিল ভৰদ্বাজ | ১০ |
| ❒ বাজেটৰ জৰিয়তে আন্তঃগাঁথনি সৃষ্টি ঃ ৰাষ্ট্র সংহতিকৰণ | ✍ জী ৰঘুৰাম | ১১ |
| ❒ মূল্য সংযোজিত সামগ্রীৰ উৎকর্ষ সাধন | ✍ এম এছ স্বামীনাথন | ১৩ |
| ❒ মধ্য মঞ্চত স্বাস্থ্য যতনৰ স্থান নির্ণয় | ✍ কে শ্রীনাথ ৰেড্ডী | ১৬ |
| ❒ ভাৰতবর্ষৰ অভিলাষী জিলাৰ ৰূপান্তৰ— বিকাশৰ এটা যাত্রা | ✍ অমিতাভ কান্ত | ২০ |
| ❒ ক'লা ধন নির্মূলকৰণৰ বাবে স্বচ্ছ কৰ প্রশাসন | ✍ ৰোহিত দেউ ঝা<br>✍ ৰমেশ কুমাৰ যাদৱ | ৩৩ |
| ❒ কেন্দ্রীয় বাজেটত কৃষি আৰু কৃষকক সর্বদিশ অন্তর্ভুক্ত | ✍ জে পি মিশ্র<br>✍ শিৰলিকা গুপ্তা | ৩৮ |
| ❒ কেন্দ্রীয় বাজেট ২০১৮-১৯ ঃ ব্যৱসায়কৰণৰ স্বাচ্ছন্দ্য পদক্ষেপৰ পাঠোদ্ধাৰকৰণ | ✍ ড° ডানিছ এ হাছিম<br>✍ বর্ষা কুমাৰী | ৪৫ |
| ❒ ভাৰতৰ বয়োজ্যেষ্ঠসকল— কেন্দ্রীয় বাজেটৰদ্বাৰা কেনেকৈ উপকৃত হ'ব? | ✍ সুমতি কুলকার্ণি | ৪৮ |
| ❒ ২০১৭-১৮ বর্ষৰ অর্থনৈতিক সমীক্ষা | ✍ আলোক শীল | ৫১ |
| ❒ ২০১৮-১৯ বর্ষৰ কেন্দ্রীয় বাজেট ঃ জীৱিকা নির্বাহৰ ওপৰত গুৰুত্ব | ✍ ৰঞ্জিৎ মেহতা | ৫৭ |
| ❒ মহিলা সবলীকৰণ আৰু বাজেট ২০১৮-১৯ | ✍ শ্বাহিন ৰাজি | ৬২ |
| ❒ ব্লেকবোর্ডৰপৰা ডিজিটেল বোর্ডলৈ বাজেট আৰু শিক্ষা খণ্ডত ইয়াৰ পৰিণাম | ✍ কিৰণ ভাট্টী | ৬৪ |
| ❒ আপুনি জানেনে? | | ৬৭ |
| ❒ ২০১৮-১৯ বিত্তীয় বর্ষৰ বাজেট ঃ কৃষি আৰু উদ্যোগ খণ্ডত ইয়াৰ প্রভাৱ | ✍ ববিতা শর্মা | ৬৮ |
| ❒ বাজেট ২০১৮-১৯ ঃ ৰে'লৰ বাবে কি কি? | ✍ নৰকান্ত বৈশ্য | ৭১ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 49 No. 1**
**উনপঞ্চাশতম বর্ষ ঃ প্রথম সংখ্যা**
**মার্চ ঃ ২০১৮**

শিক্ষক, ছাত্র-ছাত্রী, শিক্ষা প্রতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**


পয়োভৰাত প্রকাশিত প্রবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্রাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্রাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্রাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কার্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্রকাশক ঃ অতিৰিক্ত সঞ্চালক প্রধান (ভাৰপ্রাপ্ত), প্রকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্রক ঃ ডি কে গ্রাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# জনসাধাৰণৰ বাজেট

বাজেটে আপোনাৰ ধন ক'ৰ পৰা আহিল কোৱাৰ পৰিৱৰ্তে ক'লৈ যাব সেই বিষয়েহে কয়। আমি সকলোৱে বাজেটৰ গুৰুত্বৰ বিষয়ে জানো কিয়নো উপাৰ্জন অনুসৰি ব্যয়ৰ সামঞ্জস্য ৰক্ষা কৰিবলগীয়া হয়। আমি সকলোৱে এটা খ্যাত খণ্ডবাক্য 'আমদানি আঠানি, খৰচা ৰূপয়া' (উপাৰ্জন আঠ অনা আৰু খৰচ এটকা)ৰ বিষয়েও সজাগ। পৰিয়ালত খৰচৰ ক্ষেত্ৰত মন বান্ধিব নোৱাৰিলে, উপাৰ্জনৰ লগত সংযোগ হেৰাই ক্ষীপ্ত অৱস্থালৈ গতি কৰিব। এখন বাজেট থকা মানে আপুনি পৰিকল্পনা কৰিছে আৰু এই বাজেটক নিয়ন্ত্ৰণৰ বাহিৰলৈ যাবলৈ নিদিব।

এখন দেশৰ বাজেট ইয়াৰ নাগৰিকসকলৰ মংগলৰ বাবে কম নিৰ্ণায়ক নহয়। বিভিন্ন শিতানৰ আয় মূল্যায়ন আৰু সেই অনুসৰি ইয়াৰ ব্যয় বিন্যস্ত কৰাটো হ'ল তেনে কাম যিটো দেশৰ জ্ঞানী প্ৰশাসকসকলে কৰে। ঘৰুৱা বাজেটৰ দৰে দেশৰ বাজেটতো আছে শিক্ষা, স্বাস্থ্য আৰু মৌলিক আন্তঃগাঁথনিৰ বাবে বণ্টন।২০১৮-১৯ চনৰ কেন্দ্ৰীয় বাজেট বৰ্তমান চৰকাৰৰ বাবে সাধাৰণ নিৰ্বাচনৰ আগতে অন্তিমখন পূৰ্ণাঙ্গ বাজেট। চৰকাৰে পৰিকল্পিত আঁচনি আৰু কৃষি, গ্ৰাম্য উন্নয়ন, আন্তঃগাঁথনি আৰু স্বাস্থ্য আদি ক্ষেত্ৰত পুঁজি বণ্টনৰ ক্ষেত্ৰত ভাৰসাম্য আনিবলৈ চেষ্টা কৰি আছে।

যিখন ৰাষ্ট্ৰত কৃষিয়ে ঘাই স্থান অধিকাৰ কৰি আছে সেইখন দেশৰ কৃষকৰ কল্যাণ যিকেনো চৰকাৰৰ কাৰ্যসূচীত প্ৰধান হিচাপে অগ্ৰাধিকাৰ হৈ পৰে। চৰকাৰে কৃষিৰ কাৰণে বাজেটৰ বণ্টনৰ লগত ভূমি সংস্কাৰ বিষয়তো গুৰুত্ব প্ৰদান কৰিছে। বিলাহী, পিঁয়াজ, আলু আদিৰ মূল্য উঠা-নমা পৰিস্থিতিৰ জোৰা মাৰিবলৈ সেউজ অভিযান কৃষি বণ্টনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ২২ হেজাৰ গ্ৰাম্য হাট গ্ৰামীণ কৃষি বজাৰলৈ উন্নীতকৰণ, কৃষকলৈ কৃষি ঋণ আদি এলানি উদগনি আঁচনি গ্ৰহণ কৰা হৈছে।

কৃষকৰ কল্যাণৰ বাবে আনুষংগিক ক্ষেত্ৰ গ্ৰাম্য উন্নয়নে গ্ৰাম্য আন্তঃগাঁথনি আৰু নিয়োগ সুবিধা সৃষ্টিৰে বাজেটখনত এটা গৰ্বিত স্থান অধিকাৰ কৰিছে। ২০২২ চনৰ ভিতৰত সকলোৱে বাবে গৃহৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰাম্য অঞ্চলত ২০১৯ চনৰ ভিতৰত ১ কোটিতকৈয়ো অধিক বাসগৃহ নিৰ্মাণ কৰিবলৈ বাজেটত প্ৰস্তাৱ কৰা হৈছে। তদুপৰি স্বচ্ছ ভাৰত নিৰ্মাণ কৰাৰো লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। মহিলাৰ আত্মসহায়ক গোটৰ ওপৰত অধিক লক্ষ্য নিৰ্দ্ধাৰণ আৰু 'সৌভাগ্য'ৰে নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ প্ৰয়োজন পূৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। খাদ্য সংসাধন উদ্যোগৰ কাৰণে যোৱা বছৰৰ ১৪০০ কোটি টকাৰ বিপৰীতে এইবাৰ ইয়াৰ পৰিমাণ দুগুণ কৰা হৈছে। মীন আৰু পশুপালনৰ বাবে পুঁজি গঠন কৰা হৈছে আৰু ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ পুনৰ গঠন খেতিয়কৰ আয় উন্নত কৰাৰ বাবে আৰু গ্ৰাম্য আনুষংগিক ক্ষেত্ৰত শিল্পোদ্যোগৰ সুবিধা সৃষ্টি কৰাতো হ'ল চৰকাৰে প্ৰদান কৰা গুৰুত্ব বিশেষ।

বাজেটখনত স্বাস্থ্য যতনে এটা উল্লেখযোগ্য মনোযোগ লাভ কৰিছে। বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য যত্ন সুৰক্ষা আঁচনি হিচাপে দাবী কৰা ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি (এ এইছ পী এছ)এ ১০ কোটিতকৈ অধিক দৰিদ্ৰ আৰু স্পৰ্শকাতৰ পৰিয়াললৈ প্ৰতিবছৰত ৫ লাখ টকা পৰ্যন্ত সামৰি লোৱাৰ ব্যৱস্থা কৰিছে। আনহাতে, আয়ুষ্মান ভাৰত কাৰ্যসূচীয়ে ১.৫ লাখ স্বাস্থ্য আৰু কুশল কেন্দ্ৰ স্থাপন কৰাৰ বাবে ১,২০০ কোটি টকাৰ এটা কৰ্পাছ গঠন কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত জনজাতীয় শিশুসকলক তেওঁলোকৰ নিজৰ পৰিৱেশতে গুণসম্পন্ন শিক্ষা আগবঢ়াবৰ নিমিত্তে একলব্য আৰ্হি আৱাসিক বিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰা হৈছে। প্ৰধান মন্ত্ৰীৰ গৱেষক (পী এম আৰ এফ) নামৰ নতুন আঁচনিয়ে ১০০০ শ্ৰেষ্ঠ বী টেক্ ছাত্ৰ/ছাত্ৰীক আই আই টী আৰু আই আই এছ চীত ডক্টৰেট ডিগ্ৰী কৰিবলৈ সুন্দৰ ফেল'শ্বিপৰ সুবিধা আগবঢ়াব।

জ্যেষ্ঠ নাগৰিকসকললৈ এটা মৰ্যাদাসম্পন্ন জীৱন আগবঢ়োৱাৰ লক্ষ্যৰে এইবাৰ বাজেটত কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত আছে বেংক আৰু ডাকঘৰত জমাৰ ওপৰত সুদ আয়ৰ সীমা ৰেহাই ১০ হেজাৰৰপৰা ৫০ হেজাৰ টকালৈ বৃদ্ধি আৰু স্বাস্থ্য বীমা প্ৰীমিয়াম কৰ্তনৰ সীমা বৃদ্ধি আৰু চিকিৎসা ব্যয় ৩০ হেজাৰ টকাৰ পৰা ৫০ হেজাৰ টকালৈ বৃদ্ধি। প্ৰধান মন্ত্ৰী বয়ো বন্দনা যোজনাই পূৰ্বৰ চাৰে-সাত লাখ টকাৰ বিপৰীতে ১৫ লাখ টকা পৰ্যন্ত বিনিয়োগত ৮ শতাংশ লাভ নিশ্চিতৰ সুবিধা ২০২০ চনৰ মাৰ্চ মাহলৈকে সময় সীমা বৃদ্ধি কৰিছে।

এম এছ এম ই-ক বিকাশৰ চালিকা শক্তি হিচাপে অভিহিত কৰি বাজেটত ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগক ঋণ সমৰ্থন, মূলধন আৰু সুদ ৰাজসাহায্য আৰু অভিযোজনা আদিৰ উদ্দেশ্যত ৩৭৯৪ কোটি টকা বণ্টন নিৰ্দ্ধাৰণ কৰা হৈছে। ই যুৱক-যুৱতীসকলৰ বাবে চাকৰি সৃষ্টি আৰু নিয়োগ সুযোগৰ উদ্ৰেক কৰিব।

তদুপৰি চৰকাৰে ব্যৱসায়ৰ বাবে সুচলতা (ইয়্ অৱ ডুয়িং বিযনিছ) গ্ৰহণ কৰাৰ উপৰি দেশৰ নাগৰিকসকলৰ বাবে স্বাচ্ছন্দ্য জীৱন 'ইয্ অৱ লিভিং'ত আলোকপাত কৰিছে। মুঠে এই বাজেটখন হ'ল দেশবাসীৰ জীৱন স্পৰ্শ কৰা অৰ্থনীতিৰ সকলো গুৰুত্বপূৰ্ণ খণ্ডৰ সৰ্বাত্মক বিকাশৰ দিশে কাম কৰিব পৰা বাজেট।

# কেন্দ্ৰীয় বাজেট ২০১৮-১৯ ঃ অগ্ৰগতিৰ দিশে অৰ্থনীতি

**হাসমুখ আধিয়া***

কেন্দ্ৰীয় বাজেট ২০১৮-১৯ বিভিন্ন ক্ষেত্ৰত একক। ই এনে এটা সময়ত আহিছে যেতিয়া অৰ্থনীতিয়ে বিগত দুবছৰত চৰকাৰে গ্ৰহণ কৰা দুটা গুৰুতৰ গাঁথনিগত সংস্কাৰৰ ইতিবাচক প্ৰভাৱ লাভ কৰিছে, সেয়া হ'ল— বি-মুদ্ৰাকৰণ আৰু জী এছ টী ৰূপায়ণ। যি সময়ত অৰ্থনৈতিক কাৰ্যকলাপৰ সকলো সূচাংকই অগ্ৰগতি লাভ কৰিছে সেই সময়ত বাজেটো সেই দিশত আগুৱাইছে আৰু আগন্তুক বছৰবোৰত ভাৰতবৰ্ষৰ উন্নয়ন বছৰি ৮ শতাংশ হাৰত হোৱাৰ বাতাবৰণ সৃষ্টি হৈছে।

এই বাজেট বিভিন্ন দিশত আন বাজেটতকৈ পৃথক। বাজেটৰ মুখ্য লক্ষ্য হ'ল কৃষি আৰু গ্ৰাম্য অৰ্থনীতিত অধিক ধন ব্যয় যাতে কৃষকসকলৰ কল্যাণ কৰাৰ লগতে তেওঁলোকৰ উপাৰ্জন বৃদ্ধি হয়, ইয়াৰ ফলত সামগ্ৰী আৰু সেৱাৰ চাহিদা বৃদ্ধি হয়, যি ব্যক্তিগত বিনিয়োগক উৎসাহ যোগায়। গ্ৰাম্য আন্তঃগাঁথনি আৰু গ্ৰাম্য নিয়োগ সৃষ্টিৰ বাবে বাজেটত সৰ্বাধিক ধন ব্যয় কৰা হৈছে। গ্ৰাম্য জীৱিকা সংক্ৰান্তীয় আঁচনিৰ বাবে বাজেটত ধন আবণ্টন বৃদ্ধি কৰা হৈছে যাৰ অধীনত আত্মসহায়ক গোট বিশেষভাৱে মহিলা আত্মসহায়ক গোটবোৰ কৰপাছ নিধি তথা বেংকৰ ঋণৰ জৰিয়তে সহায় লাভ কৰিব। খাদ্য সংসাধন উদ্যোগ তথা পশুপালন খণ্ডৰ বাবে আবণ্টনৰ পৰিমাণ বুজনভাৱে বৃদ্ধি কৰা হৈছে। ই পাম খণ্ডৰ আনুসংগিক কাৰ্যকলাপ সৃষ্টিত সহায় কৰিব আৰু ইয়াৰ ফলত প্ৰাথমিক কৃষি উৎপাদনত মূল্য সংযোজনত এটা ফলো প্ৰদান কৰিব। তিনিটা প্ৰধান খাদ্য শস্য— বিলাহী, পিঁয়াজ, আলু (টপ)ৰ অ-সম মূল্যৰ প্ৰতি যত্ন লোৱাৰ বাবে এখন নতুন আঁচনি 'অপাৰেচন গ্ৰীণ' ঘোষণা কৰা হৈছে যি দুগ্ধ খণ্ডৰ বাবে ৰূপায়িত 'অপাৰেচন ফ্লাড'ৰ আৰ্হিত কাম কৰিব। 'অপাৰেচন গ্ৰীণ' আঁচনিৰ অধীনত প্ৰাথমিকভাৱে ৫০০ কোটি টকা ব্যয় কৰা হ'ব যাৰ জৰিয়তে এই উৎপাদনবোৰৰ প্ৰয়োজনীয় সৰবৰাহ সমৰ্থন সৃষ্টিৰ বাবে উৎপাদন আৰু বিক্ৰী কেন্দ্ৰবোৰৰ মাজত সংযোগকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তদুপৰি যেতিয়া য'ত প্ৰয়োজন হয় কৃষক উৎপাদক সংস্থা (এফ পী অ')বোৰৰ জৰিয়তে এই শস্যবোৰৰ নতুন ভঁৰাল আৰু সংসাধন সক্ষমতা সৃষ্টি কৰা হ'ব। পৰিঘটনা ক্ৰমে এই বাজেটত এনে ধৰণৰ কৃষক উৎপাদক কোম্পানীবোৰ যাৰ ব্যৱসায়ত লগোৱা ধন ১০০ কোটি টকালৈ তেওঁলোকে আয়কৰ ৰেহাইৰ সুবিধা লাভ কৰিব। এই ঘোষণাই পাম সংসাধন ক্ষেত্ৰৰ পেছাদাৰিত্ব বৃদ্ধিত উৎসাহ যোগাব। গ্ৰাম্য অৰ্থনীতিৰ কাৰণে চৰকাৰৰ বাজেটীয় প্ৰস্তাৱে কৃষি উন্নয়নত উৎসাহ যোগোৱাৰ অতিৰিক্তভাৱে ৩২১ ব্যক্তি দিনৰ সংস্থাপন সৃষ্টি কৰিব, লগতে ই ৫১ লাখ নতুন গ্ৰাম্য গৃহ, ১.৮৮ কোটি শৌচালয়, ৩.১৭ লাখ কিলোমিটাৰ গ্ৰাম্য পথ আৰু ১.৭৫ কোটি নতুন গৃহলৈ বিদ্যুৎ সংযোগ দিব।

কেন্দ্ৰীয় বাজেট ২০১৮-১৯ৰ দ্বিতীয় গুৰুত্বপূৰ্ণ অংশ হ'ল ই স্বাস্থ্য, শিক্ষা আৰু অন্যান্য সামাজিক সুৰক্ষা আঁচনিত গুৰুত্ব প্ৰদান কৰিছে। শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়াৰ জৰিয়তে অতিৰিক্ত শিক্ষণৰ কাৰণে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰৰ উপৰি শিক্ষাৰ মান আৰু শিক্ষকৰ মান উন্নীত কৰাত গুৰুত্ব আৰোপ কৰিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগন্তুক চাৰি বছৰৰ ভিতৰত এক লাখ কোটি টকা মূলধনী ব্যয় সাপেক্ষ এইমছকে ধৰি আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান নিৰ্মাণৰ অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে।

স্বাস্থ্য খণ্ড, 'আৰোগ্য ভাৰত'ৰ অভিলাষী আঁচনিয়ে প্ৰাথমিক স্বাস্থ্য যতনৰ কাৰণে আৰোগ্য কেন্দ্ৰ আৰু প্ৰতিটো দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ গৌণ আৰু তৃতীয় পৰ্যায়ৰ দুৰ্বলতাৰ কাৰণে ৫ লাখ টকাই সামৰি ল'ব পৰা আঁচনি গ্ৰহণ কৰিছে। এই অভিলাষী আঁচনিয়ে ১০ কোটি পৰিয়ালে (যাৰ অৰ্থ ৫০ কোটি লোক) এপইচাও ব্যয় নকৰাকৈ প্ৰতিবছৰে ৫ লাখ টকা ব্যয় সাপেক্ষে কোনো তালিকাভুক্ত ৰাজহুৱা বা ব্যক্তিগত চিকিৎসালয় অস্ত্ৰোপচাৰ আৰু শল্য চিকিৎসাৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ জৰিয়তে চৰকাৰে দৰিদ্ৰ

***লিখক হাসমুখ আধিয়া ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া। বৰ্তমান তেওঁ ভাৰত চৰকাৰৰ কেন্দ্ৰীয় বিত্তীয় সচিবৰূপে কাম কৰি আছে।**

জনসাধাৰণৰ বাবে কৰ্কট, হৃদৰোগ বা বৃক্ক বিকল আদিৰ দৰে কেতবোৰ গুৰুতৰ ৰোগৰ ক্ষেত্ৰত সহায় আগবঢ়াব।

কেন্দ্ৰীয় বাজেট ২০১৮-১৯এ কৰ্ম-সংস্থাপন সৃষ্টিৰ আহিলা স্বৰূপ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক সহায় কৰাৰ বাবে বিভিন্ন আঁচনি ঘোষণা কৰিছে। নতুন কৰ্ম সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰে ঘোষণা কৰা অনুসৰি নিয়োগকৰ্তাই আগবঢ়োৱা দৰমহাৰ ১২ শতাংশ চৰকাৰে দিব, অতিৰিক্তভাৱে আয়কৰ আইনৰ অধীনত নতুন নিয়োগৰ দৰমহা ব্যয়ৰ ৩০ শতাংশ ধন ৰেহাই লাভ কৰিব। এই বাজেটত বস্ত্ৰ আৰু চামৰা খণ্ডৰ পৰৱৰ্তী উত্তৰণত গুৰুত্ব আৰোপ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে অতিৰিক্ত বাজেটীয় উৎস আৰু ঋণৰ জৰিয়তে বৰ্তমান আৰু নতুন পথ, ৰে'ল আৰু নগৰীয়া আন্তঃগাঁথনি প্ৰকল্পলৈ নিধি যোগান ধৰিছে। ২০১৭-১৮ বৰ্ষত ৪.৯৪ লাখ কোটি টকাৰ প্ৰস্তাৱিত ব্যয়ৰ বিপৰীতে আগন্তুক বৰ্ষত আন্তঃগাঁথনিৰ বাবে ৫.৯৭ লাখ কোটি টকাৰ মুঠ ব্যয় ধাৰ্য কৰিছে।

জী এছ টী ৰূপায়ণৰ পৰিৱৰ্তনীয় প্ৰভাৱ আৰু পৰোক্ষ কৰৰ দিশত ৰাজহুৱা অনিশ্চয়তাৰ দিশত লক্ষ্য ৰাখি কেন্দ্ৰীয় বাজেটে বিত্তীয় ঘাটি আৰু বিত্তীয় উন্নীতকৰণ পথ সৃষ্টিৰ বাবে পথ মানচিত্ৰ প্ৰস্তুত কৰিছে। ২০১৭-১৮ বৰ্ষৰ বাবে বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ ৩.২ শতাংশৰপৰা মুঠ ঘৰুৱা উৎপাদনৰ ৩.৫ শতাংশ সংশোধন কৰিছে আৰু আগন্তুক বছৰত মুঠ ঘৰুৱা উৎপাদনৰ ৩.৩ শতাংশত ধাৰ্য কৰা হৈছে। ২০১৮-১৯ বৰ্ষত বি-মুদ্ৰাকৰণ আৰু জী এছ টীৰ সু-প্ৰভাৱৰ বাবে আমি ৰাজহ সক্ষমতা পৰৱৰ্তীভাৱে অধিক উন্নতি কৰাৰ আশা পোষণ কৰিছোঁ। ইয়াৰ ফলত চৰকাৰী কাৰ্যসূচীবোৰৰ বাবে নিধিৰ ক্ষেত্ৰত অধিক ধনৰ সুলভতা থাকিব।

সামগ্ৰিকভাৱে এইখন এখন উন্নয়নৰ বাজেট। এই বাজেট গ্ৰাম্য অৰ্থনীতি পুনৰ গঠনৰ বাবে আৰু এই বাজেট নতুন নিয়োগ সৃষ্টিৰ বাবে। ❐

**বাজেট ২০১৮-১৯**

**বাজেট স্নেপশ্বট ঃ মূল**

| কোটিৰ হিচাপত | ২০১৬-১৭ প্ৰকৃত | ২০১৭-১৮ বাজেট নিৰ্দ্ধাৰণ | ২০১৭-১৮ সংশোধিত নিৰ্দ্ধাৰণ | ২০১৮-১৯ বাজেট নিৰ্দ্ধাৰণ |
|---|---|---|---|---|
| ৰাজহ সংগ্ৰহ | ১৩,৭৪,২০৩ | ১৫,১৫,৭৭১ | ১৫,০৫,৪২৮ | ১৭,২৫,৭৩৮ |
| মূলধন সংগ্ৰহ | ৬,০০,৯৯১ | ৬,৩০,৯৬৪ | ৭,১২,৩২২ | ৭,১৬,৪৭৫ |
| মুঠ সংগ্ৰহ | ১৯,৭৫,১৯৪ | ২১,৪৬,৭৩৫ | ২২,১৭,৭৫০ | ২৪,৪২,২১৩ |
| মুঠ ব্যয় | ১৯,৭৫,১৯৪ | ২১,৪৬,৭৩৫ | ২২,১৭,৭৫০ | ২১,৪২,২১৩ |
| ৰাজহ ঘাটি | ৩,৬,৩৮১ | ৩,২১,১৬৩ | ৪,৩৮,৮৭৭ | ৪,১৬,০৩৪ |
| চকুত লগা ৰাজহ ঘাটি | ১,৫০,৬৪৮ | ১,২৫,৮১৩ | ২,৪৯,৬৩২ | ২,২০,৬৮৯ |
| বিত্তীয় ঘাটি | ৫,৩৫,৬১৮ | ৫,৪৬,৫৩১ | ৫,৯৪,৮৪৯ | ৬,২৪,২৭৬ |
| প্ৰাথমিক ঘাটি | ৫৪,৯০৪ | ২৩,৪৫৩ | ৬৪,০০৬ | ৪৮,৪৮১ |

**মাৰ্কেট ষ্টেবিলাইজেশ্বন স্কীমৰ অধীনৰ সংগ্ৰহ বহিৰ্ভূত** **পী আই বী/কে বী কে**

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

এপ্ৰিল ২০১৮ — **উত্তৰ পূৰ্বাঞ্চল**

মেই ২০১৮ — **পৰিপুষ্টি**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# অৰ্থনীতি পুনৰুজ্জীৱিতকৰণ

জে ডী আগৰৱালা*

এইবাৰৰ বাজেট সাম্প্ৰতিক আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক প্ৰেজ্ঞাপটত বিশ্লেষণ কৰা হ'ব। চৰকাৰে যোৱা ৪ বছৰে গ্ৰহণ কৰা বহু গাঁথনিগত বৃহৎ সংস্কাৰৰ বাবে ২০১৭-১৮ বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬.৭৫ শতাংশ হৈছে। ২০১৮-১৯ বৰ্ষত ই বৃদ্ধি হৈ ৭.৫ শতাংশ স্পৰ্শ কৰিব বুলি আশা কৰা হৈছে। ২০১৬ চনৰ নৱেম্বৰত বি-মুদ্ৰাকৰণ, ২০১৭ চনৰ ১ জুলাইত ৰূপান্তৰকামী সামগ্ৰী আৰু সেৱা কৰৰ প্ৰৱৰ্তন, নতুন ভাৰতীয় দেউলীয়াপনা নীতি, আধাৰ কাৰ্ড প্ৰৱৰ্তন, প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ উদাৰীকৰণ, ৰুগ্ন ৰাজহুৱা খণ্ডৰ বেংক সৰলীকৰণৰ বাবে ৮৮ হাজাৰ কোটি টকাৰ পুনৰমূলধনীকৰণ পেকেজ আদিৰ ফলত দ্বিতীয় অৰ্দ্ধত অৰ্থনৈতিক ত্বৰণ পৰিলক্ষিত হয়। ৭.২ শতাংশলৈ বৃহৎ অৰ্থনৈতিক বিকাশ, সুস্থিৰ মুদ্ৰাস্ফীতি (যোৱা ছবছৰত সৰ্বনিম্ন, বিত্তীয় অৱস্থা দৃঢ়কৰণ, ক্ষুদ্ৰ অৰ্থনীতিৰ সুস্থিৰতা আৰু ৪০৯.৪ বিলিয়ন ডলাৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰৰ বাবে বিকাশৰ হাৰ ১৪.১ শতাংশ আৰু নিৰ্বিনিয়োগ ১ লাখ কোটি হৈছেগৈ। আধাৰৰ ভিত্তিত প্ৰত্যক্ষ লাভ স্থানান্তৰকৰণৰ বাবে অনুদান ৬৫ হাজাৰ কোটি টকা জমা হৈছে। এইবোৰ ভাৰতীয় অৰ্থনীতিৰ পুনৰুদ্যমতা সূচায়। দৰাচলতে ভাৰতীয় অৰ্থনীতি বিশ্বৰ শ্ৰেষ্ঠ ফলপ্ৰসূ অৰ্থনীতি সমূহৰ অন্যতম। মই জনাবলৈ পাই সুখী হৈছোঁ যে বি-মুদ্ৰাকৰণ আৰু জী এছ টীৰ দৰে গাঁথনিগত সংস্কাৰৰ বাবে হোৱা বিঘিনিয়ে অৰ্থনীতিৰ বিকাশ বা অন্য ক্ষুদ্ৰ অৰ্থনৈতিক স্থিৰাংকত গুৰুতৰ বিৰূপ প্ৰভাৱ পেলাব নোৱাৰিলে।

অৱশ্যে অৰ্থনীতিৰ সন্মুখত কেতবোৰ প্ৰত্যাহ্বান দেখা দিয়ে, যেনে— ২০১৭-১৮ বৰ্ষত কৃষি বিকাশৰ নিম্ন হাৰ (২.১ শতাংশ)। ২০১৬-১৭ বৰ্ষত ২৭৫.৭ নিযুত টন খাদ্যশস্য আৰু ৩০০ নিযুত টন ফল-মূল, পাচলি উৎপন্ন হোৱা সত্বেও কৃষিৰ বিকাশৰ হাৰ নিম্নগামী পৰিলক্ষিত হ'ল। প্ৰধান মন্ত্ৰীৰ আশংকা দূৰ কৰিবলৈ কৃষকৰ আয় বৃদ্ধি, কৃষি পামৰ উৎপাদনশীলতা বৃদ্ধি, কৃষিৰ কাৰ্যকাৰিতা বঢ়োৱা, শিক্ষা আৰু স্বাস্থ্যৰ বিস্তাৰ, নিযুক্তি সৃষ্টি, বিনিয়োগ আৰু ৰপ্তানি বৃদ্ধি, দৰিদ্ৰতা দূৰীকৰণ, গ্ৰামাঞ্চলত বিদ্যুৎ আৰু খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হৈছে। আন এটা প্ৰত্যাহ্বান হ'ল ৰাজহুৱা খণ্ডৰ বেংকত বৃহৎপৰিমাণৰ অনুৎপাদনশীল সম্পদ (এন পী এ) আৰু মূলধনীকৰণৰ সমস্যা, যাৰ বাবে বেংকসমূহত মূলধন বিনিয়োগ বৃদ্ধি প্ৰয়োজনীয় হৈ পৰে।

সাম্প্ৰতিক বাজেটখন যোৱা ৪ টা বছৰৰ গাঁথনিগত সংস্কাৰ আৰু সাফল্যৰ প্ৰেক্ষাপটত উপস্থাপন কৰা হৈছে। অৰ্থনীতিৰ সন্মুখত দেখা দিয়া প্ৰত্যাহ্বানৰ কথা মনত ৰাখি বাজেটখন প্ৰস্তুত কৰা হৈছে। কৃষিখণ্ডক শক্তিশালী কৰা ,গ্ৰামোন্নয়ন, স্বাস্থ্য শিক্ষাৰ উন্নতি কৰাৰ লগতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যমিতা আৰু অন্যান্য আন্তঃগাঁথনিগত খণ্ডৰ উন্নয়নৰ বাবে প্ৰধান মন্ত্ৰীৰ লক্ষ্য আগত ৰাখি এই বাজেটত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**১। অৰ্থনৈতিক বিকাশ আৰু ৰাজহ ব্যৱস্থা দৃঢ়কৰণ ঃ**

এই বছৰৰ বাজেট অনুসৰি ভাৰতৰ অৰ্থনীতি ২.৫ ট্ৰিলিয়ন টকাৰ অৰ্থনীতি। বিত্ত মন্ত্ৰীয়ে সঠিকভাৱেই ৮ শতাংশ বিকাশৰ হাৰৰ লক্ষ্য স্থিৰ কৰি লৈছে আৰু ২০১৮-১৯ বৰ্ষৰ কালছোৱাত ৭.২ শতাংশৰপৰা ৭.৪ শতাংশ বিকাশৰ হাৰৰ লক্ষ্য অৰ্জন কৰিব বুলি আশা কৰিছে। বিশ্ব অৰ্থনীতিৰ বিকাশলৈ ইতিবাচক অৰিহণা যোগাই ২০১৮-১৯ বৰ্ষত ভাৰত দ্ৰুততম বিকাশশীল অৰ্থনীতিৰ দেশসমূহৰ এখন হোৱাৰ লক্ষ্য প্ৰাপ্তিৰ পথত আগবাঢ়িছে। 'মেইক্ ইন ইণ্ডিয়া' অভিযানৰ লক্ষ্য আগত লৈ কৃষি আৰু উদ্যোগ খণ্ডত কাংক্ষিত বিকাশ অৰ্জন কৰিবলৈ সঠিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

দেশৰ মুঠ ঘৰুৱা উৎপাদনতে ৩.২ শতাংশ ৰাজহ ঘাটি থকালৈ বিত্ত মন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে। ২০১০ চনৰ ৬.৪ শতাংশৰপৰা ৰাজহ ঘাটি আন্তঃৰাষ্ট্ৰীয়-ভাৱে গ্ৰহণযোগ্য স্তৰলৈ নমাই অনা হৈছে। ৰাজহ ঘাটি হ্ৰাস কৰাৰ বাবে

*লিখক জে ডী আগৰৱাল বিত্ত বিভাগৰ বিশিষ্ট অধ্যাপক, ভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু সঞ্চালক আৰু ফাইনেন্স ইণ্ডিয়াৰ মুখ্য সম্পাদক।

অবিৰাম প্ৰচেষ্টাৰ ফলত ভাৰতৰ 'সৰ্বোচ্চ স্থান' যোৱা বছৰ উন্নীত হৈছে। 'সৰ্বোচ্চ স্থান' আৰু ব্যৱসায় কৰাটো অধিক সুচল হোৱা, খুচুৰা ব্যৱসায়ত ১০০ শতাংশ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ অনুমোদন আৰু অন্যান্য গাঁথনিগত সংস্কাৰৰ বাবে স্থিৰ কৰা লক্ষ্য অনুসৰি বিকাশৰ হাৰ অৰ্জন কৰাটো সম্ভৱপৰা হৈছে।

১৪.৩৪ লাখ কোটি টকা কেৱল গ্ৰামাঞ্চলত জীৱিকা সৃষ্টি আৰু সামাজিক কল্যাণমূলক আঁচনিসমূহৰ বাবেই আবণ্টিত হৈছে। ই অতি প্ৰগতিশীল পদক্ষেপ, ভৱিষ্যৎমুখী আৰু 'গৰিবী হটাও' অভিযানৰ লক্ষ্য প্ৰাপ্তিৰ সঠিক দিশে উচিত পদক্ষেপ। গাঁথনিগত পৰিৱৰ্তনৰ ফলত হোৱা উপকাৰিতা আৰু সু বিকাশ কৃষকে পাব পৰাকৈ বিভিন্ন আঁচনিৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱ প্ৰশংসনীয়। দৰিদ্ৰ আৰু সমাজৰ বিপন্ন শ্ৰেণীৰ বাবেও এয়া উৎসাহবৰ্দ্ধক। এইবাৰৰ বাজেটত এই দিশসমূহত গুৰুত্ব প্ৰদান কৰিছে।

## ২। কৃষি আৰু গ্ৰাম্য অৰ্থনীতি ঃ

ভাৰতৰ অৰ্থনীতি এতিয়াও কৃষিভিত্তিক—য'ত প্ৰায় ৪৯ শতাংশ লোকেই কৃষিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। ভাৰতৰ অধিকাংশ লোকেই গাঁৱত বাস কৰে। অতীতৰ পৰাই চৰকাৰে কৃষি আৰু গ্ৰাম্য উন্নয়নত অবিৰাম গুৰুত্ব প্ৰদান কৰি আহিছে যদিও কৃষিৰ সৈতে জড়িত আৰু গ্ৰামাঞ্চলত বাস কৰা জনসাধাৰণ দাৰিদ্ৰ্যৰ কৱলত পৰা নিস্তাৰ নোপোৱাৰ লগতে গ্ৰাম্য আৰু সামাজিক আন্তঃগাঁথনিৰ উন্নীতকৰণৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। শিক্ষা আৰু স্বাস্থ্য সুবিধাৰ ক্ষেত্ৰতো গ্ৰামঞ্চলৰ জনগণে প্ৰাপ্য অধিকাৰ এতিয়াও পোৱা নাই। বিত্ত মন্ত্ৰীয়ে সঠিকভাৱেই গ্ৰাম্য আৰু কৃষি অৰ্থনীতি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। অতি অভিলাষী লক্ষ্য ২০২২ চনলৈ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধান মন্ত্ৰীৰ আকাংক্ষাৰ সৈতে সংগতি ৰাখি কৃষকসকলে যাতে অধিক আয় লাভ কৰিব পাৰে তাৰ বাবে কম ব্যয়ত অধিক উৎপাদনৰ লগতে তেওঁলোকে যাতে উৎপাদিত সামগ্ৰীৰ অধিক মূল্য লাভ কৰিব পাৰে সেই দিশত বিত্ত মন্ত্ৰীয়ে যথোচিত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় কৃষকসকলে কৰা কষ্টৰ বিনিময়ত উচিত মূল্য লাভ কৰা। তদুপৰি বজাৰৰ সৈতে যোগাযোগ ব্যৱস্থা উন্নীত কৰাটোও সমানেই আৱশ্যকীয়।

এই প্ৰেক্ষাপটত বিত্ত মন্ত্ৰীয়ে প্ৰস্তাৱ দাঙি ধৰিছে যে খাৰিফ শস্যৰে বাবে ন্যূনতম বিক্ৰী মূল্য (এম এছ পি) ২৩ বিধ উৎপাদিত সামগ্ৰীৰ সকলোতে উৎপাদন ব্যয়ৰ প্ৰায় ১.৫ গুণ অধিক স্থিৰ কৰা হওক। তেওঁ কৃষিজাত সামগ্ৰীৰ বজাৰখনৰ বাবে ২ হাজাৰ কোটি টকা আবণ্টন কৰিছে। তদুপৰি ভৱিষ্যতৰ বাবে অতিৰিক্ত ৫০০ কোটি টকা 'সেউজ অভিযান'ৰ বাবে মঞ্জুৰ কৰি কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিত উৎসাহ প্ৰদান কৰা হৈছে।

অধিক সংখ্যক কৃষকেই ক্ষুদ্ৰ আৰু উপান্ত হোৱা বাবে উৎপাদন বৃদ্ধিৰ বাবে কৃষি ঋণৰ সুবিধা বৃদ্ধি কৰা হৈছে। কৃষি ঋণ ৮.৫ লাখ কোটিৰপৰা ১১ লাখ কোটি টকালৈ বৃদ্ধিৰ লক্ষ্যই কৃষক-সকলক বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত কৃষকক প্ৰভূতভাৱে সহায় কৰিব। অৱশ্যে লক্ষ্য স্থিৰ কৰা অনুসৰি যাতে কৃষকে ঋণ লাভ কৰে সেই দিশটো নিশ্চিত কৰা দৰকাৰ। তদুপৰি বিত্ত মন্ত্ৰীয়ে সংশ্লিষ্ট ক্ষেত্ৰ, যেনে মীনমহল আৰু পশু পালনৰ বাবেও কৃষক ঋণৰ সুবিধা প্ৰদানৰ প্ৰস্তাৱ দাঙি ধৰিছে। মীন মহলৰ কৃষি উন্নয়নৰ বাবে এহাজাৰ কোটি আৰু পশু পালনৰ বাবে এহাজাৰ কোটি টকাৰ পুঁজি প্ৰস্তুত কৰাৰ চিন্তা-চৰ্চা চলিছে। এই পুঁজি গঠন হ'লে এই খণ্ডসমূহত জড়িত থকা লোকসকলক সহায় কৰিব পৰা যাব আৰু এই সুবিধাই তেওঁলোকৰ উপাৰ্জন বৃদ্ধিতো অৰিহণা যোগাব।

৮৬ শতাংশ ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে সম্প্ৰতি ২২ হাজাৰ 'গ্ৰাম্য হাট' গ্ৰামীণ কৃষি বজাৰলৈ উন্নীতকৰণ আৰু উন্নয়নৰ বাবে বিত্ত মন্ত্ৰীয়ে কৰা ঘোষণাই কৃষি উৎপাদন-শীলতা বৃদ্ধিত প্ৰভূত পৰিমাণে সহায় কৰিব। তদুপৰি ১২৯০ কোটি টকা বিনিয়োগেৰে ৪২ খন মেগা ফুড পাৰ্ক' স্থাপন কৰাৰ সিদ্ধান্তয়ো ক্ষুদ্ৰ কৃষকক সঞ্জীৱনী প্ৰদান কৰিব। শস্য চপোৱাৰ পাছত কৰ ৰেহাইৰ সুবিধা আৰু কৃষি সামগ্ৰী উৎপাদন কৰা কোম্পানীক ১০০ শতাংশ কৰ ৰেহাই প্ৰদানে কৃষি উৎপাদন বৃদ্ধিত সহায় কৰিব। তদুপৰি ১০০ বিলিয়ন ডলাৰ মূল্যৰ সম্ভাব্য কৃষি সামগ্ৰী ৰপ্তানিৰ লক্ষ্যই যথাসময়ত কৃষকৰ উপাৰ্জন বৃদ্ধি কৰিব। কৃষি-ক্ষেত্ৰত জলসিঞ্চনৰ বাবে সৌৰ শক্তি চালিত পানীৰ পাম্প স্থাপন কৰি কৃষকক সকাহ দিয়াৰ ব্যৱস্থাও বাজেটত ৰখা হৈছে। আৰু এই পদক্ষেপ প্ৰশংসনীয়। 'কিষাণ ক্ৰেডিট কাৰ্ড'ৰ সুবিধা মীনমহল আৰু পশু পালনত জড়িত কৃষকলৈ সম্প্ৰসাৰিত কৰাৰ ফলত কাৰ্যকৰী মূল ধনৰ চাহিদা পূৰণ হোৱাৰ লগতে তেওঁলোকৰ উপাৰ্জনো বৃদ্ধি হ'ব।

## ৩। গ্ৰাম্য অৰ্থনীতি ঃ

বিভিন্ন আঁচনিত ধন আবণ্টনেৰে বিত্ত মন্ত্ৰীয়ে গ্ৰাম্য অৰ্থনীতিত গঞা-

সকলক দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰলৈ নিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে। বাজেটৰ মানৱীয় দিশ এইটোৱেই। দৰিদ্ৰ মহিলাৰ বাবে মুকলি কৰা উজ্জ্বলা আঁচনিৰ অধীনত বিত্ত মন্ত্ৰীয়ে ৮ কোটি এল পি জি সংযোগ বিনামূলীয়াকৈ প্ৰদান কৰি নিঃস্বজনৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। ১৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ সৌভাগ্য যোজনাৰ অধীনত ৪ কোটি পৰিয়ালৰ বাবে বিনামূলীয়া বিদ্যুৎ সংযোগ সুবিধা প্ৰদান কৰা হৈছে। ইয়াৰ ফলত কাঠখৰি দহন আৰু ইয়াৰ ফলত হোৱা বন ধ্বংস হ্ৰাস কৰাটো সম্ভৱপৰ হ'ব। ২০২২ চনলৈ সকলোৰে বাবে ঘৰৰ লক্ষ্য পূৰাবলৈ ২০১৯ চনলৈ ১ কোটিৰো অধিক ঘৰ গ্ৰামাঞ্চলত নিৰ্মাণ কৰা হ'ব। স্বচ্ছ ভাৰত অভিযানৰ অধীনত ইতিমধ্যে নিৰ্মাণ কৰা ৬ কোটি শৌচাগাৰৰ উপৰি আৰু এক কোটিৰো অধিক শৌচাগাৰ নিৰ্মাণ কৰিবলৈ লোৱা পদক্ষেপ আদৰণীয়। 'ৰাষ্ট্ৰীয় জীৱিকা'ৰ বাবে ৫৭৫০ কোটি টকা আৰু সামাজিক সুৰক্ষা আঁচনিৰ বাবে ৯,৯৭৫ কোটি টকা আবণ্টন দিয়াটো শলাগনীয় ব্যৱস্থা। এই আঁচনিসমূহে ভাৰতীয় মহিলাৰ মৰ্যাদা অটুট ৰখাত অধিক সহায় কৰিব।

অৱশ্যে সন্দেহৰ অৱকাশ থাকিব পাৰে যে এনে প্ৰশংসনীয় লক্ষ্য পূৰণ কৰাটো সম্ভৱ হ'ব নে নহয়; কাৰণ মাজে-সময়ে কাৰ্যকৰী ৰূপায়ণৰ অভাৱ পৰিলক্ষিত হয়। তৃণমূল পৰ্যায়ত দুৰ্নীতি চলি থকা বাবে চৰকাৰী আঁচনিৰ সুবিধাসমূহ হিতাধিকাৰীয়ে লাভ কৰাত বিঘিনি ঘটে।

### ৪। শিক্ষা, স্বাস্থ্য আৰু সামাজিক সুৰক্ষা ঃ

বহনক্ষম সমাজ গঢ়িবলৈ শিক্ষা আৰু স্বাস্থ্য এটা জাতিৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয়। শিক্ষাই জাতিৰ সম্পদলৈ অৰিহণা আগবঢ়াবলৈ মানৱ সম্পদ ব্যৱহাৰ কৰিবলৈ সুবিধা দিয়াৰ লগতে ভাল জীৱন যাপন কৰিবলৈ উপাৰ্জনক্ষম কৰি তুলিবলৈ সক্ষমতা প্ৰদান কৰে। সুস্বাস্থ্যই এই মানৱ সম্পদৰ বহন ক্ষমতা অক্ষুণ্ণ ৰখাত সহায় কৰে। বিশ্বলৈ প্ৰকৃতিৰ অতি গুৰুত্ব পূৰ্ণ উপহাৰসমূহৰ ই অন্যতম। মই সুখী যে স্বাস্থ্য, শিক্ষা আৰু নিযুক্তিক লৈ বিত্ত মন্ত্ৰীয়ে যথেষ্ট চিন্তা-চৰ্চা কৰিছে। স্বাস্থ্য খণ্ডলৈ মুঠ ঘৰুৱা উৎপাদনৰ শতাংশৰূপে আবণ্টন 'ব্ৰিক' দেশসমূহৰ তুলনাত কম। উদাহৰণস্বৰূপে চীনে মুঠ ঘৰুৱা উৎপাদনৰ ৩.২ শতাংশ স্বাস্থ্য খণ্ডত ব্যয় কৰাৰ বিপৰীতে ভাৰতৰ এই খণ্ডত ব্যয় ১.৪ শতাংশ।

শিক্ষাৰ আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে ১ লাখ কোটি টকা আবণ্টন, পৰিকল্পনা আৰু স্থাপত্যৰ বাবে দুটা নতুন শিক্ষানুষ্ঠান স্থাপন, প্ৰতি তিনিটা সংসদীয় সমষ্টিৰ বাবে একোখনকৈ চিকিৎসা মহাবিদ্যালয়ৰ লক্ষ্যৰে ২৪ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ঘোষণা আৰু চিকিৎসালয়সমূহক চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা পদক্ষেপে দেশৰ চুকে-কোণে চিকিৎসাৰ সুধিবা প্ৰদান আৰু চিকিৎসা শিক্ষাৰ প্ৰসাৰ বৃদ্ধিত সহায় কৰিব। একেদৰে ২০২০ চনলৈ ৫০ লাখ যুৱকক বৃত্তি প্ৰদান কৰাটো প্ৰশংসনীয় আৰু এই ব্যৱস্থাই মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক চিকিৎসা বিজ্ঞানৰ লগতে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ কেইখনমান অভিজাত শিক্ষানুষ্ঠানত অধ্যয়ন কৰাৰ সুযোগ প্ৰদান কৰিব।

'আয়ুষ্মান ভাৰত' আঁচনিৰ অধীনত ১,২০০ কোটি টকাৰে ঘৰৰ ওচৰত স্বাস্থ্যসেৱাৰ সুবিধা গ্ৰহণ কৰিব পৰাকৈ ১.৫ লাখ স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থাও এই বাজেটত অন্তৰ্ভুক্ত কৰা হৈছে আৰু এই পদক্ষেপ উল্লেখনীয়। একেদৰে যক্ষ্মা ৰোগীৰ বাবে পুষ্টিকৰ খাদ্যৰ যোগানৰ বাবে বৃহৎ অংকৰ ধনৰাশিৰ আবণ্টন দিয়াটোও এই বাজেটৰে আদৰণীয় বৈশিষ্ট্য।

বিত্তমন্ত্ৰীয়ে বিশ্বৰ সৰ্ববৃহৎ চৰকাৰী স্বাস্থ্যসেৱা আঁচনি 'ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি ঘোষণা কৰি ১০ কোটি দৰিদ্ৰ আৰু বিপন্ন পৰিয়ালৰ বাবে সঞ্জীৱনী প্ৰদান কৰিছে। ইয়াৰ ফলত ১০ কোটি পৰিয়ালৰ প্ৰায় ৫০ কোটি হিতাধিকাৰী উপকৃত হ'ব। এই আঁচনিৰ অধীনত প্ৰতিটো পৰিয়ালৰ বাবে প্ৰতি বছৰে ৫ লাখ টকালৈ সামৰি দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসাধীন হোৱাৰ সুবিধা প্ৰদান কৰা হ'ব। এয়া প্ৰশংসনীয় পদক্ষেপ। এই আঁচনিয়ে বীমা ব্যৱসায়ত উৎসাহ বৰ্দ্ধনৰ লগতে দেশত নিযুক্তি সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিব।

স্বাস্থ্য সেৱাৰ বাবে ১.৫ লাখ স্বাস্থ্য কেন্দ্ৰ আৰু চিকিৎসা মহাবিদ্যালয় স্থাপন তথা চৰকাৰী স্বাস্থ্য সেৱা আঁচনিৰ সুবিধাই অধিক নিযুক্তি সৃষ্টি কৰাৰ লগতে দেশবাসীৰ স্বাস্থ্যৰ যতন লোৱাত সহায় কৰিব। এই ব্যৱস্থাই চিকিৎসাৰ বাবে মহানগৰীলৈ গৈ অসুবিধাৰ সন্মুখীন হোৱাতকৈ ঘৰৰ ওচৰতে বিভিন্ন প্ৰান্তৰ লোকসকলক উন্নত মানৰ চিকিৎসা গ্ৰহণৰ সুবিধা প্ৰদান কৰিব।

প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ অধীনত থকা ১৬ কোটি একাউণ্টৰ আটাইবিলাকে ক্ষুদ্ৰ বীমা আৰু পেন্সনৰ আঁচনিৰ অন্তৰ্ভুক্ত কৰাটো সুচিন্তিত পদক্ষেপ। সামাজিক অন্তৰ্ভুক্তি আঁচনিৰ অধীনত অনুসূচিত জাতিৰ কল্যাণৰ বাবে ৫২,৭১৯ কোটি আৰু অনুসূচিত জনজাতি কল্যাণৰ বাবে ৩৯,১৩৯ কোটি

টকাৰ আবণ্টনে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোক-সকলক যথেষ্ট সকাহ দিব। ৫০ শতাংশতকৈ অধিক অনুসূচিত জনজাতিৰ লোক থকা প্ৰতিটো উন্নয়ন খণ্ডৰ বাবে নৱোদয় বিদ্যালয় মানবিশিষ্ট একলব্য বিদ্যালয় স্থাপন কৰা হ'ব। নতুনকৈ নিযুক্তিপ্ৰাপ্ত কৰ্মচাৰীৰ সৰলীকৰণৰ বাবে সকলো খণ্ডতে পাছৰ ৩ বছৰৰ বাবে কৰ্মচাৰীৰ ভৱিষ্যনিধি (ই পী এফ) লৈ দৰমহাৰ ১২ শতাংশ ধন জমা কৰা হ'ব। মহিলাৰ বাবে ই পি এফলৈ অৰিহণা প্ৰথম ৩ বছৰৰ বাবে ৮ শতাংশলৈ হ্ৰাস কৰা হৈছে।

**৫। আন্তঃগাঁথনি আৰু উদ্যোগ ঃ**

অৰ্থনীতি বিকাশ ত্বৰান্বিত কৰিব পৰা আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিত্ত মন্ত্ৰীয়ে আন্তঃগাঁথনিত বিনিয়োগ কৰা সন্দৰ্ভতো চিন্তা ব্যক্ত কৰিছে। তেওঁ ২০১৮-১৯ বৰ্ষৰ বাবে আন্তঃগাঁথনি শিতানত ৫.৯৭ লাখ কোটি টকালৈ আবণ্টন বৃদ্ধি কৰিছে। স্থল পথ, বায়ু পথ, ৰে'লপথ, বন্দৰ আৰু আভ্যন্তৰীণ জল পৰিবহণেৰে সমগ্ৰ দেশক সংযোগ কৰিব পৰাকৈ আন্তঃগাঁথনি গঢ়ি তোলাত গুৰুত্ব প্ৰদান কৰা হৈছে। পৰ্যটন উদ্যোগক অধিক গতিশীল কৰি তুলিবলৈ দহটা প্ৰধান পৰ্যটনথলীক উপাস্য পৰ্যটনথলী-ৰূপে গঢ় দিবলৈ বাজেট প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। আন্তঃগাঁথনি আৰু দক্ষতা বিকাশ, প্ৰযুক্তিৰ উন্নয়ন, আকৰ্ষণীয় ব্যক্তিগত বিনিয়োগ, ব্ৰেণ্ডিং আৰু বিপণনকে ধৰি সামগ্ৰিক ব্যৱস্থা গ্ৰহণ কৰি এই দিশত আগবঢ়াৰ বিষয়ে গুণা-গঁথা কৰা হৈছে। ইয়াৰ ফলত নিযুক্তি সৃষ্টি আৰু বিকাশ বৃদ্ধি হ'ব।

দেশৰ ৰে'লসেৱা, বিমান পৰিবহন সেৱা আৰু অৰ্থনীতিক ডিজিটেল ৰূপ প্ৰদান কৰিবলৈ বাজেটত বৃহৎ অংকৰ ধন আবণ্টন কৰা হৈছে। নিৰাপত্তাৰক্ষী-বিহীন ৰে'ল ক্ৰছিং আঁতৰোৱা, এছকেলেটৰ নিৰ্মাণ, ৱাই-ফাই আৰু চী চী টীভী কেমেৰা স্থাপনৰ বাবে ধন ধাৰ্য কৰা হৈছে। মুম্বাই ৰে'লপথৰ বাবে ১১ হাজাৰ কোটি টকা আৰু বেংগালুৰু মেট্ৰ'ৰ বাবে ১৭ হাজাৰ কোটি টকা ধাৰ্য কৰি এই দুখন মেট্ৰ' মহানগৰীৰ প্ৰয়োজন পূৰাবলৈ চেষ্টা কৰা হ'ব।

গাঁওসমূহত অধিক ব্ৰডবেণ্ডৰ প্ৰসাৰ, ৫ কোটি গঞা লোকৰ বাবে নেট যোগাযোগ বৃদ্ধি কৰিবলৈ ৫ লাখ ৱাইফাই হটস্পট স্থাপনৰ চৰকাৰী প্ৰস্তাৱ আৰু দূৰসংযোগ আন্তঃগাঁথনিৰ বাবে ২০১৮-১৯ বৰ্ষত ১০ হাজাৰ কোটি টকাৰ আবণ্টনেৰে চৰকাৰৰ ডিজিটেল ভাৰত' কাৰ্যসূচী আগবঢ়াই নিয়া হ'ব।

কোম্পানীসমূহৰ ৯৯ শতাংশই ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ। বিত্তমন্ত্ৰী ইয়াক লৈ যথেষ্ট সজাগ আৰু এইসমূহৰ ঋণ কৰ ৰেহাই আৰু মূলধনী সাহায্য প্ৰদানৰ বাবে বিত্তমন্ত্ৰীয়ে ৩,৭৯৪ কোটি টকা আবণ্টন দিছে। কাৰখানা আৰু যন্ত্ৰ-পাতিত ব্যয় কৰা ধনৰ পৰিমাণ ৫০ কোটিৰপৰা ২৫০ কোটি টকালৈ উচ্চসীমা বৃদ্ধি কৰি এম এছ এম ইক নতুনকৈ শ্ৰেণীৰদ্ধ কৰা হৈছে। ২৫ শতাংশলৈ কৰ ৰেহাই হ্ৰাস কৰি ব্যৱসায় কৰাত সহজ হৈছে। ইয়াৰ ফলত ব্যৱসায়ৰ বিকাশ হোৱাৰ লগতে জী এছ টীৰ সৈতে খাপ খুৱাব পৰা হৈছে। বিত্ত মন্ত্ৰীয়ে এম এছ এম ইৰ বাবে মুদ্ৰা ঋণ শিতানত ৩ লাখ কোটি টকা ধাৰ্য কৰিছে। তদুপৰি বস্ত্ৰ খণ্ডত ২০১৮-১৯ বৰ্ষত ৭,১৪৮ কোটি টকা আবণ্টন দিয়া বাবে নিযুক্তি সৃষ্টি আৰু বিকাশ ত্বৰান্বিত হ'ব।

**৬। নিযুক্তি ঃ**

শিক্ষিত নিবনুৱাৰ অতি উচ্চ হাৰৰ বাবে হতাশাত ভোগা যুৱক-যুৱতী-সকলৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দৰকাৰ। এইবাৰৰ বাজেটত নিযুক্তি সৃষ্টিৰ বাবে ৭০ লাখ আনুষ্ঠানিক চাকৰিৰ ব্যৱস্থা কৰা হৈছে। আন্তঃগাঁথনি, পথ, ৰে'লপথ, বিমান বন্দৰ, হেলিপেড, গ্ৰাম্য আন্তঃগাঁথনিত বিনিয়োগ কৰাৰ লগতে গ্ৰামাঞ্চলৰ সৈতে নগৰাঞ্চলৰ সংযোগ-কৰণৰ জৰিয়তে নিযুক্তিৰ সংখ্যা বৃদ্ধি কৰি জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। নিযুক্তি সৃষ্টি কৰিবলৈ বাজেটত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চৰকাৰে ৰাষ্ট্ৰীয় শ্ৰম বিনিময় কেন্দ্ৰ স্থাপন কৰাৰ বিষয়ে চিন্তা কৰিব পাৰে। দেশৰ নিবনুৱা সমস্যাৰ মোকাবিলা কৰিবলৈ 'ফাইনেন্স ইণ্ডিয়া'ত প্ৰকাশিত ভাৰতীয় বিত্ত প্ৰতিষ্ঠানৰ সমীক্ষাত এই কথা উনুকিয়াই দিয়া হৈছে।

কৃষি, শিক্ষা, স্বাস্থ্য আৰু আন্তঃগাঁথনিৰ অধীনত সামাজিক কল্যাণ আঁচনিসমূহৰ বাবে বৃহৎ অংকৰ ধন আবণ্টন দিয়াৰ লগতে ৮০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ মধ্যমীয়া লক্ষ্য স্থিৰ কৰা সত্বেও বিত্ত মন্ত্ৰীয়ে অধিক কৰৰ বোজা আৰোপ নকৰাকৈ ৰাজহ ঘাটি ৩.৩ শতাংশ আৰু মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ৭.২ শতাংশৰ-পৰা ৭.৪ শতাংশৰ ভিতৰত অটুট ৰখাটো প্ৰশংসনীয়।

**৭। কৰ প্ৰস্তাৱ ঃ**

সুস্থিৰতা বৰ্তাই ৰাখিবলৈ কৰ নীতিৰ ন্যূনতম সাল-সলনিহে আৱশ্যকীয়। সেই অনুসৰি বিত্ত মন্ত্ৰীয়ে ব্যক্তিগত আৰু কৰ্প'ৰেট উভয় কৰেই অপৰিৱৰ্তিত ৰাখিছে। চাকৰিয়াল লোক-সকলক সকাহ প্ৰদান কৰিবলৈ তেওঁ ভ্ৰমণ বানচ প্ৰত্যাহাৰ কৰি ৪০ হাজাৰ টকাৰ 'সাধাৰণ কৰ্তন' প্ৰৱৰ্তন কৰিছে। জ্যেষ্ঠ নাগৰিকৰ প্ৰতি সহৃদয়তা প্ৰদৰ্শনেৰে তেওঁ বেংক আৰু

ডাকঘৰত জমা ১০ হাজাৰ টকাৰ পৰা বৃদ্ধি কৰি ৫০ হাজাৰ টকালৈ কৰ ৰেহাই প্ৰদান কৰিছে (১৯৪ এটা ধাৰাৰ অধীনত)। তদুপৰি তেওঁ স্বাস্থ্য বীমাৰ কিস্তি অথবা চিকিৎসা ব্যয়ৰ কৰ ৰেহাইৰ ঊৰ্দ্ধসীমা ৩০ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰিছে।

তেওঁ সঠিকভাৱেই ইকুইটিৰ ওপৰত নিৰ্ভৰ কৰি দীৰ্ঘম্যাদী মূলধনী লাভত আৰোপিত কৰ ১০ শতাংশ মধ্যমীয়া হাৰ প্ৰৱৰ্তন কৰিছে; কাৰণ এই ধৰণৰ সম্পদৰ গৰাকীৰ উপাৰ্জন ৩.৬ লাখ কোটি টকাৰ ওপৰত কৰ ৰেহাই দিয়াৰ কোনো যুক্তিযুক্ততা নাই। দীৰ্ঘম্যাদী মূলধনী লাভত আৰোপিত কৰ ২০04 চনৰ অক্টোবৰৰ পূৰ্বে থকাৰ দৰে ২০ শতাংশই হোৱা উচিত আছিল। বাজেট প্ৰস্তাৱ অনুসৰি 'ইকুইটি মিউচুৱেল ফাণ্ড'ৰ দ্বাৰা বিতৰণ কৰা সকলো লভ্যাংশই ১০ শতাংশ কৰ দিয়াটো বাধ্যতামূলক। ইয়াৰ ফলত মিউচুৱেল ফাণ্ড প্ৰতিষ্ঠানসমূহে বিনিয়োগকাৰীক দিবলগীয়া মুঠ ধনৰ পৰাই এই অংশ কৰ্তন হ'ব। দীৰ্ঘম্যাদী মূল ধনী লাভৰ বজাৰত পৰিলক্ষিত বিৰূপ প্ৰতিক্ৰিয়া দৰাচলতে যুক্তিসংগত নহয়। বিশাল সামাজিক সুৰক্ষা আঁচনিসমূহ অব্যাহত ৰাখিবলৈ তেওঁ ১ শতাংশ শিক্ষা উপকৰৰ প্ৰস্তাৱ দাঙি ধৰিছে।

অৱশ্যে কৰ ৰেহাইৰ ঊৰ্দ্ধসীমা ৩ লাখ টকালৈ বৃদ্ধি কৰাৰ ফলত ১৫ হাজাৰ কোটি টকাৰ ৰাজহ ক্ষতি হ'ব যদিও স্বপ্নৰ বাজেট' ৰূপে সাব্যস্ত কৰিবলৈ এই পদক্ষেপ আৱশ্যকীয়। এই ক্ষতি পূৰাবলৈ দীৰ্ঘম্যাদী মূলধনী লাভৰ ওপৰত আৰোপিত কৰ ২০ শতাংশলৈ বৃদ্ধি কৰিব পৰা গ'লহেঁতেন।

বিকাশ আৰু নিযুক্তিৰ সুবিধাৰ বাবে তেওঁ ২৫০ কোটি টকালৈ বাৰ্ষিক ব্যৱসায় কৰা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত আৰোপিত কৰৰ হাৰ ২৫ শতাংশলৈ হ্ৰাস কৰিছে। ব্যক্তিগত কৰাৰোপ আৰু এই প্ৰস্তাৱৰ ফলত ৫,৯৯৫ কোটি টকাৰ ৰাজহ ক্ষতি হ'ব।

অৱশ্যে 'মেইক ইন ইণ্ডিয়া'ক উৎসাহিত কৰা আৰু ৰাজহ বিবেচনাৰ বাবে তেওঁ সীমাশুল্ক ২.৫ শতাংশৰপৰা ১০ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ দাঙি ধৰিছে। এই বৃদ্ধিৰ আওতাত পৰা বিভিন্ন সামগ্ৰীসমূহ হ'ল সুগন্ধি আৰু স্নানাগাৰত ব্যৱহৃত দ্ৰব্য (১০শতাংশ), যান-বাহন আৰু যান-বাহনৰ যন্ত্ৰাংশ (৫ শতাংশ), জোতা-চেণ্ডেল (১০ শতাংশ), নকল অলংকাৰ (৫ শতাংশ), ইলেক্ট্ৰনিক/ হাৰ্ডৱেৰ (৫ শতাংশ), আচবাব (১০ শতাংশ), হাত ঘড়ী আৰু দেৱালঘড়ী (১০ শতাংশ), পুতলা আৰু খেলনা গেমছ (১০ শতাংশ), বস্ত্ৰ (১০ শতাংশ), ভেষজ উৎসৰ ভোজ্য তেল (১৫ ৰ পৰা ১৭.৫ শতাংশ) ইত্যাদি। ইয়াৰ লগতে তেওঁ কেতবোৰ সামগ্ৰীত সীমাশুল্ক হ্ৰাস কৰিছে; যেনে—মূল সামগ্ৰী আৰু ইলেক্ট্ৰনিকছ (৫ শতাংশ), চিকিৎসা সঁজুলি, অসংক্ৰাম্য দ্ৰব্য (২.৫ শতাংশ) ইত্যাদি। ইয়াৰ ফলস্বৰূপে সীমা শুল্ক বৃদ্ধি কৰা সামগ্ৰীসমূহৰ দাম বঢ়াৰ বিপৰীতে কেতবোৰ অন্য সামগ্ৰীৰ দাম কমিব।

**সামৰণি ঃ**

বিত্ত মন্ত্ৰীয়ে এই বাজেট অতি সুন্দৰকৈ উপস্থাপনত কৰিবলৈ সক্ষম হৈছে। সামগ্ৰিকভাৱে বজাৰ পৰিচালিত অৰ্থনীতিৰ পৰিবৰ্তে সামাজিক কল্যাণ কেন্দ্ৰিক এই বাজেট দেশৰ ৮০ শতাংশতকৈ অধিক জনসাধাৰণৰ আৱশ্যকতা, প্ৰয়োজন আৰু আকাংক্ষাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হৈছে।

২০১৮-১৯ বৰ্ষৰ বাজেট জনমুখী, প্ৰগতিশীল, ভাৰসাম্যযুক্ত, আৰু সাধাৰণ শৈলীতকৈ পৃথক আৰু ই জনগণৰ আকাংক্ষাৰ প্ৰতি সঁহাৰি জনাব বুলি আশা কৰা হৈছে। কৃষি, গ্ৰামোন্নয়ন, শিক্ষা, নিযুক্তি আৰু বিনিয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বাজেটখন বিকাশকেন্দ্ৰিক ৰূপে পৰিগণিত হ'ব। সকলো অন্তৰায় নেওচি ব্যৱসায় কৰাৰ সুবিধা প্ৰদান, ডিজিটেল অৰ্থনীতিক উৎসাহ বৰ্দ্ধন, বিকাশৰ বাবে অনুকূল পৰিৱেশ গঢ়া, স্থাৱৰ সম্পত্তিৰ ব্যৱসায় খণ্ডৰ সমৃদ্ধি প্ৰদান আৰু কম ব্যয় সাপেক্ষ আবাসনৰ পৃষ্ঠপোষকতাৰ বাবে বিত্তমন্ত্ৰীয়ে যথাসাধ্য প্ৰচেষ্টা চলাইছে। কৃষি আৰু উদ্যোগ খণ্ডৰ লেহেমীয়া বিকাশক ত্বৰান্বিত কৰিবলৈ চৰকাৰে বুজন অংকত ধন ব্যয় কৰিছে।

কৃষকসকলৰ আয় বৃদ্ধি কৰিবলৈ কৃষিক প্ৰযুক্তি কেন্দ্ৰিক কৰি ব্যৱস্থাটোৰ সামগ্ৰিক পৰিৱৰ্তন ঘটোৱাৰ লগতে গাঁথনিগত সংস্কাৰৰ অতি প্ৰয়োজন। অৱশ্যে এয়া বাজেট প্ৰস্তাৱৰ অংশ নহয়। একেদৰে সকলো স্তৰতে শিক্ষা আৰু ন্যায়িক আৰু আইনী সংস্কাৰৰ বাবে গাঁথনিগত সংস্কাৰৰ আৱশ্যক। সম্প্ৰতিক ব্যৱস্থা অৰ্থনীতি আৰু জনসাধাৰণৰ প্ৰয়োজনৰ সৈতে সংগতি ৰাখি চলিব পৰা নাই। নিটি আয়োগে অভিনৱ চিন্তাৰে এই সন্দৰ্ভত সমাধান বিচাৰি উলিওৱাটো সময়ৰ আহ্বান ৰূপে দেখা দিছে। প্ৰচলিত ব্যৱস্থাকেইটাকেই জোৰা-টাপলি মাৰি কোনো মতে চলাই লৈ গ'লেই বাঞ্ছিত ফল পোৱা যাব বুলি আশা কৰিব পৰা নাযায়।

২০১৮-১৯ বৰ্ষৰ বাজেট হ'ল 'গৰিবী হটাও, কিষাণ বচাও' বাজেট। ❐

# এম এছ এম ই ঃ সবলীকৰণৰ চালিকা শক্তি

**অনিল ভৰদ্বাজ***

২০১৮-১৯ৰ কেন্দ্ৰীয় বাজেট বিত্ত মন্ত্ৰীয়ে সংসদত ২০১৮ চনৰ ১ ফেব্ৰুৱাৰীত উপস্থাপন কৰি চাৰিটা খণ্ড— কৃষি আৰু গ্ৰাম্য খণ্ড, আন্তঃগাঁথনি, স্বাস্থ্য সেৱা আৰু এম এছ এম ইৰ জৰিয়তে কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্ব আৰোপ কৰে।

এই নিবন্ধত চাৰিটা দিশত গুৰুত্ব আৰোপ কৰা হয় ঃ এম এছ এম ই। বাজেট উপস্থাপনৰ ঠিক পাছদিনাই বিত্ত মন্ত্ৰীয়ে ক্ৰিচিডেক্স উদ্বোধন কৰি ঘোষণা কৰে যে ভাৰতীয় অৰ্থনীতি শক্তিশালী কৰাৰ বাবে এম এছ এম ইয়ে মন্ত্ৰ হ'ব। শেষত ইয়াক গ্ৰহণ কৰা হয়।

প্ৰতিবছৰে দেশৰ কৰ্মসংস্থাপনৰ বজাৰখনলৈ ১০-১২ নিযুত লোকৰ আগমনৰ বিপৰীতে ভাৰতীয় অৰ্থনীতিয়ে পৰ্যাপ্ত পৰিমাণে কৰ্ম সৃষ্টিত ব্যৰ্থ হোৱাৰ দৰে পৰিস্থিতি ভাৰতবৰ্ষত গা কৰি উঠাৰ বাবে লাহে লাহে এটা সংকটজনক পৰিস্থিতিৰ সৃষ্টি হোৱাটোত কোনো সন্দেহ নাই। স্পষ্টভাৱে ক'বলৈ হ'লে চৰকাৰে মুঠ ঘৰুৱা উৎপাদন ১৫-১৬ শতাংশৰ পৰা অগ্ৰগতি কৰাৰ বাবে নিৰ্মাণ খণ্ডত অংশীদাৰ ২৫ শতাংশলৈ নিয়াৰ পোষকতা কৰিছে। কিন্তু সংস্কাৰ অবিহনে এম এছ এম ইৰ কাৰণে প্ৰত্যাহ্বান সূচক অনুপাতৰ ধাৰাবাহিকতা অব্যাহত থাকিব।

কেন্দ্ৰীয় বাজেট ২০১৮-১৯-এ এই স্থিতি পৰিৱৰ্তনৰ ইংগিত দিছে।

প্ৰথমতে সকলো খণ্ডলৈ নিৰ্দিষ্ট সময়ৰ নিযুক্তি ঘোষণা কৰিছে— যিটো বৰ্তমান বস্ত্ৰ খণ্ডতে সীমিত আছিল, সেয়া সকলো খণ্ডলৈ সম্প্ৰসাৰিত হোৱা শ্ৰমিক সংস্কাৰৰ এটা বৃহৎ পদক্ষেপ। ই লগতে কৰ্ম সংস্থানো সৃষ্টি কৰিব। আন বহুতো খণ্ড আছে যিবোৰ ঋতুকালীন আৰু ঘূৰ্ণনীয়। নিয়োগকৰ্তাই মানুহ আনিব নোৱাৰে বা মানুহ অনাৰ প্ৰতিবেদন দিব নোৱাৰে, কিয়নো হ্ৰস্বকালীনভাৱে মানুহ অনাটো অবৈধ (যদিও ট্ৰেড ইউনিয়নবোৰৰদ্বাৰা এই ক্ষেত্ৰত বাধা আৰোপ কৰাৰ বাবে প্ৰস্তাৱবোৰৰ ক্ষেত্ৰত আগুৱাব নোৱাৰে)।

পৰৱৰ্তীভাৱে মানুহ অনাৰ ব্যৱসায় উৎসাহীকৰণ কৰাৰ বাবে বাজেটে অতিৰিক্ত কৰ্মবাহিনীত ব্যয়ৰ ১৩০ শতাংশ হ্ৰাস কৰাৰ প্ৰস্তাৱত অনুমতি দিছে। ই তিনি বছৰৰ বাবে নতুন কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ ব্যয় বহন কৰিব।

বাজেটৰ আন এটা দৃঢ় সংকেত হ'ল ৪০টা শ্ৰমিকমুখী উৎপাদনত ঘৰুৱা মূল্য সংযোগীকৰণত উৎসাহ যোগোৱাৰ বাবে সীমা শুল্ক কাৰ্যকৰীভাৱে বৃদ্ধি (৫ৰ পৰা ১৫ শতাংশ) কৰাৰ পদক্ষেপ লৈছে। এই শ্ৰেণীয়ে আমদানিৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰি লাভৱান্বিত কৰিবলগীয়াবোৰ হ'ল—

- ★ সংসাধিত খাদ্য
- ★ সুগন্ধি আৰু প্ৰসাধনজাতীয়
- ★ অ'টোম'বাইল আৰু বাহনৰ যন্ত্ৰাংশ
- ★ জোতা চেণ্ডেল
- ★ হীৰা, মূল্যৱান ৰত্ন আৰু আ-অলংকাৰ
- ★ ইলেক্ট্ৰনিক আৰু হাৰ্ডৱেৰ
- ★ এল চী ডী/এল ই ডী/অ' এল ই ডী পেনেল আৰু অন্যান্য অংশ
- ★ আচবাব
- ★ ঘড়ী
- ★ পুতলা, ট্ৰাই-চাইকেল, স্কুটাৰ, পেদেল বাহন, ক্ৰীড়াৰ সামগ্ৰী
- ★ খোলাৰ সৈতে কাজু
- ★ খোৱাৰ বাবে ভেষজ তেল
- ★ ৰিফ্ৰেক্টৰী আইটেম
- ★ অন্যান্য (মমবাতি, চানগ্লাছ আদি)।

পৰৱৰ্তীভাৱে সৌৰ কোষ/পেনেল/মড'ল নিৰ্মাণৰ বাবে ছ'লাৰ টেম্পাৰ্ড গ্লাছ আৰু কেঁচামাল, চী-ইমপ্লেণ্ট নিৰ্মাণৰ বাবে অংশ বা সামগ্ৰী সীমা-শুল্কৰ পৰা ৰেহাই দিয়া হয়।

গুৰুত্বপূৰ্ণ কথাটো হ'ল সীমাশুল্ক নিম্নগামী কৰাৰ প্ৰক্ৰিয়া এটা ১৯৯১ৰ পৰা অনুসৰণ কৰি অহা হৈছে আৰু এই ক্ষেত্ৰত ঘৰুৱা উৎপাদনত উৎসাহ যোগোৱা প্ৰয়োজন। এই সংকেত এটা পৰ্যাপ্ত পাৰ্থক্যমূলক পদক্ষেপ। শুল্ক বৃদ্ধিৰ পাছতে শুল্ক ডব্লিউ টী অ'এ প্ৰতিশ্ৰুতি দিয়া হাৰ ২৫ৰ পৰা ৪০ শতাংশৰ ভিতৰত থাকিব।

এই পদক্ষেপে কিছু বিশেষজ্ঞৰপৰা সমালোচনাৰ সন্মুখীন হৈ প্ৰত্যাগমন বাট বোলাৰ বিষয়ে কৈছে। ই বাৰু ভাৰতীয় উদ্যোগক গোলকীয়ভাৱে প্ৰতিযোগিতা-

**(১৫ পৃষ্ঠাত চাওক)**

***লিখক অনিল ভৰদ্বাজ নতুন দিল্লীৰ ফেডাৰেশ্যন অৱ ইণ্ডিয়ান মাইক্ৰ' এণ্ড্ স্মল্ এণ্ড্ মিডিয়াম এণ্টাৰপ্ৰাইয্-ৰ সচিব প্ৰধান।**

# বাজেটৰ জৰিয়তে আন্তঃগাঁথনি সৃষ্টি ঃ ৰাষ্ট্ৰ সংহতিকৰণ

**জী ৰঘুৰাম***

**পূৰ্বালোকন**

২০১৮-১৯ৰ কেন্দ্ৰীয় বাজেটে আন্তঃগাঁথনি খণ্ডৰ বাবে মুঠ ৫.৯৭ ট্ৰিলিয়ন টকাৰ আবণ্টন জনায়। ইয়াৰ তুলনাত ২০১৭-১৮ বৰ্ষৰ ৪.৯৪ ট্ৰিলিয়ন টকাৰ ব্যয়ৰ আশা পোষণ কৰা হৈছে। এই আন্তঃগাঁথনিগত আবণ্টন কেৱল সংখ্যাৰ ভিত্তিত বৃদ্ধি হোৱা নাই, কিন্তু মুঠ বাজেটৰ অংশৰ আবণ্টনো বৃদ্ধি পাইছে। এই আবণ্টন আন্তঃগাঁথনি খণ্ডৰ উপখণ্ডবোৰ যথা ৰে'ল, পথ, বিমান পৰিবহণ আদিকো সামৰি লৈছে।

এই ক্ষেত্ৰত একক বৃহৎ ব্যয় খণ্ড হ'ল ভাৰতীয় ৰে'ল। চলিত বাজেটত গুৰুত্ব দিয়া দিশবোৰ হ'ল— ৰে'লপথ দ্বৈতকৰণ, তৃতীয় আৰু চতুৰ্থ লাইনৰ কাম; ৫,০০০ কিলোমিটাৰৰ গজ পৰিৱৰ্তন, ৬০০ ৰে'ল ষ্টেচন পুনঃউন্নয়ন আৰু আধুনিক শ্ৰেণীৰ ৰে'লৰ আৰম্ভণি। প্ৰস্তাৱিত গজ পৰিৱৰ্তনে দেশত ব্ৰডগজ ভিত্তিক একক গজ ব্যৱস্থা সৃষ্টি কৰিব। এই বাজেটে লগতে মুম্বাই আৰু বেংগালুৰুকে ধৰি উপনগৰীয় ৰে'লৰেৰ প্ৰতি বিশেষ দৃষ্টি দিছে। মুম্বাইৰ ব্যয় ফেজ ৩ কৰ অংশ হ'ব আৰু এই ক্ষেত্ৰত ০.৫৫ ট্ৰিলিয়ন টকা মুম্বাই নগৰ পৰিবহণ প্ৰকল্প (এম ইউ টী পী)ৰ বাবে ব্যয় কৰা হ'ব। কেন্দ্ৰীয় বাজেটে মুঠ ১.২১ ট্ৰিলিয়ন টকা পথ আন্তঃগাঁথনিৰ বাবে ধাৰ্য কৰিছে। এই ব্যয় ৫.৩৫ ট্ৰিলিয়ন টকাৰ অনুমোদিত ভাৰতমালা প্ৰকল্প— যি অৰ্থনৈতিক কৰিডৰৰ উন্নয়ন, মুখ্য ৰাষ্ট্ৰীয় কৰিডৰৰ দক্ষতা বৃদ্ধি আৰু সীমান্ত, উপকূলীয় আৰু বন্দৰ সংযোগী পথৰ উন্নীতকৰণ সন্নিৱিষ্ট কৰা হৈছে।

ৰে'লৰে আৰু ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (এন এইছ এ আই) উভয়ৰে উৎস কেৱল আভ্যন্তৰীণ ৰাহি আৰু বাজেটীয় সমৰ্থনৰ ঊৰ্দ্ধত ভবা হৈছে। ৰে'লৰেৰ ক্ষেত্ৰত বণ্ডৰ জৰিয়তে পৰম্পৰাগত উৎস উদ্ভাৱনৰ উপৰি ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব (পী পী পী)ৰ জৰিয়তে নিধি সংগ্ৰহৰ আশা পোষণ কৰা হৈছে। বিশেষকৈ ৰে'ল ষ্টেচনৰ পুনঃউন্নয়ন আৰু ৰোলিং ষ্টক উৎপাদনৰ ক্ষেত্ৰত এই দিশটো লক্ষ্য কৰা হৈছে। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে টোল, পৰিচালন আৰু বিনিময় (ট'ট)ৰ দৰে আঁচনি আৰু পূৰ্বৰ নিৰ্মাণ, পৰিচালন আৰু বিনিময় (বুট)ৰ বিনিময় স্তৰৰ পথ সম্পদ ব্যৱহাৰ কৰি ইকুইটি সৃষ্টি কৰিব।

সামুদ্ৰিক পৰিবহণ খণ্ডত সাগৰমালা প্ৰকল্পৰ অংশৰ প্ৰতি বিশেষ দৃষ্টি আৰোপ কৰা হৈছে। বিমান পৰিবহণ খণ্ডত বিমানকোঠ সক্ষমতা উন্নীতকৰণ, নতুন বিমানকোঠৰ উন্নয়ন আৰু অব্যৱহৃত বিমানকোঠ আৰু হেলিপেডলৈ সংযোগ বৃদ্ধিৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে।

অন্যান্য গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি ব্যয়ৰ ভিতৰত ৯৯ খন স্মাৰ্ট চিটি আৰু গ্ৰাম্য পথ, গৃহ, বিদ্যুৎ সংযোগ, অনাময়, জলসিঞ্চন আৰু পানী যোগান আদিৰ উন্নয়ন সাধনৰ জৰিয়তে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন।

**ব্যয়ৰ বাবে অপৰ্যাপ্ত শক্তি**

আবণ্টন বৃদ্ধিৰ লগে লগে আন এটা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈছে ইয়াক কাৰ্যকৰীভাৱে ব্যয় কৰাৰ সক্ষমতা। উদাহৰণ স্বৰূপে ২০১৭-১৮ত ৰে'লৰেৰ বাবে মুঠ বাজেটীয় সমৰ্থন (জী বী এছ) ০.৫৫ ট্ৰিলিয়ন টকা ধাৰ্য কৰা হৈছে যদিও প্ৰকৃত ব্যয় সংশোধিত হিচাপত ০.৪২ ট্ৰিলিয়ন টকালৈ হ্ৰাস পায়। সমসাময়িকভাৱে ২০১৮-১৯ৰ মুঠ বাজেটীয় সমৰ্থনৰ কোনো ধৰণৰ বৃদ্ধি নঘটোৱাকৈ ০.৫৫ ট্ৰিলিয়ন টকা ৰখা হ'ল আৰু পূৰ্বৱৰ্তী বছৰৰ প্ৰস্তাৱৰ সৈতে প্ৰায় একে।

ব্যয়ৰ ক্ষেত্ৰত অক্ষমতা হ'ল চৰকাৰী শক্তিৰ অপৰ্যাপ্ততা— যি সু-লিখিত প্ৰকল্প নথি আৰু দ্ৰুত প্ৰক্ৰিয়াগত অনুমতিত পৰিলক্ষিত হয়। আইনী আৰু ন্যায়িক শক্তিৰ নাটনি আৰু আন্তঃগাঁথনিগত সম্পদৰ অপ্ৰদৰ্শনতাই ঋণ আবণ্টনক সীমিত কৰি ৰাখে। অনুমতিৰ স্থিৰতা অথবা আইনী বিষয়বোৰে বহুতো প্ৰকল্পক মাজবাটতে স্থবিৰ কৰে। সুৰক্ষাৰ বাবে এটা সুদৃঢ় পদক্ষেপ গ্ৰহণ কৰা আৰু এনে সম্পদ মুক্ত কৰাটো গুৰুত্বপূৰ্ণ। পথ পৰিবহণ

*লিখক জী ৰঘুৰাম বেংগালুৰৰ আই আই এমৰ সঞ্চালক।

আৰু ৰাষ্ট্ৰীয় পথ মন্ত্ৰণালয় (মৰ্‌থ)এ বহুতো প্ৰকল্পত থকা আইনী দিশবোৰ সমাধান কৰাৰ বাবে বদ্ধপৰিকৰ হোৱা উচিত যদিও আন বহুতো বৰ্তমানেও স্থবিৰ হৈ আছে।

ই এটা অনাকাংক্ষিত বিষয় যে যদিও বাজেটে বাৰ্ষিক গুৰুত্ব লাভ কৰে তথাপি বাজেটীয় দক্ষতাক কেৱল বিত্তীয়ভাৱেই নহয়, কাৰ্যকৰীকৰণৰ প্ৰকৃত বিশ্লেষণৰ জৰিয়তে পুনৰীক্ষণ কৰা নহয়। এই ক্ষেত্ৰত বিভিন্ন উপখণ্ডৰ জৰিয়তে, বাৰ্ষিক অৰ্থনৈতিক সমীক্ষাৰ জৰিয়তে গড় হিচাপত দক্ষতা নিৰীক্ষণৰ উৎকৃষ্ট নথি। বাজেটে একেখিনি কামকে পুনঃকৰণৰ জৰিয়তে ৰাজনৈতিক স্বৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। উদাহৰণ স্বৰূপে ৰে'ল আস্থানৰ উন্নয়ন আৰু নতুন বিমানকোঠ উন্নয়ন পূৰ্বৱৰ্তী বহু বাজেটত উল্লেখ কৰা আছে। যি সময়ত পূৰ্বৰ বাজেটবোৰত সেতু ভাৰতম (ৰাষ্ট্ৰীয় ঘাইপথত লেবেল ক্ৰছিং নাইকিয়া কৰা), পৰিবহণ গৱেষণা আৰু বিশ্লেষণৰ বিশেষ গোট (সূত্ৰ) আৰু স্পেচিয়েল ৰে'লৱে এষ্টাব্লিছমেণ্ট ফৰ ষ্ট্ৰেটিজিক টেক্‌ন'ল'জি এণ্ড হলিষ্টিক এডভান্সমেণ্ট (শ্ৰীষ্ঠ) আদিৰ দৰে আঁচনি আছে যদিও এই আঁচনিবোৰৰ মূল লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত কিমান আগবাঢ়িছে সেয়া নিৰূপণ কৰা জটিল।

**ব্যয়ৰ দিশত অগ্ৰগতিৰ বাবে প্ৰকল্প-কৰণেই উপায়**

ঋণৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে বিগত কিছুবছৰৰ দীৰ্ঘম্যাদী বহুমুখী প্ৰকল্পবোৰ যথা প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা (পী এম জী এছ ৱাই), সাগৰমালা, দ্ৰুতবেগী ৰে'ল (এইছ এছ আৰ) আৰু ভাৰতমালা প্ৰকল্পবোৰৰ জৰিয়তে ধাৰণাবোৰ বাস্তৱায়িত কৰা হৈছে। দ্ৰুতবেগী ৰে'ল আৰু ভাৰতমালা প্ৰকল্প যথাক্ৰমে ২০১৭ চনৰ ছেপ্টেম্বৰ আৰু অক্টোবৰত ঘোষণা কৰা হয় (সি যি কি নহওক ভাৰতমালা বহু দিশত পূৰ্বৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন প্ৰকল্পৰ উন্নীত সংস্কৰণ।)।

এনে ধৰণৰ ধাৰণাবোৰে বাৰ্ষিক দাবীৰ ব্যৱধানতো একত্ৰিত কৰাৰ দিশত অধিক স্থিৰতা আৰু দিক নিৰ্দেশনা দিয়ে।

এনে ধৰণৰ প্ৰকল্প ৰূপায়ণৰ উপৰি বহু ক্ষেত্ৰত আমি শক্তিহীন হৈছোঁ। উদাহৰণ স্বৰূপে ভাৰত নেট প্ৰকল্প (পূৰ্বৰ নেশ্বনেল অপ্টিকেল ফাইবাৰ নেটৱৰ্ক) যি প্ৰতিখন গাঁও পঞ্চায়তলৈ ব্ৰডবেণ্ড সংযোগ কৰাৰ ব্যৱস্থা কৰা হৈছিল প্ৰায়োগিক বিষয়ত নিৰ্দ্ধাৰিত সময়সীমা ৰক্ষাত পলম কৰে। সমস্যাৰ অংশ হিচাপে উল্লেখ কৰিব পাৰি যে ৰূপায়ণ কাৰ্য কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ ওপৰত 'অৰ্পণ' কৰা হ'ল যি ইয়াক এটা অগ্ৰাধিকাৰ ভিত্তিত নল'লে।

গ্ৰাম্য আন্তঃগাঁথনিৰ ক্ষেত্ৰত চাবলৈ গ'লে পী এম জি এছ ৱাই এটা অতি ফলপ্ৰসূ আন্তঃগাঁথনিগত প্ৰকল্প। এই প্ৰকল্পৰ দ্বিদশকীয় স্তৰ সম্পূৰ্ণ কৰাৰ আগতীয়া সময় ২০১৯ (২০২১ৰ পৰিৱৰ্তে) নিৰ্দ্ধাৰণ কৰিছে যাতে তৃতীয় পৰ্যায় আনিব পাৰি। গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে গ্ৰাম্য পথ সংযোগ ব্যৱস্থাৰ উন্নয়নৰ জৰিয়তে কেৱল দুয়োটা দিশৰ কায়িক সংযোগেই হোৱা নাই লগতে সেৱাৰো উন্নয়ন হৈছে। গ্ৰাম্য বৈদ্যুতিকৰণৰ ক্ষেত্ৰত দেখা যায় যে গাঁও পৰ্যায়ত সংযোগকৰণৰ লক্ষ্য পৰিয়াল পৰ্যায়ত সংযোগলৈ পৰ্যৱসিত কৰা হয়। অনাময়ৰ ক্ষেত্ৰত দেখা যায় যে যদিও শৌচালয় নিৰ্মাণত লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে, সম্পূৰ্ণ কাৰ্যকাৰিতা ব্যৱহাৰ বৃদ্ধিৰ আচৰণৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ বাবে 'মাৰ্কেটিং' জাতীয় পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন।

**আন্তঃখণ্ডগত বিষয়বোৰ ঃ**

সি যি কি নহওক, আন্তঃখণ্ড পৰীক্ষা কৰাৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বানবোৰ মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে অধিক বিমানকোঠ নিৰ্মাণ আৰু সংযোগত গুৰুত্ব দিব নে পথ সংযোগ ব্যৱস্থাৰ উন্নতি সাধিব। অধিক বিমানকোঠে প্ৰতি বিমানকোঠত সোঁত হ্ৰাস কৰিব, সেৱাৰ ধাৰাবাহিকতা হ্ৰাস কৰি সামগ্ৰিকভাৱে গ্ৰহণীয়তা সম্পৰ্কত প্ৰশ্নৰ উদ্ভৱ কৰিব। উদাহৰণ স্বৰূপে হুব্বালি আৰু বেলাগাভিৰ মাজৰ দূৰত্ব ১০০ কিলোমিটাৰতকৈও কম আৰু সুন্দৰ পথ সংযোগ আছে, তথাপি দুয়ো ঠাইতে প্ৰতিদিনে মাত্ৰ কেইখনমান বিমানৰ বাবে আধুনিক বিমানকোঠৰ আশা পোষণ কৰা হৈছে। দুয়োটা বিমানকোঠৰপৰা উৰণ কৰিবলৈ দুঘণ্টা সময়ৰ প্ৰয়োজন হ'ব। তুলনা কৰিলে দেখা যায় যে বেংগালুৰুৰ বহু ঠাইৰপৰা বিমানকোঠত উপস্থিত হ'বলৈ দুঘণ্টাতকৈও অধিক সময়ৰ প্ৰয়োজন হয়। তেনে পৰিপ্ৰেক্ষিতত বিমান সংযোগ ব্যৱস্থা সমন্বিত পথ উন্নয়নৰ জৰিয়তে কৰিব লাগিব যাতে দূৰত্বতকৈ সময় ব্যয়ৰ দিশটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হয়। উদাহৰণ স্বৰূপে পাহাৰীয়া অঞ্চলত ওচৰা-উচৰিকৈ থকা বিমানকোঠ সঠিক পদক্ষেপ হ'ব পাৰে।

আন এটা আন্তঃখণ্ড বিষয় হ'ল মেট্ৰ' আৰু ৰে'লৱেৰ মাজৰ সংযোগ। বেংগালুৰু আৰু দিল্লী এনে সংযোগৰ উদাহৰণ— যি সংযোগ বৰ্তমান আপোচ কৰা হৈছে, যাৰ জৰিয়তে গ্ৰাহক বদলি সেৱাৰ মান দুৰ্বল হোৱাৰ হেতু

**(৬১ পৃষ্ঠাত চাওক)**

# মূল্য সংযোজিত সামগ্ৰীৰ উৎকৰ্ষ সাধন

**এম এছ স্বামীনাথন***

ভাৰতেই হয়তো একমাত্ৰ দেশ যিয়ে সংসদৰ আইন যোগে প্ৰতি ঘৰৰ বাবে খাদ্য সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছে য'ত ভোক নিবাৰণৰ বাবে সামাজিক সাহায্যৰ প্ৰয়োজন আছে। তথাপি ভোক আৰু পুষ্টিহীনতাৰ পৰিসৰ এতিয়াও বিশাল। পৰিণামস্বৰূপে আমাৰ শিশু, মহিলা আৰু পুৰুষক কায়িক আৰু মানসিক বিকাশৰ অন্তৰ্নিহিত জৈৱিক সম্ভাৱনাৰ সম্পূৰ্ণ প্ৰকাশৰ বাবে সুযোগৰপৰা বঞ্চিত কৰা হৈছে। বাজেট আৰু ইয়াৰ পৰৱৰ্তী চৰ্চাৰ ভিত্তিত, মই এনে কেতবোৰ দিশত পৰামৰ্শ আগবঢ়াইছোঁ য'ত অতিৰিক্ত বিত্তীয় আৰু বৈজ্ঞানিক মনোযোগৰ প্ৰয়োজন আছে।

**মূল্য অনিশ্চয়তা**

আমাৰ খেতিয়কসকলে মূল্যৰ অত্যন্ত অনিশ্চিত উঠা নমাৰ ভুক্তভোগী হয় আৰু ইয়ে তেওঁলোকৰ আয় আৰু স্থিৰতাকো প্ৰভাৱিত কৰে। বিশেষকৈ শাক-পাচলি আৰু আলু, বিলাহী আৰু পিঁয়াজৰ দৰে সামগ্ৰীৰ দামৰ ক্ষেত্ৰত। মূল্যৰ এনে উঠা-নমা যুগ যুগ ধৰি এটা গভীৰ সমস্যা হৈ আহিছে। উপভোক্তাক ক্ষান্ত কৰাৰ বাবে তদৰ্থ পদক্ষেপ নলৈ আমি স্থায়ী সমাধানৰ সন্ধান কৰা উচিত হ'ব। এটা সম্ভাব্য পদ্ধতি হ'ব পাৰে নগৰ-উপকণ্ঠীয় উদ্যান শস্যক উদগনি যোগোৱাটো। মহানগৰসমূহৰ ভিতৰত আৰু আশে-পাশে যথেষ্ট ভূমি আছে আৰু সেয়া এখন নগৰ-উপকণ্ঠীয় উদ্যানশস্যৰ বিপ্লৱক উদগনি যোগাবলৈ ব্যৱহাৰ হ'ব পাৰে, য'ত বিলাহী পিঁয়াজ, জলকীয়া আৰু অন্যান্য খাদ্য শস্যৰ খেতি ছাত আৰু খালী ঠাইত কৰিব পাৰি। ইয়াৰ দুটা লাভ হ'ব—এহাতে মূল্য সুস্থিৰতা আৰু আনহাতে বহনক্ষম পুষ্টি সুৰক্ষা।

**উপকূল অঞ্চলৰ সমৃদ্ধিৰ বাবে সমুদ্ৰজলেৰে খেতি**

ভাৰতৰ প্ৰায় ৮০০০ কিঃমিঃ জুৰি সমুদ্ৰৰেখা আছে আৰু কেৰালাৰ কুট্টানাড অঞ্চলত কৰাৰ দৰে সমুদ্ৰজলেৰে খেতি কৰাৰ বিশাল সুযোগ আছে। সমুদ্ৰজল কৃষিবন ব্যৱস্থাত শস্য আৰু মৎস্য দুয়োকে সাঙুৰিব পাৰি। পৃথিৱীজুৰি ৯৭ শতাংশ পানীয়ে সমুদ্ৰজল আৰু সমুদ্ৰজল কিদৰে বিভিন্ন শস্যৰ খেতিত ব্যৱহাৰ কৰিব পাৰি সেই সন্দৰ্ভত ভাৰতে নেতৃত্ব বহন কৰা উচিত। ইয়াৰ ফলত উপকূলীয় কৃষিৰ আয় বৃদ্ধি পাব আৰু ছুনামিৰ দৰে বিপৰ্যয়ৰ মুখামুখি হোৱাত অধিক সাজু কৰি তুলিব। সমুদ্ৰজলেৰে খেতি আৰু সমুদ্ৰপৃষ্ঠতকৈ তলত খেতি কৰাৰ প্ৰযুক্তিসমূহ এম এছ স্বামীনাথন ৰিচাৰ্চ ফাউণ্ডেশ্যন (MSSRF)ৰ ওচৰত উপলব্ধ আছে যিয়ে এই সম্পৰ্কীয় প্ৰশিক্ষণ আৰু সামৰ্থ্যধনৰ দায়িত্বও ল'ব। এই কাৰ্যসূচীয়ে মেনগ্ৰৱ আৰু অন্যান্য লৱণসহিষ্ণু গছ-গছনি সংৰক্ষণকো সামৰি ল'ব। এই উদ্দেশ্যে হেল'ফাইটৰ জৈৱ বাগিচাও গঢ়ি তোলা হৈছে।

**ৰাষ্ট্ৰীয় বজ্‌ৰা বৰ্ষ**

ভাৰত চৰকাৰে ২০১৮-ক ৰাষ্ট্ৰীয় বজ্‌ৰা বৰ্ষ ৰূপে ঘোষণা কৰিছে। ছামাই, থিনাই, কেঝৰাৰাগু, পানীৰাৰাগু, কাম্বু আৰু আন বহু সৰু-সৰু বজৰা। প্ৰজাতিৰ খেতিৰে তামিলনাডুৱে এই ক্ষেত্ৰত নেতৃত্ব লৈ আহিছে। কল্লী পাহাৰত এনে বজ্‌ৰাৰ বিবিধ প্ৰজাতিৰ চহকী জৈৱ ভঁৰাল আছে। সেয়ে বাজ্‌ৰাৰ সংৰক্ষণৰ বাবে এটা বজ্‌ৰা জৈৱ-উপত্যকা সংগঠিত কৰাটো উপযোগী হ'ব। এনে কাৰ্যসূচীয়ে পুৰাৰ আহাৰৰ দৰে বিভিন্ন কামত ব্যৱহৃত সংসাধিত বজ্‌ৰা প্ৰস্তুতকৰণৰ ভিত্তিত বিবিধ ক্ষুদ্ৰ খাদ্য উদ্যোগকো সাঙুৰি লোৱাটো উচিত হ'ব।

**পশুপালন আৰু মীনপালন**

কিষাণ ক্ৰেডিট কাৰ্ড কেৱল শস্য খেতিয়ককে নিদি পশুপালন আৰু সামুদ্ৰিক তথা আভ্যন্তৰীণ মীন পালনক উদগনি যোগাবলৈও ব্যৱহাৰ হোৱা উচিত। ছাগলী, ভেড়া আৰু হাঁহ-কুকুৰা পালনৰ দৰে কামে খেতিয়কসকলক অতিৰিক্ত আয়ত যথেষ্ট সহায় কৰিব পাৰে। যিছোৱা সময় মাছ ধৰাটো নিষিদ্ধ, সেই সময়ছোৱাত মাছমৰীয়া পৰিয়ালক ইয়াৰদ্বাৰা সহায় কৰিব পাৰি।

*লিখক এম এছ স্বামীনাথন চেন্নাইৰ এম এছ স্বামীনাথন ৰিচাৰ্চ ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ।

**চাউল দৈৰ উদ্যান— এখন চাউল জৈৰ উদ্যান**

ই খেতিয়কসকলক বায়'মাছ ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ আয় বৃদ্ধিৰ উপায় প্ৰদৰ্শন কৰিব। ধানৰ খেৰ, পতান, তুঁহ, চাউলৰপৰা উপযোগী সা-সামগ্ৰী প্ৰস্তুত কৰা হ'ব। দাইলজাতীয় শস্যৰ বাবেও একে ধৰণৰ জৈৰ উদ্যান স্থাপন কৰিব পাৰি। ইয়াৰ ফলত বায়'মাছৰ প্ৰতিটো অংশৰেপৰা খেতিয়কসকলে আয় আৰু কৰ্মসংস্থানৰ সুযোগ লাভত সহায় হ'ব।

**জলবায়ু অনুকূলতা**

প্ৰতিটো উন্নয়ন খণ্ডতে কমেও এটাকৈ জলবায়ু বিপদ প্ৰবন্ধন গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ (R & D Centre) স্থাপন কৰাটো জৰুৰী। এনে কেন্দ্ৰত প্ৰতিখন পঞ্চায়তৰপৰা এজন পুৰুষ আৰু এগৰাকী মহিলা প্ৰশিক্ষিত জলবায়ু বিপদ প্ৰবন্ধক থকা উচিত। জলবায়ু পৰিৱৰ্তনে চৰম বিপৰ্যয়ৰ ৰূপ ল'ব পাৰে আৰু প্ৰশমন তথা অনুকূলতা উভয় ক্ষেত্ৰত তাৎক্ষণিক পদক্ষেপৰ প্ৰয়োজন আছে। MSSRF-ৰ ওচৰত প্ৰশিক্ষণ পুস্তিকা আদি আছে, ই প্ৰশিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰিব পাৰে।

**পাম বিদ্যালয় স্থাপন**

বিশেষভাৱে উল্লেখনীয়, খেতি-পথাৰত পাম বিদ্যালয় (ফাৰ্ম স্কুল) স্থাপনৰ যোগেদি খেতিয়কৰপৰা খেতিয়কলৈ শিক্ষা। ভূমিৰপৰা ভূমিৰ এনে কাৰ্যসূচীয়ে খেতিপথাৰত দক্ষতা-সম্পন্ন কামৰ প্ৰসাৰ ঘটিব।

**নগৰ উপকণ্ঠীয় উদ্যানশস্য বিপ্লৱ**

ভাৰতত নগৰীকৰণ বৃদ্ধি পাইছে আৰু খাদ্যৰ মুদ্ৰাস্ফীতিৰ সমস্যা মূলত ঃ নগৰাঞ্চলৰ যোগান-চাহিদাৰ তাৰতম্যৰ পৰাই উদ্ভৱ হয়। নগৰাঞ্চলত শাক-পাচলি আৰু ফল-মূলৰ দাম স্থিৰ কৰাৰ এটা উপায় হৈছে প্ৰয়োজনীয় কাৰিকৰী আৰু বিপণন সহযোগেৰে নগৰ উপকণ্ঠীয় উদ্যান শস্যক উদগনি যোগোৱা। বিকেন্দ্ৰীকৃত উৎপাদনক সমবায় বিপণনেৰে সহযোগ কৰিব পাৰি, যিদৰে ইজৰাইলে কৰিছে। নগৰীয় আৰু নগৰ উপকণ্ঠীয় 'উদ্যানশস্য বিপ্লৱ'ৰ পৰিণতিস্বৰূপে উপভোক্তাৰ বাবে অধিক সুস্থিৰ দামৰ বাট মুকলি হ'ব পাৰে। একেটা সময়ত, আমি এয়াও নিশ্চিত কৰিব লাগিব যাতে খাদ্যৰ গুণমান উচ্চ পৰ্যায়ৰ হয়, সাৰৰ অৱশিষ্ট বা আন অসুৰক্ষিত ৰাসায়নিক দ্ৰব্যশূন্য হয়। এইদৰে আমি দামৰ স্থিৰতাত অৱদান আগবঢ়োৱাৰ সমান্তৰালভাৱে উচ্চ মান আৰু সুৰক্ষিত খাদ্যৰ লগতে যোগানৰ স্থিৰতাও সুনিশ্চিত কৰিব পাৰোঁ। নগৰীয়া ৰাইজে ফল-মূল আৰু শাক-পাচলিকে আদি কৰি বিশেষ খাদ্য বিচাৰে। সেয়ে নগৰ উপকণ্ঠীয় খেতিৰ কাৰ্যসূচী সময়োপযোগী হ'ব।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩-এ ৰাজহুৱা বিতৰণ ব্যৱস্থাত বাজ্ৰা আৰু আন আন অন্ন সাঙুৰি লোৱাৰ পোষকতা কৰিছে। শেহতীয়া এখন সংবাদ প্ৰতিবেদনে সূচাইছে যে কৰ্ণাটককে ধৰি আন কেইবাখনো ৰাজ্যত ৰাগী আৰু বজ্ৰা খেতিয়ে সামৰা ভূমিৰ মুঠ একৰ যথেষ্ট বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। লাভজনক মূল্য আৰু ফলপ্ৰদ ক্ৰয় হৈছে এনে শস্যৰ প্ৰতি আগ্ৰহ পুনৰুজ্জীৱিত কৰাৰ চাবিকাঠী। কৰ্ণাটক চৰকাৰে কুইণ্টলত ২০০০-টকা হাৰত ১ লাখ টন ৰাগী ক্ৰয় কৰিছে। ক্ৰয় আৰু খোৱাৰ পৰিমাণ বৃদ্ধি হ'লে খেতিয়কসকলেও বেছিকৈ উৎপাদন কৰিব। ১৯৯২-ৰ পৰা এম এছ এছ আৰ এফ তামিল নাডুৰ কোল্লী পাহাৰ আৰু ওড়িশাৰ কৰাপুটত বাণিজ্যিকীকৰণৰ বাবে সুযোগৰ জৰিয়তে কেইবাবিধ সৰু বজ্ৰাৰ সংৰক্ষণক উদগনি যোগোৱাৰ প্ৰয়াস কৰি আহিছে। খাদ্য সুৰক্ষা আইন ২০১৩-এ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ খাদ্য তালিকাত ৰাগী, জোৱাৰ, বজ্ৰা, আদিকো অন্তৰ্ভুক্ত কৰিছে। এই খাদ্য সামগ্ৰীবোৰ যে কেৱল পুষ্টিকৰেই, তেনে নহয়, লগতে বৃষ্টিপাতৰ তাৰতম্য-সাপেক্ষে অধিক স্থিতিস্থাপক হোৱালৈ চাই, জলবায়ু অনুকূলো, সেয়া এতিয়া গম পোৱা গৈছে। এই পুষ্টিকৰ আৰু জলবায়ু অনুকূল শস্য যাতে শুকান কৃষিভূমিত বৃহৎ পৰিমাণত পুনৰ খেতি কৰা হয়, সেয়া নিশ্চিত কৰাৰ বাবে এইবোৰৰ এখন বজাৰ থকাটো অনিবাৰ্য। ভাগ্যক্ৰমে, ৰাগী, বজ্ৰা, জোৱাৰ আদিকে ধৰি এক শ্ৰেণী শস্যৰ ভিত্তিত বহু খাদ্য সংশোধন কোম্পানী গঢ় লৈ উঠিব ধৰিছে। খাদ্য সুৰক্ষা আইন আৰু বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনি এই দুয়োৰে অধীনত যাতে পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ বাজ্ৰা আদিও অন্তৰ্ভুক্ত হয়, সেয়া আমি সুনিশ্চিত কৰিব লাগিব। এইবোৰক জলবায়ু অনুকূল নিউটি-মিলেট বোলা উচিত। লগতে আমি ৰাষ্ট্ৰসংঘলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা উচিত এই দশকৰ এটা বছৰ কম ব্যৱহৃত আৰু জৈৱ সুৰক্ষিত শস্যৰ আন্তৰ্জাতিক চৰ্ত ৰূপে International year of underutilised and Biofortified Crops' ৰূপে ঘোষণা কৰিবলৈ। অহা বছৰ হৈছে মাহজাতীয় শস্যত আন্তৰ্জাতিক বৰ্ষ দাইলজাতীয় শস্যও পৰিৱেশ অনুকূল আৰু প্ৰটিনযুক্ত। এনে শস্যৰ খেতি আৰু বিক্ৰীৰ ক্ষেত্ৰত উপযুক্ত নীতিগত সহায়ৰ জৰিয়তে সৰ্বাধিক অপুষ্টিত ভোগা শিশু আৰু মহিলাৰ অন্যতম দেশৰূপে থকা আমাৰ দেশৰ প্ৰতিচ্ছবি মচিব পৰা যাব পাৰে।

আন এটা জৰুৰী প্ৰয়োজনীয়তা হৈছে এই ‘অনাথ শস্য’বোৰৰ গৱেষণাত অধিক বিনিয়োগ, যাতে উৎপাদনৰ পৰিমাণ যথেষ্ট বৃদ্ধি পায়। বৰ্দ্ধিত উৎপাদন আৰু নিশ্চিত বিপণনে ক্ষুদ্ৰ খেতিয়কৰ মাজত এনে শস্যৰ আকৰ্ষণ বৃদ্ধি কৰিব।

উৎপাদিত শস্যৰ উৎপাদনৰ পৰৱৰ্তী প্ৰবন্ধন চিন্তাৰ বিষয়। সদ্যহতে, উৎপাদন আৰু উৎপাদন পৰৱৰ্তী প্ৰযুক্তিসমূহৰ অসামঞ্জস্যৰ ফলত উৎপাদক আৰু উপভোক্তা উভয়ে ক্ষতিগ্ৰস্ত হয়। এইবাবেই খাদ্য সংসাধন উদ্যোগসমূহ জৰুৰীভাৱে প্ৰয়োজন। ভাগ্যক্ৰমে, ২০১৮-১৯-ৰ বাজেটে খাদ্য সুৰক্ষা আৰু খাদ্য সংসাধনলৈ পৰ্যাপ্ত সাহায্য আগবঢ়াইছে। উৎপাদনৰ পৰৱৰ্তী প্ৰযুক্তিত অধিক বিনিয়োগক উদগনি যোগোৱাৰ উদ্দেশ্যে মূল্য সংযুক্ত সামগ্ৰী প্ৰস্তুত কৰিব লাগিব। হিমঘৰ আৰু ক’ল্ড চেইনো প্ৰয়োজন। পশ্চিমবংগ, উত্তৰ প্ৰদেশ আৰু বিহাৰৰ শেহতীয়া আলু সংকট পৰিহাৰ কৰি চলিব পৰা গ’লহেঁতেন যদিহে পঞ্জাব, হাৰিয়ানা অঞ্চলত হিমঘৰ থাকিলহেঁতেন। মই আশা কৰোঁ, প্ৰযুক্তি আৰু চৰকাৰী নীতিৰ লগতে নিঃশেষ হ’বলৈ ধৰা শস্যৰ সংৰক্ষণত খেতিয়কৰ অংশগ্ৰহণে এই অসামঞ্জস্যৰ অন্ত পেলাব।

নেশ্যনেল জিঅ’গ্ৰাফিক মেগ্‌জিন (ফেব্ৰুৱাৰী ২০১৮) -ৰ সংখ্যাত প্ৰশ্ন কৰা হৈছে—‘চীন দেশক কোনে খুৱাব।’ আমিও এটা প্ৰশ্ন সোধা উচিত হ’ব—‘ভাৰতক কোনে খুৱাব, উৎপাদনৰ পৰৱৰ্তী প্ৰেক্ষাপটত, যিহেতু কমতকৈ কম ভূমিৰ আমি বেছিতকৈ বেছি জনক খুৱাব লাগিব। এই বাজেটে এনে অসামঞ্জস্য অন্ত পেলোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ❐

---

**(১০ পৃষ্ঠাৰ পৰা)**

মূলক ব্যৱস্থাৰ পৰিৱৰ্তে সুৰক্ষাহে বিচাৰিছে নেকি? সৰ্বোপৰি নিৰিখ বৃদ্ধি সাধাৰণতে লবীকেন্দ্ৰিক হয় যথা ষ্টীল, এলুমিনিয়াম আদিত— যিবোৰ বুনিয়াদী সামগ্ৰী।

পৰৱৰ্তীভাৱে ঘৰুৱা উদ্যোগৰ একত্ৰিত সুৰক্ষাৰ ব্যৱস্থা দীৰ্ঘ সময়ৰ বাবে সুৰক্ষিত নাথাকিব। ভাৰতবৰ্ষই ইতিমধ্যে ৰিজিঅ’নেল কম্প্ৰেহেন্‌ছিভ্ ইক’ন’মিক পাৰ্টনাৰশ্বিপ (আৰ চী ই পী) আছিয়ান দেশবোৰৰ দহ সদস্য আৰু ছখন দেশ— অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, দক্ষিণ কোৰিয়া আৰু নিউজিলেণ্ডৰ মাজত হোৱা মুক্ত বাণিজ্য চুক্তি। ই নিশ্চিতভাৱে ভৱিষ্যতৰ সময়ছোৱাত সীমাশুল্কৰ পৰিমাণ শূন্য কৰিব। তৃতীয়তে ৰাজহুৱা খণ্ডৰ বেংক আৰু কৰ্প’ৰেটবোৰে ঘোষণা কৰা ট্ৰেড ইলেক্ট্ৰনিক ৰিচিভিবল ডিছকাউণ্টিং ছিষ্টেম (ট্ৰেডছ)— এক অনলাইন বিল ডিছকাউণ্টিং প্লেটফৰ্ম আৰু ই বৃহৎ ক্ৰেতা আৰু এম এছ এম ই বিক্ৰেতাৰ মাজৰ লেনদেন স্বয়ংক্ৰিয়ভাৱে কৰি এম এছ এম ইৰ কাৰ্যকৰী মূলধন বৃদ্ধিত স্বচ্ছন্দতা আনিব। আকাংক্ষিত ফল-প্ৰাপ্তিৰ বাবে অধিক বিধায়িনী ব্যৱস্থাৰ প্ৰয়োজন।

চতুৰ্থতে, এম এছ এম ই খণ্ডক ঋণ সমৰ্থন, মূলধনী আৰু সুতৰ ৰাজসাহায্য আৰু উদ্ভাৱনৰ বাবে খণ্ডটোলৈ বাজেটে ৩৭৯৪ কোটি টকাৰ প্ৰস্তাৱ ধাৰ্য কৰিছে। যদিও এম এছ এম ই খণ্ডই ইয়াক যথোপযুক্তভাৱে আদৰণি জনাইছে পিছে বিতং তথ্য নথকাৰ বাবে পৰৱৰ্তী মন্তব্য কৰাটো কঠিন।

যিবোৰ কোম্পানী টাৰ্ণ-অভাৰ ২৫০ কোটি টকা পৰ্যন্ত, সেইবোৰৰ কৰ্প’ৰেট কৰৰ ২৫ শতাংশ ৰেহাইৰ জৰিয়তে সামৰি লোৱা ব্যৱস্থা পূৰ্বৰ ৫০ কোটি টকাৰ টাৰ্ণ-অভাৰ সামৰি লোৱা কোম্পানীবোৰৰ সম্প্ৰসাৰিত ৰূপ আৰু ই ক্ষুদ্ৰ এম এছ এম ই খণ্ডৰ কল্যাণ সাধন কৰিব। যিহেতু ৯৩ শতাংশতকৈও অধিক এম এছ এম ই কোম্পানী নহয়, কিন্তু অংশীদাৰিত্ব আৰু মালিকানাধীন প্ৰতিষ্ঠান, তেনে ক্ষেত্ৰত ‘কোম্পানী’ৰ বিশ্বাসযোগ্যতা সীমিত হৈছে। বাজেটত প্ৰস্তাৱিত আন এটা শুভ দিশ হ’ল কম মানসম্পন্ন কোম্পানীবোৰেও বণ্ড বজাৰত আহৰণৰ বাবে যোগ্য হ’ব। যদি কেৱল বৃহৎ কৰ্প’ৰেটবোৰহে বণ্ড বজাৰত আহৰণৰ বাবে যোগ্য হয় এম এছ এম ইৰ বাবে অধিক বেংক নিধি সুলভ হ’ব।

সামগ্ৰিকভাৱে বাজেটৰ দিশ ইতিবাচক। কৃষি আৰু আন্তঃগাঁথনি খণ্ডত বৃহৎ গুৰুত্ব দিয়াটোৱে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিত চাহিদা আৰু বিশ্বাস-যোগ্যতা বৃদ্ধি কৰিব। নিয়োগ সৃষ্টিত এম এছ এম ইয়ে উৎকৃষ্ট ফল প্ৰদৰ্শন কৰি আছে। আশানুৰূপভাৱে বিনিয়োগৰ সোঁত ভূ-ভাগত বলিব লাগিব আৰু ফলাফল সৃষ্টি হ’ব লাগিব। ❐

# মধ্য মঞ্চত স্বাস্থ্য যতনৰ স্থান নিৰ্ণয়

**কে শ্ৰীনাথ ৰেড্ডী***

যোৱা দশকটোত কেন্দ্ৰীয় বাজেটত জনস্বাস্থ্যৰ ক্ষেত্ৰত সিমান বিশেষ প্ৰভেদ দেখা নাযায় বুলি ক'ব পাৰি। গণ মাধ্যমত ঠাই পোৱা প্ৰাক্-বাজেটৰ আশা-আকাংক্ষা আৰু বাজেটৰ পৰৱৰ্তী কালৰ প্ৰতিক্ৰিয়া এটা বছৰৰ পিছত আনটো বছৰত ঠিক যেন পুনৰাবৃত্তি, মাথোন শব্দৰহে ইফাল-সিফাল। ব্যাপকভাৱে কিবা এটাৰ পৰিৱৰ্তন ঘটিছে বুলি ক'ব পৰা নাযায়। প্ৰথমতে স্বাস্থ্য ৰক্ষাৰ সন্দৰ্ভত আবণ্টনৰাশি যথেষ্ট বৃদ্ধি পাব বুলি আশা কৰে; আৰু পিছত দুখ আৰু নিৰাশাৰে ক'ব লগা হয় যে বাজেটত সেইটো কৰিবলৈ অপাৰগ। কিন্তু যোৱাবাৰ বাজেটে স্বাস্থ্য খণ্ডলৈ কিছু আনন্দৰ বাতৰি কঢ়িয়াই আনিছিল। সেই বাতৰি আছিল ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান আঁচনিৰ ঘোষণা। তাৰ পিছত শ্ৰম মন্ত্ৰণালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা। ইয়াৰ অবিহনে স্বাস্থ্যৰ শিতানটো বাজেট দাখিলৰ সময়ত একেবাৰে সীমাত একাষৰীয়া হৈ থাকে। কিন্তু ২০১৮ বৰ্ষৰ বাজেটখন ভিন্ন ধৰণৰ হোৱা যেন লাগে; কিয়নো ই স্বাস্থ্য ক্ষেত্ৰত থকা পেছাদাৰী লোক, গণ মাধ্যম তথা জনগণৰ মাজত যথেষ্ট উত্তেজনাৰ সৃষ্টি কৰে। হাতত ল'ব লগা এলানি বৃহৎ প্ৰচেষ্টাই হ'ল তাৰ কাৰণ। তথাপি সেই প্ৰচেষ্টা তৰ্কৰ ঊৰ্দ্ধত ৰৈ নাথাকিল। স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সেই অভিলাষী প্ৰস্তাৱবোৰে সামগ্ৰিকভাৱে কেনেকৈ উপকৃত কৰিব সেই বিষয়ে প্ৰশ্নৰ অৱতাৰণা কৰা হ'ল।

সি যি কি নহওক, ইয়াৰ দুখন আঁচনি 'আয়ুস ভাৰত' কাৰ্যসূচীৰ অধীনত একেলগ কৰা হয়। বিক্ষিপ্ত প্ৰাথমিক স্বাস্থ্য যতন ব্যৱস্থাৰ কাম-কাজবোৰক উৎসাহিত কৰাই আঁচনিখনৰ লক্ষ্য। তাৰ বাবে যুগুতাই উলিওৱা কাৰ্যসূচীত ১,৫০,০০০টা স্বাস্থ্য উপ-কেন্দ্ৰক স্বাস্থ্য আৰু আৰোগ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰস্তাৱ আছে। কাৰ্যসূচীৰ অন্য বিষয়টো হ'ল ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি— যি ১০ কোটি দুখীয়া আৰু স্পৰ্শকাতৰ পৰিয়ালক বিত্তীয় ব্যৱস্থাৰ অধীনলৈ অনা হ'ব। ইয়াৰ বাবে বাৰ্ষিক ধনৰাশিৰ সীমা হ'ল ৫ লাখ টকা। মজলীয়া আৰু অন্য ধৰণৰ যতন ব্যৱস্থাৰ বাবে চিকিৎসালয়ৰ খৰচৰ বাবে ইয়াক কামত খটুৱা হ'ব।

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰদ্বাৰা যি ভেটি গঢ়ি তোলা হয় তাকেই আধাৰ কৰি বিক্ষিপ্ত প্ৰাথমিক স্বাস্থ্য যতন ব্যৱস্থাৰ লক্ষ্য হ'ল প্ৰাথমিক স্বাস্থ্য সেৱাৰ কাম-কাজবোৰ সবল কৰি তোলা। এফালে গ্ৰাম্য স্বাস্থ্য অভিযানে যেনেদৰে মাতৃ আৰু শিশু স্বাস্থ্য সেৱাৰ ওপৰত আলোকপাত কৰে, ঠিক তেনেদৰে ২০১৭ বৰ্ষৰ ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিতো ব্যাপক ৰূপত আৰু নিৰন্তৰভাৱে প্ৰাথমিক স্বাস্থ্য যতন সেৱা আগবঢ়াবৰ কাৰণে ৰাষ্ট্ৰীয় অভিযানক ব্ৰতী থাকিবলৈ আহ্বান জনায়। ইয়াৰ বাবে সেৱা আগবঢ়োৱাৰ পৰিসৰ বৃদ্ধি কৰিব লগা হয়, কিয়নো অসংক্ৰামক ৰোগ আৰু মানসিক স্বাস্থ্য ভাৰসাম্য-হীনতাৰ দৰে ব্যাধি এতিয়ালৈকে সামৰি লোৱা হোৱা নাই। শেহান্তৰত কিছুমান ৰোগৰ সন্দৰ্ভত প্ৰাথমিক স্বাস্থ্য সেৱা প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন একক মঞ্চ ৰূপে কামত মনোনিৱেশ কৰিব লগা হয় আৰু তেনে ব্যাধিৰ ভিতৰত মাক আৰু শিশুৰ স্বাস্থ্য ৰক্ষা সম্পৰ্কিত বিষয়ৰ উপৰি সংক্ৰামক তথা অসংক্ৰামক ৰোগ আৰু সমূহীয়াভাৱে আগতীয়াকৈ স্বাস্থ্য যতন প্ৰয়াসৰ কাম-কাজৰ দিশত মনোযোগ দিয়া এটা গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচিত হয়।

জটিল ৰোগৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া যতন ব্যৱস্থা নিৰন্তৰভাৱে লোৱাৰ আৱশ্যক হয়। তাৰ বাবে প্ৰাথমিক স্তৰত উপযুক্তভাৱে মনোযোগ দিয়া দৰকাৰ। এই স্তৰত ভাল ধৰণৰ যতন ব্যৱস্থাৰ সুবিধা থকা মজলীয়া পৰ্যায়ৰ কেন্দ্ৰই হাতত লোৱা ব্যৱস্থাৰ স'তে যোগসূত্ৰ স্থাপন কৰি ৰেফাৰেল সেৱাৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য চিকিৎসা আশা কৰিব পৰা যায়। প্ৰাথমিক স্তৰত যক্ষ্মা আৰু এইছ আই ভী/এইড্‌ছ ৰোগৰ চিকিৎসাৰ সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ আৰু তাৰ নিয়মীয়া পৰ্যবেক্ষণ কৰাৰ প্ৰয়োজন হয়। পিছে এইক্ষেত্ৰত যিবোৰ সেৱা আগবঢ়োৱা হয় সেয়া ঘাইকৈ অধিক ৰুগ্ন ৰোগীৰ সন্দৰ্ভতহে মনোযোগ দিয়া

***লিখক কে শ্ৰীনাথ ৰেড্ডী হ'ল পাব্লিক হেল্‌থ ফাউণ্ডেচন অব ইণ্ডিয়াৰ অধ্যক্ষ। ইয়াত প্ৰকাশ কৰা মতামত লিখকৰ নিজা।**

যেন লাগে। কিছুমান জটিল অৱস্থাৰ ৰোগীৰ কাৰণে, যেনে— হাইপাৰ-টেনচন, মানসিকভাৱে বিকৃতি ঘটা ৰোগীৰ ক্ষেত্ৰত প্ৰাথমিক তত্বাৱধান আৰু যতন ব্যৱস্থা উন্নত হোৱা দৰকাৰ। সমূহীয়া স্তৰত স্বাস্থ্য ৰক্ষাৰ শিক্ষা তথা চিকিৎসা প্ৰতিষ্ঠানবোৰত ব্যক্তিগতভাৱে দিহা-পৰামৰ্শ আগবঢ়াই সামগ্ৰিকভাৱে স্বাস্থ্যৰ দিশটোৰ উন্নতি সাধন কৰাটো হ'ল এটা গুৰুত্বপূৰ্ণ বিষয়। পিছে এতিয়ালৈকে প্ৰাথমিক যতন ব্যৱস্থাত ইয়াৰ প্ৰতি বিশেষভাৱে মনোযোগ দিয়া নহয়; বৰ অৱহেলাহে কৰা হয়। সমাজৰ লোকসকলৰ মাজত ভাল খাদ্য আৰু নিয়মীয়াভাৱে শাৰীৰিক পৰিশ্ৰম কৰাটো যে অতি প্ৰয়োজন সেই বিষয়ে জনাব লাগে— যাতে ইয়াৰ উপকাৰিতা বহল প্ৰেক্ষাপটত প্ৰকাশমান হ'ব পাৰে।

উপ-কেন্দ্ৰবোৰ স্বাস্থ্য কল্যাণ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰা প্ৰস্তাৱে বিস্তৃতভাৱে প্ৰাথমিক স্বাস্থ্য ৰক্ষা ব্যৱস্থাক এটা আকাৰ প্ৰদান কৰিব। লগতে ই মূল স্বাস্থ্য সেৱাক গ্ৰাম্য অঞ্চলৰ লোকসকলে ঠাইতে পোৱাৰ সুবিধা কৰিব। সা-সুবিধাৰ ওপৰত নিৰ্ভৰ কৰি যি স্বাস্থ্য ৰক্ষাৰ সেৱা আগবঢ়োৱা হ'ব তাৰ বাহিৰেও নিৰ্দিষ্ট এলেকাৰ লোকৰ মাজত তেনে প্ৰাপ্তি ব্যৱস্থাই স্বাস্থ্য ৰক্ষাৰ প্ৰয়াসক সবল কৰিব তথা ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰতো বৰঙণি যোগাব। কেন্দ্ৰসমূহত স্বাস্থ্য সেৱাৰ যি কৰ্মচাৰী আছে তাৰ অতিৰিক্ত, যেনে— নাৰ্ছৰ বৃত্তিধাৰীসকলক অন্তৰ্ভুক্তিকৰণৰ বাবে লোৱা ব্যৱস্থাই স্বাস্থ্য কল্যাণ কেন্দ্ৰক সবল কৰিব। অত্যাৱশ্যকীয় ঔষধপাতি আৰু মূল ৰোগ পৰীক্ষা বিনামূলীয়াকৈ দিয়াৰ ক্ষেত্ৰতো পথ সুচল কৰিব। উপযুক্ত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত স্বাস্থ্য কল্যাণ কেন্দ্ৰবোৰে উপযুক্ত পৰিসংখ্যা লাভ কৰিব পাৰিব আৰু বিভিন্ন স্বাস্থ্য নিৰ্ণায়ক দিশবোৰক পৰ্যবেক্ষণ কৰিব পাৰিব। দূৰ-দূৰণিৰ স্থানত চিকিৎসকক কামত ন্যস্ত কৰি টেলিমেডিচিন তথা ম'বাইল ফোন প্ৰযুক্তি ব্যৱহাৰ কৰি স্বাস্থ্য কল্যাণ কেন্দ্ৰৰ স্বাস্থ্য যতন ব্যৱস্থাৰ বা দিহা-পৰামৰ্শ আৰু ঔষধ-পাতি প্ৰদান কাৰ্য উন্নত কৰাত সহায় কৰিব পাৰে।

স্বাস্থ্য কল্যাণ কেন্দ্ৰসমূহ সক্ৰিয় কৰি তোলা বিষয়টো নিতান্তই আদৰণীয়, কিন্তু ইয়াৰ লগতে প্ৰাথমিক স্বাস্থ্য সেৱাকো সমূহীয়া স্বাস্থ্য কেন্দ্ৰ-সমূহৰ স্তৰলৈ উন্নীত কৰাৰ প্ৰয়াস লাগিব। পিছে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত যি বাজেটৰ পুঁজি আবণ্টন কৰা হৈছে সেইটোৱে তেনে দায়বদ্ধতাৰ কথাক প্ৰতীয়মান নকৰে। বৰং ইয়াৰ পৰিমাণ পূৰ্বৰ বছৰৰ পুনৰবৰ্দ্ধিত হিচাপতকৈ ২.১ শতাংশ হ্ৰাস পায়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ এটা অনুভাগ চহৰৰ স্বাস্থ্য অভিযান; কিন্তু বাজেটত ইয়াক প্ৰায় অৱজ্ঞা কৰিবলৈ দেখা পোৱাটো নিৰাশাজনক কথা। চহৰৰ প্ৰাথমিক যতনৰ ক্ষেত্ৰতো আৰ্হি আৰু বিতৰণ উভয়ৰ সন্দৰ্ভত দীৰ্ঘদিনৰপৰা অৱহেলা কৰি অহা হৈছে। কিন্তু গ্ৰামাঞ্চলৰপৰা চহৰলৈ অধিক প্ৰব্ৰজন তথা চহৰৰ বস্তি এলেকা বৃদ্ধি আৰু কাম কৰি উপাৰ্জন কৰা লোকৰ সমাৱেশৰ বিষয়াটোলৈ চাই মহানগৰ আৰু চহৰবোৰত প্ৰাথমিক স্বাস্থ্য সেৱাৰ বিষয়টোৱে জৰুৰীভাৱে অধিক গুৰুত্ব বহন কৰিছে। চহৰৰ জনসংখ্যালৈ চাই স্বাস্থ্য কল্যাণ কেন্দ্ৰৰ প্ৰয়োজন হ'ব। স্বাস্থ্য কল্যাণ কেন্দ্ৰসমূহৰ বাবে ধাৰ্য কৰা ১,২০০ কোটি টকাতকৈ অধিক বৃদ্ধি কৰা প্ৰয়োজন হ'ব।

সম্পূৰ্ণৰূপে স্বাস্থ্য কল্যাণ কেন্দ্ৰসমূহ সক্ষম কৰি তুলিবৰ কাৰণে ডাঙৰ প্ৰত্যাহ্বানৰ বিষয় হ'ল মানৱ সম্পদৰ নাটনি। এই সম্পদ হ'ল চিকিৎসক। কেন্দ্ৰসমূহত চিকিৎসকৰ অভাৱ, কিন্তু বৃত্তিধাৰী নাৰ্ছসকলৰদ্বাৰাহে কৰ্মচাৰীৰ সংখ্যা কিছু বৃদ্ধি কৰা হ'ব। পিছে মজলীয়া স্তৰত স্বাস্থ্য ৰক্ষাৰ যতন লওঁতাসকলৰদ্বাৰা অভাৱ পূৰণ কৰা আৱশ্যক। তেনে কৰ্মচাৰী বৃত্তিধাৰী নাৰ্ছ আৰু সমূহীয়া স্বাস্থ্য সহকাৰী লোক হ'ব পাৰে। এওঁলোকে তিনি বছৰীয়া কাৰ্যসূচী গ্ৰহণ কৰি থাকে আৰু এওঁলোককেই প্ৰাথমিক স্বাস্থ্য যতন আৱশ্যকতাৰ প্ৰতি প্ৰশিক্ষণ আদিৰে সক্ষম কৰি তোলা হয়। আয়ুস স্নাতক-সকলক (পৰম্পৰাগত ঔষধ পদ্ধতিৰ ক্ষেত্ৰত প্ৰশিক্ষণ দিয়া হয়) এলোপেথিক ঔষধ-পাতিৰ সন্দৰ্ভত এটা সংযোজন পাঠ্যক্ৰম প্ৰদান কৰা হ'লেও বিষয়টো বিতৰ্কমূলক। দৰাচলতে ক'বলৈ গ'লে এই আয়ুস বৃত্তিধাৰীসকলক স্বাস্থ্য কল্যাণ কেন্দ্ৰত অৱস্থান কৰিব লাগে— যাতে তেওঁলোকে পৰম্পৰাগত ঔষধ-পদ্ধতি সেৱা আগবঢ়াব পাৰে। দুগৰাকী অগ্জিলৰী নাৰ্ছ মিডৱাইফৰ বাহিৰেও বহুমুখী কাৰ্যৰ পুৰুষ কৰ্মীৰো প্ৰয়োজন হ'ব। এজন লেবৰেটৰী টেক্নিচিয়ান তথা ঔষধ দিওঁতা কৰ্মচাৰীৰো প্ৰয়োজন হ'ব। স্বাস্থ্য কল্যাণ কেন্দ্ৰসমূহত প্ৰয়োজনীয় মানৱ সম্পদ সৃষ্টি কৰিবৰ বাবে বৃহৎ প্ৰচেষ্টাৰ আৱশ্যক, কিন্তু তেনে কাৰ্য সমাধানেৰে বহু যুৱকৰ বাবে চাকৰিৰ সৃষ্টি কৰিব পাৰিব। ইয়াৰদ্বাৰা ভিন ভিন অঞ্চলৰ লোকসকলে পাব পৰাকৈ স্বাস্থ্য ৰক্ষা ব্যৱস্থাৰ ভেটি ভালদৰে গঢ়ি তুলিব পাৰিব।

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি পদ্ধতি ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য যোজনাৰ অভিজ্ঞতা আৰু কাম-কাজৰপৰা গঢ় লৈ উঠে। এই স্বাস্থ্য বীমা যোজনাৰ জৰিয়তে মাধ্যমিক স্তৰৰ

স্বাস্থ্য যতন সুবিধা গ্ৰহণ কৰাত সুচল হ'লেও প্ৰতি পৰিয়ালকে বছৰি ৩০,০০০ টকাৰে সামৰি লোৱাটো সীমাৱদ্ধতাৰ ভিতৰত থাকে। কিছুমান ৰাজ্যই নিজ পুঁজিৰে আৰম্ভ কৰা স্বাস্থ্য বীমা আঁচনিৰ স'তে ফেৰ মাৰিব লগা হয়। কাৰণ সেই ৰাজ্যবোৰে তেনে আঁচনিৰ জৰিয়তে ১-৩ লাখ টকা পৰ্যন্ত বীমাৰ আৱৰ্ত্ত সাধন কৰে। এই ক্ষেত্ৰত ডাঙৰ কথাটো হ'ল ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাই তেনে ধৰণে আশাপ্ৰদ সহায় কৰাত অসমৰ্থ হৈছে। সেই যোজনাত অন্তৰ্গত হোৱা ৰোগীয়ে প্ৰয়োজন হ'লে নিজৰ জেপৰ ধনহে খৰচ কৰিবলগা হয়। কিন্তু অচল ব্যৱস্থাৰ অভিজ্ঞতাৰ পৰা ৰাজহুৱা আৰু ব্যক্তিগত যোগান ধৰোঁতা উভয়তে এটা শক্তিশালী তথ্য প্ৰযুক্তিৰ প্লেটফৰ্ম গঢ়ি তোলাত সহায়ক হৈছে আৰু ইয়াৰদ্বাৰা অভিষ্ট কাৰ্যত আগবাঢ়ি যাবলৈ সুচল কৰি তুলিব। এনে কেন্দ্ৰীয় আৰু ৰাজ্যৰ স্বাস্থ্য বীমা আঁচনিসমূহৰ প্ৰভাৱ জনসংখ্যা স্বাস্থ্য নিৰ্ণায়ক ভূমিকাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ অগ্ৰসৰ ক্ৰমে প্ৰাথমিক স্বাস্থ্য যতন ব্যৱস্থাত প্ৰভাৱ হ্ৰাস পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিয়ে ১০ কোটি দুখীয়া তথা স্পৰ্শকাতৰ পৰিয়ালৰ বাবে চিকিৎসালয়ৰ যতন ব্যৱস্থাক সমৰ্থন জনাবলৈ বছৰি ৫ লাখ টকাৰ সীমা ধাৰ্য কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ উপৰি এই বৃদ্ধিয়ে ভীষণ ধৰণৰ ৰোগাক্ৰান্ত অৱস্থাত হোৱা ব্যয়ৰ ক্ষেত্ৰত সম্ভৱতঃ কিছু বোজা পাতলাব; জেপৰ ধন খৰচ কৰাত ই প্ৰভাৱ নেপেলাব। কাৰণ বহিঃ ৰোগীক (আউট পেচেণ্ট) এনে বীমা ব্যৱস্থাত সামৰি লোৱা নহয়। সেয়ে স্বাস্থ্য কল্যাণ কেন্দ্ৰ আৰু অন্য প্ৰাথমিক স্বাস্থ্য ৰক্ষা ব্যৱস্থাই এই ক্ষেত্ৰত সকাহ প্ৰদান কৰিবলৈ প্ৰয়াস কৰা উচিত। মাধ্যমিক স্তৰৰ সেৱা আৱশ্যকতা হ্ৰাস কৰিবৰ বাবে উপযুক্ত প্ৰাথমিক সেৱা যোগান ধৰা কৰ্তব্য আৰু প্ৰয়োজনভিত্তিক আগশাৰীৰ চিকিৎসাৰ বাবে ৰেফাৰেলৰ ভূমিকা পালন কৰিবলৈ সেই প্ৰাথমিক সেৱা ব্যৱস্থা 'গেটকীপাৰ' অৰ্থাৎ দুৱাৰডলিৰ ৰক্ষকৰূপে কাম কৰা বাঞ্ছনীয়। উপযুক্ত প্ৰাথমিক স্বাস্থ্য সেৱাৰ অবৰ্তমানত ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিৰ চাহিদাৰ অনিয়ন্ত্ৰণ হেতু স্বাস্থ্য বাজেটৰ ধনৰাশি অকাৰণতে ওলাই যাব— আৰু তাৰ ফলস্বৰূপে প্ৰাথমিক স্বাস্থ্য তথা ৰাজহুৱা খণ্ডৰ চিকিৎসালয় সবল কৰাৰ প্ৰাপ্ত পুঁজি হ্ৰাস পাব।

এই বছৰ যদিও মাত্ৰ ২০০০ কোটি টকা আবণ্টন কৰা হৈছে, ইয়াৰ পৰিমাণ ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিখন পূৰ্ণ পৰ্যায়ৰ ৰূপ ল'লে কমেও পাঁচ-ছয় গুণ বৃদ্ধি পাব। কাৰণ আঁচনিখন ২০১৮ চনৰ অক্টোবৰৰ পৰাহে পূৰ্ণ পৰ্যায়ত প্ৰচলন কৰা হ'ব। ৰাজ্য চৰকাৰসমূহে খৰচৰ ৪০ শতাংশ বৰঙণি যোগাব বুলি আশা কৰা হৈছে আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিৰ স'তে ৰাজ্যৰ স্বাস্থ্য বীমা আঁচনিবোৰ একত্ৰিত কৰিবলৈ উৎসাহিত কৰা হ'ব। এটা কথা হ'ল সম্পদৰ উৎস তথা অধিক সংখ্যক লোকক সামৰি ল'বলৈ আঁচনিখন বিস্তাৰিত কৰাৰ উপৰি এনে চামিলকৰণ ব্যৱস্থাই এখন ৰাজ্যৰপৰা অন্য এখন ৰাজ্যলৈ যোৱাসকলকো নিজৰ স্থায়িত্ব অটুট ৰখাটো নিশ্চিত কৰিব। অৱশ্যে তাৰ বাবে বিভিন্ন ৰাজনৈতিক দলে এটা মতত উপনীত হোৱাৰ বিষয়টো জড়িত আছে।

ক্ৰয়ৰ ক্ষেত্ৰত বিচক্ষণতা অৱলম্বন হ'ল এটা গুৰুত্বপূৰ্ণ বিষয়। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিত সেইটোকে প্ৰস্তাৱ কৰা হৈছে— যাৰদ্বাৰাই পেনেলত অন্তৰ্ভুক্ত ৰাজহুৱা তথা ব্যক্তিগত হাস্পতালসমূহৰ পৰা উপযুক্ত সেৱা লাভ কৰিব পৰা যায়। অৰ্থাৎ ৰোগ আৰু সেই ৰোগৰ পৰীক্ষা আৰু কেনেধৰণৰ চিকিৎসা প্ৰয়োজন হ'ব সেই সম্বন্ধে সঠিক বাছনি কৰা বিষয়টো জড়িত আছে। গুণগত মান, চিকিৎসাৰ বাবদ খৰচ আদি বিষয়বোৰ বিবেচনা কৰিবলগীয়া হয়। মিথ্যাচাৰ ধৰা পেলোৱা আৰু ওজৰ-আপত্তি সমাধান ব্যৱস্থাও উন্নত কৰাৰ আৱশ্যক হয়। স্বাস্থ্য নীতি আঁচনিৰ অধীনত উপকাৰ সাধনৰ সুবিধা আগবঢ়োৱা সন্দৰ্ভত জন সজাগতা কাৰ্যক নিশ্চয় উৎসাহিত কৰা উচিত। ইয়াৰদ্বাৰাই বীমাকৰণত সংখ্যা বৃদ্ধি পাব আৰু আঁচনিখন উপযুক্তভাৱে কামত লগোৱাত সহায়ক হ'ব। যদি এনেবোৰ ৰক্ষণাবেক্ষণ ব্যৱস্থা সঠিকভাৱে কামত লগোৱা নহয়, তেনেহ'লে অনাৱশ্যক পৰীক্ষা, চিকিৎসা আদিত খৰচ বাঢ়ি যোৱাৰ আশংকাই দেখা দিব।

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিৰ প্ৰশাসন কাৰ্য এটা ন্যাস অথবা এটা বীমা কোম্পানীৰ জৰিয়তে কৰা হ'ব। মধ্যস্থতাকাৰীৰ বাছনি ৰাজ্য চৰকাৰসমূহলৈ এৰি দিয়া হ'ব। চৰকাৰৰদ্বাৰা প্ৰতিষ্ঠা কৰা এই ন্যাসৰ অধিক উত্তৰদায়িতা থাকিব আৰু মুৰব্বীৰ সংখ্যা কম হ'ব। এটা বীমা কোম্পানীয়ে কৌশলগত ক্ৰয় আৰু ধন পৰিশোধ কৰিবলৈও আগবাঢ়ি আহিব পাৰে আৰু কামত লগোৱাৰ হেতু তাৰ হাৰ বাঢ়ি গ'লে অধিক প্ৰিমিয়াম দাবী কৰাৰ সম্ভাৱনা থাকে। এনে ক্ষেত্ৰত চৰকাৰে তাৰ সমুচিত ব্যৱস্থা গ্ৰহণ কৰিব। কাৰণ প্ৰিমিয়ামৰ ধন আদায় দিয়াৰ দায়িত্ব চৰকাৰৰ। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আঁচনিখনেই হ'ল দুখীয়া আৰু স্পৰ্শকাতৰ পৰিয়ালসমূহৰ বাবে লক্ষ্য কৰা এটা কাৰ্যসূচী। এই কাৰ্যসূচীত

অৱশ্যে অ-দৰিদ্ৰ লোকসকলৰ বাবেও সুবিধা আছে আৰু সেয়া হ'ল ৰাষ্ট্ৰীয় আঁচনিখনৰ কাৰণে থকা নিৰ্দিষ্ট প্ৰিমিয়ামখিনি আদায় দি তেনে লোকে ইয়াত অন্তৰ্ভুক্ত হ'ব পাৰে।

জিলাৰ চিকিৎসালয়সমূহ সবল কৰাৰ আৱশ্যকতালৈ চাই অধিক চিকিৎসক আৰু বিশেষজ্ঞ উলিওৱাটো গুৰুত্বপূৰ্ণ বিষয়। বাজেটত ২৪ খন নতুন মেডিকেল কলেজ আৰম্ভ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে আৰু সেইবোৰ উন্নত মানৰ জিলা হাস্পতাল-সমূহৰ লগত সংলগ্ন কৰি বুনিয়াদ গঢ়ি তোলা হ'ব। প্ৰত্যেক তিনিটা সংসদীয় সমষ্টিৰ বাবে এখন মেডিকেল কলেজ খোলাৰ কথাও ভবা হৈছে। ইয়াৰ বাবে উচ্চ স্তৰৰ ৰাজহুৱা বিত্তৰ প্ৰয়োজন হ'ব, কিয়নো ব্যক্তিগত খণ্ডৰ বিনিয়োগ প্ৰায়ভাগেই কেইখনমান ৰাজ্যত সীমাবদ্ধ হৈ আছে। স্বাস্থ্যৰ বাজেটত সামগ্ৰিক-ভাৱে যি পৰিমাণ বৃদ্ধি হয় সেয়া কেৱল পূৰ্বৰ বছৰৰ আবণ্টনৰ কাৰণে কৰা পুনৰবৰ্দ্ধিত হিচাপতকৈ মাত্ৰ ২.৮ শতাংশ অধিক। ইপিনে নতুন মেডিকেল কলেজ স্থাপন কৰিবৰ কাৰণে আবণ্টনৰাশি ১২.৫ শতাংশ হ্ৰাস কৰা হয়। গতিকে এতিয়াৰ পৰা বাজেটৰ পৰিমাণ প্ৰতি বছৰে বৃদ্ধি নাপালে ২০২৫ চনৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদনৰ ২.৫ শতাংশ ৰাজহুৱা বিত্তৰ কাৰণে স্থিৰ কৰা ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিৰ লক্ষ্য পাবৰ সম্ভাৱনা নাই।

বাজেটত স্বাস্থ্যৰ নিৰ্ণায়ক কিছুমান সামাজিক আৰু পৰিৱেশমূলক দিশ সমাধান কৰিবলৈ বিচৰা হৈছে। যক্ষ্মা ৰোগীৰ পৌষ্টিকতা উন্নত কৰিবৰ অৰ্থে বিত্তীয় সমৰ্থন যোগান ধৰিবলৈ ৬০০ কোটি টকা আবণ্টন কৰা হৈছে। মাহিলি ৫০০ টকা জলপানিৰ জৰিয়তে এই কাম হাতত লোৱা হ'ব। এই জলপানিৰ ধনৰাশি সেই নিৰ্দ্ধাৰিত বাজেটৰ ভিতৰৰেই। ই তেনে ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতাক উৎসাহিত কৰাত সহায় কৰিব আৰু যি চিকিৎসা কৰা হ'ব তাৰো উন্নত ফল পোৱাত সহায় কৰিব। স্বচ্ছ ভাৰত অভিযানৰ অনাময় ভাগটো অধিক শৌচাগাৰ নিৰ্মাণ কৰি আগবঢ়াই নিয়া হ'ব— যাতে মুক্ত ঠাইত মলত্যাগ কৰাৰ স্বাস্থ্যৰ প্ৰতি থকা আশংকাৰ দিশটো হ্ৰাস কৰিব পাৰি। বায়ু প্ৰদূষণ হ'ল আন এটা বিষয়। এটা শেহতীয়া হিচাপ মতে ই হ'ল ভাৰতত বেয়া স্বাস্থ্যৰ বাবে দ্বিতীয় এটা গুৰুত্বপূৰ্ণ কাৰণ। এই সমস্যা পৰিৱেশ আৰু ভিতৰুৱা বায়ু প্ৰদূষণক নিয়ন্ত্ৰণ কৰিবলৈ উপযুক্ত ব্যৱস্থা হাতত ল'বলৈ ভবা হৈছে। দিল্লীৰ চুবুৰীয়া ৰাজ্যকেইখনক বিত্তীয় সমৰ্থন প্ৰদান কৰা হ'ব— যাতে শস্যৰ অৱশিষ্ট ভাগ নজ্বলোৱাকৈ ভূ-ভাগৰ অন্তঃস্থলীত অৱস্থান কৰি তাক গত লগাব পৰা যায়। উজ্বলা আঁচনিখন বিস্তাৰিত কৰা হ'ব। দুখীয়া মহিলা-সকললৈ ৰন্ধন গেছৰ সংযোগ সাধন কৰি এই কাম কৰা হ'ব— যাতে পাকঘৰত সৃষ্টি হোৱা বায়ু প্ৰদূষণৰপৰা তেওঁলোক তথা ল'ৰা-ছোৱালীবোৰ হাত সাৰিব পাৰে। সাধাৰণতে তেনে প্ৰদূষণৰ সৃষ্টি হয় গোটা জৈৱিক ইন্ধন সামগ্ৰীৰপৰা। ৰন্ধন গেছে তেনে সমস্যা দূৰ কৰিব। বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ কৰি শ্বাস-প্ৰশ্বাসজনিত ৰোগ, কেন্সাৰ, হৃদপিণ্ড সম্পৰ্কীয় জটিলতা, ল'ৰালিৰ উদফাই আৰু শ্বাসনলীত সংক্ৰমণ আৰু আনকি মধুমেহৰ মাত্ৰাৰ সমস্যাও লাঘৱ কৰাত সহায়ক হ'ব।

২০১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত স্বাস্থ্যক ৰাজহুৱা আলাপ-আলোচনাৰ এটা মূল বিষয় কৰা হৈছে। ইয়াৰ ইতিবাচক দিশটোৰ সন্দৰ্ভত বহু মন্তব্য দাঙি ধৰা হৈছে। পিছে যি অভিলাষী আঁচনি আৰু প্ৰয়াসৰ বিষয়ে প্ৰস্তাৱ কৰা হৈছে তাৰ সফলতা নিৰ্ভৰ কৰে কেন্দ্ৰ তথা ৰাজ্য উভয় চৰকাৰৰ বাজেটত বিত্তীয় সম্পদৰাজিৰ আবণ্টনৰ ওপৰত। তাৰ পৰিমাণ প্ৰতিবছৰে বৃদ্ধি হ'লেহে লক্ষ্য সাধন কৰিব পৰা যাব। লগতে স্বাস্থ্য পদ্ধতিত বহল পৰিসৰৰ সবল ভেটি গঢ়ি তুলিবলৈ সঙ্ঘবদ্ধ প্ৰয়াস জাৰি ৰাখিব লাগিব। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিত ৰাজ্যসমূহক ২০২০ চনৰ ভিতৰত স্বাস্থ্য শিতানৰ বাজেটত ৮ শতাংশ বৃদ্ধি কৰিবলৈ আহ্বান জনায়। ৰাজ্যবোৰে তেনে কৰাটো বাঞ্ছনীয় যদিও কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্যৰ বাবে ৰাজহুৱা বিত্তৰ অংশ ভাগ বৃদ্ধি কৰাৰ আশ্বাস দিয়ে। বহুস্তৰীয় কাম-কাজত বিনিয়োগ, ভিন্ন বিষয়ৰ দক্ষ কৰ্মবাহিনী, সকলো পৰ্যায়তে গুণগত সেৱা প্ৰদান কৰাৰ সামৰ্থ্য আদি বিষয়বোৰতো মনোযোগ দিয়া কৰ্তব্য। ইয়াৰ লগতে শক্তিশালী নিয়ামক ব্যৱস্থা আৰু পৰ্যবেক্ষণ পদ্ধতি সম্পৰ্কেও বিবেচনা কৰিব লাগিব। এই সকলোবোৰ কাম সঙ্ঘবদ্ধ তথা সময় মতে আগবাঢ়িলেহে ভাৰতে সাৰ্বজনীন স্বাস্থ্য পৰিক্ৰমাৰ পথত নিশ্চিতভাৱে অগ্ৰসৰ হ'ব। ইয়াৰ শিঙা বাজিলেই, কিন্তু যাত্ৰা এতিয়াহে আৰম্ভ হৈছে! ❐

# ভাৰতবৰ্ষৰ অভিলাষী জিলাৰ ৰূপান্তৰ— এটা উন্নয়নশীল যাত্ৰা

**অমিতাভ কান্ত***

ভাৰতবৰ্ষ শক্তিশালী ৰূপত উন্নয়ন সাধনৰ প্ৰক্ষেপ পথত আৰু আন্তঃৰাষ্ট্ৰীয় নিকায় যথা বিশ্ব বেংক, মোডীজ ইনভেষ্টৰ ছাৰ্ভিচ আদিয়ে প্ৰক্ষেপ কৰা অনুসৰি ২০১৮ চনত ভাৰতবৰ্ষ পুনৰ দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হ'ব। বিশ্ব বেংকৰ শেহতীয়া 'ইজ অফ ডুয়িং বিজনেছ'ৰ শেহতীয়া প্ৰতিবেদনত দেখুওৱা মতে ভাৰতবৰ্ষই দৃষ্টিজনকভাৱে ৪২ সংখ্যক স্থানলৈ উৰ্দ্ধগামী হৈছে আৰু এনে ঊৰ্দ্ধমুখিতা লাভ কৰা ভাৰতবৰ্ষই একমাত্ৰ দেশ।

যি সময়ত অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনীয়তা ইতিবাচক দিশত ধাৱিত হৈছে, আমাৰ সামাজিক খণ্ডবোৰে তীব্ৰভাৱে উন্নয়নৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইউ এন ডী পীৰ মানৱ উন্নয়ন সূচাংক, ২০১৬ত ১৮৮ খন দেশৰ ভিতৰত ভাৰতবৰ্ষই ১৩১ সংখ্যক স্থান লাভ কৰিছে আৰু বিশ্ব ক্ষুধা সূচাংকত ১১৯ খন দেশৰ ভিতৰত ১০০ সংখ্যক স্থানত আছে আৰু শেহতীয়াভাৱে ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইছ এছ) অনুসৰি প্ৰতি দুগৰাকী মহিলাৰ ভিতৰত এগৰাকী ৰক্তাল্পতাত আক্ৰান্ত, প্ৰতি তিনিটি শিশুৰ ভিতৰত এটি পয়ালগা, প্ৰতি চাৰিটি শিশুৰ এটি পুষ্টিহীনতাত আক্ৰান্ত আৰু প্ৰতি পাঁচটি শিশুৰ ভিতৰত এটি শক্তিহীন। বুজা শক্তিৰ ক্ষেত্ৰতো বিভিন্ন সমীক্ষাই এটা শোচনীয় ছবি প্ৰতিফলিত কৰে। তথ্যবোৰ গভীৰভাৱে বিশ্লেষণ কৰিলে ছবিখন পৃথকভাৱে দেখা যায় আৰু এই সূচাংকবোৰৰ ক্ষেত্ৰত থকা স্থিতি ৰাষ্ট্ৰীয় পৰ্যায়ত দেখাৰ দৰে ভয়াৱহ নহয়। উদাহৰণ স্বৰূপে পয়ালগা শিশুৰ শতাংশ হ'ল— কেৰালা (১৯.৭) আৰু বিহাৰ (৪৮.৩); কম ওজনৰ শিশুৰ শতকৰা হাৰ— মিজোৰাম (১১.৯) আৰু ঝাৰখণ্ড (৪৭.৮); প্ৰতি ১০০০ শিশুৰ জন্মৰ বিপৰীতে মৃত্যুৰ হাৰ— আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ (১০) আৰু উত্তৰ প্ৰদেশ (৬৪); প্ৰতি ১ লাখ জীৱিত সন্তানৰ বিপৰীতে প্ৰসূতিৰ মৃত্যুৰ হাৰ কেৰালা (৬১) আৰু অসম (৩০০); গণিত শাস্ত্ৰ ৫ম শ্ৰেণী এন এ এছ স্ক'ৰ— তামিলনাডু (৫৬%) আৰু চত্তিশগড় (৩২%), অনুৰূপভাৱে পঢ়া-শুনাৰ বোধশক্তি তামিলনাডু (৫৪%) আৰু বিহাৰ (২৯%); প্ৰতিটো পৰিয়ালৰ শতকৰা হাৰ— পাঁচখন ৰাজ্যই লাভ কৰিছে ১০০% আৰু ঝাৰখণ্ড (৪০%)। সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ প্ৰায় ২০০ খন জিলাই ৰাষ্ট্ৰীয় গড়ৰ ক্ষতি কৰিছে।

সি যি কি নহওক, চৰকাৰী আঁচনিত এটা বিন্দু অভিমুখে অগ্ৰসৰ হোৱাৰ লগতে সঠিক সময়ত নিৰীক্ষণ ব্যৱস্থাই জিলা পৰ্যায়ত এইবোৰক অভিলাষী জিলালৈ ৰূপান্তৰ কৰিব আৰু আগন্তুক ৩-৫ বছৰৰ সময় সীমাৰ ভিতৰত ৰাষ্ট্ৰৰ উৎকৃষ্ট ক্ষেত্ৰত পৰিণত কৰিব।

দেশখনৰ বিভিন্ন অঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক উভয় খণ্ডৰ উন্নয়ন মাপকাঠীৰ সম্প্ৰসাৰিত অৱস্থাই ১৯৬০ৰ প্ৰথম ভাগৰ পৰাই দেশৰ নীতি নিৰ্দ্ধাৰকসকলৰ মনোযোগ আকৰ্ষণ কৰিছিল। পূৰ্বতে দেশৰ অনুন্নত জিলাবোৰ প্ৰতিনিধিত্ব কৰা ৰাজ্যবোৰৰ ভিতৰত বিহাৰ, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ আৰু ৰাজস্থান আছিল। কাৰ্যসূচী/আঁচনিৰ ক্ষেত্ৰত প্ৰত্যেক সমিতিৰ অনুমোদনাৱলীবোৰ আছিল খণ্ড বা অঞ্চলভিত্তিক। কিন্তু সেইবোৰত এটা বিন্দু অভিমুখে অগ্ৰসৰ হোৱা বা কেন্দ্ৰীয় নিৰীক্ষণ ব্যৱস্থাৰ অনুপস্থিতি লক্ষ্যণীয় আছিল। প্ৰতিবেদনসমূহে দেখুৱাই যে এই জিলাবোৰৰ নামত আবণ্টিত ধনৰ এটা অংশহে প্ৰকৃতাৰ্থত ব্যয় হয়। বিশ্বাসযোগ্য আৰু সঠিক সময়ৰ তথ্যও এইক্ষেত্ৰত এটা বৃহৎ প্ৰত্যাহ্বান স্বৰূপ। নীতি নিৰূপণৰ ক্ষেত্ৰত আন এটা বিষয় হ'ল 'এটা জোখত সকলো মিলি যোৱা' আহ্বান। ভৌগোলিক, সাংস্কৃতিক আৰু বিশ্বাসৰ বিচিত্ৰতাই নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ক্ষেত্ৰভিত্তিক সমাধান নিৰ্ণয় কৰে। শেহতীয়াভাৱে সাফল্যমণ্ডিত কাৰ্যসূচীবোৰৰ আঁত ধৰি যথা পলিঅ' নিৰাময়ৰ ক্ষেত্ৰত ক'ব পাৰি যে জনসাধাৰণৰ অংশগ্ৰহণ অবিহনে এই অনুন্নত জিলাবোৰক ৰূপান্তৰ কৰা সম্ভৱপৰ নহয়। অন্য ভাষাৰে ক'বলৈ হ'লে একমাত্ৰ গণ আন্দোলনৰ জৰিয়তেহে ৰূপান্তৰ সম্ভৱ।

*লিখক অমিতাভ কান্ত নিটি আয়োগৰ চী ই অ'

উন্নয়নৰ যাত্ৰাৰ পৰা শিক্ষা আহৰণ কৰা দিশৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে শেহতীয়াভাৱে 'অভিলাষী জিলাৰ ৰূপান্তৰ' শীৰ্ষক কাৰ্যসূচী আৰম্ভ কৰিছে। ভাৰত ত্যাগ আন্দোলনৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে মাননীয় প্ৰধান মন্ত্ৰীয়ে ৯ আগষ্ট, ২০১৭ত জিলা উপায়ুক্তসকলৰে ভিডিঅ' কন্‌ফাৰেন্সৰ জৰিয়তে বাৰ্তালাপ কৰিছিল আৰু উল্লেখ কৰিছিল— 'যেতিয়া ১০০ খন অতি অনুন্নত জিলাৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি ঘটিব, সেয়া দেশৰ সামগ্ৰিক উন্নয়নৰ বাবে এটা বৃহৎ শক্তিস্বৰূপ হৈ পৰিব।' আঁচনিৰ বৃহৎ ৰূপৰেখাবোৰ হ'ল— কেন্দ্ৰীয় আৰু ৰাজ্যিক আঁচনিবোৰ এটা বিন্দু অভিমুখে অগ্ৰসৰ হোৱা, কেন্দ্ৰীয়, ৰাজ্যিক স্তৰৰ 'প্ৰভাৰী' বিষয়া আৰু জিলা উপায়ুক্ত-সকলৰ সমন্বয়, ৰাজ্য চৰকাৰবোৰ চালক হিচাপে কাম কৰা, আঁচনিৰ বুজাবুজি, সঠিক সময়ৰ তথ্য, জিলাবোৰত গণ আন্দোলনৰ ৰূপত কাম সমাপন আৰু পৰিচালন।

২৮ খন ৰাজ্যৰ কমেও এখনকৈ জিলা বাছনি কৰি মুঠ ১১৫ খন জিলা বাছনি কৰা হয় যাৰ ভিতৰত ৩০ খন নিটি আয়োগৰদ্বাৰা বাছনি কৰা আৰু আন ৫০ খন জিলা ৰাজ্যসমূহৰপৰা লাভ কৰা চৰকাৰী তথ্য আৰু সমন্বিত সূচাংক মাপৰ ভিত্তিত কেন্দ্ৰীয় মন্ত্ৰণালয়ে গ্ৰহণ কৰিছে। বাকী ৩৫ খন জিলা বাঁওশক্তিৰ উগ্ৰপন্থী অধ্যুষিত জিলা হিচাপে গৃহ মন্ত্ৰণালয়ে চিনাক্ত কৰা। এই কাৰ্যসূচী নিটি আয়োগৰ নিৰীক্ষণত হ'ব। নিৰ্বাচিত জিলাসমূহৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ সক্ষমতাৰ প্ৰতিও লক্ষ্য ৰখা হ'ব যিহেতু কাৰ্যসূচীবোৰ ৰাজ্য চৰকাৰৰদ্বাৰা চালিত হ'ব। ৰাজ্যবোৰ ভাৰত চৰকাৰৰদ্বাৰাও সমৰ্থিত হ'ব কিয়নো ২০২২ চনৰ ভিতৰত এই জিলাবোৰক উন্নয়নৰ নিৰ্দ্ধাৰিত স্তৰত উপনীত কৰোৱাৰ লক্ষ্য বান্ধি লোৱা হৈছে। এই সহযোগিতাত নিটি আয়োগে সমন্বয় ৰক্ষা কৰিব আৰু জিলাবোৰৰ কাৰ্যদক্ষতা নিৰ্ণয়ত বৃহৎ শক্তি সৃষ্টি কৰিব।

এই জিলাবোৰৰ ৰূপান্তৰৰ কৌশলৰ এটা মূল কাৰক হিচাপে চিহ্নিত হৈছে মুখ্য কাৰ্যদক্ষতা পৰিমাপক (কে পী আই)। এই পৰিমাপকবোৰৰ জৰিয়তে উন্নয়নৰ নিৰীক্ষণ আৰু বৰ্দ্ধিত উন্নয়নৰ ভিত্তিত বাৰ্ষিক মান নিৰূপণ। এই কাৰ্যসূচীৰ মুখ্য লক্ষ্য হ'ল বাছনিকৃত জিলাবোৰৰ সামাজিক সূচাংক আৰু বুনিয়াদী আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে জীৱনৰ মান উন্নীত কৰা আৰু ইয়াৰ জনসাধাৰণৰ উপাৰ্জনৰ মান বৃদ্ধি কৰা। সেই ক্ষেত্ৰত পাঁচটা খণ্ড চিহ্নিত কৰা হৈছে, যিবোৰ হৈছে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বুনিয়াদী আন্তঃগাঁথনি আৰু বিত্তীয় সংযোজন আৰু দক্ষতা সৃষ্টি। এখন জিলাই সন্মুখীন হোৱা বিস্তৃত পৰিসৰৰ সুবিধা আৰু প্ৰত্যাহ্বানৰ ভিত্তিত গ্ৰহণযোগ্যভাৱে জিলা ভিত্তিক কে পী আইৰ আদৰ্শ আৰ্হি গঠন, ৰূপান্তৰিত জিলাবোৰত সকলো অংশগ্ৰহণকাৰীৰ-দ্বাৰা প্ৰতিশ্ৰুতি আৰু উন্নতি সাধন কৰাৰ ব্যৱস্থা লোৱা হয়।

এই কে পী আইবোৰ এই পাঁচটা খণ্ডৰ অন্তঃসংযোগ, বহিঃসংযোগ আৰু ফলাফলৰ ভিত্তিত নিৰ্ণিত আৰু জিলা পৰ্যায়ত গ্ৰহণ কৰা সঠিক সময়ভিত্তিক তথ্যৰদ্বাৰা নিৰূপিত। স্বাস্থ্য আৰু পৰিপুষ্টি খণ্ডৰ কে পী আইবোৰৰ ভিতৰত মাতৃ আৰু শিশু স্বাস্থ্য; নৱজাতকৰ পৰিপুষ্টি, প্ৰসৱোত্তৰ যতন আৰু পৰিপুষ্টি, টিকাকৰণ, কায়িক আন্তঃগাঁথনি আৰু স্বাস্থ্যৰ কাৰণে মানৱ সম্পদ। শিক্ষাৰ কে পী আই হ'ল মুঠ নামভৰ্তিৰ হাৰ, কায়িক আন্তঃগাঁথনি; শৈক্ষিক ফলাফল; সাক্ষৰতাৰ হাৰ আৰু শিক্ষাৰ অধিকাৰৰ সৈতে সংযোজন। কৃষি কে পী আইৰ ভিতৰত পানীৰ ইতিবাচক বিনিয়োগ আৰু নিযুক্তি, প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমাকৰণ, জটিল অৱস্থাত ব্যৱহাৰ আৰু যোগান। বুনিয়াদী আন্তঃগাঁথনিয়ে পথ, পানী, শৌচালয়, গৃহ, বিদ্যুৎ আৰু ইণ্টাৰনেট সংযোজনক সামৰি লয়। অতিৰিক্তভাৱে দুটা সংস্থা ক্ৰমে টাটা ট্ৰাষ্ট আৰু বিল আৰু মেলিণ্ডা গেটছ ফাউণ্ডেচনে তিনি মাহৰ ব্যৱধানৰ ভিত্তিত ঘৰে ঘৰে ষ্টাৰ্টিফাইড ৰেণ্ডম ছেম্পলিং টেক্‌নিকৰ জৰিয়তে সমীক্ষা চলাব।

এই আঁচনিৰ এটা লক্ষণীয় উদ্ভাৱন হৈছে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ অতিৰিক্ত/যুটীয়া সচিব পৰ্যায়ৰ বিষয়াক 'প্ৰভাৰী' আৰু 'ন'ডেল বিষয়া' হিচাপে নিযুক্তি। এই বিষয়াসকলে তেওঁলোকৰ অভিজ্ঞতাৰ সম্বলেৰে জিলা প্ৰশাসনক কেৱল নেতৃত্ব দানতে ফলৱতী নহয় তদুপৰি তেওঁলোক জিলা, ৰাজ্য আৰু কেন্দ্ৰৰ মাজতো সেতু বন্ধনৰ বাবে পাৰ্গত। জিলা পৰ্যায়ত মুখ্য বিষয়াবোৰ জিলা দণ্ডাধীশ/উপায়ুক্ত হ'ব। সচিব-সকলৰ এখন ক্ষমতা প্ৰদত্ত সমিতি (ই চী এছ) যে কাৰ্যসূচীবোৰ ৰূপায়ণৰ কাম তদাৰক কৰিব আৰু এই জিলা পৰ্যায়ৰ গোটৰদ্বাৰা এই জিলাবোৰত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত প্ৰয়োজনীয় নীতি সংশোধনৰ ব্যৱস্থা গ্ৰহণ কৰিব। একেদৰে, ৰাজ্যবোৰে ৰাজ্যিক স্তৰত সামগ্ৰিক ৰূপায়ণত আৰু প্ৰয়োজনীয় নীতি সংশোধনৰ বাবে মুখ্য সচিব আৰু পৰিকল্পনা/বিত্ত সচিবৰে দল গঠন কৰিব।

জিলা পৰ্যায়ৰ গোটে বিভিন্ন সূচাংকৰ শেহতীয়া ভিত্তিত প্ৰতিবেদন যুগুত কৰিব আৰু সুলভ সম্পদৰ

**১১৫ খন অভিলাষী জিলাৰ তালিকা**

| ৰাজ্য | নিটি আয়োগৰ ৩০ খন জিলা | মন্ত্ৰণালয়ৰদ্বাৰা অনুমোদিত ৫০ খন জিলা | গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ৰ এল ডব্লিউ ই জিলা |
|---|---|---|---|
| অন্ধ্ৰ প্ৰদেশ | | ১। ভাইজিনাগ্ৰাম | ১। বিশাখাপট্টনম |
| অন্ধ্ৰ প্ৰদেশ | | ২। চুড়াপড় | |
| অৰুণাচল প্ৰদেশ | | ১। নামচাই | |
| অসম | ১। দৰং | ১। ওদালগুৰি | |
| অসম | ২। ধুবুৰী | ২। হাইলাকান্দি | |
| অসম | ৩। বৰপেটা | | |
| অসম | ৪। গোৱালপাৰা | | |
| অসম | ৫। বাক্সা | | |
| বিহাৰ | ১। কাটিহাৰ | ১। খাগড়িয়া | ১। ঔৰংগাবাদ |
| বিহাৰ | ২। বেগুছাৰিয়া | ২। পুৰ্ণিয়া | ২। বাংকা |
| বিহাৰ | ৩। শ্বেইখপুৰা | | ৩। গয়া |
| বিহাৰ | ৪। আৰাৰিয়া | | ৪। জামুই |
| বিহাৰ | ৫। সীতামাড়ি | | ৫। মুঝাফৰপুৰ |
| বিহাৰ | | | ৬। নবাড়া |
| চত্তিশগড় | | ১। কোৰবা | ১। বস্তাৰ |
| চত্তিশগড় | | ২। মহাছমুণ্ড | ২। বিজাপুৰ |
| চত্তিশগড় | | | ৩। ডাণ্টেবাড়া |
| চত্তিশগড় | | | ৪। কংকেৰ |
| চত্তিশগড় | | | ৫। কন্দাগাঁও |
| গুজৰাজ | | ১। নৰ্মদা | |
| গুজৰাট | | ২। দাউদ | |
| হাৰিয়ানা | | ১। মেৱাট | |
| হিমাচল প্ৰদেশ | | ১। চাম্বা | |
| জম্মু আৰু কাশ্মীৰ | | ১। কুপৱাৰা | |
| জম্মু আৰু কাশ্মীৰ | | ২। বাৰামুলা | |
| ঝাৰখণ্ড | ১। ছাহেবগঞ্জ | ১। গোড়া | ১। লাটেহাৰ |
| ঝাৰখণ্ড | ২। পাকুৰ | | ২। লোহাৰদানা |
| ঝাৰখণ্ড | | | ৩। পালামু |
| ঝাৰখণ্ড | | | ৪। পুৰবিসিংভুম |
| ঝাৰখণ্ড | | | ৫। ৰামগড় |
| ঝাৰখণ্ড | | | ৬। আঁচি |
| ঝাৰখণ্ড | | | ৭। ছিমদেগা |

| ৰাজ্য | নিটি আয়োগৰ ৩০ খন জিলা | মন্ত্ৰণালয়ৰদ্বাৰা অনুমোদিত ৫০ খন জিলা | গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ৰ এল ডব্লিউ ই জিলা |
|---|---|---|---|
| ঝাৰখণ্ড | | | ৮। পশ্চিম সিংভূম |
| ঝাৰখণ্ড | | | ৯। বোকাৰত |
| ঝাৰখণ্ড | | | ১০। চাট্রা |
| ঝাৰখণ্ড | | | ১১। দুম্‌কা |
| ঝাৰখণ্ড | | | ১২। গাড়োৱা |
| ঝাৰখণ্ড | | | ১৩। গিৰদিহ |
| ঝাৰখণ্ড | | | ১৪। গুমলা |
| ঝাৰখণ্ড | | | ১৫। হাজাৰিবাগ |
| ঝাৰখণ্ড | | | ১৬। খুণ্টী |
| কৰ্ণাটক | | ১। য়াদগীড় | |
| কৰ্ণাটক | | ২। ৰায়চুড় | |
| কেৰালা | | ১। ৱাইনাড় | |
| মধ্য প্ৰদেশ | ১। ডাম’থ | ১। চাটাৰপুৰ | |
| মধ্য প্ৰদেশ | ২। শিংৰাউলী | ২। ৰাজগড় | |
| মধ্য প্ৰদেশ | ৩। বাব্‌ৱানি | ৩। গুণা | |
| মধ্য প্ৰদেশ | ৪। বিদিশা | | |
| মধ্য প্ৰদেশ | ৫। খাণ্ডৱা | | |
| মহাৰাষ্ট্ৰ | ১। নন্দুৰবাৰ | ১। ৱাশ্বিম | ১। গাড়চিৰুলি |
| মহাৰাষ্ট্ৰ | | ২। ওচমানাবাদ | |
| মণিপুৰ | | ১। চাণ্ডেল | |
| মেঘালয় | | ১। ৰিভই | |
| মিজোৰাম | | ১। মামিট | |
| নগালেণ্ড | | ১। কিফিৰে | |
| ওড়িশা | ১। ৰায়াগড় | ১। কান্ধামাল | ১। কুড়াপুত |
| ওড়িশা | ২। কালাহান্দি | ২। গজপতি | ২। মালাকানগিড়ি |
| ওড়িশা | | ৩। ধেঙ্কানাল | |
| ওড়িশা | | ৪। বালানগীৰ | |
| পঞ্জাব | | ১। ফিৰোজপুৰ | |
| পঞ্জাব | | ২। ম’গা | |
| ৰাজস্থান | ১। বাৰাণ | ১। ধোলপুৰ | |

| ৰাজ্য | নিটি আয়োগৰ ৩০ খন জিলা | মন্ত্ৰণালয়ৰদ্বাৰা অনুমোদিত ৫০ খন জিলা | গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ৰ এল ডব্লিউ ই জিলা |
|---|---|---|---|
| ৰাজস্থান | ২। জয়ছালমেৰ | ২। কাৰাউলি | |
| ৰাজস্থান | | ৩। শিৰোহি | |
| ছিকিম | | ১। পশ্চিম ছিকিম | |
| তামিলনাডু | | ১। ৰামানাথপুৰম | |
| তামিলনাডু | | ২। বিৰোধোনগৰ | |
| তেলেংগানা | | ১। ভূপালপল্লি | ১। খান্মাম |
| তেলেংগানা | | ২। আছিফাবাদ | |
| ত্ৰিপুৰা | | ১। ধলাই | |
| উত্তৰ প্ৰদেশ | ১। চিত্ৰকূট | ১। চান্দৌলি | |
| উত্তৰ প্ৰদেশ | ২। বলৰামপুৰ | ২। সিদ্ধাৰ্থ নগৰ | |
| উত্তৰ প্ৰদেশ | ৩। বাহৰাইছ | ৩। ফাটেহপুৰ | |
| উত্তৰ প্ৰদেশ | ৪। সোণভদ্ৰা | | |
| উত্তৰ প্ৰদেশ | ৫। সৰস্বতী | | |
| উত্তৰাখণ্ড | | ১। হৰিদ্বাৰ | |
| উত্তৰাখণ্ড | | ২। উধাম সিং নগৰ | |
| পশ্চিমবঙ্গ | ১। মুৰ্ছিদাবাদ | ১। নাদিয়া | |
| পশ্চিমবঙ্গ | ২। মালদা | ২। দক্ষিণদিনাজপুৰ | |
| পশ্চিমবঙ্গ | ৩। বীৰভূম | | |
| **মুঠ** | **৩০** | **৫০** | **৩৫** |

**অভিলাষী জিলাবোৰত উন্নতি ধৰি ৰখাৰ বাবে সূচাংক**
**সমন্বিত সূচাংকৰ মাপকাঠী**

| গ্ৰহণীয় ক্ষেত্ৰ | মাপকাঠী |
|---|---|
| স্বাস্থ্য আৰু পৰিপুষ্টি | ৩০% |
| শিক্ষা | ৩০% |
| কৃষি আৰু জল সম্পদ | ২০% |
| বিত্তীয় সংযোগীকৰণ আৰু দক্ষতা সৃষ্টি | ১০% |
| বুনিয়াদী আন্তঃগাঁথনি | ১০% |
| সমন্বিত সূচাংক | ১০০% |

| প্ৰতি গ্ৰহণীয় ক্ষেত্ৰৰ মাপকাঠীৰ তালিকা | | | | |
|---|---|---|---|---|
| স্বাস্থ্য আৰু পৰিপুষ্টি | | | | |
| ক্ৰমিক নং | মাপকাঠী | খাদ্য আৰু পৰিপুষ্টি সূচাংকৰ ওজন | সামগ্ৰিক সমন্বিত সূচাংকৰ ওজন | উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্দ্ধাৰিত |
| ১ | প্ৰাক প্ৰসৱকালিন যতনৰ কাৰণে পঞ্জীয়ন কৰা মুঠ গৰ্ভৱতীৰ ভিতৰত ৪টা বা ততোধিক প্ৰাক্-প্ৰসৱকালিন যতন পৰীক্ষা লাভ কৰা মহিলাৰ শতকৰা হাৰ। | ৮ | ২.৪ | হেল্থ মেনেজমেণ্ট ইনফৰমেচন ছিষ্টেম (এইছ এম আই এছ) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয় ২০১৬-১৭) মাহেকীয়া |
| ২ | আই চী ডী এছ আঁচনিৰ অধীনত নিয়মীয়াকৈ অতিৰিক্ত পৰিপুষ্টি লাভ কৰা গৰ্ভৱতীৰ শতকৰা হাৰ | ৩ | ০.৯ | জিলা উপায়ুক্ত (ডি চি)/মাহেকীয়া |
| ৩ | গৰ্ভৱতী মহিলাৰ যতনৰ বাবে পঞ্জীয়ন কৰা মুঠ মহিলাৰ সংখ্যাৰ ভিতৰত জটিল ৰক্তাল্পতাত (হিমোগ্ল'বিন <৭ জী/ডী এল) ভোগা মহিলাৰ শতকৰা হাৰ | ৯ | ২.৭ | এইছ এম আই এছ/মাহেকীয়া |
| ৪ | প্ৰসৱৰ মুঠ সংখ্যাৰ ভিতৰত আনুষ্ঠানিক প্ৰসৱৰ শতকৰা হাৰ | ৭ | ২.১ | এইছ এম আই এছ/মাহেকীয়া |
| ৫ | ঘৰত হোৱা প্ৰসৱৰ মুঠ সংখ্যাৰ ভিতৰত এগৰাকী এছ বি এ (দক্ষ জন্ম ধাত্ৰী) প্ৰশিক্ষিত স্বাস্থ্য কৰ্মীৰ উপস্থিতিত হোৱা গৃহ প্ৰসৱৰ শতকৰা হাৰ | ৩ | ০.৯ | এইছ এম আই এছ/মাহেকীয়া |
| ৬ | জন্মৰ এঘণ্টাৰ ভিতৰত নৱজাতকক দুগ্ধপান কৰোৱাৰ শতকৰা হাৰ | ১০ | ৩.০ | এইছ এম আই এছ/মাহেকীয়া |
| ৭ | ৫ বছৰৰ তলৰ কম ওজনৰ শিশুৰ শতকৰা হাৰ | ৭ | ২.১ | সমীক্ষা |
| ৮ | ৫ বছৰৰ তলৰ পয়ালগা শিশুৰ শতকৰা হাৰ | ৮ | ২.৪ | সমীক্ষা |
| ৯ | জটিল পুষ্টিহীনতাত আক্ৰান্ত | ৫ | ১.৫ | সমীক্ষা |
| ১০ | পৰ্যাপ্ত আহাৰ (মাতৃদুগ্ধ + অতিৰিক্ত আহাৰ) লাভ কৰা ৬-২৩ মাহৰ শিশুৰ শতকৰা হাৰ | ৫ | ১.৫ | সমীক্ষা |

| স্বাস্থ্য আৰু পৰিপুষ্টি | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠী | খাদ্য আৰু পৰিপুষ্টি সূচাংকৰ ওজন | সামগ্ৰিক সমন্বিত সূচাংকৰ ওজন | উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্দ্ধাৰিত |
| ১১ | সম্পূৰ্ণ টিকাকৰণ (৯-১১ মাহ) (বী চী জী + ডী পী টী ৩ + অ' পী ডী ৩ + বসন্ত ১) লাভ কৰা শিশুৰ শতকৰা হাৰ | ১০ | ৩.০ | এইছ এম আই এছ/মাহকীয়া |
| ১২ | প্ৰতি ১০০,০০০ জনসংখ্যাৰ বিপৰীতে জাননীকৃত যক্ষ্মা (টি বি) ৰোগী | ৫ | ১.৫ | উপায়ুক্ত/আৰ এন টী চী পী এম আই এছ/মাহেকীয়া |
| ১৩ | স্বাস্থ্য আন্তঃগাঁথনি সূচাংক | ২০ | ৬.০ | |
| ১৩ক | স্বাস্থ্য আৰু নিৰোগী কেন্দ্ৰ (এইছ ডব্লিউ চী) লৈ ৰূপান্তৰিত কৰা স্বাস্থ্য উপকেন্দ্ৰ/প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অনুপাত | ৬ | ১.৮ | উপায়ুক্ত |
| ১৩খ | ভাৰতীয় জনস্বাস্থ্য মানৰ ভিত্তিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অনুপাত | ৫ | ১.৫ | এইছ এম আই এছ/মাহেকীয়া |
| ১৩গ | প্ৰতি ৫০০,০০০ জনসংখ্যাৰ বিপৰীতে ১ (পাহাৰীয়া অঞ্চলত প্ৰতি ৩০০,০০ৰ বিপৰীতে ১) খন হিচাপত থাকিবলগীয়া কাৰ্যক্ষম এফ আৰ ইউ (ফাৰ্ষ্ট ৰেফাৰেল ইউনিট)ৰ অনুপাত | ৩ | ০.৯ | এইছ এম আই এছ/মাহেকীয়া |
| ১৩ঘ | আই পী এইছ এছ মাপৰ বিপৰীতে জিলা চিকিৎসালয়বোৰত থাকিবলগীয়া বিশেষজ্ঞ সেৱাৰ অনুপাত) | ২ | ০.৬ | এইছ এম আই এছ/মাহেকীয়া |
| ১৩ঙ | শেহতীয়া এমাহত কমেও এটা গ্ৰাম্য স্বাস্থ্য অনাময় আৰু পৰিপুষ্টি দিৱস/নগৰীয়া স্বাস্থ্য আৰু পৰিপুষ্টি দিৱস পালন কৰা প্ৰকাশিত অংগনবাড়ী কেন্দ্ৰ/নগৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ শতকৰা হাৰ | ২ | ০.৬ | এইছ এম আই এছ/মাহেকীয়া |
| ১৩চ | নিজা গৃহ থকা অংগনবাড়ীৰ অনুপাত | ২ | ০.৬ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া |
| | **মুঠ** | **১০০%** | **৩০%** | |

* ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা ২০১৫-১৬

# হেল্‌থ মেনেজমেণ্ট ইনফৰমেচন ছিষ্টেম, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয় ২০১৬-১৭

$ ৰক্তাল্পতাৰ মূল্য (এইছ বী < ১১ জী ডী এল) উৎকৃষ্ট জিলাৰ বাবে আনৰহে কাম কৰাৰ কৰ্তৃত্ব গ্ৰহণ কৰা

^ আৰ এন টী চী পী বাৰ্ষিক প্ৰতিবেদন ২০১৭

| শিক্ষা | | | | |
|---|---|---|---|---|
| **ক্ৰমিক নং** | **সূচক** | **শিক্ষা সূচকত ওজন** | **মুঠ সমন্বিত সূচকত ওজন** | **উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত** |
| ১ | এন ই আৰ (ক) প্ৰাথমিক পৰ্যায় | ১৪ | ৪.২ | মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় (এম এইছ আৰ ডী) - ইউ ডী আই এছ ই/বাৰ্ষিক |
| | (খ) মাধ্যমিক পৰ্যায় | ৬ | ১.৮ | এম এইছ আৰ ডী - ইউ ডী আই এছ ই/ বাৰ্ষিক |
| ২ | শৌচালয়ৰ সুবিধা থকা ঃ ছাত্ৰীৰ বাবে ব্যৱহাৰ-যোগ্য শৌচালয়ৰ সুবিধা থকা বিদ্যালয়ৰ % | ৫ | ১.৫ | সমীক্ষা/মাহেকীয়া |
| ৩ | শিক্ষাৰ ফলাফল (সকলো ল'ৰা-ছোৱালী, অনুসূচিত জাতি, অনুসূচিত জনজাতি, সংখ্যালঘু)<br>(ক) তৃতীয় শ্ৰেণীত গণিতৰ দক্ষতা<br>(খ) তৃতীয় শ্ৰেণীত ভাষাৰ দক্ষতা<br>(গ) পঞ্চম শ্ৰেণীত গণিতৰ দক্ষতা<br>(ঘ) পঞ্চম শ্ৰেণীত ভাষাৰ দক্ষতা<br>(ঙ) অষ্টম শ্ৰেণীত গণিতৰ দক্ষতা<br>(চ) অষ্টম শ্ৰেণীত ভাষাৰ দক্ষতা | ৫০ | ১৫ | মাহেকীয়া ভিত্তিত তৃতীয় পক্ষৰদ্বাৰা ষ্টাৰ্টিফাইড ৰেণ্ডম ছেম্পলিঙৰ জৰিয়তে নিৰ্বাচিত বিদ্যালয়ত কৰা পৰীক্ষা |
| ৪ | মহিলা সাক্ষৰতা হাৰ (১৫+ বয়স গোট) | ৮ | ২.৪ | সমীক্ষা/তিনিমহীয়া |
| ৫ | খোৱাপানীৰ সুবিধা থকা বিদ্যালয়ৰ শতকৰা হাৰ | ৪ | ১.২ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া +সমীক্ষা/তিনিমহীয়া |
| ৬ | মাধ্যমিক পৰ্যায়ত বিদ্যুৎ যোগানৰ সুবিধা থকা বিদ্যালয়ৰ শতকৰা হাৰ | ১ | ০.৩ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া +সমীক্ষা/তিনিমহীয়া |

| শিক্ষা | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | সূচক | শিক্ষা সূচকত ওজন | মুঠ সমন্বিত সূচকত ওজন | উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| ৭ | শিক্ষাৰ অধিকাৰ আইনৰদ্বাৰা নিৰ্দ্ধাৰিত ছাত্ৰ-ছাত্ৰী, শিক্ষক অনুপাত মানি চলা প্ৰাথমিক বিদ্যালয়ৰ শতকৰা হাৰ | ৮ | ২.৪ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া +সমীক্ষা/তিনিমহীয়া |
| ৮ | শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ ৩ মাহৰ ভিতৰত পাঠ্যপুথি আগবঢ়োৱা বিদ্যালয়ৰ শতকৰা হাৰ | ৪ | ১.২ | মাৰ সম্পদ উন্নয়ন মন্ত্ৰণালয়/বাৰ্ষিক |
| | মুঠ | ১০০% | ৩০% | |

| কৃষি আৰু জলসম্পদ | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠী | কৃষি সূচাংকৰ ওজন | সামগ্ৰিক সমন্বিত সূচাংকৰ ওজন | উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্দ্ধাৰিত |
| ১ | ইতিবাচক জল বিনিয়োগ আৰু নিয়োগ | ৩০ | ৬ | |
| ১(ক) | ১(ক) ক্ষুদ্ৰ জলসিঞ্চনৰ অধীনত মুঠ কৃষি ক্ষেত্ৰৰ শতকৰা হাৰ | ১৭.৫ | ৩.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ১(খ) | ১(খ) এম জি এনৰেগাৰ অধীনত পুনঃকাৰ্যক্ষম কৰা জলাশয়ৰ বৰ্দ্ধিত শতকৰা হাৰ | ১২.৫ | ২.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ২ | শস্য বীমা— প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (পী এম এফ বী ৱাই)ৰ অধীনত মুঠ কৃষি ক্ষেত্ৰৰ শতকৰা হাৰ | ১৫ | ৩ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/ছমহীয়া |
| ৩ | **জটিল আন্তঃসংযোগ ব্যৱহাৰ আৰু যোগান** | **১৭.৫** | **৩.৫** | |
| ৩(ক) | ৩(ক) কৃষি ঋণ বৃদ্ধিৰ শতকৰা হাৰ | ৭.৫ | ১.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৩(খ) | ৩(খ) প্ৰমাণপত্ৰিত মানসম্পন্ন বীজ বিতৰণ | ৭.৫ | ১.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/ছমহীয়া |

| কৃষি আৰু জলসম্পদ | | | | |
|---|---|---|---|---|
| ক্রমিক নং | মাপকাঠী | কৃষি সূচাংকৰ ওজন | সামগ্রিক সমন্বিত সূচাংকৰ ওজন | উৎস/ব্যৱধান (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্দ্ধাৰিত |
| ৩(গ) | সাৰ ব্যৱহাৰ বৃদ্ধি | ২.৫ | ০.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/তিনিমহীয়া |
| ৪ | ই নামলৈ সংযোজিত জিলা বজাৰৰ সংখ্যা | ১০ | ২ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৫ | মূল্য নিৰূপণ পৰিৱৰ্তনৰ হাৰ (কৃষি কাৰ্য মূল্য (এফ এইছ পী) আৰু ন্যূনতম সমৰ্থিত মূল্য (এম এছ পী)ৰ মাজত ব্যৱধান) | ৫ | ১ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৬ | জিলাবোৰত মুঠ কৃষি ক্ষেত্ৰত কৰা উচ্চ মূল্যৰ শস্যৰ শতকৰা অংশ | ২.৫ | ০.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/ছমহীয়া |
| ৭ | ধান আৰু ঘেঁহুৰ কৃষি উৎপাদন | ৫ | ১ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/ছমহীয়া |
| ৮ | টিকাকৰণ কৰা পশুৰ শতকৰা হাৰ | ৭.৫ | ১.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া |
| ৯ | কৃত্ৰিম প্ৰজননে সামৰি লোৱা | ৫ | ১ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া |
| ১০ | চক্ৰ ১ৰ তুলনাত চক্ৰ ২ত বিতৰণ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ সংখ্যা | ২.৫ | ০.৫ | সংশ্লিষ্ট বিষয়া-উপায়ুক্ত/মাহেকীয়া |
| | **মুঠ** | **১০০%** | **২০%** | |

| বিত্তীয় সংযোজন আৰু দক্ষতা সৃষ্টি | | | | |
|---|---|---|---|---|
| ক্রমিক নং | মাপকাঠী | বিত্তীয় সংযোজন সূচাংকৰ ভৰ | সৰ্বমুঠ সমন্বিত সূচাংকৰ ভৰ | উৎস/উৎপাদনশীলতা (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| **বিত্তীয় সংযোজন** | | | | |
| ১ | প্ৰতি ১ লাখ জনসংখ্যাত মুদ্ৰা ঋণৰ মুঠ আবণ্টন (টকা হিচাপত) | ২০ | ১ | বিত্তীয় সেৱা বিভাগ (ডী এফ এছ)/ মাহেকীয়া |

| বিত্তীয় সংযোজন আৰু দক্ষতা সৃষ্টি | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠী | বিত্তীয় সংযোজন সূচাংকৰ ভৰ | সৰ্বমুঠ সমন্বিত সূচাংকৰ ভৰ | উৎস/উৎপাদনশীলতা (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| ২ | প্ৰধান মন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা (পী এম জে জে বী ৱাই) ঃ প্ৰতি ১ লাখ জনসংখ্যাৰ বিপৰীতে অন্তৰ্ভুক্তি | ২০ | ১ | ডী এফ এছ/ মাহেকীয়া |
| ৩ | প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা (পী এম এছ ৱী ৱাই) ঃ প্ৰতি ১ লাখ জনসংখ্যাৰ বিপৰীতে অন্তৰ্ভুক্তি | ২০ | ১ | ডী এফ এছ/ মাহেকীয়া |
| ৪ | অটল পেঞ্চন যোজনা (এ পী ৱাই) ঃ প্ৰতি ১ লাখ জনসংখ্যাৰ বিপৰীতে হিতাধিকাৰী | ২০ | ১ | ডী এফ এছ/ মাহেকীয়া |
| ৫ | মুঠ বেংকিং একাউণ্টৰ শতাংশৰ বিপৰীতে আধাৰ সংযোজনৰ শতকৰা হাৰ | ২০ | ১ | ডী এফ এছ/ মাহেকীয়া |
| | **মুঠ** | **১০০%** | **৫%** | |
| **দক্ষতা সৃষ্টি** | | | | |
| ১ | হ্ৰস্বকালিন আৰু দীৰ্ঘকালিন প্ৰশিক্ষণ# আঁচনিত প্ৰমাণ পত্ৰধাৰী যুৱক-যুৱতীৰ সংখ্যা/২৫-২৯ বৰ্ষ গোটত জিলাত যুৱক-যুৱতীৰ সংখ্যা* | ২৫ | ১.২৫ | দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰণালয় (এম এছ ডী ই) আৰু লাইন মন্ত্ৰণালয়/মাহেকীয়া |
| ২ | নিযুক্তিপ্ৰাপ্ত প্ৰমাণ পত্ৰধাৰী যুৱক-যুৱতীৰ সংখ্যা#/ হ্ৰস্বকালিন আৰু দীৰ্ঘকালিন প্ৰশিক্ষণৰ অধীনত প্ৰশিক্ষিত যুৱক-যুৱতীৰ সংখ্যা | ১৫ | ০.৭৫ | এম এছ ডী ই আৰু লাইন মন্ত্ৰণালয়/ মাহেকীয়া |
| ৩ | শিক্ষানবিচী সম্পূৰ্ণ কৰাৰ সংখ্যা/পৰ্টেলত পঞ্জীকৃত প্ৰশিক্ষাৰ্থীৰ মুঠ সংখ্যা | ২৫ | ১.২৫ | প্ৰশিক্ষণৰ সঞ্চালক প্ৰধান (ডী জী টী)/ মাহেকীয়া |
| ৪ | উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্তৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত প্ৰমাণ পত্ৰধাৰী লোকৰ সংখ্যা#/অনানুষ্ঠানিক দক্ষ কৰ্মবাহিনী** | ২৫ | ১.২৫ | এম এছ ডী ই আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ পৰিষদ (এন এছ ডী চী)/মাহেকীয়া |

| দক্ষতা সৃষ্টি | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠি | বিত্তীয় সংযোজন সূচাংকৰ ভৰ | সৰ্বমুঠ সমন্বিত সূচাংকৰ ভৰ | উৎস/উৎপাদনশীলতা (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| ৫ | হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী প্ৰশিক্ষণৰ অধীনত অনুন্নত/অৱহেলিত প্ৰশিক্ষিত যুৱক-যুৱতীৰ সংখ্যা# (ক) মহিলা প্ৰমাণপত্ৰধাৰী প্ৰশিক্ষিত (খ) অনুসূচিত জাতি প্ৰমাণ পত্ৰধাৰী প্ৰশিক্ষিত (গ) অনুসূচিত জনজাতি প্ৰমাণপত্ৰধাৰী প্ৰশিক্ষিত (ঘ) অন্যান্য পিছপৰা প্ৰমাণপত্ৰধাৰী সম্প্ৰদায় প্ৰশিক্ষিত (ঙ) সংখ্যালঘু - প্ৰশিক্ষিত প্ৰমাণপত্ৰধাৰী (চ) পৃথকভাৱে সক্ষম প্ৰশিক্ষিত প্ৰমাণ-পত্ৰধাৰী)/প্ৰশিক্ষিত প্ৰমাণপত্ৰধাৰী প্ৰশিক্ষিত যুৱক-যুৱতীৰ সংখ্যা | ১০ | ০.৫ | এম এছ ডী ই আৰু এন এছ ডী চী/মাহেকীয়া |
| | মুঠ | ১০০% | ৫% | |

* পী এম কে ভী ৱাইৰ পৰা প্ৰাপ্ত দাতা (২০১৬-২০) ইয়াত দেখুওৱা হৈছে।

* ২৫-২৯ বৰ্ষ গোট জিলাত মুঠ যুৱক-যুৱতীৰ সংখ্যা যিবোৰ নিটি আয়োগে আন পৰিমাপ হিচাপ-নিকাচৰ বাবে ব্যৱহাৰ কৰাৰ সময়ত প্ৰাপ্ত।

#* অনানুষ্ঠানিক কৰ্মবাহিনীৰ দাতা এন এছ এছ অ' ২০১১-১২ ই ইউ এছ সমীক্ষা আৰু পিয়ল ২০১১ৰদ্বাৰা নিৰ্দ্ধাৰিত কৰা হৈছে।

| প্ৰাথমিক আন্তঃগাঁথনি | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠী | প্ৰাথমিক আন্তঃগাঁথনি সূচাংকৰ ভৰ | সৰ্বমুঠ সমন্বিত সূচাংকৰ ভৰ | উৎস/উৎপাদনশীলতা (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| ১ | বিদ্যুৎ সংযোগ থকা ঘৰৰ শতকৰা হাৰ | ২০ | ২ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ২ | ইণ্টাৰনেট সংযোগী গৃহৰ শতকৰা হাৰ | ৫ | ০.৫ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৩ | ৩ কিলোমিটাৰৰ ভিতৰত সকলো বতৰতে ব্যৱহাৰ কৰিব পৰা পথ থকা জনবসতিৰ শতকৰা হাৰ | ১৫ | ১.৫ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |

| প্ৰাথমিক আন্তঃগাঁথনি | | | | |
|---|---|---|---|---|
| ক্ৰমিক নং | মাপকাঠী | প্ৰাথমিক আন্তঃগাঁথনি সূচাংকৰ ভৰ | সৰ্বমুঠ সমন্বিত সূচাংকৰ ভৰ | উৎস/উৎপাদনশীলতা (সকলো সূচাংক সমীক্ষাৰ জৰিয়তে নিৰ্ণিত |
| ৪ | ব্যক্তিগত গৃহ শৌচালয় থকা ঘৰৰ শতকৰা হাৰ | ১৫ | ১.৫ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৫ | খোৱাৰ বাবে ব্যৱহৃত দৈনিক প্ৰতিগৰাকী ব্যক্তিৰ ৪০ লিটাৰ গ্ৰামাঞ্চলত আৰু ১৩৫ লিটাৰ নগৰাঞ্চলত (গৃহৰ ১০০ মিটাৰ আৰু ১০ মিটাৰৰ ভিতৰত) | ২০ | ২ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৬ | গাঁও পঞ্চায়ত পৰ্যায়ত উমেহতীয়া সেৱা কেন্দ্ৰই সামৰি লোৱা প্ৰতিষ্ঠান | ৫ | ০.৫ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| ৭ | কেঁচা বেৰৰ সৈতে এটা কোঠাৰ ঘৰত থকা বা আশ্ৰয়হীন লোক আৰু কেঁচা পদ অথবা কেঁচা বেৰ আৰু ছাতৰে দুটা ৰূমত থকা লোকৰ বাবে নিৰ্মিত পকী ঘৰৰ সংখ্যা | ২০ | ২ | সংশ্লিষ্ট বিষয়া, উপায়ুক্ত আৰু সমীক্ষা/মাহেকীয়া |
| | **মুঠ** | **১০০%** | **১০%** | |

ভিত্তিত বৰ্ষভিত্তিক লক্ষ্য নিৰ্দ্ধাৰণ কৰিব যাতে ২০২২ চনৰ ভিতৰত সকলো সূচাংকৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পাৰে। কেন্দ্ৰীয় প্ৰতিনিধিসকল, যিসকলে জিলাবোৰ দুমাহত কমেও এবাৰ পৰিভ্ৰমণ কৰে আৰু লগতে নিটি আয়োগৰ বাবে প্ৰতিবেদন প্ৰস্তুত কৰে; পৰৱৰ্তীভাৱে এই প্ৰতিবেদনবোৰ অধ্যয়ন কৰাৰ পাছত সচিবসকলৰ ক্ষমতা প্ৰদত্ত সমিতিৰ ওপৰত বিষয়বোৰ অনুমোদনৰ বাবে দাখিল কৰা হয়। ১১৫ খন জিলাৰ ভিতৰত নিটি আয়োগে ৩০ খন জিলা গ্ৰহণ কৰিব, ৩৫ খন জিলা গ্ৰহণ কৰিব গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে আৰু বাকী ৫৫ খন জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ; মহিলা আৰু শিশু উন্নয়ন, পঞ্চায়তীৰাজ, কৃষি আৰু কৃষক কল্যাণ, মানৱ সম্পদ উন্নয়ন, গ্ৰাম্য উন্নয়ন, খোৱাপানী আৰু অনাময়, গৃহ আৰু নগৰ পৰিক্ৰমা, জলসম্পদ, শক্তি, সামাজিক ন্যায় আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়ৰ মাজত বিতৰণ কৰা হৈছে।

প্ৰাথমিক স্তৰৰ তথ্য আৰু সঠিক সময়ৰ নিৰীক্ষণ ব্যৱস্থা ১ম এপ্ৰিল, ২০১৮ত আৰম্ভ কৰাৰ আশা পোষণ কৰা হৈছে আৰু এই অভিলাষী জিলাবোৰৰ জনসাধাৰণৰ উন্নয়নৰ বাবে ৰাজ্যবোৰৰ মাজত প্ৰতিযোগিতাও আশা কৰা হৈছে। যিহেতু অনুন্নত জিলাবোৰৰ ৰূপান্তৰ সাধন কৰাটো পৃথক ধাৰণা নহয়, সেয়ে চৰকাৰে ইয়াক পৃথকভাৱে ৰূপায়ণ কৰিছে। জনপ্ৰিয়ভাৱে এটা কথা আছে— 'বিজয়ী-সকলে পৃথক কাম নকৰে, তেওঁলোকে পৃথকভাৱে কামটো কৰে' আৰু এই আপ্তবাক্যশাৰী এই অভিলাষী জিলাবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য। ❐

# ক'লা ধন নির্মূলকৰণৰ বাবে স্বচ্ছ কৰ প্ৰশাসন

**ৰোহিত দেউ ঝা***

**ৰমেশ কুমাৰ যাদৱ***

ক'লা ধন আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ চলাই যোৱাটো চৰকাৰৰ মূল অগ্ৰাধিকাৰসমূহৰ অন্যতম। ন্যায়াধীশ এম বি শ্বাহৰ নেতৃত্বত ক'লা ধনৰ বিৰুদ্ধে বিশেষ তদন্তকাৰী দল (এছ আই টি) গঠন কৰি আৰম্ভ কৰা যাত্ৰা অব্যাহত আছে।

ক'লা ধনে যে কেৱল ৰাজকোষলৈ আহিবলগীয়া ৰাজহৰ গতি ৰুদ্ধ কৰে এনে নহয়, ই সমাজৰ নৈতিক গাঁথনিও নষ্ট কৰে। ক'লা ধনে দুৰ্নীতিৰ জন্ম দিয়ে যি সমাজৰ বাবে কৰ্কট ৰোগতকৈ কোনো গুণে কম নহয়। এই দুয়োটাই গণতন্ত্ৰৰ ওপৰত নাগৰিকৰ বিশ্বাস নাশ কৰে, সৃষ্টিশীল প্ৰবৃত্তি নষ্ট কৰে আৰু এনেকৈয়ে সমগ্ৰ ৰাষ্ট্ৰৰে প্ৰতিভা মষিমূৰ কৰি পেলায়।


২০১৮ৰ বাজেটে ক'লা ধন নির্মূলকৰণৰ পৰা বিষয়টো আগবঢ়াই লৈ গৈছে। স্বচ্ছ আৰু দায়বদ্ধ কৰ প্ৰশাসনক আৰু এখোপ ওপৰলৈ তোলা হৈছে। স্বচ্ছ আৰু সুন্দৰ ব্যৱস্থা সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰে চলোৱা প্ৰচেষ্টাত বিশ্ব বেংকে প্ৰকাশ কৰা 'ব্যৱসায় কৰাৰ সুচলতা' ক্ৰমাংকত ভাৰতৰ স্থান ঊৰ্ধগামী হৈছে। ভাৰতে এই ক্ষেত্ৰত চমকপ্ৰদ অগ্ৰগতিৰে ৩০ টা স্থান আগুৱাই শীৰ্ষ ১৫০ খন দেশৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। ১০ টাৰ ভিতৰত সকলো উপ-ক্ৰমাংকত ইতিবাচক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এয়া গুৰুত্বপূর্ণ বিষয় যে সৰ্বাধিক পৰিৱৰ্তন দেখা গৈছে 'কৰ আদায়' শিতানত, য'ত ভাৰতৰ পূৰ্বৰ স্থান ১৭২ ৰ পৰা ১১৯ লৈ আগবাঢ়ি আহিছে।

**আৰ্থিক ফলাফল**


বি-মুদ্ৰাকৰণ, জী এছ টী ৰূপায়ণ আদিৰ দৰে ঐতিহাসিক সিদ্ধান্তৰ আৰ্থিক ফলাফল ক্ৰমাৎ ভালৰ দিশলৈ আহিছে। ২০১৭-১৮ বৰ্ষৰ অৰ্থনৈতিক জৰীপ অনুসৰি জী এছ টীৰ অধীনত একক পৰোক্ষ কৰদাতাৰ সংখ্যা জী এছ টীৰ পূৰ্বৰ সময়তকৈ ৫০ শতাংশ বৃদ্ধি পাইছে। প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত ২০১৬ চনৰ নৱেম্বৰৰ পৰা ব্যক্তিগত আয়ৰ হিচাপ দাখিল কৰা লোকৰ সংখ্যা প্ৰায় ১.৮ নিযুত যোগ হৈছে।


বি-মুদ্ৰাকৰণে ৮৫.৫১ লাখ নতুন কৰদাতা পূৰ্বৰ বৰ্ষৰ ৬৬.২৬ লাখ কৰদাতাৰ বিপৰীতে সংযুক্ত হোৱাত সহায় কৰিছে। বৰ্তমান কাৰ্যকৰী কৰদাতাৰ ভিত্তি ৮.২৭ কোটি লৈ বৃদ্ধি পাইছে। আয়কৰ বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলত ব্যক্তিগত আয়কৰ প্ৰদানৰ ক্ষেত্ৰত গড় কৰৰ পৰিমাণৰ ঊৰ্দ্ধমুখিতা

**ব্যৱসায় কৰাৰ বিষয় সন্দৰ্ভত 'ডিছটেন্স টু ফ্ৰন্টিয়াৰ' (ডী টী এফ) -ভাৰত**




***লিখক ৰোহিত দেউ ঝা ২০১৩ চনৰ ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া। তেওঁ বৰ্তমান দিল্লীৰ আয়কৰ বিভাগৰ সহকাৰী সঞ্চালক। ৰমেশ কুমাৰ যাদৱ দিল্লীৰ আয়কৰ বিভাগৰ মুখ্য সঞ্চালক। তেওঁ ১৯৮৭ চনৰ ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া।**




বৃদ্ধি পায়। এই দুবছৰত ব্যক্তিগত আয়কৰৰ ঊৰ্দ্ধগামিতা আৰু ইয়াৰ পূৰ্বৰ ৭ বছৰৰ গড়ৰ অনুপাত ১:১। অৱশ্যে ব্যক্তিগত আয়কৰৰ ঊৰ্দ্ধগামিতা ২০১৬-১৭ বিত্তীয় বৰ্ষ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে ক্ৰমে ১.৯৫ আৰু ২.১১।

'নিকা ধন অভিযান' (অপাৰেচন ক্লীন মানী) ৰ অধীনত প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় পৰিষদে উন্নত তথ্য বিশ্লেষক ব্যৱহাৰ কৰি অধিক কৰ আদায় দিবলগীয়া ব্যক্তিক চিনাক্ত কৰে। বিতং তদন্তৰ বাবে তথ্য উৎসৰ সংহতকৰণ, সম্পৰ্কৰ শ্ৰেণীকৰণ আৰু পুঞ্জীভূত ধনৰ সন্ধান ইয়াৰ অন্তৰ্ভুক্ত। এই অভিযান তিনিটা স্তম্ভৰ ওপৰত বৰ্তি আছে—'সৎ কৰদাতা', 'নাগৰিকৰ অৱদান' আৰু 'ইতিবাচক পৰিণতিৰ হকে অবিৰত তথ্য যোগান। এই ব্যৱস্থাই লক্ষ্য কৰি লোৱা নগদ জমা ধনৰ ই-প্ৰত্যায়ন আয়কৰ বিভাগৰ বাবে সক্ষম কৰি তোলে আৰু কৰদাতাসকলে কৰ আদায় দিয়াৰ ক্ষেত্ৰত বেছি মাচুল ভৰিব নালাগে।

পী আই বীৰ বিবৃতি অনুসৰি বি-মুদ্ৰাকৰণৰ তথ্য মতে বলৱৎকৰণ বিভাগৰ ব্যৱস্থা গ্ৰহণৰ মুঠ সংখ্যা যথেষ্ট বৃদ্ধি পায়। এই তথ্যসমূহ হ'ল তালাচী অভিযান ১৫৮ শতাংশ বৃদ্ধি (৪৪৭ ৰ ১,১৫২ গোট), বাজেয়াপ্ত কৰা ধন ১০৬ শতাংশ বৃদ্ধি (৭১২ কোটি টকাৰ পৰা ১,৪৬৯ কোটি টকা), জৰীপত ১৮৩ শতাংশ বৃদ্ধি (৪,৪২২ ৰ পৰা ১২,৫২০) আৰু জৰীপৰ সময়ছোৱাত অপ্ৰকাশিত আয়ৰ ধন ধৰা পেলোৱাত ১৪৪ শতাংশ বৃদ্ধি (৯,৬৫৪ কোটি টকাৰ পৰা ১৩,৯২০ কোটি টকালৈ)।

**বেনামী লেনদেন (নিষিদ্ধকৰণ) সংশোধিত আইন ২০১৬ ৰ অধীনত ব্যৱস্থা গ্ৰহণ ঃ**

'বেনামী সম্পত্তি লেনদেনৰ নিষিদ্ধকৰণ আইন ১৯৮৮' ৰ সংশোধন ঘটাই 'বেনামী লেনদেন (নিষিদ্ধকৰণ) সংশোধন আইন, ২০১৬' গ্ৰহণ কৰা হয়। এই আইনৰ আধাৰত বেনামী সম্পত্তিৰ সাময়িক ক্ৰোক আৰু তাৰ পাছত বাজেয়াপ্তকৰণৰ উপৰি ৭ বছৰলৈ সশ্ৰম কাৰাদণ্ড বিহা হয়। এই সংশোধিত আইনে বেনামী লেনদেন কেনেকৈ হয় সেই সংজ্ঞাৰ পৰিসৰ বৃদ্ধি কৰে। আয়কৰ বিভাগে দেশজুৰি ২৪ টা উৎসৰ্গীকৃত বেনামী নিষিদ্ধকৰণ আইন গোট (বি পি ইউ) গঠন কৰে। বিভাগটোৰ তীব্ৰ অভিযানত ৩,৫০০ কোটিতকৈ অধিক টকা মূল্যৰ সম্পত্তি ৯০০ টাতকৈ অধিক গোচৰত অস্থায়ীভাৱে ক্ৰোক কৰা হৈছে।

**বিদেশী বেংক একাউণ্টৰ ক'লা ধনৰ ভয়াৱহতা নিয়ন্ত্ৰণ ঃ**

'ক'লা ধন (অঘোষিত বিদেশী আয় আৰু সম্পত্তি) আৰু কৰৰ অৰ্থদণ্ড আৰোপ আইন ২০১৫' ৰ অধীনত কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত ৩-১০ বছৰলৈ সশস্ত্ৰ কাৰাদণ্ডৰো বিধান আছে। বিদেশত জমা ধনৰ বিৰুদ্ধে যুঁজিবলৈ এই আইনে সহায় কৰে। 'ধন লুণ্ঠন প্ৰতিৰোধ, ২০০২' (পী এম এল এ) ৰ অধীনত কৰ ফাকিক অপৰাধৰূপে প্ৰতিষ্ঠা কৰা হৈছে। 'পানামা আৰু পেৰাডাইজ পেপাৰ লীক' গোচৰৰ সমন্বিত আৰু খৰতকীয়া অনুসন্ধানৰ বাবে চৰকাৰে বহুকেইটা সংস্থাৰ গোট (এম এ জী) চী বী ডী টীৰ অধ্যক্ষৰ নেতৃত্বত গঠন কৰে। যোৱা প্ৰায় ৩ বছৰত বহু ভাৰতীয়ই বিদেশী বেংকত হাজাৰ হাজাৰ কোটি টকা অবৈধভাৱে জমা থৈছে। নানা প্ৰতিবন্ধকতা সত্ত্বেও এইবোৰ কৰৰ আওতালৈ অনা হৈছে। ১৪৮ খন দেশৰ সৈতে ভাৰতৰ কৰ বিষয়ত চুক্তি আছে আৰু এইবোৰৰ জৰিয়তে কৰৰ বিষয়সমূহ তথ্যৰ বিনিময় কৰিব পাৰি। তদুপৰি ৩৯ খন দেশৰ সৈতে ফৌজদাৰী বিষয়ত 'পাৰস্পৰিক ন্যায়িক সহযোগিতা চুক্তি' কৰা হৈছে। এই চুক্তিসমূহৰ পৰিসৰ অবিৰতভাৱে বৃদ্ধি কৰাৰ লগতে দৃঢ় কৰা হৈছে।

**শ্বেল কোম্পানীসমূহৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা ঃ**

অব্যক্তিগত বৈধ সংস্থা বিশেষকৈ কোম্পানীৰ অপব্যৱহাৰ প্ৰতিৰোধ কৰাটো আয়কৰ বিভাগৰ বাবে প্ৰধান উদ্বেগৰ বিষয়ৰূপে দেখা দিছে। সৰলীকৃত কৰ্প'ৰেট কাৰ্যপ্ৰণালীৰ অন্যায় সুযোগ লৈ শ্বেল কোম্পানীসমূহ কাঠফুলাৰ দৰে বিয়পি পৰিছে। এটা ঠিকনাৰ পৰাই শ শ কোম্পানী পঞ্জীয়ন কৰা হৈছে। গতানুগতিকভাৱে কোম্পানীসমূহৰ মূলধন কম, এজন কৰ্মচাৰী বা এজনো কৰ্মচাৰী নথকা আৰু সঞ্চালকৰ ক্ষেত্ৰতো একেই কথা। তদুপৰি এজন সঞ্চালককেই বাৰটাতকৈ অধিক কোম্পানীৰ সঞ্চালক। বছৰ বছৰ ধৰি এনে শ্বেল কোম্পানীয়ে ভুৱা বিল প্ৰস্তুত কৰাৰ এটা ব্যৱস্থা গঢ়ি তুলিছে। কোম্পানীসমূহে জাল শ্বেয়াৰ মূলধন, ভুৱা ঋণ প্ৰদান কৰি অহা বাবে সেইবোৰক ভুৱা বিত্তীয় লেনদেনৰ বাবে ব্যৱহাৰ কৰি অহা হৈছে। সকলো শ্বেল কোম্পানী অত্যধিক সংখ্যাত থকা বাবে ধৰা পেলোৱা অত্যন্ত কঠিন হৈ পৰিছে। শ্বেল কোম্পানীসমূহ ধৰা পেলোৱাৰ পাছত সেইবোৰৰ অন্যায় আৰু অবৈধ কাৰ্যকলাপ সাম্প্ৰতিক সাক্ষ্য প্ৰমাণৰ মানেৰে প্ৰমাণ কৰাটো দুৰূহ হৈ পৰে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে বিভিন্ন বলৱৎকাৰী সংস্থাৰ সহায়ত আৰু ৰাজহ সচিব আৰু কৰ্প'ৰেট পৰিক্ৰমা সচিবৰ যুটীয়া নেতৃত্বত এটা বিশেষ কৰ্মী বাহিনী (এছ টী এফ) গঠন কৰিছে। বাহিনীটোৱে এই কোম্পানীসমূহৰ বিৰুদ্ধে চলোৱা অভিযানসমূহ চোৱা-চিতা কৰিব। বিভিন্ন আইন বলৱৎকাৰী সংস্থাই এই কোম্পানীসমূহৰ বিৰুদ্ধে সমন্বিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰি আহিছে।

দেশীয় আৰু বিদেশী শ্বেল কোম্পানীসমূহৰ বিৰুদ্ধে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰি এইবোৰক উৎখাত কৰিবলৈ চেষ্টা চলোৱা হৈছে। এইবোৰৰ ভিতৰত আছে 'ক'লা ধন (অঘোষিত বিদেশী উপাৰ্জন আৰু সম্পত্তি), আৰু কৰৰ অৰ্থদণ্ড আইন, ২০১৫ প্ৰৱৰ্তন 'বেনামী লেনদেন (নিষিদ্ধকৰণ) আইন, ১৯৯৮' সংশোধন, আয়কৰ আইন, ১৯৬১' ৰ সংশোধন। 'কাৰ্যকৰী ব্যৱস্থাপনাৰ স্থান' (পী অ' ই ই এম) ৰ ধাৰণা আৰম্ভ কৰা কোম্পানী আইনৰ সংশোধনেৰে 'লাভদায়ক মালিকীস্বত্ব'ৰ সংজ্ঞাৰ জন্ম দিয়াৰ বাবে এনে ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে। তদুপৰি নিয়ন্ত্ৰণৰ বাবে তত্বাৱধান বৃদ্ধি কৰিবলৈ ই-কে ৱাই চীৰে কোম্পানীৰ আৰম্ভণিৰ ক্ৰেতাসকলক 'এছ পী আই চী ই' (ইলেকট্ৰনিকভাৱে কোম্পানী গঠন কৰা সৰলীকৃত নথিকৰণৰ জৰিয়তে ধৰা পেলোৱা হয়। 'এছ পী আই চী ই' মঞ্চ কোম্পানীসমূহৰ বাবে পান কাৰ্ড বিতৰণৰ বাবে ব্যৱহাৰ কৰা হয়। কোম্পানীসমূহৰ সঞ্চালকসকলৰ বাবে আধাৰ বাধ্যতামূলক কৰা হৈছে।

'কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰণালয়ে' (এম এ চী) সকলো শ্বেল কোম্পানী'ৰ বিৰুদ্ধে বৃহৎ অভিযান আৰম্ভ কৰিছে। ২০১৭ বৰ্ষত প্ৰায় ২.২৭ লাখ কোম্পানী নিশ্চিহ্ন কৰি পেলোৱা হৈছে। তদুপৰি অন্য ১.২০লাখ কোম্পানীৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেইবোৰৰ বেংক একাউণ্টসমূহৰ কাম-কাজ সীমিত কৰি দিয়া হৈছে। স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ স্থানান্তৰকৰণতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কোম্পানীসমূহৰ প্ৰায় ৩.০৯ লাখ সঞ্চালক এই কাৰ্যব্যৱস্থাৰ ফলত প্ৰভাৱিত হৈছে। তদন্তত প্ৰকাশ যে প্ৰায় ৩ হাজাৰ ব্যক্তিৰ প্ৰত্যেকেই ২০ টাতকৈ অধিক কোম্পানীৰ সঞ্চালক। এই সংখ্যা আইনে বান্ধি দিয়া সীমা উলংঘা কৰিছে। এনে ব্যক্তিৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি থকাৰ লগতে জালিয়াতিৰ অপৰাধাত জড়িত পেছাদাৰী লোকসকলৰ বিৰুদ্ধেও শাস্তি ঘোষণা কৰা হৈছে।

'ৰাষ্ট্ৰীয় বিত্তীয় অপৰাধ প্ৰাধিকৰণ' (এন এফ আৰ এ) গঠন কৰাৰ উদ্দেশ্য হ'ল কোম্পানীসমূহৰ বিত্তীয় বিবৃতি পৰীক্ষা কৰি চোৱা; 'একাউণ্টিং ষ্টেণ্ডাৰ্ড' অটুট ৰাখিবলৈ পৰামৰ্শ প্ৰদান কৰাৰ লগতে দোষী পেছাদাৰী ব্যক্তিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। চি বি ডি টি আৰু এম চি এৰ মাজত নিয়মীয়া আৰু স্বয়ংক্ৰিয় তথ্য বিনিময়ৰ বাবে বুজাবুজিৰ চুক্তি (এম অ' ইউ) স্বাক্ষৰিত হৈছে। ই ত্ৰুটিমুক্ত পান-চী আই এন (কৰ্প'ৰেট আইডেনটিটি নাম্বাৰ) আৰু পান ডী আই এন (ডিৰেক্টৰ আইডেনটিটি নাম্বাৰ) সংযোগ নিশ্চিত কৰি নিয়ামক উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়।

তদুপৰি চৰকাৰে 'পি এম এল এ ২০০২' সংশোধন কৰিবলৈ বিধেয়ক উত্থাপন কৰিছে। 'বিত্তীয় আইন ২০১৮' ৰ জৰিয়তে পি এম এল এৰ অধীনত কোম্পানী আইনৰ ৪৪৭ নং ধাৰা অনুসৰি কৰ্প'ৰেট জালিয়াতি অনুসূচিত অপৰাধ ৰূপে ধৰা পেলাবলৈ এই বিধেয়ক অনা হৈছে, যাতে কোম্পানী পঞ্জীয়কে উপযুক্ত ক্ষেত্ৰত এনে গোচৰ পি এম এল এৰ অধীনত বলৱৎকাৰী সঞ্চালকালয় (এনফৰ্চমেণ্ট ডিৰেক্টৰেট) ৰ কাৰ্যব্যৱস্থাৰ দ্বাৰা চিহ্নিত কৰিব পাৰে।

**প্ৰকল্প 'ইনছাইট' ঃ**

চৰকাৰে ৰাজহ জালিয়াতি প্ৰতিৰোধ আৰু ৰাজহ বৃদ্ধি কৰিবলৈ বিশাল প্ৰযুক্তি আৰেশ কাৰ্যক্ৰম আৰম্ভ কৰিছে। তথ্য সংগ্ৰহ আৰু ব্যৱসায় বিশ্লেষকেৰে সহজলভ্য তথ্যৰে

পৰিচালিত কৰ ব্যৱস্থাৰ জৰিয়তে এই বিশাল কাৰ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। চী বী ডী টীৰ প্ৰকল্প ইনছাইট হ'ল দেশৰ বৃহত্তম তথ্য সংগ্ৰহ আৰু ব্যৱসায় বিশ্লেষক প্ৰকল্পসমূহৰ অন্যতম আৰু এই প্ৰকল্প ২০১৮-১৯ বৰ্ষত সম্পূৰ্ণ সক্ৰিয় হোৱাৰ সম্ভাৱনা আছে। এই প্ৰকল্পৰ লক্ষ্য হ'ল আয়কৰ দাখিল নকৰা ব্যক্তিক চিহ্নিত কৰা, পুনৰ পুঁজি যোগান জালিয়াতি প্ৰতিৰোধ, কৰ্তনৰ ভুৱা দাবীৰ ফলত হোৱা ৰাজহ ক্ষতি নিৰ্মূল কৰা আৰু স্বেচ্ছামূলকভাৱে আয়কৰ আদায় দিয়াৰ বাবে উৎসাহ যোগোৱা।

**বাজেট ২০১৮-১৯ ঃ**

প্ৰত্যক্ষ কৰৰ সৈতে সম্পৰ্কিত এই বছৰৰ বাজেট প্ৰস্তাৱৰ ফলত চৰকাৰৰ 'নিকা অৰ্থনীতি' কাৰ্যনীতিৰ ওপৰত ৰূপান্তৰকাৰী প্ৰভাৱ পৰিব। আন বিষয়ৰ ভিতৰত, দীৰ্ঘম্যাদী মূলধনী লাভ (এল টী চী জী) যুক্তিসংগত কৰা, নিধি বা ন্যাস গঠনৰ অপব্যৱহাৰ বন্ধ কৰা আৰু কোম্পানীৰ আয়কৰ হিচাপ দাখিল বাধ্যতামূলক কৰা আদি বাজেট প্ৰস্তাৱৰ অন্তৰ্ভুক্ত হ'ব।

**কৰ আদায় ঃ**

এই বাজেটত কৰ ব্যৱস্থা মানি চলাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। কোনো কোম্পানীয়ে আয়কৰৰ হিচাপ দাখিল নকৰিলে শাস্তিমূলক প্ৰক্ৰিয়া সম্পৰ্কীয় ব্যৱস্থা সন্দৰ্ভত সংশোধন আনে বিত্তীয় বিধেয়কে। প্ৰচলিত ব্যৱস্থা অনুসৰি এনে অপৰাধৰ বাবে আৱশ্যকীয় ন্যূনতম তিনি হাজাৰ টকাৰ কৰ আদায় নিদিলে শাস্তিৰ সন্মুখীন হ'ব লাগে। বৰ্তমান ব্যৱস্থা মতে কোনো কৰ দিবলগীয়া থাকক নাথাকক, যিকোনো কোম্পানীয়ে আয়কৰৰ হিচাপ দাখিল কৰাটো বাধ্যতামূলক। এই কাৰ্যব্যৱস্থাই কোম্পানীসমূহক কৰ বিধি মানি চলিবলৈ উৎসাহিত কৰিব। ইয়াৰ ফলত শ্বেল কোম্পানীসমূহৰ কাঠফুলাৰ দৰে বৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থাৰূপে পৰিগণিত হ'ব।

**দীৰ্ঘম্যাদী মূলধনী লাভৰ যুক্তিযুক্ততা ঃ**

আয়কৰৰ ইতিহাসত দীৰ্ঘম্যাদী মূলধনী লাভৰ ওপৰত ৰেহাই প্ৰদান কৰাটো আছিল আটাইতকৈ বেছি অপচয়ৰ ব্যৱস্থা। ক'লা ধনত আয়কৰ ফাকি দিবলৈ হাজাৰ হাজাৰ কোটি টকাৰ ভুৱা দীৰ্ঘম্যাদী মূলধনী লাভ বিনিময় যোগ্য মুদ্ৰাহীন সৰু সৰু ষ্টকৰ জৰিয়তে দেখুৱাই অহা হৈছিল। কিছুসংখ্যক অপাৰেটৰৰ সৈতে শঠামিতিৰালি কৰি কোনো কোনো ব্যক্তিয়ে তেওঁলোকৰ হিচাপবিহীন ধন ভুৱা দীৰ্ঘম্যাদী মূলধনী লাভ দেখুৱাই ষ্টক এক্সছেঞ্জত এনে সৰু সৰু ষ্টক কিনা-বেচাৰ লেনদেন কৰিছিল।

তদুপৰি বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত উল্লেখ কৰিছে যে দীৰ্ঘম্যাদী মূলধনী লাভৰপৰা কৰ ৰেহাই দিয়াৰ বাবে এনে এখন ক্ষেত্ৰ তৈয়াৰ হৈছে, যাৰ ফলত প্ৰস্তুতকাৰীৰ স্বাৰ্থ বিঘ্নিত হোৱাৰ লগতে বিত্তীয় সম্পদলৈ বিনিয়োগ বিচ্যুতি ঘটাত সহায় কৰে। তেওঁ কয় যে ২০১৬-১৭ বৰ্ষৰ আয়কৰৰ হিচাপ দাখিল অনুসৰি তালিকাভুক্ত শ্বেয়াৰ আৰু ইউনিটৰপৰা ৰেহাই প্ৰদান কৰা মূলধনী লাভৰ মুঠ পৰিমাণ হ'ল প্ৰায় ৩,৬৭,০০০ কোটি টকা। এই প্ৰাপ্তিৰ অধিক পৰিমাণেই হ'ল কৰ্প'ৰেট আৰু এল এল পিৰ। ইয়াৰ ফলত কৰ ভিত্তিত বহু পৰিমাণৰ ক্ষতি হোৱাত বহু ৰাজহ ক্ষতি হোৱা পৰিলক্ষিত হয়। কৰ ৰেহাইৰ ফলত সৃষ্টি হোৱা কৰৰ ক্ৰয়-বিক্ৰয় লাভৰ সুবিধাৰ অপব্যৱহাৰৰ বাবে অধিক সমস্যাই দেখা দিয়ে।

যোৱা কেইবছৰমানৰপৰা এই কৃত্ৰিম লেনদেনৰ ফলত লাভান্বিত হোৱা ব্যক্তিৰ সৈতে আয়কৰ বিভাগৰ বিৰোধ দেখিবলৈ পোৱা গৈছে। প্ৰাক্তন বিত্তমন্ত্ৰী সন্তোষ গংগুৱাৰে সংসদত উল্লেখ কৰে যে ১৪০ টা একক অংশীদাৰী পত্ৰ 'আপাততঃ বেমেজালিৰে ভৰা' বুলি ধৰা পেলোৱা বুলি আয়কৰ বিভাগে 'ছেবিক' জানিবলৈ দিছে। তেওঁ লগতে প্ৰকাশ কৰে যে আয়কৰ বিভাগৰপৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি আৰু তেওঁৰ নিজৰ চোৰাংচোৱা সূত্ৰ অনুসৰি 'ছেবি'য়ে 'ছেবি' আইন, ১৯৯২ ৰ ১১ (খ) ধাৰাৰ অধীনত এনে ১৩ টা কোম্পানীৰ বিৰুদ্ধে নিৰ্দেশ জাৰি কৰাৰ লগতে ১,৩৩৬ সংস্থাৰ বিৰুদ্ধে নিষেধাজ্ঞা জাৰি কৰিছে।

এই শ্বেয়াৰসমূহ ব্যক্তিগত সংস্থাৰ দ্বাৰা সাধাৰণতে নিৰ্দ্ধাৰণ কৰা হয়। ভুৱা দীৰ্ঘম্যাদী মূলধনী লাভৰ ভাবুকি ৰোধ কৰিবলৈ ২০১৭-১৮ বৰ্ষৰ বাজেটৰ জৰিয়তে চৰকাৰে দীৰ্ঘম্যাদী মূলধনী লাভত কৰ ৰেহাই সীমিত কৰি দিয়ে। য'ত আমানত লেনদেন কৰ (এছ টি টি) উপাৰ্জন লাভ কৰা সময়ত আদায় দিয়া হয়, সেইবোৰত নিৰ্দিষ্ট ৰেহাইক বাদ দি কৰ ৰেহাই প্ৰদান কৰা হয়। দীৰ্ঘম্যাদী মূলধনী লাভত কৰ পদ্ধতি যুক্তিসংগত কৰিবলৈ বিত্তমন্ত্ৰীয়ে এই বৰ্ষৰ বাজেটত ১০ শতাংশ হাৰত উপাৰ্জন কৰা ১ লাখ টকাৰ অধিক দীৰ্ঘম্যাদী মূলধনী লাভৰ ওপৰত কৰ আৰোপ কৰিছে। ইয়াৰ বাবে আন কোনো সূচকৰ লাভ গ্ৰাহ্য কৰা নহ'ব। অৱশ্যে ২০১৮ বৰ্ষৰ ৩১ জানুৱাৰীলৈ সকলো লাভ অব্যাহত থাকিব।

**পৰিচয়বিহীন ই মূল্যায়ন ঃ**

স্বচ্ছ আৰু দায়বদ্ধ কাৰ্যব্যৱস্থা অবিহনে বহনক্ষম প্ৰশাসনৰ ৰূপান্তৰ আশা কৰিব পৰা নাযায়। সুবিবেচনাৰ থল থকা উপযুক্ত নিয়ন্ত্ৰণেহে এনে ব্যৱস্থা গঢ়ি তোলে। কাৰ্যকৰী আৰু দক্ষ হোৱাৰ উপৰি ই- প্ৰশাসনে স্বচ্ছ আৰু দায়বদ্ধ পদ্ধতি গঢ়ি তোলাত প্ৰভূত পৰিমাণে সহযোগিতা আগবঢ়ায়। সেৱা প্ৰদানৰ বাবে ই-প্ৰশাসন ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত আয়কৰ বিভাগ আগৰণুৱাৰ ভূমিকাত অৱতীৰ্ণ হৈছে। ই-টী ডী এছ (উৎসতে কৰ কৰ্তনৰ ই-ব্যৱস্থা), আয়কৰৰ ই-ফাইলিং ৰিফাণ্ড বেংকাৰ, কৰৰ ই-পেমেণ্ট, কেন্দ্ৰীভূত প্ৰক্ৰিয়া কেন্দ্ৰ আৰু ই-মূল্যায়নৰ দৰে আঁচনিয়ে কৰদাতাসকলৰ কৰ আদায় দিয়া কাম-কাজৰ ব্যয় হ্ৰাস কৰি অহাৰ লগতে মূল্যায়নকাৰীৰ বাবে সুবিধা-জনক, স্বচ্ছ আৰু ন্যায়সংগত কৰ প্ৰশাসন গঢ়ি তোলাত সহায় কৰিছে।

বিত্তমন্ত্ৰীয়ে বিত্ত মন্ত্ৰণালয়ৰ সৈতে সংলগ্ন পৰামৰ্শদাতা সমিতিৰ বৈঠকত ভাষণ প্ৰসংগত কয় যে যোৱা বৰ্ষত ৯৭শতাংশই ইলেকট্ৰনিক পদ্ধতিৰে আয়কৰ দাখিল কৰিছে। এইসকলৰ ৯২ শতাংশৰে সম্পূৰ্ণ প্ৰক্ৰিয়া ৬০ দিনৰ ভিতৰত সম্পন্ন কৰা হৈছে আৰু ৯০ শতাংশ পুনৰ ধনো ঘূৰাই দিয়া হৈছে ৬০ দিনৰ ভিতৰতে। এই কথাই প্ৰমাণ কৰে যে আয়কৰ বিভাগৰ ই-সঁজুলি সম্পূৰ্ণ সফল হৈছে।

চৰকাৰে পৰীক্ষামূলক ভিত্তিত ২০১৬ চনত ই-মূল্যায়ন প্ৰৱৰ্তন কৰিছিল আৰু ২০১৭ চনত এই প্ৰকল্প ১০২ খন মহানগৰীলৈ সম্প্ৰসাৰণ কৰা হৈছিল। অইন দৃষ্টিত ইয়াৰ লক্ষ্য আছিল আয়কৰ বিভাগৰ সৈতে আয়কৰ দাতাসকলৰ মুখামুখি কৰ্তন কৰা। এইবাৰৰ বাজেটত বিত্তমন্ত্ৰীয়ে দেশজুৰি ই-মূল্যায়নৰ প্ৰৱৰ্তনৰ প্ৰস্তাৱ উত্থাপন কৰিছে। আয়কৰ প্ৰশাসন আৰু কৰদাতাসকলে যাতে পৰস্পৰৰ মুখামুখি হ'ব নালাগে সেইকথাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে আয়কৰ আইন ১৯৬১ সংশোধন কৰাৰ প্ৰস্তাৱ উত্থাপন কৰি মূল্যায়নৰ বাবে এখন নতুন আঁচনিৰ অধিসূচনা জাৰি কৰে; য'ত সকলো মূল্যায়ন ইলেক্ট্ৰনিক পদ্ধতিৰে হোৱাৰ পাছত ব্যক্তিৰ সৈতে ব্যক্তিৰ সংস্পৰ্শৰ ৰীতি পৰিহাৰ কৰি প্ৰক্ৰিয়াটো অধিক স্বচ্ছ আৰু দক্ষ কৰি তোলা হ'ব।

প্ৰস্তাৱিত মুখহীন প্ৰক্ৰিয়াটোৰ সম্পূৰ্ণ ৰূপৰেখা এতিয়াও উন্মোচিত হোৱা নাই। অৱশ্যে বিত্তীয় বিধেয়কখনে এই আলোকসন্ধানী পদক্ষেপৰ আভাস দিছে। এই প্ৰকল্পৰ মূল হোতা হ'ব প্ৰযুক্তি— যি কাৰ্যবিধিৰ কালছোৱাত মূল্যায়নকাৰী বিষয়া আৰু আয়কৰদাতাৰ মাজৰ মুখামুখি যিমান পাৰে কৰ্তন কৰাৰ লক্ষ্য আগত ৰাখি সম্পদৰ উপযোগিতা অটুট ৰাখিব। সংযুক্ত গণৰাজ্যৰ দৰে বহু বিদেশী ৰাষ্ট্ৰই কৰদাতাসকলৰ সৈতে পৰিচয়বিহীন প্ৰক্ৰিয়াৰে কাম-কাজ আগুৱাই নিয়ে। যিসকল কৰদাতাৰ মূল্যায়ন কৰিব লগীয়া থাকে সেইসকলৰ সংস্পৰ্শ অবিহনে দূৰৱৰ্তী স্থানত বিভিন্ন পুনৰীক্ষণ সম্পন্ন কৰে। পৰিচয়বিহীন কৰদাতা পদ্ধতিৰে কৰ প্ৰশাসনৰ প্ৰতি কৰদাতাসকলৰ যে কেৱল আস্থা বৃদ্ধি কৰে এনে নহয়, ই পুনৰীক্ষণ প্ৰক্ৰিয়াৰ বিৰুদ্ধে তেওঁলোকৰ অভিযোগ নিৰ্মূল কৰে।

**ন্যাস গাঁথনিৰ অপব্যৱহাৰ নিৰ্মূল ঃ**

ভাৰতৰ মহাগাণনিক আৰু হিচাপ পৰীক্ষকে (চী এ জী -কেগ) ২০১২-১৩ বৰ্ষৰপৰা ২০১৫-১৬ বৰ্ষৰ মাজত আৰু ২০১৬ বৰ্ষত জুলাইৰপৰা ২০১৬ বৰ্ষৰ নৱেম্বৰলৈ ব্যক্তিগত স্বাস্থ্য সেৱা খণ্ডত মূল্যায়নৰ পাৰদৰ্শিতা গণনা কৰা কাল-ছোৱাত ন্যাসসমূহৰদ্বাৰা কৰ ৰেহাইৰ অপ-ব্যৱহাৰ পৰিলক্ষিত হয়। প্ৰচলিত কৰ ব্যৱস্থাৰ অধীনত ন্যাস আৰু দাতব্য সংস্থা-সমূহৰ উপাৰ্জনত কৰ ৰেহাই প্ৰযোজ্য যদিহে এই সংস্থাসমূহৰ উপাৰ্জন নিৰ্দ্ধাৰিত লক্ষ্যৰ সৈতে সংগতি ৰাখি ব্যৱহাৰ কৰা হয়।

বাজেটত যোৱা বছৰ দাতব্য সংস্থাসমূহলৈ দান দিয়া নগদ ধনৰ ঊৰ্ধ্বসীমাৰ পৰিমাণ ১০ হাজাৰ টকাৰ পৰা ২ হাজাৰ টকালৈ হ্ৰাস কৰা হৈছে। অৱশ্যে ন্যাস আৰু একে ধৰণৰ সংস্থাৰ ক্ষেত্ৰত ব্যয় কৰিব পৰা ধনৰ কোনো সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই। এই ব্যৱস্থাৰ ফলত ন্যাসসমূহৰ পৰা নগদ ধন উলিয়াই নি অপব্যৱহাৰ কৰা হয়। নগদ ধনৰ হিচাপ ৰক্ষণৰ ন্যায্যতা প্ৰতিপন্ন কৰাটো কঠিন। নগদ ধনৰ অৰ্থনীতি নিয়ন্ত্ৰণ আৰু ন্যাসৰ পুঁজিৰ ধনৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ এই বছৰ বাজেটত প্ৰস্তাৱ কৰা হৈছে যে ১০ হাজাৰতকৈ অধিক নগদ টকা আদায় দিলেই কৰৰ আওতাত পৰিব। তদুপৰি এই সংস্থাসমূহৰ টি ডি এছ (উৎসতে কৰ কৰ্তন) অধিক কাৰ্যকৰী কৰিবলৈ বাজেটত প্ৰস্তাৱ কৰা হৈছে যে উৎসতে কৰ কৰ্তন কৰা নহ'লে এই ধনৰ ৩০ শতাংশ ব্যয়ত অনুমোদন দিয়া নহ'ব আৰু এই ধন কৰৰ আওতালৈ আহিব।

বহু স্বেচ্ছাসেৱী বা বে-চৰকাৰী সংগঠনৰ 'পান' নাই। তদুপৰি কাৰ্যকৰ্তা সকলৰো 'পান' নাই। এনেকৈয়ে তেওঁলোকৰ আয় আৰু ব্যয় আয়কৰ বিভাগৰ পৰিধিলৈ নাহে। এই সংস্থা-

**(৭০ পৃষ্ঠাত চাওক)**

# কেন্দ্ৰীয় বাজেটত কৃষি আৰু কৃষকক সৰ্বদিশ অন্তৰ্ভুক্ত

জে পি মিশ্ৰ*
শিৰলিকা গুপ্তা*

২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে তেওঁ যোৱা ১ ফেব্ৰুৱাৰীত এই বাজেট সদনত উপস্থাপন কৰিছিল। প্ৰস্তাৱিত বিত্তীয় বিবৃতি হ'ল কৃষকৰ বিপদাপন্ন অৱস্থাৰ ক্ষেত্ৰত বহু প্ৰকাৰৰ আক্ৰমণৰ এটা সাহসী প্ৰকাশবিশেষ। সৰ্বাত্মক ৰূপক কেন্দ্ৰ কৰি ইয়াক বোধগম্যভাৱে দাঙি ধৰা হয় আৰু সেই ৰূপৰ অংশবিশেষ হ'ল নতুন সৃষ্টি, উপাৰ্জন, বিনিয়োগ আৰু গ্ৰাম্য আন্তঃগাঁথনি।

২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেট হ'ল 'সবকা সাথ সবকা বিকাশ'ৰ কাৰণে এটা দৃষ্টান্তমূলক প্ৰয়াস। বাজেটখনে কৃষি অৰ্থনীতি উন্নীতকৰণৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াত সৰ্বাত্মক দিশ সামৰি লোৱা তথা নতুনত্ব প্ৰদানৰ এটা উপযুক্ত সংমিশ্ৰণ ঘটিছে। নিৰ্দিষ্ট সীমাৰ প্ৰচেষ্টাৰ উপৰি অধিক গতিদানৰ পথ ই মুকলি ৰাখিছে। অকল উৎপাদনৰ ওপৰতেই গুৰুত্ব আৰোপ নকৰি উপাৰ্জনৰ ক্ষেত্ৰতো আধিক্য আৰোপ কৰাটো হ'ল এটা সঠিক বাছনি; কিয়নো উপাৰ্জন উন্মেষ সাধন কৃষি ব্যৱস্থাই খাদ্য নাটনিত ভোগা দেশখনক খাদ্য ৰাহি হোৱা দেশলৈ ৰূপান্তৰ ঘটায় আৰু ৰপ্তানিৰ ক্ষেত্ৰতো বৰঙণি উল্লেখযোগ্য। কিন্তু প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত যি লাভ পাব পৰা যায় সেয়া ঘাইকৈ নিৰ্দিষ্ট ভৌগোলিক অৱস্থানৰ পৰাহে। বাকী এটা বৃহৎ অংশক সেই ব্যৱস্থাৰ বাহিৰত ৰখা হয়— যিবোৰত বছৰৰ নিৰ্দিষ্ট মাহকেইটাত পৰ্যাপ্ত জলৰ সুবিধা নাথাকে। ফলস্বৰূপে তাৰ প্ৰভাৱ আশাপ্ৰদ নহয়। কৃষি ভূমিৰ আকাৰৰ অৱনতি, সম্পদৰাজিৰ সংকোচন আৰু প্ৰায়োগিক উপজ সামগ্ৰী তথা কৃষি শ্ৰমিকৰ খৰচ বৃদ্ধিয়ে কৃষিৰপৰা লাভ কৰিব লগা ভাল উপাৰ্জনৰ মাত্ৰা হ্ৰাস কৰে। কিন্তু ২০২২ চনৰ ভিতৰত কৃষকৰ উপাৰ্জন দুগুণ কৰিবলৈ প্ৰধান মন্ত্ৰীয়ে কৰা আহ্বানক এই বাজেটৰ জৰিয়তে সঠিক প্ৰেক্ষাপটত স্থিত কৰিছে। বিপণন আন্তঃগাঁথনিত অধিক বিনিয়োগৰ জৰিয়তে বিক্ষিপ্ত উৎপাদন প্ৰক্ৰিয়া আৰু বজাৰকৰণ দৃষ্টিভঙ্গী অৱলম্বন কৰি কৃষিৰ বিপদাপন্ন স্থিতি নিশ্চিহ্ন তথা কৃষকৰ কল্যাণ সাধনৰ ক্ষেত্ৰত অৱলম্বন কৰিব লগা কৌশলক ইয়াত গুৰুত্ব দিয়া হৈছে। মূল্য সংযোজন আৰু কৃষি ব্যৱসায় তথা ভিন্নমুখীকৰণ কৌশলো কৃষকৰ কল্যাণ প্ৰচেষ্টাসমূহৰ লগে লগে নিবিষ্টভাৱে জড়িত থাকিব।

১নং তালিকা ঃ **কৃষি আৰু খাদ্য সংসাধন উদ্যোগলৈ বাজেটৰ বৰ্দ্ধিত পৰিমাণ**

| ক্ৰমিক সংখ্যা | বিভাগ/মন্ত্ৰণালয় | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ | % হিচাপত পৰিৱৰ্তন |
|---|---|---|---|---|---|
| ১ | কৃষি মন্ত্ৰণালয় | ৪৪,৫৩০ | ৫০,২৬৪ | ৫৭,৬০০ | ১৫% |
| ১.১ | ডি এ চি এফ ডব্লিউ | ৩৬,৯১২ | ৪১,১০৫ | ৪৬,৭০০ | ১৪% |
| ১.২ | ডি এ এইছ ডি এফ | ১,৮৫৮ | ২,১৬৭ | ৩,১০০ | ৪৩% |
| ১.৩ | ডি এ আৰ ই | ৫,৭২৯ | ৬,৯৯২ | ৭,৮০০ | ১২% |
| ২ | খাদ্য সংসাধন উদ্যোগ মন্ত্ৰণালয় | ৭১৩ | ৭১৫ | ১,৪০০ | ৯৬% |

## অধিক বাজেট আবণ্টন

ভাৰতৰ দীৰ্ঘকালৰপৰা অৱহেলিত হৈ থকা কৃষিৰ সামৰ্থ্য আৰু ক্ষমতাই প্ৰাপ্য স্থান লাভ কৰে বিত্ত মন্ত্ৰীৰ বাজেট বক্তৃতাত।

বাজেট টোকাত ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে কৃষি আৰু আনুষঙ্গিক খণ্ডলৈ যি আবণ্টনৰাশি বৃদ্ধি কৰা হৈছে সেয়া অলপ কম যেন লাগে। ১৫ শতাংশত ৰখা হৈছে; কিন্তু অন্তঃপক্ষৰ গুৰুত্ব প্ৰদান বিষয়টোৰে চৰকাৰে কৰিব লগা বিষয়টোকে প্ৰতিপন্ন কৰিছে। সেয়া হ'ল কৃষকৰ আশংকাৰ বিষয়টো। তাৰ এটা সমাধান সূত্ৰৰূপে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমালৈ ২২ শতাংশ অধিক আবণ্টনৰাশি বৃদ্ধি কৰিছে। এয়া পূৰ্বৰ বছৰৰ পৰিমাণতকৈ অধিক। অৰ্গেনিক ফাৰ্মিঙৰ যি এলানি ব্যৱস্থা আছে তাৰ বাবে অধিক আবণ্টন আৰু তেনেদৰে অধিক মূল্য থকা সামগ্ৰী, গুৰুত্বপূৰ্ণ উপজ সামগ্ৰী তথা সেৱা আৰু কৃষি ঋণৰ ক্ষেত্ৰতো পৰিমাণ বৃদ্ধিৰ বিষয়টোৰে কৃষক

*লিখক ড° জে পি মিশ্ৰ নিটি আয়োগৰ কৃষি উপদেষ্টা আৰু শিৰলিকা গুপ্তা এগৰাকী পেছাদাৰী

আৰু কৃষি যে চৰকাৰৰ বাবে অধিক গুৰুত্বপূৰ্ণ সেইটোকে প্ৰতীয়মান কৰে। বীজৰ বাবে আবণ্টন চাহিদা অনুযায়ী হয় আৰু ই প্ৰতিবছৰে পুনৰবৰ্দ্ধিত হিচাপ স্তৰত বৃদ্ধি পায়। এতিয়ালৈকে সংসাধন আৰু মূল্য সংযোজন এটা দুৰ্বল ক্ষেত্ৰ স্বৰূপ হৈ আহিছে আৰু খাদ্য সংসাধন উদ্যোগ মন্ত্ৰণালয়ৰ বাজেট আবণ্টনত অধিক আলোকপাত কৰা হয়। ফলত ২০১৭-১৮ বৰ্ষৰ কালছোৱাত প্ৰায় ১০০ শতাংশ আবণ্টন নিৰ্দ্ধাৰণ কৰা হয় (১নং তালিকা দ্ৰষ্টব্য)।

২০১৬-১৭ বৰ্ষৰ প্ৰকৃত ব্যয়, ২০১৭-১৮ বৰ্ষৰ পুনৰবৰ্দ্ধিত আনুমানিক পৰিমাণ আৰু ২০১৮-১৯ বৰ্ষৰ বাবে যি বাজেট আবণ্টন কৰা হৈছে তাক তুলনামূলকভাৱে চাবলৈ গ'লে দেখ দেখকৈ চৰকাৰে গুৰুত্ব আৰোপ কৰা এটা নিৰ্দিষ্ট গতিধাৰাৰেই ইংগিত বহন কৰে। ভাৰতীয় কৃষি সকলো গুৰুত্বপূৰ্ণ শাখাৰ ওপৰতেই অধিক বাজেট আবণ্টনেৰে (২নং তালিকা দ্ৰষ্টব্য) আলোকপাত কৰা হৈছে আৰু তাৰ ক্ৰমগতিৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলগা উপায় বিস্তৃত বিবৃতিৰে প্ৰকাশমান হৈ উঠিছে। এই ক্ষেত্ৰত কৃষি খণ্ডত গ্ৰহণ কৰিবলগা দৃষ্টিভঙ্গী বেচ স্পষ্ট আৰু এনে কৰিবলৈ লওঁতে চৰকাৰে অতি প্ৰয়োজনীয় উপাৰ্জন উপলব্ধ কৰিবলৈ কৃষকৰ অসমৰ্থতাৰ সীমাৱদ্ধ কাৰণবোৰ সফলতাৰে চিহ্নিত কৰিছে।

**কাৰ্যকৰণৰ বিস্তৃত পৰিসৰ**

খণ্ডৰ ভিতৰতেই অনেক অসমতা থাকে। ২০১১ বৰ্ষৰ পিয়লৰ পৰিসংখ্যাৰ পৰা এইটো স্পষ্ট যে প্ৰায় ৫৫ শতাংশ কৃষিত জড়িত লোক হ'ল কৃষি শ্ৰমিক। এছ ই চী চী (২০১১ বৰ্ষৰ) পৰিসংখ্যাৰ হিচাপ মতে গ্ৰাম্য গৃহৰ ৫৬.৪ শতাংশ ভূমিহীন হ'ব। কমেও ৯৬.৪৪ নিযুত কৰ্মীয়ে জীৱিকা নিৰ্বাহৰ বাবে হাঁহ-কুকুৰা পালন তথা মীনৰ ওপৰত নিৰ্ভৰ কৰিব। নীতি বিশ্লেষণকাৰীসকলে এইটো গুৰুত্ব দিছে যে ২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত দেশখনৰ কৃষি দৃশ্যপটৰ ওপৰত দীৰ্ঘদিনীয়া প্ৰভাৱ পৰিব। তাৰ কাৰণ হ'ল সৰ্বাত্মক দিশ সামৰি ল'বলৈ ই প্ৰয়াস জাৰি ৰাখিব। বাজেটত স্পষ্টভাৱে কৃষিক এটা উদ্যোগ ৰূপে স্বীকৃতি দিছে। ইয়াৰ দৃষ্টিভঙ্গী হ'ল চৰকাৰৰ আঁচনিসমূহৰ লাভ পাবলৈ কৃষকক সবল কৰি তোলা। এই সংক্ৰান্তত সম্পদৰাজিক সমুচিতভাৱে

২নং তালিকা ঃ **কৃষি তথা কৃষি-ব্যৱসায়ৰ গুৰুত্বপূৰ্ণ অঞ্চলত অধিক আলোকপাত**

| গুৰুত্বপূৰ্ণ ক্ষেত্ৰ | কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যসূচী | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ | % পৰিৱৰ্তন |
|---|---|---|---|---|---|
| বিপদ আশংকাৰ ব্যৱস্থাপনা | প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা | ১১,০৫১.০০ | ১০,৬৯৯.০০ | ১৩,০০০.০০ | ২২% |
| জৈৱিক কৃষি | উত্তৰ-পূৰ্বাঞ্চলৰ বাবে জৈৱিক মূল্য চক্ৰৰ বিকাশ | ৪৮.২০ | ১০০ | ১৬০ | ৬০% |
| উচ্চ মূল্যৰ সামগ্ৰী | উদ্যান শস্য বিকাশ অভিযান | ১,৪৯৩.০৭ | ২,১৯০.০০ | ২৫৩৬ | ১৬% |
| গুণগত উপজ সামগ্ৰী তথা টি অ' টি | বীজ আৰু ৰোপণ | ১৬৭.৮৫ | ৪৮০.০০ | ৩৩২.০০ | -৩১% |
| | শস্য ৰক্ষা | ১৩৭.৮৬ | ৬২.৬৬ | ১২৯.২৫ | ১০৬% |
| | কৃষি সম্প্ৰসাৰণ | ৫৯০.৪৬ | ৮২১.০০ | ১,০২০.০০ | ২৪% |
| | পাম যান্ত্ৰীকৰণ ব্যৱস্থা | ৩৬৬.৯৩ | ৭৭৬.৭১ | ১,১৬৫.২৯ | ৫০% |
| জলৰ ইতিবাচক বিনিয়োগ | প্ৰধান মন্ত্ৰীৰ হৰ খেত্ ক' পানী | ৪৩৯.৮ | ১৮৮৮ | ২৬০০ | ৭৯% |
| | প্ৰধান মন্ত্ৰীৰ পাৰ ড্ৰপ ম'ৰ ক্ৰপ | ১৯৯১.২৫ | ৩০০০ | ৪০০০ | ৩৩% |
| কৃষকলৈ কম মূল্যৰ ঋণ | কৃষকলৈ কৃষি ঋণ | ৯০০০০০ | ১০০০০০০ | ১১০০০০০ | ১০% |
| শ্বেত বিপ্লৱ | পশুধন মিছন | ১,৩০৯.১৬ | ১৬৩২.৯৭ | ২২১৯.৮৯ | ৩৬% |
| নীল বিপ্লৱ | মৎস্যৰ সমন্বিত বিকাশ | ৩৮৭.৮১ | ৩০১.৭৩ | ৬৪২.৬১ | ১১৩% |
| খাদ্য সংসাধন আৰু মূল্য সংযোজন | প্ৰধান মন্ত্ৰী সম্পদ যোজনা | — | — | ১৩১৩.০৮ | — |


ব্যৱহাৰ কৰা আৰু সেইবোৰ ইয়াৰ স'তে জড়িত থকা লোকসকলে যাতে পাব পাৰে তাৰ প্ৰতি মনোযোগ দিয়া। তেনে লোকসকল হ'ল— ক্ষুদ্ৰ আৰু মজলীয়া কৃষক, মীন কাৰ্য আৰু পশুধনত ন্যস্ত হৈ থকা কৃষক। কেৱল সেয়াই নহয়, খাদ্য সংসাধন আৰু গ্ৰাম্য সংযোগ কামত লাগি থকা সাধাৰণ লোকসকলৰ উপৰি লেছীভুক্ত কৃষক, পশুধন পালন কৰোঁতা তথা সৰু সৰু মীন পালককো কৃষি ঋণ ব্যৱস্থাৰ অধীনলৈ অনা হ'ব। এই খণ্ডটোৰ গুৰুত্বৰ বিষয়ে উল্লেখ নকৰিলেও হয়; কাৰণ ৫০ শতাংশতকৈ অধিক দেশখনৰ কৰ্মবাহিনীক ই জীৱন নিৰ্বাহৰ ক্ষেত্ৰত সমৰ্থন প্ৰদান কৰে। কৃষি আনুষঙ্গিক খণ্ডটো হ'ল গ্ৰাম্য সমৃদ্ধিৰ মূল আধাৰ— য'ত দেশখনৰ ৭০ শতাংশ লোক এতিয়া বাস কৰে।

চৰকাৰে কৃষকৰ উপাৰ্জন দুগুণ কৰাৰ কথা ব্যক্ত কৰে। এই কাম বিত্তীয় মঞ্জুৰী দানেৰে এনেদৰে কৰা হ'ব— য'ত কৃষি উৎপাদন তথা উৎপাদনশীলতাৰ এখোপা আগুৱাই গৈ উপাৰ্জনৰ সৰ্বাত্মক দিশক সামৰি লোৱা হ'ব। এই ক্ষেত্ৰত এক স্পষ্ট আৰু কৰণীয় গতি প্ৰদানৰ চিত্ৰ আছে। কৃষি আনুষঙ্গিক খণ্ডৰ স'তে তাল মিলাই কাম কৰিবলৈ এটা পৰিকাঠামো যুক্তিযুক্তভাৱেই উদ্ভাৱন কৰা হয় আৰু যোৱা তিনি বছৰ কালত সেই প্ৰক্ৰিয়াই নিজস্ব ৰূপত গা কৰি উঠিবলৈ প্ৰয়াস জাৰি ৰাখে। কৃষিৰ ক্ষেত্ৰত উৎপাদনৰ পৰা উপাৰ্জনৰ নিশ্চয়তা তথা সুৰক্ষা ব্যৱস্থা আৰু খেতি চপোৱাৰ প্ৰত্যাহ্বানমূলক স্থিতিৰপৰা জীৱিকা উদ্ৰেক কৰা বিষয় এই প্ৰক্ৰিয়াত গতি দান কৰিবলৈ লোৱা হয়। পূৰ্বৰ তিনিখন বাজেটত উপাৰ্জন নিৰাপত্তা মূল বিষয়বস্তু ৰূপে ঠাই পায়। চৰকাৰৰ শাসন কালৰ দ্বিতীয় বছৰত ঘোষণা কৰা প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাই কৃষকৰ উপাৰ্জন স্থিতি অটুট ৰাখিবৰ বাবে আৰম্ভ কৰিছিল। এতিয়া ই কৃষি জনসংখ্যাৰ ২৬.৫০ শতাংশ সামৰি লয়। ই সম্প্ৰতি এটা পৰিৱৰ্তনকামী বিষয় হৈ পৰিছে এই অৰ্থত যে ঋণ নোলোৱা কৃষকৰ পৰিব্যাপ্তি সংখ্যা ২০১৭ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত ৬ গুণ বৃদ্ধি পায়। ক্ষুদ্ৰ জলসিঞ্চন, কৃষি-ভূমিৰ স্বাস্থ্য আৰু জৈৱিক কৃষিৰ সন্দৰ্ভত নিৰন্তৰ গতি অটুট ৰাখিবলৈ কাৰ্যব্যৱস্থা হাতত লোৱা হয়। কৃষি-ভূমিৰ স্বাস্থ্য উন্নত কৰিবৰ বাবে আহিলাৰ সঠিক ব্যৱহাৰ উপযুক্তভাৱে কামত খটাবলৈ প্ৰয়াস জাৰি থাকে আৰু তাৰ বাবে "ছইল হেল্‌থ কাৰ্ড" দিয়াৰ কামো আৰম্ভ কৰা হয়। চৰকাৰে এতিয়ালৈকে ১১.৫ কোটি তেনে কাৰ্ড প্ৰদান কৰিছে। তেনেদৰে ৪৭০ খন বজাৰক ই-নেচনেল এগ্ৰিকালচাৰ মাৰ্কেট প্লেটফৰ্মৰ লগত সংযোগ কৰা হয়। পূৰ্বৰ বাজেটত পশুধন খণ্ডৰ বাবে আন্তঃগাঁথনি গঢ়ি তোলা এটা একাদিক্ৰম বিষয় হৈ আহিছে; আৰু এতিয়া তাক আগুৱাই নিবৰ বাবে গাঁৱৰ লোকসকলৰ সুচল প্ৰাপ্তিৰ অৰ্থে পদ্ধতিগতভাৱে পৰিকল্পনা কৰা হৈছে। ইয়াৰদ্বাৰাই কৃষি বজাৰলৈ সুচল প্ৰৱেশৰ দিহা কৰিবলৈ লোৱা হৈছে। প্ৰধান মন্ত্ৰী কিষাণ সম্পদ যোজনা হ'ল বৃহৎ উৎপাদন ক্ষেত্ৰবোৰক মূল্য সংযোজিত সংসাধন তথা খেতি চপোৱা কালৰ ব্যৱস্থাপনাৰ স'তে সংযোগ ঘটোৱাৰ ক্ষেত্ৰত এটা উপযুক্ত উপায় বুলি ক'ব পৰা যায়।

**আলোকপাত নকৰা বিষয়ত আলোকিতকৰণ**

কৃষিৰ বাবে বাজেটত প্ৰতিষ্ঠানমূলক ঋণৰ ধনৰাশি ২০০৪ বৰ্ষৰপৰা নিয়মীয়াকৈ বৃদ্ধি হোৱা বিষয়টোৱে কৃষিপামৰ ঋণ প্ৰাপ্ততা আৰু গতি প্ৰবাহৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰা দেখা যায়। আঞ্চলিক তাৰতম্য আৰু অন্তঃথলীৰ গুৰুত্ব সহকাৰে সেই গতি লক্ষ্যণীয় বিষয়। কাৰণ কোনোবা ঠাইত অধিক উৎপাদন দিশটোলৈ লক্ষ্য কৰি তেনে ঋণ পৰিমাণ স্বাভাৱিকতেই বেছি হোৱা প্ৰয়োজন হয়। ২০১৮-১৯ বৰ্ষৰ বাবে ১১ লাখ কোটি টকাৰ কৃষি ঋণৰ লক্ষ্যই কৃষিৰ ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগৰ কাৰণে অতি প্ৰয়োজনীয় উৎসাহ প্ৰদান কৰাত সহায় কৰিব আৰু লগতে কৃষিপাম স্তৰৰ উৎপাদনশীলতাৰ মাত্ৰাও বৃদ্ধি কৰিব। পিছে এতিয়ালৈকে এই ঋণ কেৱল সেইসকল খেতিয়কেহে পায় যিসকলৰ মাটিৰ গৰাকী স্বত্ব অথবা লেছী কৃষকসকলক বেংকৰ ঋণৰ বাবে 'এ পী লাইচেন্স' দিয়াৰ দৰে প্ৰতিষ্ঠানমূলক ঋণৰ বাবে অনুজ্ঞাপত্ৰ থাকে। এই ব্যৱস্থাই বহু সংখ্যক লোক যি লীজত লোৱা মাটিত কৃষি কাৰ্যত জড়িত তেওঁলোকক অসুবিধাত পেলায়। এনেধৰণৰ কৃষক দেশখনত কিমান আছে সেই বিষয়ে হিচাপ কৰিবলৈ মস্কিল; কাৰণ সৰহ ক্ষেত্ৰতে সেইবোৰ দৃষ্টিগোচৰ নোহোৱাকৈ থাকে। সি যি কি নহওক, যি হিচাপ কৰা হয় তাৰ পৰা দেখা যায় যে লেছী কৃষকৰ সংখ্যা যোৱা কেইবছৰমানত বৃদ্ধি পায় আৰু তেওঁলোকৰ মাজৰ এক-তৃতীয়াংশতকৈ অধিক ভূমিহীন আৰু ৫৬ শতাংশৰ ওচৰা-উচৰি হ'ল সামান্য ধৰণৰ মাটিৰ গৰাকী। বিভিন্ন ৰাষ্ট্ৰীয় চেম্পল চাৰ্ভেতো (এন এছ এছ অ') লেছী খেতিয়কৰ সংখ্যা যথেষ্ট বৃদ্ধি পাই বুলি উল্লেখ কৰে। তেনে কৃষকে কিছুমান ৰাজ্যত মুঠ কৰ্মৰত মাটিৰ ২৫ শতাংশতকৈ অধিক ভূমিত খেতি কৰে। তলৰ ১নং সাংখ্যিক চিত্ৰত দেখুওৱা হৈছে।

১নং সাংখ্যিক চিত্ৰ ঃ **ৰাজ্য অনুযায়ী লীজৰ অধীনৰ অঞ্চল**





অন্য আমোদজনক বিষয়টো হ'ল ভূমিহীন লোকে লীজত লৈ খেতি কৰা সংখ্যা ১৯৫১ চনৰপৰা (১৯৯১ চনৰ প্ৰায় ১২.১%ৰ পৰা ২০১২-১৩ চনৰ ভিতৰত ৩০%লৈ) ২.৫ গুণ বৃদ্ধি পায়। কিছুমান ৰাজ্যত এই সংখ্যা ২০০৩-২০১৩ বৰ্ষৰ কালছোৱাত দুগুণ হয় (২নং সাংখ্যিক চিত্ৰ দ্ৰষ্টব্য)। লীজত লৈ খেতি কৰা ভূমিহীন কৃষকৰ এই বৈশিষ্ট্যপূৰ্ণ বৃদ্ধিয়ে খাদ্য নিৰাপত্তা লাভ কৰাত তেওঁলোকৰ বৰঙণিৰ বিষয়টোকে প্ৰতিপন্ন কৰে। কিন্তু ঋণ অথবা সাহায্যৰ বাবে তেওঁলোকে কোনো সমৰ্থন পোৱা নাই। চৰকাৰী কাৰ্যসূচীৰো সুবিধা লাভ কৰা নাই। পিছে ইয়াৰপৰা এটা ইতিবাচক দিশকো উন্মোচন কৰে— যাৰ ফলত প্ৰতিষ্ঠানমূলক ক্ৰেডিট নেটৱৰ্কৰ অধীনত সক্ৰিয়ভাৱে বৰঙণি যোগোৱা কৃষক জনসংখ্যাক অন্তৰ্ভুক্ত কৰিবলৈ কাৰ্যব্যৱস্থা হাতত লোৱা হয়। ২০১৮-১৯ বৰ্ষৰ বাজেটত ঋণৰ সুচল প্ৰাপ্তিৰ বিষয়ে ঘোষণা কৰা হয়। এইসকল কৃষকক ঘাইসুঁতিলৈ আনিবৰ কাৰণে নিটি আয়োগক নতুন উপায় উদ্ভাৱন কৰিবলৈ দায়িত্ব দিয়া হয়। শস্য ঋণৰ উপৰি কৃষিপাম আৰু অ-কৃষি ক্ষেত্ৰত নিয়োগ প্ৰাপ্তিৰ সুচল কৰাৰ বিষয়েও ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হয়। শেহতীয়া বাজেটত আন এটা উল্লেখযোগ্য প্ৰয়াস হ'ল কৃষিক স্বকীয় বৈশিষ্ট্যৰে অৱলোকন কৰাটো; আৰু এই দিশটোৰ প্ৰতি সচেষ্ট হৈ মীন আৰু পশুধন পালনত ন্যস্ত থকা কৃষকলৈ ঋণ সা-সুবিধা আগবঢ়োৱাৰ ব্যৱস্থা কিষাণ ক্ৰেডিট কাৰ্ড স্কীমৰ অধীনত শস্য ঋণ প্ৰদান কৰাৰ দৰেই এই ঋণো লাভ কৰিব পাৰিব। পশুধন, দুগ্ধ আৰু মীন ক্ষেত্ৰৰ বৰঙণি উল্লেখযোগ্য; কিয়নো ই প্ৰায় ২৭ শতাংশ কৃষিৰ মুঠ মূল্য সংযোজনলৈ বৰঙণি যোগায় আৰু ক্ষুদ্ৰ, অতি সাধাৰণ তথা ভূমিহীন কৃষকৰ স্থিতিত পোনপটীয়া প্ৰভাৱ পেলোৱাৰ ইয়াৰ ক্ষমতা আছে। খণ্ডটোৰ যে গুৰুত্ব আছে সেয়া পশুধন, দুগ্ধ আৰু মীন বিভাগলৈ প্ৰদান কৰা আবণ্টনৰাশি ৩১ শতাংশ বৃদ্ধি কৰাত প্ৰতিফলিত হৈছে। পশুধন আৰু মীন খণ্ডত আন্তঃগাঁথনি সৃষ্টিৰ বাবে ৰাজহুৱা বিনিয়োগৰ দুটা নতুন পুঁজিৰ ব্যৱস্থা কৰা হয় আৰু ইয়াৰ ধনৰাশিৰ পৰিমাণ হ'ল ১০ হাজাৰ কোটি টকা। দহ কোটি ঘৰক সামৰি লোৱা ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনিখন কৃষককে ধৰি লাখ লাখ গ্ৰাম্য গৃহক উজলাই তুলিব।

## সকলোলৈকে বজাৰ আৰু লাভজনক মূল্যৰ সুবিধা

মূল্য সমৰ্থিত ব্যৱস্থাৰ অধীনত ন্যূনতম সমৰ্থন মূল্যৰ সুবিধা এতিয়া কিছুমান নিৰ্দিষ্ট শস্য আৰু নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত সীমাৱদ্ধ। এই সমৰ্থন মূল্যৰ সন্দৰ্ভত অন্য এটা আলোচনাৰ বিষয় উত্থাপিত হয় আৰু সেয়া হ'ল উৎপাদনৰ খৰচৰ ক্ষেত্ৰত পৰ্যাপ্তভাৱে উদগনি যোগোৱা হোৱা নাই। সেয়ে চৰকাৰে নিটি আয়োগক বিকল্প ব্যৱস্থাৰ বিষয়ে পৰামৰ্শ আগবঢ়াবলৈ নিৰ্দেশ দিছে যাতে ন্যূনতম সমৰ্থন মূল্য লাভ কৰাৰ সমানেই কৃষকে ভাল মূল্য পায়। প্ৰায়ে কৃষকক ন্যূনতম সমৰ্থন মূল্যৰ তলত বজাৰৰ মূল্যত বিক্ৰী কৰিবলৈ জোৰ দিয়া হয়; আৰু তাৰ বাবে কৃষকে অধিক উপাৰ্জন লাভ কৰিবলৈ কোনো বিকল্প নাথাকে। এইক্ষেত্ৰত চৰকাৰে ন্যূনতম সমৰ্থন

২নং সাংখ্যিক চিত্ৰ ঃ **মুঠ লীজত লোৱা মাটিত প্ৰকৃত ৰায়তৰদ্বাৰা লীজত দিয়া ভূমিৰ অংশ ভাগ**




মূল্যত উৎপাদিত সামগ্ৰী ক্ৰয় কৰিবলৈ অথবা অন্য কোনো ব্যৱস্থাৰ জৰিয়তে তাৰ দিহা কৰিবৰ কাৰণে এখোজ আগুৱাই আহিছে। এনে প্ৰয়াসৰ উদ্দেশ্য হ'ল ঘোষণা কৰা সমৰ্থন মূল্যৰ দৰেই কৃষকে কমেও কিছু লাভৰ নিশ্চয়তা কৰিব পাৰে। এই ব্যৱস্থা আদৰণীয় বিষয়, কিয়নো ন্যূনতম মূল্যৰ 'ভাবান্তৰ যোজনা' (অভাৱ মূল্যৰ ধন আদায়) সন্দৰ্ভত চিন্তা-চৰ্চা কৰি শেহতীয়াকৈ পদক্ষেপ গ্ৰহণ কৰিবলৈ লোৱা হৈছে। নিম্নতম সমৰ্থন মূল্যক এতিয়া মোটামুটি হিচাপত কৃষকৰ উৎপাদন মূল্যতকৈ অধিক স্তৰত অৰ্থাৎ ৫০ শতাংশত ৰাখিবলৈ বিবেচনা কৰা হয়। উপাৰ্জনৰ একাত্মবোধ নিশ্চয়তা কৰাৰ দিশত এয়া হ'ল আন এটা পদক্ষেপ। নিটি আয়োগক কৃষিকে ধৰি বিভিন্ন খণ্ডত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈও কোৱা হৈছে। তেনে ব্যৱস্থাই ভাল পৰিকল্পনা আৰু কৃষকক পৰিচালনা কৰিবৰ বাবে সম্পদৰাজিৰ সৰ্বাধিক ব্যৱহাৰ কৰাত সহায় কৰিব আৰু ভৱিষ্যতৰ চাহিদাৰ ওপৰত ভিত্তি কৰি কৃষকেও সেই অনুযায়ী উৎপাদনত অধিক গুৰুত্ব আৰোপ কৰিব পাৰিব।

## কৃষিপামৰ জপনাৰ ওচৰতে বজাৰ

কৃষিপামৰ খেতি চপোৱা সামগ্ৰীৰ মূল্য আৰু ন্যূনতম সমৰ্থন মূল্যৰ মাজত বিৰাট প্ৰভেদ থকাৰ অন্যতম কাৰণ হ'ল বজাৰৰ সুচল প্ৰৱেশ ঘটাত দেখা দিয়া সীমাৱদ্ধতা। প্ৰায় ৮৫ শতাংশ কৃষক ক্ষুদ্ৰ আৰু সামান্য ধৰণৰ কৃষি কৰ্ষণ কৰা শ্ৰেণীৰ লোক আৰু তেওঁলোকে কম আকাৰত উৎপাদন কৰে কাৰণেই বজাৰলৈ সেইবোৰ নিয়াৰ ব্যৱস্থাও সীমাৱদ্ধ। কৃষক আৰু সমুদায় বিক্ৰী বজাৰৰ মাজত যোগসূত্ৰৰ অনুপস্থিতি হেতুকেই এটা সুচল প্ৰৱেশযোগ্য বিকেন্দ্ৰীকৃত বজাৰৰ গাঁথনি গঢ় তোলাত দীৰ্ঘ কালৰপৰা অন্তৰায় হৈ আহিছে। চৰকাৰে এই বিষয়টোক হৃদয়ঙ্গম কৰি ২২,০০০ খন গ্ৰাম্য বজাৰক উন্নীত কৰিবৰ বাবে ২০০০ কোটি টকা সুকীয়াকৈ ৰাখিছে— যাতে গ্ৰামীণ কৃষি বজাৰত পৰিণত কৰিব পাৰি। এনে বজাৰসমূহে সামগ্ৰী সংগ্ৰহ তথা থলুৱাভাৱে খুচুৰা ব্যৱসায়ৰ বাবে বহুমুখী মঞ্চ ৰূপে সেৱা আগবঢ়াব পাৰে। গ্ৰামীণ কৃষি বজাৰে এটা একক ৰাষ্ট্ৰীয় বজাৰৰ স্বপ্ন বাস্তৱায়িত কৰিবলৈ পদ্ধতিগত যোগসূত্ৰ স্থাপনৰ এটা সুচল ক্ষেত্ৰৰ পথ মুকলি কৰিব। তাৰ বাবে উৎপাদিত ফচলৰ প্ৰাথমিক কাম-কাজ গ্ৰাম্য স্তৰলৈকে লৈ আনি কৃষকক উপকৃত কৰিব। ইয়াৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তুলিবলৈ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা পৰ্যায়-৩য়ে বিশেষ মনোযোগ দিব— যাতে সকলো বতৰতে চলাচল কৰিব পৰা ৰাস্তাৰ জৰিয়তে বসতিস্থলসমূহক গ্ৰামীণ কৃষি বিপণন কেন্দ্ৰৰ স'তে যোগাযোগ কৰিবলৈ সুচল কৰিব পাৰে।

## সঠিক মূল্য নিৰ্ণয়ত গুৰুত্ব

গ্ৰাম্য জীৱিকা নিৰ্বাহৰ ওপৰত আধিক্য আৰোপ কৰিবলৈ কৃষিয়ে যাতে এটা উপযুক্ত স্থিতি গ্ৰহণ কৰিবলৈ সমৰ্থ হয় তাৰ কাৰণে সামগ্ৰী ভিত্তিক মূল্যৰ মান তথা আন্তঃগাঁথনিৰ সৃষ্টি আৰু কৃষক পৰ্যায়তেই মূল্য প্ৰাপ্তি সুবিধা কৰিব পাৰি আৰু তাৰ প্ৰতি চৰকাৰ বেচ সচেষ্ট। ভিন ভিন ধৰণে কৃষিৰ বিকাশ সাধনৰ প্ৰতি স্থানভিত্তিক আলোকপাতে কৃষি ব্যৱসায়ৰ ক্ষেত্ৰত এটা আধাৰ স্বৰূপ হ'ব পাৰে। ৰাজহুৱা আৰু ব্যক্তিগত দিশৰ

পৰাও ইয়াত ভূমিকা গ্ৰহণৰ পথ যথেষ্ট আশা কৰিব পাৰি। তদুপৰি ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীবোৰৰ বিশেষত্ব প্ৰদান তথা পৰিসৰ বৃদ্ধি কৰাত এটা শক্তিশালী ভূমিকা গ্ৰহণ কৰিব লগা আছে। কাৰণ সেইবোৰে প্ৰয়োজনীয় পৰিচালনামূলক তথা কাৰিকৰী দিশৰ কাম-কাজত সহায় কৰিব পাৰে। সেয়ে এই গোটবোৰক অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল কৰি তুলিবৰ কাৰণে ১০০ কোটি টকাতকৈ কম অৰ্জন কৰা কোম্পানীক ১০০ শতাংশ কৰ ৰেহাই দিয়া হ'ব আৰু সেই ব্যৱস্থাই কৃষি খণ্ডত সামগ্ৰিকভাৱে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। কিছুমান সামগ্ৰীৰ ব্যৱস্থাপনাৰ বাবে নতুনকৈ প্ৰচলন কৰা 'অপাৰেচন গ্ৰীণ' কাৰ্যত ফাৰ্মাৰ প্ৰডিউচাৰ সংগঠনৰ গুৰু দায়িত্ব আছে। পিঁয়াজ, আলু আৰু বিলাহীৰ যোগান গোটেই বছৰটোতে অব্যাহত ৰাখিব লাগিব। এই নীল-অভিযানৰ বাবে ৫০০ কোটি টকাৰ এটা সুকীয়া পুঁজি কামত খটুৱা হ'ব— যাতে সেই তিনিবিধ শস্য কৃষিসঙ্গত, সংসাধনৰ সুবিধা আৰু পেছাদাৰী ব্যৱস্থাপনাক উৎসাহিত কৰিব পাৰে।

খাদ্য সংসাধন খণ্ডৰ বাবে আবণ্টনৰাশি প্ৰায় দুগুণ কৰা হৈছে। ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ইয়াৰ পৰিমাণ আছিল ৭১৫ কোটি টকা। কিন্তু ২০১৮-১৯ বৰ্ষৰ বাবে ইয়াৰ মাত্ৰা হয়গৈ ১,৪০০ কোটি টকা। কৃষিৰ যি ৰপ্তানি ক্ষমতা আছে তাক কামত লগোৱা হোৱা নাই। আমেৰিকান ডলাৰৰ হিচাপত ইয়াৰ পৰিমাণ হ'ব ৭০ বিলিয়ন। ৰপ্তানি উদাৰীকৰণ ব্যৱস্থাৰ জৰিয়তে তাক ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে। ৪২ খন মেগা ফুড পাৰ্কত আন্তঃগাঁথনি সৃষ্টি কৰাৰ কথাও ভবা হৈছে।

**অধিক মূল্যৰ সামগ্ৰী**

উদ্যান শস্য তথা ভেষজ আৰু সুগন্ধীজাতীয় বৃক্ষৰ (মেডিচিনেল এণ্ড এৰোমেটিক প্লেণ্ট্ছ) দৰে অধিক মূল্যৰ সামগ্ৰীসমূহে বাজেটত বিশেষ মনোযোগ লাভ কৰিছে। কৃষিপামৰ উপাৰ্জন বৃদ্ধি কৰাই হ'ল ইয়াৰ লক্ষ্য। দেশখনত প্ৰায় ৮,০০০ প্ৰজাতিৰ বনৌষধি বন, লতা আৰু বৃক্ষ আদি পোৱা হয়। ভাৰতীয় সুগন্ধী তথা সুবাসজাতীয় বজাৰখনে অতীতত স্থিৰভাৱে অগ্ৰগতি লাভ কৰা বুলি জনা যায়। অৰ্থনীতিবিদৰ ইণ্টেলিজেন্স ইউনিটে ভাৰতৰ সুগন্ধী আৰু সুবাস পদাৰ্থৰ বিক্ৰী মূল্য ৩১৬৯ নিযুত আমেৰিকান ডলাৰ হ'ব বুলি এটা আনুমানিক হিচাপ মতে নিৰূপণ কৰিছে। 'অপাৰেচন গ্ৰীণ' অৰ্থাৎ নীল অভিযানে এই নষ্ট হ'বলগীয়া উদ্যানজাত শস্যৰ উৎপাদনক উজ্জীৱিত কৰাত সহায় কৰিব; আৰু তাৰ বাবে ভেষজ তথা সুগন্ধীজাতীয় বৃক্ষ সংগঠিতভাৱে খেতি কৰাত সমৰ্থন জনাবলৈ ২০০ কোটি টকা সুকীয়াকৈ ৰখা হৈছে। ক্ষুদ্ৰ, লঘু আৰু মলজীয়া উদ্যোগৰ লাভাৰ্থে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিটি আয়োগে যোৱা দুটা বছৰ কৃষিৰ চাহিদা আৰু যোগানৰ ভৱিষ্য দৰ্শনৰ ক্ষেত্ৰত ইয়াৰ স'তে জড়িত অন্যান্য মন্ত্ৰণালয়ৰ স'তে বহু ব্যৱস্থা হাতত লৈছে। সেয়ে বাজেট প্ৰস্তাৱত যি আবণ্টনৰাশি ধৰা হৈছে সেয়া প্ৰকৃততেই উৎসাহজনক বিষয়।

**প্ৰাকৃতিক সম্পদৰাজি**

২০১৮-১৯ বৰ্ষৰ বাজেটত মূল্য আৰু উৎপাদনশীল দিশ উৎসাহিত কৰা বিষয়টোক ওতঃপ্ৰোতভাৱে জড়িত কৰি আধুনিক যুগৰ নিৰন্তৰ গতি অটুট ৰখা কাৰক শক্তিৰ ওপৰত সমানেই আলোকপাত কৰা হৈছে। কৃষি পামৰ উৎপাদক সংগঠনসমূহে জৈৱিক কৃষিক উৎসাহিত কৰিবৰ বাবে প্ৰচেষ্টা হাতত লোৱাৰ কথা ভাবিছে আৰু তাক এটা শক্তিশালী উপায় ৰূপে স্বীকৃতিও দিছে। প্ৰত্যেককে এহেজাৰ হেক্টৰ ভূমিৰ বাবে প্ৰস্তাৱ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অৰ্গেনিক ভেলু চেইন ডেভেলপমেণ্টৰ ক্ষেত্ৰত আবণ্টনৰাশিৰ পৰিমাণ ৬০ শতাংশ বৃদ্ধি কৰা হৈছে। এই অঞ্চলটোৱে জৈৱিক কৃষিৰ বাবে অনন্য সুবিধা আগবঢ়ায় আৰু সেইবোৰ আছিয়ান তথা পূবলৈ চোৱা নীতিৰ অধীনত ৰপ্তানি কৰাৰো পথ সুচল কৰিছে। 'পী এম কে এছ ওৱাই— হৰ খেতকো পানী— পাৰ ড্ৰপ ম'ৰ ক্ৰপ' আঁচনিৰ অধীনত জলৰাশিৰ ইতিবাচক বিনিয়োগৰ পৰিমাণ যথাক্ৰমে ৩৮ আৰু ৩৩ শতাংশ বৃদ্ধি কৰা হৈছে। এয়া ২০১৮-১৯ বৰ্ষৰ কালছোৱাৰ বাবে। প্ৰধান মন্ত্ৰী কৃষি সঞ্চয় যোজনাৰ পৰিসৰ অৱনমিত হোৱা ভূগৰ্ভস্থৰ জলৰ অৱস্থাক প্ৰতিহত কৰিবৰ বাবে বিস্তাৰিত কৰা হ'ব। ৩০ শতাংশতকৈ কম নিশ্চিত জলসিঞ্চনৰ সুবিধাৰপৰা বঞ্চিত অঞ্চলৰ ৯৬ জিলাত বিদ্যুৎ শক্তিৰ ওপৰত আলোকপাত কৰি তাৰ অৱস্থা উন্নত কৰা হ'ব। শস্য আদিৰ অৱশিষ্ট অংশৰ সমুচিত ব্যৱস্থাপনাৰ বাবে মেচিন সামগ্ৰী ৰাজসাহায্যত প্ৰদান কৰিবৰ অৰ্থে ৰাজ্যিক স্তৰৰ আন্তঃচৰকাৰী সহযোগেৰে এটা বিশেষ আঁচনি ঘোষণা কৰা হয়— যাৰ লক্ষ্য হ'ল শীত কালত দিল্লীত বিজাৰ কৰা অৱনমিত বায়ুৰ অৱস্থাৰ প্ৰতি সঁহাৰি জনোৱা। এই ঘোষণা চলিত বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাৰ স'তে ৰজিতা খাইছে। সমীক্ষাত উত্তৰ ভাৰতত ধান চপোৱাৰ কালছোৱাত পথাৰত নৰাবোৰ জ্বলাই দিয়াৰ ফলত ধোঁৱাৰ সৃষ্টি কৰি পৰিৱেশ ধূসৰ কৰি তোলে। কৃষকে

ব্যৱহাৰ কৰাৰ পিছতো যি সৌৰ শক্তি ৰাহি থাকে সেইবোৰ বিদ্যুৎ গ্ৰীড তথা বিতৰণ কোম্পানীবোৰক বিক্ৰী কৰাৰ যান্ত্ৰিক ব্যৱস্থাই উপাৰ্জন উদ্ৰেক আৰু নিৰ্দিষ্ট লক্ষ্য অটুট ৰখাত সহায়ক হ'ব পাৰে। কৃষিপামত গৰু-ম'হৰ গোবৰ আৰু ত্যাগ কৰা মল পচি সাৰলৈ ৰূপান্তৰ কৰা তথা তাৰ উপযুক্ত ব্যৱস্থাপনাৰ বাবে 'গোবৰ-ধন' আঁচনি ঘোষণা কৰা হয়। জৈৱক গেছ আৰু জৈৱ-চী এন জীলৈ ৰূপান্তৰিত কৰাৰ বিষয়টোও উল্লেখ কৰা আঁচনিখনত ধৰা হৈছে। কেন্দ্ৰীয় বাজেটত কেইখনমান কাৰ্যসূচীৰ ৰূপান্তৰ সাধনৰ অৰ্থে গুৰুত্ব আৰোপ কৰা হৈছে। ১১৫ খন আশাপ্ৰদ জিলাক নিটি আয়োগৰদ্বাৰা চিহ্নিত কৰা হয় আৰু সেই জিলাবোৰক বিশেষ উদ্দেশ্য বাহক ৰূপে ২০২২ চনৰ ভিতৰত নব্য ভাৰতত স্থিত কৰাৰ লক্ষ্য নিহিত আছে। এই আশাপ্ৰদ জিলা-কেইখনত কেইটামান বিষয় ৰূপান্তৰ সাধন কৰিবলৈ আলোকপাত কৰা হ'ব। সেই বিষয়কেইটা হ'ল— স্বাস্থ্য, পৌষ্টিকতা, শিক্ষা, কৃষি, ডিজিটেল সংযোগ, দক্ষতাৰ বিকাশ আৰু মূল আন্তঃগাঁথনি।

**সামৰণি**

কেন্দ্ৰীয় বাজেটত দৃঢ়ভাৱে বিশ্বাস কৰা হয় যে এটা অনুকূল গ্ৰাম্য জৈৱ-পদ্ধতিৰ বিকাশ কৃষিৰ কাৰণে এটা উদ্যোগ ৰূপে বৰ্তাই ৰাখিবলৈ প্ৰয়োজন। 'কমাণ্ড এৰিয়া ডেভেলপমেণ্ট' যোজনাৰ জৰিয়তে যথেষ্ট কাৰ্যক্ৰমণিকা অটুট ৰখা পৰিলক্ষিত হয় আৰু সেই যোজনা হ'ল পূৰ্বতে ঘোষণা কৰা দীৰ্ঘকালীন জনসিঞ্চন পুঁজিৰ অধীনৰ। তাৰ ধনৰাশিৰ প্ৰাৰম্ভিক পৰিমাণ হ'ল ২০ হাজাৰ কোটি টকা। বাজেট প্ৰস্তাৱৰ জৰিয়তে হাতত লোৱা বিভিন্ন ব্যৱস্থাই কৃষকৰ উপাৰ্জন দুগুণ কৰাৰ স্বপ্ন বাস্তৱায়িত কৰাত বহুত আগুৱাই নিব। তেনে ব্যৱস্থাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল বিদ্যুৎ, এল পী জী সংযোগ আৰু অনাময়ৰ প্ৰতি সহজ প্ৰাপ্যতা। বাসগৃহ আৰু স্বাস্থ্য হ'ল আন সুচল ব্যৱস্থা। পূৰ্বৰ বছৰৰ তুলনাত ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা নিৰ্বাহ অভিযানৰ আৱণ্টনৰাশি ২৮ শতাংশ বৃদ্ধি আৰু ১২৯০ কোটি টকা আৱণ্টনৰে পুনৰুজ্জীৱিত নেচনেল বেম্বো মিছনৰ প্ৰচলনে কৃষিপাম আৰু অ-কৃষিপামৰ উপাৰ্জন তথা গ্ৰাম্য ভাৰতৰ নিয়োগ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। পুঁজিৰ বিতৰণ কিছুমান ইতিবাচক দিশৰ প্ৰতি বিত্তীয় সম্পদৰাজিৰ পুনৰ উন্মেষ সাধন কৰাকে বুজায় আৰু সেই দিশবোৰ পূৰ্ব নিৰ্দ্ধাৰিত তথা মূল গ্ৰহণযোগ্য কাৰ্যব্যৱস্থা— যিবোৰে কম সময়ৰ ভিতৰতে সুফল প্ৰদান কৰিব পাৰে। শস্য বিজ্ঞান আৰু প্ৰাণী বিজ্ঞানৰ ক্ষেত্ৰত যি গৱেষণা আৰু বিকাশৰ পৰিমাণ পূৰ্বৰ বছৰৰ বাজেটত কৰ্তন কৰা হয় সেইটোক২০১৮-১৯ বৰ্ষৰ বাজেটত পুনৰ ওলোটা কৰি গ্ৰহণ কৰিবলৈ লোৱা ব্যৱস্থা বেচ আদৰণীয় ৰূপে গণ্য কৰা হয়। দুটা উপ-শিতানত ইয়াৰ পৰিমাণ যথাক্ৰমে ৭৮ শতাংশ আৰু ৪৭ শতাংশলৈ বৃদ্ধি কৰা হৈছে। এয়া বহু দিনৰপৰা অপেক্ষা কৰি থকা হৈছিল আৰু এতিয়া সময় উপযোগী হৈছে; কিয়নো ভৱিষ্যতৰ কৃষি বিকাশ সাধনৰ বাবে আৱশ্যক বহু উন্নত প্ৰযুক্তিৰ আৰু তাৰ বাবে গৱেষণা তথা প্ৰতিষ্ঠান-মূলক ব্যৱস্থাক শক্তিশালী কৰিবলৈ বিপুল পৰিমাণৰ বিনিয়োগ আৱশ্যক হয়। ২০১৮-১৯ বৰ্ষৰ কাৰণে কৰা আৱণ্টনে গ্ৰাম্য কৃষি বিকাশক উজ্জীৱিত কৰি তুলিবলৈ নিৰ্দিষ্টভাৱে গুৰুত্ব আৰোপ কৰিব লগা ক্ষেত্ৰত বাজেট ব্যয়ৰ সন্দৰ্ভত অধিক আলোকপাত কৰা কথাটো প্ৰতিবিম্বিত হৈছে। 'কৃষকৰ কল্যাণ'ৰ বিষয়ক কেন্দ্ৰ কৰিয়েই সৰ্বান্তৰকৰণ, নতুন সৃষ্টি, নিয়োগ আৰু গতিময়তাক অটুট ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। এই বছৰৰ বিত্তীয় বিবৃত্তিৰ মন কৰিব লগা বিষয় হ'ল মৌলিক কাৰ্যব্যৱস্থাৰ উপযুক্ত সংমিশ্ৰণেৰে সীমিত পুঁজিসমূহক সাৱধানেৰে কামত লগোৱা। এই সকলোবোৰ প্ৰয়াসক সোনকালে তথা উপযুক্তভাৱে কামত লগালে দেশখনত সমৃদ্ধি আৰু সৰ্বাত্মক ৰূপৰ এটা নতুন বিকাশৰ সূচনা হ'ব। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# কেন্দ্ৰীয় বাজেট ২০১৮-১৯ ঃ ব্যৱসায়কৰণৰ স্বাচ্ছন্দ্য পদক্ষেপৰ পাঠোদ্ধাৰকৰণ

**ডানিছ এ হাছিম***
**বৰ্ষা কুমাৰী***

১। **আৰম্ভণি**

কেন্দ্ৰীয় বাজেট ২০১৮-১৯ৰ এটা উচ্চাকাংক্ষী তথা জটিল ক্ষেত্ৰৰ ভিতৰত অন্যতম হ'ল ব্যৱসায়কৰণৰ স্বচ্ছন্দতা (ই অ' বী ডী), যি বিগত কেইবছৰমানৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰপৰা অভূতপূৰ্ব গুৰুত্ব লাভ কৰিছে। ই অ' বী ডী উন্নীতকৰণৰ বাবে চৰকাৰৰ আঁচনিৰ আঁৰত আছে দেশৰ বিনিয়োগ আৰু নিয়োগ সম্ভাৱনীয়তা শৃংখলমুক্ত কৰা। কেন্দ্ৰই আৰম্ভণিৰ পৰা অন্তিম স্তৰতো ব্যৱসায় চক্ৰৰ বিভিন্ন স্তৰত থকা প্ৰতিবন্ধকতাবোৰ আঁতৰ কৰাৰ বাবে এটা শ্ৰেণীবদ্ধ সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে। ই অ' বী ডীৰ ক্ষেত্ৰত কেতবোৰ ইতিবাচক উন্নয়নৰ ভিতৰত মাত্ৰ এদিনৰ ভিতৰত কোম্পানী সন্নিৱিষ্টকৰণ জী এছ টীৰ প্ৰচলনৰ জৰিয়তে পৰোক্ষ বাধ্যতাৰ সৰলীকৰণ আৰু ইনছ'লভেন্সি এণ্ড বেংকৰাপ্টি কোড (আই বী চী) প্ৰণয়নৰ জৰিয়তে দেউলীয়া মীমাংসা দ্ৰুতকৰণ।

কেন্দ্ৰই অন্যান্য দিশৰ লগতে শ্ৰমিক, মাটি, পৰিদৰ্শন আৰু বিবাদ মীমাংসা আদি বিস্তৃত ক্ষেত্ৰত ব্যৱসায়িক সংস্কাৰ সাধনৰ বাবে ৰাজ্য চৰকাৰবোৰক ধাৰাবাহিকভাৱে হেঁচা প্ৰয়োগ কৰি ৰাজ্যবোৰৰ মাজত প্ৰতিযোগিতামূলক যুক্তৰাষ্ট্ৰীয়তাৰ মানসিকতাৰ উন্নতি সাধন কৰিছে। এইবোৰ পদক্ষেপ উদ্যোগ ক্ষেত্ৰৰ বাবে এটা ইতিবাচক ফলাফলৰ আৰম্ভণি দেখা গৈছে। শেহতীয়াভাৱে প্ৰকাশিত বিশ্ব বেংকৰ ব্যৱসায় কৰাৰ প্ৰতিবেদনত দেখা গৈছে যে বিগত বছৰত ১৩০ৰ স্তৰৰপৰা ২০১৮ত ৩০ স্পষ্ট (১৯০ খন দেশৰ ভিতৰত)ৰ জৰিয়তে ভাৰতবৰ্ষৰ স্থান উত্তৰণ ঘটিছে। প্ৰধান মন্ত্ৰীৰ ভৱিষ্য দৰ্শন হ'ল পৰৱৰ্তী দুবছৰত ভাৰতবৰ্ষক শীৰ্ষৰ ৫০ খন দেশৰ লীগত যোগদান কৰোৱা। শেহতীয়াভাৱে ঘোষণা কৰা বাজেটত এই দিশত পৰৱৰ্তীভাৱে আগবঢ়াৰ বাবে কেতবোৰ শক্তিশালী পদক্ষেপ গ্ৰহণ কৰাৰ আশা পোষণ কৰা হৈছে। কেন্দ্ৰীয় বাজেটে এটা ফলপ্ৰসূ নীতিগত দিশ দেখুৱাব আৰু ই অ' বী ডী সংস্কাৰৰ অসম্পূৰ্ণ এজেণ্ডা আগুৱাই নিব বুলি আশা আৰু আকাংক্ষা কৰা হৈছে।

আকাংক্ষাৰ শাৰীৰ ভিতৰত বাজেটে ই অ' বী ডী পদক্ষেপৰ এটা শ্ৰেণীবদ্ধ অৱস্থা ঘোষণা কৰিছে। বাজেটে এম এছ এম ইক বিশেষ দৃষ্টি আৰোপ কৰি নিয়োগ বৃদ্ধি আৰু বিনিয়োগত উৎসাহীকৰণৰ সৈতে বিভিন্ন ক্ষেত্ৰত ই অ' বী ডী সামৰিব পৰা ক্ষেত্ৰবোৰ ঘোষণা কৰিছে। ই অ' বী ডীৰ কৰ্প'ৰেট খণ্ডৰ কেতবোৰ মুখ্য ব্যৱস্থা পৰৱৰ্তী শাখাত উল্লেখ কৰা হৈছে।

২। **কৰ্প'ৰেট খণ্ডৰ বাবে ই অ' বী ডীৰ মুখ্য ব্যৱস্থাবোৰ**

● **এম এছ এম ই-বোৰৰ বাবে বৃহৎ নিধি যোগান ঃ** এম এছ এম ই-বোৰে সন্মুখীন হোৱা ঋণ নাটনিৰ সমস্যা নাইকিয়া কৰাৰ বাবে ঋণ সমৰ্থন, মূলধন আৰু সুতৰ ওপৰত ৰাজসাহায্য প্ৰদানৰ বাবে চৰকাৰে এম এছ এম ই খণ্ডলৈ ৩ লাখ কোটি টকা আবণ্টন দিছে। মন কৰিবলগীয়া যে এই বৰ্দ্ধিত আবণ্টনে ঋণ লাভৰ স্বচ্ছন্দতা বৃদ্ধিৰ ক্ষেত্ৰত কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিব। সেইদৰে বাজেটে প্ৰতিষ্ঠানবোৰৰ ঋণ ইতিহাসৰ বিষয়বোৰ মীমাংসা কৰা আৰু এম এছ এম ই খণ্ডৰ বাবে কাৰ্যকৰী মূলধনৰ সহজলভ্যতা নিশ্চিতকৰণৰ বাবে ফিনটেকৰ ব্যৱহাৰ কৰিবলৈ এম এছ এম ই ব্যৱসায়ৰ বিত্তীয় তথ্যৰ ডাটাবোৰ উদ্‌ঘাটন কৰা আদিৰ দৰে উদ্ভাৱনী পদ্ধতিৰ জৰিয়তে এম এছ এম ই-বোৰৰ বাবে বেংকৰ ঋণ লাভ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা কেতবোৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

● **এম এছ এম ই-বোৰলৈ ঋণ অনুমোদন প্ৰক্ৰিয়া সৰলীকৰণ ঃ**

চৰকাৰে জী এছ টী নেটৱৰ্ক (জী এছ টী এন)ৰ সৈতে সংযোগ কৰাৰ জৰিয়তে এছ এম ই-বোৰলৈ ঋণ অনুমোদন কৰাৰ বাবে ট্ৰেড ৰিছিভেবল ডিছকাউণ্টিং ছিষ্টেম (ট্ৰেডছ) পুনৰ গঠনৰ প্ৰস্তাৱ ৰাখিছে। ইয়াৰ ফলত কাৰ্যকৰী মূলধনৰ উৎকৃষ্ট পৰিচালনা

***লিখক ড° ডানিছ এ হাছিম ব্যৱসায়কৰণত স্বচ্ছন্দতা, ভাৰতীয় ঔদ্যোগিক মহাসংঘ (চী আই আই), নতুন দিল্লীৰ মুৰব্বী আৰু বৰ্ষা কুমাৰী ব্যৱসায়কৰণৰ স্বচ্ছন্দতা বিভাগ, চী আই আই, নতুন দিল্লীৰ পৰামৰ্শদাতা।**

আৰু বিলৰ দ্ৰুত ডিছকাউণ্টৰ সৈতে এম এছ এম ইক সহায় কৰিব। পৰৱৰ্তীভাৱে যিহেতু বেংকবোৰে এম এছ এম ই-বোৰৰ নগদ ধন সৰবৰাহৰ তথ্য লাভ কৰিব তেওঁলোকে অতি কাৰ্যকৰীভাৱে ঋণ দান কৰিব পাৰিব, যিহেতু ভুৱা বিলৰ কোনো প্ৰত্যাহ্বান নাথাকিব।

● **কৰ সকাহ ঃ** বাৰ্ষিক ২৫০ কোটি টকা টাৰ্ণ-অভাৰ থকা কোম্পানীবোৰৰ কৰ্পʼৰেট কৰ ২৫ শতাংশলৈ হ্ৰাস কৰা (পূৰ্বতে ৫০ কোটি টকা) এটা উল্লেখনীয় পদক্ষেপ আৰু ইয়াৰ জৰিয়তে দেশৰ কোম্পানীবোৰৰ ৯৯ শতাংশ লাভ হʼব বুলি আশা কৰা হৈছে। ই এম এছ এম ই-বোৰৰ বিনিয়োগ ৰেহাইৰ হাৰ বৃদ্ধি কৰাৰ ফলত উন্নয়ন আৰু নিয়োগৰ ক্ষেত্ৰত অৰদান বৃদ্ধি কৰিব।

● **এম এছ এম ই-বোৰৰ এন পী এ-ত সকাহ ঃ** বাজেটে এম এছ এম ইৰ এন পী এ আৰু প্ৰতিবদ্ধ একাউণ্টবোৰ কাৰ্যকৰীভাৱে মীমাংসা কৰাৰ বাবে চৰকাৰৰ আগ্ৰহ ঘোষণা কৰিছে। এই ক্ষেত্ৰৰ পদক্ষেপ হিচাপে ভাৰতীয় ৰিজাৰ্ভ বেংকে এম এছ এম ই-বোৰৰ ঋণীসকলক তেওঁলোকৰ ঋণ আদায়ৰ কাৰ্যকাল ১৮০ দিনলৈ পলম কৰাৰ নিৰ্দেশনা ঘোষণা কৰিছে, যি এন পী এ শ্ৰেণীবদ্ধ নকৰাকৈ ঘোষিত সময়ৰ দুগুণ। এই পদক্ষেপে এম এছ এম ইৰ নগদ ধন সৰবৰাহ মীমাংসা কৰিব আৰু বেংক আৰু এন বী এফ চীৰ পৰিশোধৰ দায়বদ্ধতা মীমাংসা কৰিব।

● **একীভূত আই ডী ঃ** বৰ্তমান কোম্পানীবোৰে কোম্পানী গঠন, সম্পত্তি পঞ্জীকৰণ আৰু বিদ্যুৎ যোগান লাভ আদিৰ দৰে কেতবোৰ ব্যৱস্থা মানিবলগীয়া হয়, যিবোৰে ধন আৰু সময় উভয় ক্ষেত্ৰতে এটা ব্যয় সাপেক্ষ প্ৰক্ৰিয়া হিচাপে চিহ্নিত। চৰকাৰে নাগৰিকৰ বাবে আধাৰৰ আৰ্হিত প্ৰতিষ্ঠানবোৰৰ বাবে একীভূত চিনাক্ত-কৰণ আঁচনিৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়াৰ জৰিয়তে বিভিন্ন চৰকাৰী প্ৰাধিকাৰীৰ ওচৰত বহুমুখী পঞ্জীকৰণ ব্যৱস্থাৰ সলনি ঘটাব আৰু সকলো অনুমোদন/ অনুজ্ঞাপত্ৰৰ বাবে একে সময়তে পঞ্জীকৰণ ব্যৱস্থা গ্ৰহণ কৰিব।

● **ৰাষ্ট্ৰীয় লজিষ্টিক পৰ্টেল ঃ** বাণিজ্য মন্ত্ৰণালয়ৰ অধীনৰ লজিষ্টিক বিভাগে অন্‌লাইন ৰাষ্ট্ৰীয় লজিষ্টিক পৰ্টেলৰ উন্নয়ন সাধন কৰিছে। ইয়াৰ জৰিয়তে সৰবৰাহ সেৱা প্ৰদানকাৰী, ক্ৰেতা, সীমাশুল্ক, ডী জী এফ টী, ৰেʼলৱে, বন্দৰ, বিমাকোঠ, উপকূলীয় নৌপথ, উপকূলীয় জাহাজ পৰিবহণ আদিৰ দৰে অংশগ্ৰহণকাৰীসকলৰ মাজত দীৰ্ঘদিন ধৰি জমা হৈ থকা বিষয়বোৰৰ মাজত ব্যৱধান হ্ৰাস কৰিব। যদি এই পৰ্টেল সফলতাৰে ৰূপায়ণ হয়, তেন্তে সংশ্লিষ্ট অংশগ্ৰহণকাৰীসকলক এটা একক অন্‌লাইন মঞ্চৰ মাজলৈ লৈ আনিব আৰু সৰবৰাহ ব্যয় প্ৰায় ১০ শতাংশলৈ হ্ৰাস কৰিব।

● **সকলো খণ্ডৰ কাৰণে নিৰ্দিষ্ট অৱধিৰ নিয়োগ ঃ** নিৰ্দিষ্ট অৱধিৰ নিয়োগ ব্যৱস্থা— এটা নিৰ্দিষ্ট সময়ৰ বাবে কৰ্মচাৰী অনা ব্যৱস্থা পোনতে কেৱল বস্ত্ৰ উদ্যোগত প্ৰযোজ্য আছিল, বৰ্তমান ই সকলো খণ্ডলৈ সম্প্ৰসাৰণৰ প্ৰস্তাৱ ৰাখিছে। এই পদক্ষেপৰ ফলত অতিৰিক্ত নিয়োগক উৎসাহীকৰণৰ উপৰি হ্ৰস্বকালীন সময়ৰ বাবে মুক্তভাৱে কৰ্মী অনাৰ জৰিয়তে ই অʼ বী ডীলৈ এটা বৃহৎ উৎসাহ যোগাব। এই ব্যৱস্থাই চামৰা, ভৰিত পিন্ধা আৰু বয়বস্তু খণ্ড— যʼত বছৰটোত শ্ৰমিকৰ চাহিদা ব্যৱধান হৈ থাকে, তেনে খণ্ডবোৰলৈ বিশেষভাৱে লাভজনক হʼব। এইবোৰ খণ্ডতো নিয়োগ ব্যৱস্থা বৃদ্ধি হৈ পৰিব বুলি ভাবিব পাৰি— যি নিয়োগৰ পদক্ষেপক উৎসাহ যোগাব। এই বাজেটে লগতে কোনো ধৰণৰ মধ্যভোগীৰ সহায় নোলোৱাকৈ পোনপটীয়াকৈ কৰ্মচাৰী নিৰ্দ্ধাৰিত সময়ৰ বাবে লোৱাৰ ব্যৱস্থা কৰিছে যাৰ ফলত কোম্পানীবোৰৰ ব্যয় হ্ৰাস পাব।

● **মোহৰ শুল্কৰ সম ব্যৱস্থাকৰণ ঃ** কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্য চৰকাৰৰ সমন্বয়ত মোহৰ শুল্কৰ ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব। বৰ্তমান সমগ্ৰ ৰাজ্যৰ মাজত মোহৰ শুল্ক ৪ শতাংশৰ পৰা ৭ শতাংশলৈ আছে। সমগ্ৰ ভাৰতবৰ্ষত মোহৰ শুল্কৰ সম ব্যৱস্থাৰ বাবে ভূমি/ সম্পত্তিৰ মূল্যৰ ভংগ হ্ৰাসকৰণত সহায় কৰিব।

● **প্ৰযুক্তি ভিত্তিক শাসন ঃ** দেশত বিবাদ মীমাংসা ত্বৰান্বিত কৰাৰ লক্ষ্যৰে চৰকাৰে সকলো জিলা আৰু সহযোগী ন্যায়ালয়বোৰত সাৰ্বজনীন কম্পিউটাৰ-কৰণৰ লক্ষ্য বান্ধি লৈছে। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় ন্যায়িক তথ্য গ্ৰীড— যি ন্যায়িক প্ৰক্ৰিয়া সম্পৰ্কীয় তথ্য অন্‌লাইন মঞ্চত উপলব্ধ হোৱাৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে কম্পিউটাৰকৃত ন্যায়ালয় আৰু সহযোগী ন্যায়ালয়ৰ সিদ্ধান্ত কাৰ্যকৰী কৰিব। পৰৱৰ্তীভাৱে ই-ফাইলিং আৰু ই-পেমেণ্ট সুবিধাৰ ই-ন্যায়ালয় ব্যৱস্থাৰ প্ৰতি দৃষ্টি আৰোপ-কৰণে কনট্ৰেক-এনফʼৰ্চমেণ্ট ব্যৱস্থাক শক্তিশালী কৰিব যি বৰ্তমান ভাৰতবৰ্ষৰ ক্ষেত্ৰত দৰিদ্ৰভাৱে ১৬৪ সংখ্যক স্থানত আছে।

● **ইলেকট্ৰনিক শুল্ক আদায় ঃ** চৰকাৰে শুল্ক আদায়ৰ ক্ষেত্ৰত বৰ্তমানে প্ৰৱৰ্তিত হৈ থকা কায়িক নগদ আদায় ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই ইলেকট্ৰনিক আদায় ব্যৱস্থা আৰু দ্ৰুততাৰে প্ৰৱৰ্তন

কৰিছে। এই দিশত 'আপুনি কৰা ব্যৱহাৰ অনুসৰি আদায় দিয়ক' প্ৰৱৰ্তন কৰা হৈছে, যি বৰ্তমান আৰ্হি হিচাপত চলোৱা হৈছে। এই ব্যৱস্থাই বাণিজ্যিক সামগ্ৰী সৰবৰাহকাৰী বাহনবোৰৰ ধন আৰু সময় ব্যয় ব্যৱস্থাক লক্ষণীয়ভাৱে সকাহ দিব।

● **প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন উন্নীতকৰণ ঃ** প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত ব্যক্তিগত বিনিয়োগকাৰীৰ আৰম্ভণি কৰাৰ জৰিয়তে চৰকাৰে দেশৰ দুই প্ৰতিৰক্ষা ঔদ্যোগিক উৎপাদন কৰিডৰৰ উন্নয়ন সাধনৰ ব্যৱস্থা লৈছে। ইয়াৰ জৰিয়তে এহাতে প্ৰতিৰক্ষা সামগ্ৰীৰ আমদানিৰ বিকল্প অৱস্থাক সহায় কৰিব, আনহাতে নিয়োগ সৃষ্টিতো অৰিহণা যোগাব। প্ৰতিৰক্ষা সামগ্ৰী উৎপাদন নীতি ২০১৮-ই এম এছ এম ইকে ধৰি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ ঘৰুৱা উৎপাদনৰ প্ৰস্তাৱত উৎসাহ যোগাইছে।

● **সংশোধিত বাহ্যিক প্ৰত্যক্ষ বিনিয়োগ নীতি (অ' ডী আই) ঃ** বাজেটে বৰ্তমানৰ নীতি-নিয়ম আৰু প্ৰক্ৰিয়াৰ সংশোধন ঘটাই এটা অধিক সংলগ্ন আৰু সমন্বিত বাহ্যিক প্ৰত্যক্ষ বিনিয়োগ নীতিৰ ঘোষণা কৰিছে। চৰকাৰে লগতে হাইব্ৰীড সঁজুলিৰ তালিকাকৰণৰ কাম কৰি আছে— যি ভাৰতীয় কোম্পানী বিশেষকৈ আৰম্ভ কৰা আৰু যুটীয়া মূলধনী প্ৰতিষ্ঠানবোৰে প্ৰত্যক্ষ বিদেশী বিনিয়োগ উদিতকৰণত সহায় কৰিব।

● **ঔদ্যোগিক ফীডবেক ঃ** প্ৰৱৰ্তন কৰা ব্যৱসায়িক সংস্কাৰৰ প্ৰভাৱ গভীৰ কৰাৰ অংশ হিচাপে ঔদ্যোগিক নীতি আৰু উন্নতিকৰণ বিভাগ (ডী আই পী পী)-এ ব্যৱসায়িক সংস্কাৰ কৰ্ম আঁচনি গ্ৰহণ কৰিছে। সংস্কাৰ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যবোৰ/কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰপৰা মান নিৰূপণ সম্পৰ্কীয় ফীডবেকবোৰ চৰকাৰে একত্ৰিত কৰাৰ অনুশীলন চলাই আছে। পূৰ্বতে ৰাজ্য চৰকাৰবোৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰপৰা লাভ কৰা ফীডবেক সংগ্ৰহ কৰি নিৰূপণ কৰা হৈছিল যি উদ্যোগবোৰৰ কাৰণে ভূমিস্তৰত সংস্কাৰ সাধনৰ কাৰ্যকাৰিতা গ্ৰহণ কৰিব পৰা নাছিল।

কৰ্প'ৰেট খণ্ডৰ কাৰণে ই অ' বী ডী সুবিধা প্ৰদানৰ এই পদক্ষেপবোৰৰ উপৰি বিত্ত মন্ত্ৰণালয়ে কৰ্প'ৰেট খণ্ডৰ বাহিৰেও ব্যৱসায় পৰিচালনাত স্বাচ্ছন্দ্য অনাৰ বাবে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে কৃষি খণ্ডত চৰকাৰে ই অ' বী ডী পদক্ষেপৰ বাবে কেতবোৰ ব্যৱস্থাৰ ঘোষণা কৰিছে, যিবোৰৰ ভিতৰত গ্ৰাম্য বজাৰবোৰ গ্ৰামীণ কৃষি বজাৰ (গ্ৰামছ)লৈ ৰূপান্তৰিত কৰিছে আৰু কৃষক আৰু উপভোক্তাসকল/ পাইকাৰী ক্ৰেতাসকলৰ মাজত পোনপটীয়া লেনদেনৰ বাবে ই-নামৰ সৈতে সংযোগ কৰিছে, দীৰ্ঘকালীন জলসিঞ্চন নিধি (এল আই টী এফ) স্থাপন, মীন পালন আৰু জলাকৰ্ষণ আন্তঃগাঁথনি উন্নয়ন নিধি (এফ এ আই ডী এফ) আৰু পশুপালন আন্তঃগাঁথনি উন্নয়ন নিধি (এ এইছ আই ডী এফ) আদি। সমান্তৰালভাৱে আন্তঃগাঁথনি খণ্ডত চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰে'লপথ সংযোগ বিস্তৃত কৰা আৰু গ্ৰাম্য নাগৰিকলৈ ব্ৰডব্ৰেণ্ড সুবিধা সম্প্ৰসাৰণৰ প্ৰস্তাৱ লৈছে।

## ৩। সামৰণি

কেন্দ্ৰীয় বাজেট ২০১৮-১৯-এ যি সময়ত ই অ' বী ডী সংস্কাৰৰ এটা লক্ষণীয় দিশত অগ্ৰগতি লভিছে সেই সময়ত দেশত বিনিয়োগ বাতাৱৰণ পোনপটীয়া কৰা আৰু নিয়োগ সৃষ্টিৰ কাৰণে কাম কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। বাজেটত ই অ' বী ডী সম্পৰ্কীয় ব্যৱস্থাই কৰ্প'ৰেট খণ্ডৰ কাৰণে সময় আৰু ধন হ্ৰাস কৰাৰ ক্ষেত্ৰত সহায় কৰিব। বিত্ত মন্ত্ৰীয়ে বৃহৎ পৰিসৰত ব্যৱসায়কৰণত স্বাচ্ছন্দ্য বৃদ্ধিৰ বাবে কৰ্প'ৰেট খণ্ডৰ বাবে ব্যৱস্থা ঘোষণাৰ ঊৰ্দ্ধলৈকো গৈছে। ই অ' বী ডী ব্যৱস্থাৱলীৰ ভিতৰত এম এছ এম ই, কৃষি, গ্ৰাম্য অৰ্থনীতি, আন্তঃগাঁথনি আৰু প্ৰযুক্তি আদি উল্লেখনীয়।

যি সময়ত এই ব্যৱস্থাৱলীয়ে দেশৰ বিনিয়োগ বাতাৱৰণ উন্নীতকৰণত পৰ্যাপ্ত সহায় আগবঢ়াব, সেইদৰে শ্ৰমিক আইন, ভূমি অধিগ্ৰহণ আৰু তৃতীয় পক্ষৰ অনুমোদন সম্প্ৰসাৰণে পৰৱৰ্তীভাৱে ব্যৱসায় পৰিৱেশ উন্নীতকৰণত সহায় কৰিব। ৰাজ্যবোৰক কেন্দ্ৰৰ শ্ৰম সুবিধা পৰ্টেলৰ সৈতে সমন্বয়, জী আই এছ প্ৰণয়ন, বিভিন্ন স্তৰত ভূমি ৰেকৰ্ডবোৰ ডিজিটেলকৰণ আৰু সংযোগীকৰণ আৰু পৌৰ প্ৰশাসন অনলাইনকৰণকে ধৰি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে ই-শাসন আঁকোৱালি লোৱাত উৎসাহ যোগাইছে। তদুপৰি ব্যৱসায় সংস্কাৰৰ ক্ষেত্ৰত ডী আই পী পীৰ ই অ' বী ডী মান নিৰ্ণয় প্ৰাথমিকভাৱে সম্পদৰ নাটনি আৰু আগ্ৰহৰ অভাৱৰ বাবে নিম্ন হৈ আছিল যিবোৰ ক্ষেত্ৰত ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰক সুবিধা প্ৰদান কৰিছে। সি যি কি নহওক, উন্নত ফল এতিয়াও পাবলৈ বাকী, ই অ' বী ডী সংস্কাৰ যথা এইবোৰ বাজেট ২০১৮-১৯ৰ লগতে শীঘ্ৰে আহিব বুলি আশা কৰা হৈছে। ❐

# ভাৰতৰ বয়োজ্যেষ্ঠসকল— কেন্দ্ৰীয় বাজেটৰদ্বাৰা কেনেকৈ উপকৃত হ'ব?

সুমতি কুলকাৰ্ণি*

বাৰ্ষিক কেন্দ্ৰীয় বাজেট বৰ কঠিন অনুশীলন যি দুৰ্বল শ্ৰেণীৰ বহু ক্ষেত্ৰত উন্নতি সাধন কৰাৰ উচ্চ অভিপ্ৰায় আৰু নিৰ্মম বাস্তৱতাৰ সুবিবেচনাপূৰ্ণ ভাৰসাম্য অটুট ৰাখিবলৈ প্ৰয়াস কৰে আৰু এইকথা সৰ্বজন-বিদিত। জনসাধাৰণৰ বিভিন্ন শ্ৰেণীৰ দাবীৰ সৈতে ফেৰ মৰা, ৰাজনৈতিক বাধ্যবাধকতা, উৎসৰ সীমাৱদ্ধতা, বিনিয়োগত প্ৰত্যক্ষ কৰৰ প্ৰভাৱ আৰু অধিক ব্যয়ৰ ফলত উদ্ভৱ হ'ভ পৰা মুদ্ৰাস্ফীতিৰ হেঁচাৰ ভীতি আদি হ'ল এইক্ষেত্ৰ দেখা দিব পৰা প্ৰধান প্ৰত্যাহ্বান সমূহৰ অন্যতম। শিশু আৰু যুৱচামৰ বাবে আঁচনি সমূহে নিসন্দেহে উচ্চ অগ্ৰাধিকাৰ লাভ কৰা উচিত, কাৰণ তেওঁলোক হ'ল দেশৰ ভৱিষ্যৎ। এই মানৱ মূল ধনত বিনিয়োগ নহ'লে জনগাঁথনিগত লাভৰ পৰা দেশ বঞ্চিত হ'ব। এয়া হ'ল দেশৰ বাবে সোণালী সুযোগ যিহেতু ভাৰতৰ জনসংখ্যাৰ অধিকসংখ্যকেই শিশু আৰু যুৱ প্ৰজন্মৰ। একে সময়তে যিকোনো পৰিকল্পনাতে অন্য বহুসংখ্যক আৰু ক্ৰমবৰ্দ্ধমান দুৰ্বল শ্ৰেণীৰ লোক অৰ্থাৎ ৬০ বছৰৰ ঊৰ্দ্ধৰ বয়োজ্যেষ্ঠসকল (সংখ্যাৰ প্ৰায় ৯ শতাংশ) ক পৰ্যাপ্ত সুবিধা প্ৰদান কৰাটো বাঞ্ছনীয়। ২০০১ চনৰ ৭০.৬ নিযুত আৰু ২০১১ চনৰ ১০৪ নিযুতৰ বিপৰীতে ২০২৬ চনত এই সংখ্যা ১৭৩ নিযুত চেৰাই যাব বুলি ধাৰণা কৰা হৈছে। ভাৰতৰ অধি সংখ্যক বয়োজ্যেষ্ঠ ব্যক্তিয়েই বিভিন্ন অৰ্থনৈতিক/সামাজিক কাৰকৰ বাবে দুৰ্বল শ্ৰেণীৰ অন্তৰ্গত। এই কাৰক বা পৰিঘটনা-সমূহৰ ভিতৰত অন্যতম হ'ল ৪৫ শতাংশ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ/অন্ত্যোদয়া পৰিয়ালৰ, ২৩ শতাংশৰ কোনো নিজা সম্পত্তি নাই, ৪৩ শতাংশৰ উপাৰ্জন নাই, ৫০ শতাংশ আৰ্থিকভাৱে পৰনিৰ্ভৰশীল, ২৭ শতাংশ অনুসূচিত জাতি/জনজাতিৰ আৰু পৰিয়ালসমূহৰ এক তৃতীয়াংশৰ মাহিলি জনমূৰি ব্যয় এহাজাৰ টকাতকৈ কম (ইউ এন এফ পিএ ২০১২) ২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ কোনটো ব্যৱস্থা বয়সস্থসকলৰ বাবে প্ৰাসংগিক আৰু বাজেট ব্যৱস্থাৰ কোনটো দফাৰপৰা তেওঁলোক উপকৃত হোৱাৰ থল আছে সেয়া পৰীক্ষা কৰি চোৱাটো আৱশ্যকীয়।

**কৰদাতা জ্যেষ্ঠ নাগৰিকৰ বাবে সুবিধা ঃ**

আয়কৰ স্তৰ বা আয়কৰৰ হাৰত কোনো পৰিৱৰ্তন হোৱা নাই যদিও জ্যেষ্ঠ নাগৰিকসকল তলত দিয়া ব্যৱস্থাসমূহৰ পৰা উপকৃত হোৱাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক বাজেটত সুদৰ পৰা হোৱা উপাৰ্জনৰ ৰেহাইৰ সীমা ৫০ হাজাৰলৈ বৃদ্ধি কৰা হৈছে; বৰ্তমান এই সীমা ১০ হাজাৰ টকা (৮০ টি টি এ ধাৰা অনুসৰি)। এই সুদৰ ভিতৰত বেংকৰ ছেভিংচ একাউণ্ট বা ডাকঘৰৰ জমাই কেৱল নহয়, বেংকত থোৱা ফিক্সড ডিপ'জিট আৰু ৰেকাৰিং সুদো অন্তৰ্ভুক্ত হ'ব। সেইবাবে অধিক সংখ্যক জ্যেষ্ঠ নাগৰিকৰ ক্ষেত্ৰতে আয়কৰ উৎসতে কৰ্তন কৰা নহয়। বি কে পি আই এ জৰিপ অনুসৰি গাঁৱৰ ২১ শতাংশ জ্যেষ্ঠ নাগৰিক আৰু চহৰৰ ২৮ শতাংশ জ্যেষ্ঠ নাগৰিকৰহে বেংক আৰু ডাকঘৰত জমা আছে, বৰ কম সংখ্যকৰহে শ্বেয়াৰ, বণ্ড আদি আছে—

* চিকিৎসা বীমা কিস্তিত কৰ্তনৰ বাবে সীমা বৰ্তমানৰ ১০ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে (৮০ ডি ধাৰা অনুসৰি)।
* বাজেটত জটিল ৰোগত ভুগি থকা জ্যেষ্ঠ নাগৰিকৰ বাবে কিছু সকাহ প্ৰদান কৰা হৈছে। কেইটামান বিশেষ জটিল ৰোগৰ চিকিৎসা ব্যয়ৰ ৰেহাইৰ ঊৰ্ধ্বসীমা বৰ্তমানত ৬০ হাজাৰ (জ্যেষ্ঠ নাগৰিকৰ বাবে) আৰু ৮০ ঊৰ্ধ্বতৰ জ্যেষ্ঠ নাগৰিকৰ বাবে ৮০ হাজাৰ টকাৰপৰা ১ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

ইউ এন এফ পি এ প্ৰকল্পৰ অধীনত 'জনসংখ্যাৰ বয়স বৃদ্ধি সন্দৰ্ভত জ্ঞানৰ ভিত্তি নিৰ্মাণ' (বি কে পি আই এ) শীৰ্ষক বিষয়ত ২০১১ চনত হিমাচল প্ৰদেশ, কেৰালা, মহাৰাষ্ট্ৰ, ওড়িশা, পাঞ্জাব, তামিলনাডু আৰু পশ্চিমবংগত ৮,৩২৯ টা পৰিয়ালৰ ৯,৮৫২ গৰাকী বয়োজ্যেষ্ঠ লোকক লৈ জৰীপ চলোৱা হৈছিল। এই প্ৰকল্প ইউ এন এফ পি এৰ উদ্যোগত আৰু 'ইনষ্টিটিউট ফৰ চছিয়েল এণ্ড

*লিখিকা সুমতি কুলকাৰ্ণি মোম্বাইৰ ইণ্টাৰনেশ্বনেল ইন্সটিটিউট ফৰ্ পপুলেশ্বন ছায়ন্সৰ ডেভেলপ্‌মেণ্ট ষ্টাডিজৰ ভূতপূৰ্ব কৰ্ম সম্পাদনকাৰী সঞ্চালক

ইকন'মিক চেইঞ্জ' (আই এছ ই চি) বেংগালৰু, ইনষ্টিটিউট অৱ ইকনমিক গ্ৰউথ, দিল্লী (আই ই জি) আৰু 'টাটা ইনষ্টিটিউত অৱ ছ'চিয়েল ছায়েন্সেজ, মুম্বাইৰ 'আই পপুলেচন ৰিচাৰ্ছ চেণ্টাৰ'ৰ সহযোগত সম্পন্ন কৰা হয়।

* চৰকাৰী চাকৰিয়ালৰ দৰমহাৰপৰা ৪০ হাজাৰ টকাৰ নিৰ্দিষ্ট কৰ্তন পুনৰ প্ৰৱৰ্তন কৰে (ভ্ৰমণ বানচ আৰু চিকিৎসা বানচৰ ক্ষেত্ৰত চৰকাৰী চাকৰিয়ালৰ দৰমহাৰপৰা বৰ্তমানৰ কৰ্তনৰ পৰিৱৰ্তে)। যিহেতু আয়কৰ হিচাপ দাখিলৰ ক্ষেত্ৰত পেন্সনো 'দৰমহাৰপৰা উপাৰ্জন'ৰ শ্ৰেণীত পৰে, পেন্সনাৰ জ্যেষ্ঠ নাগৰিকসকলো এই ব্যৱস্থাৰদ্বাৰা উপকৃত হ'ব বুলি আশা কৰা হৈছে। এই ব্যৱস্থাৰ বাবে আটাইতকৈ নিম্ন পৰ্যায় থকা কিছুসংখ্যক জ্যেষ্ঠ নাগৰিকে আয়কৰ একেবাৰে আদায় দিব নালাগিব; ইয়াৰ লগে লগে অন্যান্যসকলে বৰ্দ্ধিত জমা উপভোগ কৰিব পাৰিব বুলি আশা কৰা হৈছে। এই ব্যৱস্থাৰ ফলত অধিক পৰিমাণৰ চিকিৎসা বীমা কৰোৱাৰ লগতে বেংকে অধিক পৰিমাণৰ ফিক্সড ডিপ'জিট ৰাখিবলৈ জ্যেষ্ঠ নাগৰিকসকল উৎসাহিত হ'ব।

**প্ৰধানমন্ত্ৰী ৰায়াৰন্দনা যোজনাৰ জৰিয়তে লাভ ঃ**

এই আঁচনি ২০১৭ চনৰ মে'ত আৰম্ভ কৰা হৈছিল কেৱল এবছৰৰ বাবে, কিন্তু এই বাজেটত ইয়াক ২০২০ মে'লৈ সম্প্ৰসাৰণ কৰা হৈছে। তদুপৰি এই আঁচনিৰ বাবে বিনিয়োগৰ সীমা দুগুণ কৰি ৭.৫ লাখ টকাৰপৰা ১৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এই আঁচনিৰ অধীনত, ৬০ বছৰ উৰ্দ্ধৰ লোকৰ বাবে জীৱন বীমা পৰিচালিচাত ১০ বছৰীয়া ম্যাদৰ পলিচীৰ কালত জীয়াই থাকিলে বকেয়া পেন্সন আদায় দিয়া হ'ব (বাছনি কৰা ধৰণ অনুসৰি প্ৰত্যেক কালছোৱাৰ শেষত)। ১০ বছৰীয়া পলিচীৰ ম্যাদৰ ভিতৰত পেন্সনাৰৰ মৃত্যু হ'লে হিতাধিকাৰীক ক্ৰয় মূল্য উভতাই দিয়া হ'ব। ১০ বছৰীয়া পলিচী ম্যাদৰ শেষত জীৱিত পেন্সনাৰক ক্ৰয় মূল্যৰ লগতে পেন্সনৰ অন্তিম কিস্তি আদায় দিয়া হ'ব।

এই আঁচনিত বিনিয়োগৰ পৰা ম্যাদ সম্পূৰ্ণ হোৱা সময়ত লাভ কৰা ধনৰ ওপৰত কৰ আৰোপ কৰা হৈছে যদিও জ্যেষ্ঠ নাগৰিকৰ বাবে ই এটা আকৰ্ষণীয় বিকল্প; কাৰণ ই ১০ বছৰৰ বাবে ৮ শতাংশ হাৰত নিশ্চিতভাৱে ধন আদায় দিয়ে।

**সামগ্ৰিক প্ৰভাৱ-সীমিত ঃ**

এই ব্যৱস্থাসমূহ জ্যেষ্ঠ নাগৰিকৰ নিৰ্দিষ্ট অংশৰ বাবে গুৰুত্বপূৰ্ণ যদিও বৰ কমসংখ্যক জ্যেষ্ঠ নাগৰিকৰ ক্ষেত্ৰতহে সামগ্ৰিক প্ৰভাৱ পৰিলক্ষিত হয়। গঞা জ্যেষ্ঠ নাগৰিকৰ অধিকসংখ্যক কৃষি নিৰ্ভৰ পৰিয়ালৰ হোৱা বাবে আয়কৰ ব্যৱস্থাৰ লাভ গ্ৰহণ কৰিব নোৱাৰে। বি কে পি এ আইন জৰীপ অনুসৰি গ্ৰামাঞ্চলৰ ১০ শতাংশ আৰু নগৰাঞ্চলৰ ১৬ শতাংশ জ্যেষ্ঠ নাগৰিকেহে নিয়োগকৰ্তাৰ পেন্সন লাভ কৰে। ৪২ শতাংস গঞা আৰু ৪৭ শতাংশ নগৰাঞ্চলৰ জ্যেষ্ঠ নাগৰিকৰ কোনো উপাৰ্জন নাই। গ্ৰামাঞ্চলৰ ১২.৫ শতাংশ আৰু নগৰাঞ্চলৰ ১৭ শতাংশ জ্যেষ্ঠ নাগৰিকৰহে বাৰ্ষিক উপাৰ্জন ৫০ হাজাৰ টকা বা তাতকৈ অধিক। এই উপাৰ্জনকাৰী শ্ৰেণীৰ শীৰ্ষত থকা অতি কমসংখ্যকৰ বাবেহে উল্লিখিত ব্যৱস্থা প্ৰাসংগিক।

**অভিলাষী ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনিৰ পৰা হোৱা প্ৰধান লাভ ঃ**

জ্যেষ্ঠ নাগৰিকৰ অধিকসংখ্যকৰ বাবে প্ৰকৃততে আয়ুষ্মান যোজনা প্ৰকৃততে প্ৰাসংগিক। এই যোজনা হ'ল ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি য'ত চৰকাৰে বৃহৎ অংকৰ ধন আবণ্টন দিয়ে। এই আঁচনি সকলো দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ পৰিয়ালৰ বাবে সাধাৰণ আঁচনি আৰু কেৱল জ্যেষ্ঠ নাগৰিকৰ বাবে নিৰ্দিষ্ট নহয়; কিন্তু ই সফল হ'লে বয়োজ্যেষ্ঠসকলৰ ক্ষেত্ৰত উল্লেখনীয় প্ৰভাৱ পৰিব। অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ বাহিৰেও বয়োজ্যেষ্ঠসকলে তেওঁলোকৰ দুৰ্বল স্বাস্থ্য আৰু আংশিক বা সম্পূৰ্ণ প্ৰতিবন্ধকতাৰ পৰা উদ্ভূত শাৰীৰিক পৰনিৰ্ভৰশীলতাৰ বাবে ভুগিবলগীয়া হয়। বি কে পি এ আই জৰীপ অনুসৰি ৫০ শতাংশ বয়োজ্যেষ্ঠ স্বাস্থ্য ভালে নথকা বুলি জানিবলৈ দিয়ে। প্ৰায় এক-পঞ্চমাংশৰে স্বাস্থ্য দুৰ্বল বুলি প্ৰকাশ কৰে। প্ৰায় ৮ শতাংশ বয়োজ্যেষ্ঠই নিত্য নৈমিত্তিক কামৰ অতি কমেও এটা কামৰ বাবে অইনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। প্ৰায় ৬০ শতাংশ বয়োজ্যেষ্ঠলোকে আংশিক বা সম্পূৰ্ণ দৃষ্টিহীনতাত ভোগে আৰু প্ৰায় এক চতুৰ্থাংশই আংশিক বা সম্পূৰ্ণ স্মৃতিভ্ৰংশ আৰু খোজকঢ়াৰ অক্ষমতাত ভোগে।

এয়া অতি আশাৰ বতৰা যে বাজেটত ঘোষণা কৰা এই আঁচনি অনুসৰি চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা ব্যয় প্ৰতি পৰিয়ালৰ বিপৰীতে বছৰি ৫ লাখ টকাৰ সীমালৈ প্ৰায় ১০ কোটি পৰিয়ালৰ বাবে ধৰি প্ৰায় ৫০ কোটি দৰিদ্ৰ ভাৰতীয়ক সামৰি লোৱা

হ'ব। এই আঁচনিয়ে বৰ্তমানৰ ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা (আৰ এছ বি ৱাই) ক স্থানান্তৰ কৰিব আৰু ইয়াৰ অধীনত ৩.৬ কোটি দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ১৮ কোটি ভাৰতীয়ক সামৰি লৈ ১ হাজাৰ কোটি টকালৈ ৰোগৰ চিকিৎসাৰ বাবে আবণ্টন দিয়া হৈছিল। বাজেটত নতুন আঁচনিৰ বাবে ২ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে আৰু বৰ্ষৰ শেষলৈ ১২ হাজাৰ কোটি টকালৈ এই ধনৰ পৰিমাণ বৃদ্ধি কৰা হ'ব। এই পুঁজি অতিৰিক্ত ১ শতাংশ উপকৰ (৪ শতাংশ শিক্ষা আৰু স্বাস্থ্য উপকৰ পূৰ্বৰ ৩ শতাংশ শিক্ষা উপকৰৰ পৰিৱৰ্তে)। এই আঁচনিত ৰাজ্যসমূহে এই ব্যয়ৰ ৪০ শতাংশ অংশ বহন কৰি অতিৰিক্ত ৮ হাজাৰ কোটি টকা প্ৰদান কৰি মুঠ আবণ্টন ২ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

**অন্তৰায় আৰু সীমাবদ্ধতা ঃ**

বিশ্বৰ বৃহত্তম স্বাস্থ্য আঁচনি সন্দৰ্ভত প্ৰতিক্ৰিয়া হ'ল সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিব পৰা এখন আঁচনিৰ বিপৰীতে ই 'বিশ্বৰ বৃহত্তম বিশৃংখলা'। সমালোচনাৰ ঘাই বিষয়সমূহ হ'ল ঃ

* পুঁজিৰ নাটনি ঃ ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ বাবে আবণ্টন ৪৭০ কোটিৰ পৰা বিত্তীয় ২০১৯ বৰ্ষত ২০০০ কোটি টকালৈ বৃদ্ধি কৰা হ'ল। এই বীমা যোজনাৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি প্ৰাক্কলন অনুসৰি নতুন আঁচনিখনে সামৰি ল'ব লগীয়া বিশাল ব্যয় লৈ লক্ষ্য কৰি এই ব্যয় ৩০ হাজাৰ কোটিলৈ বৃদ্ধি কৰিব লাগিব বুলি ধাৰণা কৰা হৈছে।
* সীমিত উৎসৰে ৰাজ্যসমূহে আশা কৰা মতে ৪০ শতাংশ পুঁজিৰ যে জোৰা মাৰিব পাৰিব সেয়া সন্দেহৰ আৱৰ্তত।
* ৰূপায়ণ কাৰ্যপ্ৰণালী সন্দৰ্ভত স্বচ্ছতা পৰিলক্ষিত হোৱা নাই। কিন্তু ধাৰণা কৰা হৈছে যে এই আঁচনি বীমা কোম্পানীৰ জৰিয়তে বা স্বায়ত্ত-শাসিত অনুষ্ঠানক পুঁজিৰ যোগান ধৰি কাৰ্যকৰী কৰিবলৈ ৰাজ্যসমূহক বিকল্প প্ৰদান কৰা হৈছে। প্ৰত্যেক পঞ্জীভুক্ত পৰিয়ালক বাৰ্ষিক কিস্তি ১,০৮২ টকা প্ৰদানেৰে এই সেৱা আগবঢ়োৱাটো সম্ভৱ হ'ব নে নহয় সন্দেহৰ আৱৰ্তত। এই পৰিমাণৰ পুঁজিৰে কাম কৰিবলৈ বীমা কোম্পানীসমূহে বৰ আগ্ৰহ প্ৰকাশ কৰাৰ সম্ভাৱনা নাই।
* ৰাষ্ট্ৰীয় নিদৰ্শ জৰীপৰ তথ্য অনুসৰি ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ অভিজ্ঞতা বৰ হতাশাজনক। গ্ৰাম্যাঞ্চলৰ ১.২ শতাংশ আৰু নগৰাঞ্চলৰ ৬.২ শতাংশ পৰিয়ালহে এই আঁচনিৰদ্বাৰা উপকৃত হৈছে আৰু পৰিয়ালসমূহে ব্যয় কৰা নিজৰ ধন হ্ৰাস হোৱাৰ ক্ষেত্ৰত এই আঁচনিয়ে কোনো ধৰণে সহায় কৰা নাই।
* নতুন আঁচনিয়ে কেৱল চিকিৎসালয়ত চিকিৎসাধীন হোৱা ৰোগীৰ ব্যয় প্ৰদান কৰে; কিন্তু পৰিয়ালসমূহে এই ব্যয়ৰ বাহিৰেও চিকিৎসা ব্যয়ৰ দুই তৃতীয়াংশতকৈ অধিক ধন বহন কৰিবলগীয়া হয়।
* বয়োজ্যেষ্ঠ ব্যক্তিৰ বাবে, বি কে পি এ আই জৰীপ অনুসৰি কেৱল ১০ শতাংশ বয়োজ্যেষ্ঠ ব্যক্তিকহে এই জৰীপৰ পূৰ্বে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। প্ৰায়েই বয়োজ্যেষ্ঠসকলক একেবাৰে শেষ পৰ্যায়তহে চিকিৎসালয়লৈ নিয়া হয়। নতুন আঁচনিয়ে সময় মতে বয়োজ্যেষ্ঠ ব্যক্তিক চিকিৎসালয়লৈ নিবলৈ উৎসাহ প্ৰদান কৰিব পাৰে।
* এই আঁচনিয়ে কেৱল চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগী খৰচ বহন কৰে; কিন্তু বয়োজ্যেষ্ঠ-সকলৰ অধিকসংখ্যকেই বেছি বয়সত দেখা দিয়া ৰোগ যেনে— আৰ্থ্ৰাইটিছ আৰু উচ্চ ৰক্তচাপ, মধুমেহ, বিভিন্ন ধৰণৰ জ্বৰত ভোগে। এইবোৰৰ বাবে উপযুক্ত দৰব-পাতি, সময় মতে ৰোগ নিৰ্ণয় আৰু সঘন নিৰীক্ষণ প্ৰয়োজনীয়। এই ক্ষেত্ৰত চিকিৎসাৰ আন্তঃগাঁথনি, বিশেষকৈ ভিতৰুৱা অঞ্চলত, বৰ গুৰুত্বপূৰ্ণ। এনে অঞ্চলসমূহত চিকিৎসক বা চিকিৎসা কৰ্মীৰ অভাৱেও অন্তৰায়-স্বৰূপে দেখা দিয়ে। বাজেটত শুশ্ৰূষা কেন্দ্ৰ আৰু নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লগতে যক্ষ্মা ৰোগীৰ বাবে পুষ্টিকৰ খাদ্যৰ ব্যৱস্থা কৰাটো বৰ গুৰুত্বপূৰ্ণ পদক্ষেপ যি বয়োজ্যেষ্ঠ ব্যক্তিসকলক পৰোক্ষভাৱে সহায় কৰিব পাৰে। অৱশেষত সমগ্ৰ বিষয়টো চালি-জাৰি চালে দেখা যায় যে স্বাস্থ্য সেৱাত চৰকাৰী ব্যয় বৃদ্ধি কৰাৰ থল আছে আৰু ৰাজহুৱা আৰু ব্যক্তিগত সংস্থাৰ কাৰ্যকৰী অংশীদাৰিত্ব গঢ়ি তুলিব লাগে।

এই আটাইবোৰ অন্তৰায় সত্ত্বেও বাজেটখনত স্বাধীন ভাৰতত সামাজিক খণ্ড বিশেষকৈ স্বাস্থ্য খণ্ডক ইমান গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়াস অভূতপূৰ্ব। ভাৰতৰ জ্যেষ্ঠ নাগৰিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে নতুন দিগন্তৰ সূচনা কৰিব বুলি নিশ্চিতভাৱে ক'ব পাৰি। ❒

# ২০১৭-১৮ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা

আলোক শীল*

শেহতীয়া অৰ্থনৈতিক বিকাশ সাধনৰ গতিধাৰাৰ ক্ষেত্ৰত সম্প্ৰতি ভাৰতত যথেষ্ট উখল-মাখল পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। ইয়াৰ সৰহখিনি দুৰ্ভাগ্যবশতঃ ৰাজনৈতিক তৰ্ক-বিতৰ্কৰ ওপৰত গঢ় লৈ উঠে; আৰু সেই তৰ্ক-বিতৰ্কৰ বিষয়বস্তু পূৰ্ব নিৰ্দ্ধাৰিত পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰা। বিত্ত বিভাগৰদ্বাৰা অৰ্থনৈতিক সমীক্ষা যুগুতাই উলিয়ালেও তাক সম্পূৰ্ণৰূপে ভিন্ন মত দাঙি ধৰা পৰিৱেশৰ ঊৰ্দ্ধত ৰাখিব পাৰিব বুলি আশা কৰা নাযায়। এখন চৰকাৰী নথি হোৱা ক্ৰমে তাৰ প্ৰতি এটা বিশেষ দৃষ্টি নিক্ষেপ কৰা বোধহয় প্ৰয়োজন হৈ পৰে। কিন্তু ইয়াক যুগুতাই উলিৱাওতে বহু বিষয়ৰ প্ৰতি মনোযোগ দিয়া হয়। প্ৰথমতঃ কিছুমান অসুবিধাজনক ঘটনা বা বিষয়ক যথাযথভাৱে দাঙি ধৰিব পৰা নাযায়। প্ৰতি বছৰে তেনে অপৈণত কিম্বা নিশ্চিত নোহোৱা পৰিসংখ্যাবোৰক বাস্তৱ ক্ষেত্ৰৰ সৈতে তাল-মিল ৰাখিহে সবিস্তাৰে তাৰ ব্যাখ্যা দাঙি ধৰা হয়। দ্বিতীয়তঃ বিত্ত মন্ত্ৰণালয়ৰ সেই শাখাটোৰদ্বাৰা তৈয়াৰ কৰা হয়— যি শাখা সম্পূৰ্ণৰূপে প্ৰশিক্ষিত অৰ্থনীতিবিদসকলৰদ্বাৰা গঠিত আৰু সাধাৰণতে এজন প্ৰখ্যাত তথা গোলকীয়ভাৱে জনাজাত অৰ্থনীতিবিদে নেতৃত্ব দান কৰে আৰু তেওঁেই মুখ্য অৰ্থনৈতিক উপদেষ্টা ৰূপে কাৰ্য সাধন কৰে। তেওঁলোকৰ তত্বাৱধানতেই অৰ্থনৈতিক সমীক্ষাই চমু চাপি অহা বিত্তীয় বৰ্ষটোৰ আমনিদায়ক জৰীপ কাৰ্য আৰু সঙ্গতিবিহীন সম্ভাৰৰাজিক সঠিক ৰূপত দাঙি ধৰি প্ৰাণৱন্ত কৰি তোলে আৰু সেই সমীক্ষা হয় পঠনযোগ্য আৰু বৰ্ণনাত্মক— যিটোৱে অৰ্থনৈতিক বিভাগৰ নিজাববীয়া গৱেষণাক উজলাই তোলে। সমীক্ষাত ব্যৱহাৰ কৰা পৰিসংখ্যাবোৰ অন্য গৱেষকৰ বাবে সহজে লাভ কৰিব পৰা সমল নহয়। এই গৱেষণাৰ ওপৰত ভিত্তি কৰি যোৱা বছৰৰ অৰ্থনৈতিক সমীক্ষাই ভাৰতীয় অৰ্থনীতিৰ আঠটা আমোদজনক ঘটনাৱলীৰ বিষয়ে আলোকপাত কৰিছিল আৰু শেহতীয়া সমীক্ষাত দহটা 'নতুন' ঘটনাৰ ওপৰত আলোকপাত কৰিছে।

দুটা ভাগত গ্ৰন্থ ৰূপে যুগুতাই উলিওৱা অৰ্থনৈতিক সমীক্ষাত বহল-ভাৱে সামগ্ৰিক অৱলোকন কৰাৰ উপৰি খণ্ড পৰ্যায়ত বিস্তৃত পৰ্যবেক্ষণ আৰু বৰ উপকাৰী পৰিসংখ্যাৰ পৰিশিষ্টক সামৰি লোৱা হৈছে— যিবোৰে ভাৰতীয় অৰ্থনীতিৰ একেবাৰে শেহতীয়া তথ্য সম্ভাৰকে ধৰি দীৰ্ঘকালীন সমল দাঙি ধৰিছে।

**গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ বিকাশ**

ভাৰত খৰতকীয়া বিকাশ সাধনৰ বৃহৎ অৰ্থনীতিৰ অন্যতম দেশ ৰূপে পৰিগণিত; কিন্তু তৎসত্বেও গৰিব অৱস্থাৰ ছবিখন মচ খোৱা নাই। এফালে জনগাঁথনিৰ ক্ষেত্ৰত এটা অৱস্থাই বিৰাজ কৰিছে— য'ত জনসংখ্যাৰ বৃদ্ধি হাৰৰ মাত্ৰাতকৈ শ্ৰমিক শক্তিৰ সংখ্যাৰ অধিক সংযোগ ঘটিছে আৰু এই স্থিতিৰ ফলত ব্ৰিকছ দেশসমূহৰ মাজত ইয়াৰ সৰ্বাধিক বিকাশ সম্ভাৱনাৰ পথ মুকলি কৰিছে আৰু অধিক উপাৰ্জনকাৰী দেশসমূহৰ স'তে তাল মিলাবলৈ সুচলতা প্ৰদান কৰিছে। আনহাতে ব্ৰিকছ দেশসমূহৰ মাজত ইয়াৰ জনমূৰি আয় হ'ল ন্যূনতম। সেয়ে এনে স্থিতি সলনি কৰিবলৈ ভাৰতে বহু কিছু কৰিবলগা আছে। অধিক বিকাশ সাধনৰ সম্ভাৱনা দেশখনৰ যি আছে তাৰ ওচৰ চাপিবলৈ বহু কিছু কৰাৰ আৱশ্যক— যাতে শ্ৰমিক শক্তিত যি সংযোজন ঘটিছে তাক সামৰি ল'ব পৰা যায় আৰু এটা বৃহৎ অৰ্থনীতি তথা ৰাজনৈতিক শক্তি ৰূপে প্ৰতিৱেশী ৰাষ্ট্ৰ চীনৰ সমানেই নিজকে উপস্থাপন কৰিব পাৰি। যোৱা চাৰিটা দশক কালত ভাৰতৰ বিকাশ কাৰ্য চীনৰ তুলনাত আশা কৰাতকৈ কম। ১৯৮০ৰ দশক পৰ্যন্ত দুয়োখন দেশৰ জনমূৰি আয় প্ৰায় সমানেই আছিল বুলি ক'ব পাৰি। কিন্তু এতিয়া চীনৰ জনমূৰি মুঠ ঘৰুৱা উৎপাদন হ'ল সাধাৰণ মূল্যৰ লেখত প্ৰায় ৫ গুণ অধিক আৰু ক্ৰয় শক্তিৰ ক্ষেত্ৰত দুগুণতকৈ অধিক বেছি।

অৰ্থনৈতিক সমীক্ষাৰ পৰ্যবেক্ষণত এইটো বিষয় পৰিলক্ষিত হয় যে ভাৰতৰ দৰে কম উপাৰ্জিত দেশবোৰৰ কাৰণে পূৰ্বৰ পূব এছিয়া তথা ইউৰোপত গ্ৰহণ কৰা স্থিতিতকৈ অধিক উপাৰ্জনকাৰী দেশবোৰৰ গতি প্ৰৱাহৰ স'তে নিজকে

খাপ খুৱাই ল'বলৈ কঠিন হৈ পৰিছে। 'চাৰিটা ব্যৱস্থা'ৰ বাবেই এনে পৰিণাম স্পষ্ট ৰূপত দেখা যায়। প্ৰথম ব্যৱস্থাটো হ'ল উপযুক্ত কাৰ্য অবিহনে গোলকীয়কৰণ পদক্ষেপ গ্ৰহণ কৰিবলৈ যোৱা— যিটোৱে ৰপ্তানি-উন্মেষ বিকাশ কৌশলৰ ক্ষেত্ৰখনত বিঘিনি ঘটায়, সবল ভূমিকা গ্ৰহণ কৰাৰ পৰা পিছ হোঁহকি আহে। দ্বিতীয় ব্যৱস্থাটো হ'ল 'বাধাযুক্ত গাঁথনিগত ৰূপান্তৰ' সাধন কাৰ্য— য'ত সম্পদ তথা শ্ৰমিকসকলে কম উৎপাদনশীল অনানুষ্ঠানিক খণ্ডৰপৰা অধিক উৎপাদনক্ষম আধুনিক খণ্ডসমূহলৈ খৰতকীয়া গমন কৰাত অসমৰ্থ হয়। আৰ্থাৰ লুইৰ আৰ্হিত যেনে কাৰ্য গ্ৰহণৰ বিষয়ে দাঙি ধৰা হৈছে ঠিক তেনেদৰে সেই সম্পদৰাজি আৰু শ্ৰমিক শক্তিৰ ক্ষেত্ৰত কৰা হোৱা নাই। তাৰ পৰিৱৰ্তে মাত্ৰ সীমিত অৱস্থাৰ অধিক উৎপাদনক্ষম খণ্ডলৈহে গতি কৰে। তৃতীয় ব্যৱস্থাটো 'মানৱ সম্পদৰ পশ্চাৎগতি'। প্ৰযুক্তিগত-ভাৱে যি অগ্ৰগতি সাধনৰ দিশ উন্মোচন হৈছে তাত পলমকৈ প্ৰৱেশ কৰাসকলৰ কাৰণে নতুন মানৱ সম্পদ ক্ষেত্ৰখনলৈ গাঁথনিগত ৰূপান্তৰ সাধনৰ বাবে যি ৰূপত পৰ্যৱসতি হ'ব লাগে তেনে ধৰণে যাবলৈ কঠিন হৈ পৰে। চতুৰ্থ ব্যৱস্থাটো হ'ল জলবায়ু পৰিৱৰ্তন। ইয়াৰ প্ৰভাৱে কৃষিৰ ক্ষেত্ৰত অধিক গতিৰ উৎপাদনশীলতাৰ কাৰণে প্ৰয়োজন ক্ষেত্ৰখনত বিঘিনি ঘটোৱা— যাৰ বাবদ আধুনিক খণ্ডৰ অৰ্থে আৱশ্যক হোৱা সম্পদৰাজি মোকলাই দিয়াত অসুবিধাই দেখা দিয়ে।

এই গাঁথনিগত বাধাসমূহ ধাৰণা কৰা মতেই 'অস্থায়ী সংযোগবিহীনকৰণ' ব্যৱস্থাৰপৰা পৃথক কৰিব লাগিব। অৰ্থনৈতিক সমীক্ষাত গাঁথনিগত সংস্কাৰৰ প্ৰভাৱকেই ঘাইকৈ জগৰীয়া কৰা হৈছে। সাময়িকভাৱে হ'লেও তাৰ প্ৰভাৱ নুই কৰিবলগীয়া বিষয় নহয়। সেয়া হ'ল বি-মুদ্ৰাকৰণ আৰু সামগ্ৰী তথা সেৱা কৰৰ প্ৰচলন। অৱশ্যে সমীক্ষাই এই মত পোষণ কৰে যে গ্ৰহণ কৰা দুয়োটা পদক্ষেপেই বিকাশ সাধনৰ গতি বৃদ্ধি তথা তাক অটুট ৰাখিব বুলি আশা প্ৰকাশ কৰে।

সি যি কি নহওক, এটা কথাৰ প্ৰতি লক্ষ্য কৰা হোৱা নাই। সেয়া হ'ল অৰ্থনৈতিক উৎপাদন আৰু নিয়োগৰ সৰহখিনি কম উপাৰ্জন উদ্ৰেক সামান্য উৎপাদন খণ্ডৰ পৰা আহে। সৰহভাগ কম উপাৰ্জিত বিকাশশীল দেশবোৰত সেয়ে হয় আৰু এনে উৎপাদন সামগ্ৰীৰ সৰহভাগেই কৰ আৰু সামাজিক নিৰাপত্তা জালৰ বাহিৰত পৰে। দীৰ্ঘ-কালৰ পৰা— অন্ততঃ আৰ্থাৰ লুইৰ দিনৰপৰা এইটো বিদিত যে পৰম্পৰাগত খণ্ডত যি অৰ্থনৈতিক বিষয়ক কাম-কাজ আৰু নিয়োগ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল তাৰ ওপৰত ভিত্তি কৰি অধিক উৎপাদন তথা পুঁজি উন্মেষ আধুনিক খণ্ডৰ পথ মুকলি হয় আৰু সেই গতি প্ৰৱাহতে অধিক বিকাশ সাধনৰ নিৰন্তৰ প্ৰক্ৰিয়াই স্থিতি লাভ কৰে। ঐতিহাসিকভাৱে এই গতিময়তাই সামান্য আকাৰৰ উৎপাদন কাৰ্যক এফলীয়া কৰি ক্ষিপ্ৰতৰভাৱে বিস্তাৰিতকৰণ পদ্ধতিত মনোনিৱেশ কৰিবলৈ প্ৰাণ সঞ্চাৰ কৰি তোলে আৰু সেইটোৱে ঔদ্যোগীকৰণৰ অংশৰূপে আধুনিক খণ্ডবোৰত এটা বুনিয়াদ সৃষ্টি কৰে। এনে আনুষ্ঠানিকতা অৰ্থাৎ বিধিগত ব্যৱস্থাই অৰ্থনৈতিক কাম-কাজৰ সৰহ অংশ কৰ আৰু সামাজিক নিৰাপত্তাৰ আওতালৈ অনাৰ নিশ্চিত কৰে।

পৰম্পৰাগত খণ্ডৰ কাৰণে কাৰ্যনিৰ্বাহৰ পৰিসংখ্যা কমেইহে চকুৰ আগত ধৰা দিয়ে। তাৰ কাৰণ হ'ল সংজ্ঞাৰ ফালৰপৰা সেয়া হ'ল নীতি-বহিৰ্ভূত আৰু অসংগঠিত। যথাযথভাৱে সচৰাচৰ তাৰ কাম চলি থাকে। অৱশ্যে এই মত পোষণ কৰাও দেখা যায় (সাক্ষ্য প্ৰমাণৰ ওপৰত ভিত্তি কৰি) বি-মুদ্ৰাকৰণ আৰু খৰখেদাকৈ যি সামগ্ৰী তথা সেৱা কৰ ব্যৱস্থা ৰূপায়ণ কৰা হ'ল সেইটোৱে সামগ্ৰিকভাৱে অৰ্থনৈতিক কাম-কাজৰ সংকোচন ঘটায় (অৰ্থনৈতিক সমীক্ষাত উল্লেখ কৰাৰ দৰে), সৰু-সুৰাকৈ কৰি থকা উৎপাদন খণ্ড আক্ৰান্ত হয়। ইয়াৰ কাৰণ হ'ল এনে খণ্ডৰ কাম-কাজ সম্পূৰ্ণৰূপে নগদ ধনৰ জৰিয়তে সমাপন কৰা হয়। সঠিকভাৱে ৰেকৰ্ডপাতি ৰাখিবৰ কাৰণে ইয়াৰ দক্ষতাও নাই আৰু সম্পদো নাই। অৰ্থনৈতিক সমীক্ষাই বিমুদ্ৰাকৰণ আৰু জী এছ টীৰ ফল ক্ৰমে অৰ্থব্যৱস্থা অধিক বিধিগত কৰাৰ ওপৰত পৰিসংখ্যা দাঙি ধৰে। এই পৰিসংখ্যাই এইটো উদঙাই দেখুৱায় যে এটা বৃহৎ সংখ্যক উদ্যোগ গোট আৰু কৰ্মী বিধিৰহিত খণ্ডত কাম কৰি আছে। এনে বহুত সৰু সৰু গোট একেবাৰে সেই প্ৰক্ৰিয়াৰ বাহিৰলৈ যাব বুলি বহুলভাৱে আশংকা কৰা হৈছে। পিছে আৰ্থাৰ লুইৰ আৰ্হিৰ ওপৰত ভিত্তি কৰি অধিক উৎপাদনশীল বিধিগত খণ্ডত প্ৰৱেশ নকৰে, বৰং সেয়া বি-মুদ্ৰাকৰণ আৰু জী এছ টীৰ দৰে আকস্মিকভাৱে প্ৰশাসনীয় পদক্ষেপ গ্ৰহণ কৰাৰ হেতুকেহে হয়। তেনে ব্যৱস্থাই উৎপাদন-শীলতা আৰু উপাৰ্জন বৃদ্ধি কৰাত উল্লেখযোগ্যভাৱে তেনে একো নকৰে। হঠাতে হোৱা এই আঘাত সেই সময়ত লাভ কৰা হয় যেতিয়া বিধিগত খণ্ডৰ অৰ্থনৈতিক কাম-কাজ আৰু ব্যক্তিগত বিনিয়োগৰ সংকোচন ঘটে— যাৰ ফলত আধুনিক খণ্ডবোৰলৈ গতি কৰাৰ ক্ষেত্ৰত বিঘিনি ঘটায়। যদি বাস্তৱিকতেই এয়া সঁচা হয়, তেনেহ'লে ২০১৭-১৮ বৰ্ষৰ বাবে যি আগতীয়া হিচাপনামা দাঙি ধৰা হয়

তাতোকৈ অধিক বেছি উৎপাদন অৰ্থনীতিয়ে হেৰুৱাব পাৰে। ইয়াৰ কাৰণ হ'ল বিধিগত খণ্ডৰ পাৰিসংখ্যাক ঘাই নিৰ্ণায়ক প্ৰক্ৰিয়া ৰূপে গ্ৰহণ কৰি অনানুষ্ঠানিক খণ্ডৰ উৎপাদনৰ কাৰণে প্ৰেক্ষাপণ কৰা— যিটো মূলতেই সঠিক স্থিতি গ্ৰহণ কৰিব নোৱাৰে। সেয়া হ'লে বাস্তৱিকতেই ভাৰতীয় অৰ্থনীতিৰ গাঁথনি এনেদৰে অন্যফালে পৰ্যৱসিত হ'ব পাৰে য'ত ইয়াৰ কিছুমান উৎপাদন সম্ভাৱনা হেৰাই যাব পাৰে। ওপৰত উল্লেখ কৰা দ্বিতীয় ব্যৱস্থাই ইতিমধ্যে আঘাত হানিব পাৰে।

**চলিত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি**

ভাৰতীয় অৰ্থনীতিয়ে শেষ অৱস্থাত সংকট পৰিস্থিতি অতিক্ৰম কৰিছে নেকি, নে এয়া এটা অচল অৱস্থাৰ আন এটা ঘটনা— যিটো ২০১৪-১৫ বৰ্ষৰ কালছোৱাত ৰাষ্ট্ৰীয় আয়ৰ ক্ষেত্ৰত গ্ৰহণ কৰা এলানি পুনৰবৰ্দ্ধিত ব্যৱস্থাৰ পৰৱৰ্তী ক্ৰিয়াৰ দৰে ঠাই পোৱা এটা পৰিক্ৰমা? এইবাৰৰ বৃহৎ প্ৰভেদৰ বিষয়টো হ'ল সঘনে দেখা দিয়া পৰিমাপক সূচকৰ স্থিৰ গতি। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই ২০১৭-১৮ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাই অৰ্থনীতিৰ বিকাশ হাৰ বৃদ্ধি পাব বুলি হিচাপ কৰিছিল আৰু সেই বৃদ্ধিৰ শতাংশ হাৰ ২০১৭-১৮ বৰ্ষত ৬.৫–৬.৭৫ৰ ভিতৰত থাকিব তথা ২০১৮-১৯ বৰ্ষত ৭–৭.৫ শতাংশলৈ বৃদ্ধি পাব। এয়া কম-বেছি পৰিমাণে ২০১৮ চনৰ জানুৱাৰী পৰ্যন্ত বিশ্ব মুদ্ৰা নিধিয়ে প্ৰক্ষেপণ কৰা শেহতীয়া সূচকৰ দৰে প্ৰায় একেই।

শেহতীয়া ৰপ্তানি, ঔদ্যোগিক উৎপাদন আৰু বেংকৰ ঋণ বৃদ্ধিৰ পৰিমাণ উৎসাহজনক আৰু পুনৰুদ্ধাৰ প্ৰক্ৰিয়া অধিকভাৱে ত্বৰান্বিত কৰিব পাৰিব। পিছে এই ক্ষেত্ৰত এনে ইংগিতো পোৱা যায় যে পুনৰুদ্ধাৰ প্ৰক্ৰিয়া লেহেমীয়া হোৱাৰ সম্ভাৱনা আছে। সেয়া কম সময়ৰ বাবে থাকিব, কিয়নো অৱনমিত হোৱা কালছোৱাত যি উৎপাদনত জড়তা আহি পৰিছিল তাক সজীৱ কৰিবলৈ সময় লাগে। সেই সময় অতিক্ৰম কৰা কালত অৰ্থনীতিৰ উৎপাদনশীল ক্ষমতা যথাযথভাৱে অটুট ৰাখিব। কিন্তু আনহাতে দীৰ্ঘদিনীয়া নিম্ন তথা অস্থিৰ বিকাশ গতিয়ে উৎপাদনৰ ক্ষেত্ৰত এটা স্থায়ীভাৱে ক্ষতি সাধনৰ পথ মুকলি কৰিব আৰু তাৰ প্ৰভাৱে উৎপাদন ক্ষমতাত বিধি-পথলি দিব পাৰে। ২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত যি দুটা অংকৰ বিকাশ আশা কৰা হৈছিল তাৰ সোনকালে প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা নাই। বাস্তৱ ৰূপত দেখা গৈছে যে অনুকূল বহিঃ পৰিৱেশ গঢ়ি উঠা সত্বেও তেনে আশা কৰিবলৈ বাদ দিয়া হৈছে। ইয়াৰ প্ৰথম কাৰণ হ'ল ২০১১-১২ বৰ্ষৰ আগৰ কালছোৱাত যি অধিক গতিত বিকাশ হৈছিল তাৰ পৰৱৰ্তী কালত পৰিমাপক সূচীৰ বৃদ্ধি হাৰ যথেষ্ট কম। দ্বিতীয়তঃ এই তুলনামূলক বিকাশ সংখ্যা কেবাবছৰৰ নেতিবাচক বিকাশৰ ভেটিত আধাৰিত; আৰু সেয়ে তাৰ পৰা উৎসাহজনক ফল নোপোৱাটো সহজেই অনুমেয়। তৃতীয়তঃ সমীক্ষাত পৰামৰ্শ আগবঢ়াবলৈ তেনে কমেইহে বিষয় আছে যি অৱনমিত হোৱা গতিধাৰাক পুনৰুদ্ধাৰ কৰাত সহায় কৰিব পাৰে। সঞ্চয় আৰু বিনিয়োগৰ ধাৰা তথা ভাৰতীয় বেংকসমূহৰ খৰতকীয়াকৈ গঢ় লোৱা বেয়া সম্পদৰ ক্ষেত্ৰত সমুচিত ব্যৱস্থা গ্ৰহণ কৰাটো যে গুৰুত্বপূৰ্ণ সেই বিষয়ে উপায় গ্ৰহণ কৰাৰ ক্ষেত্ৰতো তেনে কোনো ইঙ্গিত নাই।

ঔদ্যোগিক উৎপাদন মাহিলি ৮-১৫ শতাংশৰ ভিতৰত বৃদ্ধি পায় আৰু অৰ্থনৈতিক গতি উজ্জীৱিত হোৱাৰ কালত কেতিয়াবা ২০ শতাংশ স্পৰ্শ কৰে। কিন্তু ইয়াৰ বিপৰীতে কেৱল ১২ বাৰমানহে ৫ শতাংশতকৈ অধিক বৃদ্ধি পায় আৰু নেতিবাচক দিশত ২০১১ বৰ্ষৰ দ্বিতীয় ভাগৰ পৰা ছবাৰমানহে প্ৰকট হোৱা দেখা যায়। আলোচ্য অৰ্থনৈতিক সমীক্ষাৰ ঔদ্যোগিক পুনৰুদ্ধাৰৰ ক্ষেত্ৰত আগতীয়া নিৰ্ণয়াত্মক কাৰ্য ২০১৭ চনৰ নৱেম্বৰত স্থিত শেহতীয়া প্ৰাপ্ত পৰিসংখ্যাৰ ওপৰত সম্পূৰ্ণৰূপে ভিত্তি কৰা যেন লাগে আৰু তাৰ শতাংশ হাৰ হ'ল ৮%। ইয়াৰ পূৰ্বে অৱশ্যে প্ৰায় বাৰ মাহত লেথাৰিকৈ ৫ শতাংশ বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছিল।

ভাৰতৰ বাৰ্ষিক পণ্য সামগ্ৰী ৰপ্তানিৰ গড় হিচাপত বৃদ্ধি হাৰ টকাৰ লেখত ২০০২-০৩ আৰু ২০১১-১২ বৰ্ষৰ কালছোৱাৰ মাজত (২০০৯ চনত গোলকীয় বিত্তীয় মন্দা অৱস্থাৰ কালছোৱাৰ বাহিৰে) আছিল ২০ আৰু ৩০ শতাংশৰ মাজত। কিন্তু এই হাৰৰ মাত্ৰা ২০১২-১৩ বৰ্ষত ১১.৫ শতাংশলৈ অৱনমিত হয় আৰু ২০১৩-১৪ বৰ্ষত ১৬.৬ শতাংশলৈ হ্ৰাস পায় আৰু নেতিবাচক ক্ষেত্ৰত ২০১৪-১৫ বৰ্ষত ভৰি দিয়ে (তাৰ হাৰ আছিল -০.৫ শতাংশ)। ২০১৫-১৬ বৰ্ষত এই নেতিবাচক হাৰ আছিল -৯.৫ শতাংশ। কিন্তু ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ই যি গতিময়তা লাভ কৰে তাৰ ঐতিহাসিক মানলৈ চাই তুলনামূলক-ভাৱে বেচ ভাল বুলি ক'ব লাগিব। সেই বৃদ্ধি হাৰ আছিল ৭-৮ শতাংশ। যোৱা দুবছৰ কালত এনে বৃদ্ধি সত্বেও ২০১৩-১৪ বৰ্ষৰ কালছোৱাতকৈ ২০১৭-১৮ বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ লেখত ৰপ্তানিৰ অংশ ভাগ কম আছিল। আনকি

খৰগতিৰে বৃদ্ধি পোৱা সেৱা খণ্ডৰ ৰপ্তানি— যি ভাৰতৰ চলিত হিচাপ ঘাটিত গুৰুত্বপূৰ্ণভাৱে এটা ভাৰসাম্যমূলক ভূমিকা গ্ৰহণ কৰে— সেই ৰপ্তানিয়েও এটা অৱনমিত বৃদ্ধিৰ গতিধাৰা দেখুৱায়। ফলস্বৰূপে সেই বৃদ্ধিৰ গতি দুটা সংখ্যাৰ পৰা এটা সংখ্যালৈ পৰি যায়। যদি চলিত হিচাপ ঘাটি ৰপ্তানি ক্ষেত্ৰৰ নিঃকিন ভূমিকা গ্ৰহণৰ বাবে অৱনমিত হৈছে সেয়া মন কৰিবলগা বিষয় হ'লেও আমদানি ক্ষেত্ৰখনত এই অৱনমিত গতিধাৰা আৰু অধিক হয়— যিটোৱে তেলৰ মূল্য আৰু ঘৰুৱা চাহিদা সংকোচনৰ ক্ষেত্ৰত অৱনমিত হোৱাটোকে প্ৰতিফলিত কৰে। ফলস্বৰূপে বহিঃখণ্ড— যি সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি তথা আমদানিৰে গঠিত— সেই খণ্ড ২০১১-১২ বৰ্ষৰ কালছোৱাত মুঠ ঘৰুৱা উৎপাদনৰ ৫৫.৬ শতাংশৰ পৰা ২০১৬-১৭ বৰ্ষত ৪০.৬ শতাংশলৈ নাটকীয়ভাৱে সংকোচন ঘটে। ভাৰতৰ চলিত হিচাপ ঘাটি ২০১১-১২ বৰ্ষ আৰু ২০১২-১৩ বৰ্ষত ৪ শতাংশ মুঠ ঘৰুৱা উৎপাদন অতিক্ৰম কৰে। সেই অৱস্থাত তেলৰ মূল্য প্ৰতি বেৰেলত প্ৰায় ১০০ ডলাৰলৈ বৃদ্ধি পায়। কিন্তু ২০১৩-১৪ বৰ্ষৰ পৰা ই ২ শতাংশ আৰু ২০১৬-১৭ বৰ্ষত ৩ শতাংশৰ তললৈ অৱনমিত হয়। ফলস্বৰূপে তেলৰ মূল্য প্ৰতি বেৰেলত প্ৰায় ৩০ ডলাৰ হ্ৰাস পায়। কিন্তু সেয়া এটা ক্ষণিক পৰিক্ৰমাহে। পুনৰ উজ্জীৱিত হৈ প্ৰতি বেৰেলত ৬০ ডলাৰৰ সীমা অতিক্ৰম কৰে। এনে অৱস্থাত ৰপ্তানিৰ ক্ষেত্ৰখন পুনৰুজ্জীৱিত কৰাটো বিকাশ তথা চলিত হিচাপ ঘাটিক এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত ৰখাটো গুৰুত্বপূৰ্ণ হৈ পৰে। তেনে ব্যৱস্থাৰদ্বাৰাইহে অস্থিৰতা ৰোধ কৰিব পৰা যাব। সেইটোকে অৰ্থনৈতিক সমীক্ষাত মূলধনী পুঁজিৰ আন্তঃস্ৰোতক অস্থিৰ কৰাৰ এটা আকস্মিক বাধা ৰূপে উল্লেখ কৰা হৈছে।

বেংকৰ ঋণ বৃদ্ধিৰ পৰিমাণ যোৱা কেইমাহমানৰ কালছোৱাত ১০ শতাংশ অতিক্ৰম কৰে, কিন্তু ইয়াৰ পূৰ্বে বহু বছৰ এই বৃদ্ধি হাৰ অৱনমিত হয়। ই একাদিক্ৰমে ১৪-১৮ শতাংশৰ পৰা ২০১৪ বৰ্ষৰ প্ৰথম আধা ভাগত ১০-১২ শতাংশ পৰিসত থাকে (২০১৬ চনৰ প্ৰথম ভাগছোৱা পৰ্যন্ত) আৰু তাৰ পিছত ৮-১০ শতাংশ (২০১৬ বৰ্ষৰ দ্বিতীয় ভাগছোৱালৈকে)লৈ অৱনমিত হয়। ২০১৭ বৰ্ষৰ প্ৰথম আধা ভাগছোৱাত ইয়াৰ স্থিতি অধিক বেয়া। একেবাৰে নিম্ন স্তৰৰ ৫ শতাংশৰ তললৈ যায়। বেংক ঋণৰ পৰিমাণ বৃদ্ধি হোৱা বিষয়টো যোগান আৰু চাহিদা উভয়ৰ ক্ষেত্ৰতে নিৰ্ভৰ কৰে। যোগানৰ ক্ষেত্ৰত অৰ্থনৈতিক সমীক্ষাই দেউলীয়া হোৱাৰ সন্দৰ্ভত ভাৰতীয় নতুন বিধিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে— যাতে কৰ্পোৰেট খণ্ডৰ চাপত থকা বৃহৎ সম্পদৰ সমস্যা সমাধান কৰিব পৰা যায়। লগতে ৰাজহুৱা খণ্ডৰ বেংকসমূহক সবল কৰিবৰ বাবে পুনৰ পুঁজিকৰণ পেকেজ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। কিন্তু যি ধনৰাশি যোগান ধৰা হয় সেয়া চাপত থকা বেংক সম্পত্তিৰ লেখত মাত্ৰ এটা টোপালহে। ২০১৭ বৰ্ষত এই চাপত থকা সম্পত্তিৰ পৰিমাণ হ'ল ৫ লাখ কোটি টকাৰো অধিক। ৰিজাৰ্ভ বেংকৰ তথ্য অনুযায়ী এয়া মুঠ অগ্ৰিম ধনৰ ৯.৩২ শতাংশ। ২০১৩ বৰ্ষৰ পৰা হিচাপত ধৰিলে তিনিগুণ হয়।

**ব্যক্তিগত বিনিয়োগৰ ভূমিকা**

আনকি বেংক ঋণৰ যোগান পক্ষৰ সমস্যা সমাধান হ'লেও তাত কোনো নিশ্চয়তা নাই যে ইয়াৰ বাবে চাহিদা বৃদ্ধি পাব; কিয়নো ব্যক্তিগত বিনিয়োগৰ পুনৰুজ্জীৱিতকৰণৰ স'তে বিষয়টো জড়িত আছে। অৰ্থনৈতিক সমীক্ষাত সঞ্চয় আৰু বিনিয়োগৰ সন্দৰ্ভত এটা দীঘলীয়া আৰু আমোদজনক অধ্যায় আছে। ইখন-সিখন দেশৰ স'তে কৰা অভিজ্ঞতাৰ মাপকাঠীত এইটো অকা-মিলা ধৰণৰ লাগে যে সঞ্চয় আৰু মূলধনী পুঁজিৰ ৰূপ স্বকীয়ভাৱে গঢ়ি নুঠে। ২০০৩ বৰ্ষত সঞ্চয় আৰু মুঠ নিৰ্দিষ্ট মূলধনৰ আকাৰ প্ৰথমে খৰতকীয়াকৈ যথাক্ৰমে ২৯.২ শতাংশ আৰু ২৬.৫ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ পৰা ২০০৭ বৰ্ষত ৩৮.৩ শতাংশ আৰু ৩৫.৬ শতাংশলৈ উত্থান হয় আৰু তাৰ পাছত একেৰাহে সেই হাৰ অৱনমিত হয়। ২০১৭ বৰ্ষত ইয়াৰ মাত্ৰা হয়গৈ ২৯ শতাংশ আৰু ২৬.৪ শতাংশ। সঞ্চয়ৰ ক্ষেত্ৰত সৰহভাগ অৱনমিত হয় ঘৰুৱা কাৰণৰ বাবে আৰু ব্যক্তিগত কৰ্পোৰেট প্ৰতিষ্ঠানসমূহৰ বিনিয়োগ অন্য কাৰ্যত ব্যৱহাৰ কৰাৰ কাৰণে। উক্ত স্তৰলৈ সোনকালে যে প্ৰত্যাৱৰ্তন কৰিব সেইটো বৰকৈ আশা কৰিব নোৱাৰি, কিয়নো সেই অৱনমিত গতি চক্ৰাত্মক বিষয়বোৰতকৈ বেয়া ঋণ অৱস্থাৰ বাবে তেনে হয়। এই নিৰাশাবাদ চি এম আই ইৰ পৰিসংখ্যাই কঢ়িয়াই আনে। উক্ত পৰিসংখ্যাৰপৰা এই ইঙ্গিত পোৱা যায় যে ২০১৭-১৮ বৰ্ষত নতুন বিনিয়োগ প্ৰস্তাৱৰ পৰিমাণ ২০১৬-১৭ বৰ্ষত কৰা নতুন প্ৰস্তাৱৰ প্ৰায় ৬০ শতাংশ হোৱাৰ সম্ভাৱনা আছে। ২০০৪-০৫ বৰ্ষৰ পৰা এয়াই হ'ল ন্যূনতম স্তৰ। নতুন বিনিয়োগ প্ৰস্তাৱৰ ক্ষেত্ৰত এয়া হ'ব অৱনমিতকৰণৰ একাদিক্ৰম তৃতীয় বৰ্ষ। ২০১৭-১৮ বৰ্ষতেই যি পতন গতিয়ে স্থিতি গ্ৰহণ কৰে সেয়া হ'ল আগৰ বছৰবোৰতকৈ অধিক খৰতকীয়া।

সমীক্ষাত বাকী থকা ঋণ সমস্যাৰ স্থিতি বুজাবলৈ কৰ্পোৰেট গোষ্ঠীয়ে লাভ কৰা পৰিসংখ্যা দিব পৰিলেহেঁতেন। ২০০১-০২ বৰ্ষৰপৰা ন্যূনতম ২ শতাংশৰপৰা উন্নীত হৈ কৰ্পোৰেটৰ লাভৰ পৰিমাণ ২০০৭-০৮ বিত্তীয় বৰ্ষত হয়গৈ জিডিপি অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদনৰ লেখত ৭.৮ শতাংশ। তেতিয়াৰপৰা ইয়াৰ মাত্ৰা ক্ৰমান্বয়ে পৰি আহে আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষত ৩.৯ শতাংশত স্থিত হ'বলৈ আশা কৰে। উল্লেখযোগ্য যে এই হাৰ হ'ল ২০০৩-০৪ বৰ্ষৰপৰা একেবাৰে নিম্নতম; আৰু বৈশিষ্ট্যপূৰ্ণভাৱে দীৰ্ঘকালিন গড় হিচাপতকৈ (প্ৰায় ৫ শতাংশ) কম।

পুনৰুজ্জীৱিতকৰণৰ অবৰ্তমানত ভাৰতে কেনেকৈ দুটা সংখ্যাৰ বৃদ্ধি স্তৰলৈ ঘূৰি আহিব সেইটো কোৱা মস্কিল। শেহতীয়া গৱেষণাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি অৰ্থনৈতিক সমীক্ষাত যুক্তিপূৰ্ণভাৱেই কোৱা হয় যে সঞ্চয়ৰদ্বাৰা গঢ়ি তোলা গোলকীয় অৰ্থনীতিত বিনিয়োগৰ বিষয়টো সঞ্চয়তকৈ অধিক গুৰুত্বপূৰ্ণ হয়। সমীক্ষাৰপৰা এইটো স্পষ্ট নহয় যে যি অৱনমিত গতি গা কৰি উঠিছিল সেয়া তাতেই অন্ত পৰিল নে নাই। এতিয়া অৰ্থনীতি ঘাইকৈ কিমান কামত লগাব পৰা হয় তাৰ শক্তিৰ ওপৰতহে নিৰ্ভৰ কৰি বৃদ্ধিৰ দিশত আগুৱাই যোৱা হ'ব। সেই হিচাপত ২০১৬-১৭ বৰ্ষত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হয় ১৫ শতাংশ। ৰাজহুৱা বিনিয়োগকো ইয়াত ধৰা হৈছে। বিত্তীয় বিস্তাৰিতকৰণ এটা নিম্ন অৱস্থাৰ পৰা মূৰ দাঙি উঠা কোনো বিশেষ কাৰণত হ'ব পাৰে, কিন্তু ব্যক্তিগত বিনিয়োগ যিমান পৰিমাণে কৰা হয় তাৰ ব্যৱহাৰৰ অৰ্থে কামত খটোৱাৰ পথ নাথাকিলে যি বিত্তীয় ভাৰসাম্য অটুট ৰখাৰ প্ৰয়োজন হয় সেয়া মূৰকত নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব পাৰে। ইয়াৰ ওপৰত পৰা হেঁচা ইতিমধ্যে পৰিলক্ষিত হৈছে। সেয়ে চৰকাৰৰ কপাল ভাল যে তেলৰ মূল্য হ্ৰাস পোৱাৰ বাবে এটা বিত্তীয় ক্ষেত্ৰৰ সৃষ্টি হয় আৰু সেই ক্ষেত্ৰৰ ধনৰাশি প্ৰয়োজন সাপেক্ষে কামত লগাবলৈ ৰখা হয়। তাৰ অনৰ্থক বোজা উপভোক্তাসকললৈ যাবলৈ দিয়া নহয়। কিন্তু এই ক্ষেত্ৰখন সম্প্ৰতি তেলৰ মূল্য বৃদ্ধিৰ লগে লগে সংকুচিত হ'বলৈ ধৰিছে।

যদি ব্যক্তিগত বিনিয়োগ অনৰ্থক-ভাৱে লগ্নী কৰা হয়, তেনেহ'লে তাক পুনৰুদ্ধাৰ কৰিবলৈ অনাৱশ্যকভাৱে হাই-উৰুমি কৰিব লগা হ'ব পাৰে। সেয়ে অৰ্থনৈতিক সমীক্ষাই বিষয়টো উপলব্ধি কৰিব পাৰিছে আৰু গুৰুত্ব সহকাৰে এই বুলি মন্তব্য কৰিছে— "মুঠৰ ওপৰত ভাৰতে খৰতকীয়া অৰ্থনৈতিক বিকাশ সাধনৰ বাবে পৰিৱেশৰ উন্নতি সাধনৰ কামত নিশ্চয়েই লাগি থাকিব লাগিব; আৰু সেয়া কেৱল দুটা নিৰন্তৰ গতিত চলিত ইঞ্জিনৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। সেই ইঞ্জিন সদৃশ ব্যৱস্থা দুটা হ'ল— ব্যক্তিগত বিনিয়োগ তথা ৰপ্তানি।" এই দুয়োটাই বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখত থিয় দি আছে। ব্যক্তিগত বিনিয়োগৰ ক্ষেত্ৰত বেয়া ঋণ দানৰ বিষয়সমূহ আছে আৰু ৰপ্তানিৰ ক্ষেত্ৰত সমীক্ষাত উল্লেখ কৰা চাৰিটা ব্যৱস্থাৰ ভিতৰত এটা স'তে উপযুক্ত আলোচনা আৰু সঠিক বুজাবুজি কৰিবলৈ বাকী আছে। সমীক্ষাত ঘৰুৱা চাহিদাৰ বিষয়টোত যিমান গুৰুত্ব দিব লাগে সিমান গুৰুত্ব আৰোপ কৰা নাই যেন লাগে। ইপিনে ইয়েই হ'ল ভাৰতৰ বিকাশৰ এটা অন্যতম চালিকা শক্তি। বৃহৎ বজাৰৰ সুবিধা লাভ কৰিবলৈ বহিঃচাহিদাৰ ওপৰত প্ৰায়েই নিৰ্ভৰ কৰিব লাগে। এই তিনিওটা ইঞ্জিন সদৃশ চালিকা শক্তিক নিৰন্তৰভাৱে অধিক বিকাশ সাধনৰ অৰ্থে উপযুক্ত মূল্য লাভ কৰিবলৈ কামত লগোৱা আৱশ্যক।

**আগত থকা পথ**

তেনেহ'লে বিনিয়োগকাৰীৰ উদ্যম গঢ়ি তুলিবলৈ কি নীতিৰ কাম-কাজ অৱলম্বন কৰাৰ আৱশ্যক আছে? অৰ্থনৈতিক সমীক্ষাৰ মতে মধ্যৱৰ্তী ব্যৱস্থাৰ ক্ষেত্ৰত নীতি-বিশেষৰ তিনিটা অঞ্চলৰ ওপৰত আলোকপাত কৰা সমীচীন। সেয়া হ'ল নিয়োগ, শিক্ষা আৰু কৃষি। নিয়োগৰ সন্দৰ্ভত তৰুণ আৰু উঠি অহা কৰ্মশক্তিৰ কাৰণে— বিশেষকৈ যুৱতীসকলৰ বাবে ভাল চাকৰি বিচাৰি উলিওৱা। শিক্ষাৰ সন্দৰ্ভত এটা শিক্ষিত আৰু স্বাস্থ্যৱান শ্ৰমিক শক্তি সৃষ্টি কৰা। কৃষিৰ সন্দৰ্ভত কৃষি বিষয়ক কাম-কাজৰ স্থিতিস্থাপকতা শক্তিশালী কৰাৰ লগে লগে কৃষি ভূমিৰ উৎপাদনশীলতা গুণৰো উন্নতি সাধন কৰা।

২০১৮-১৯ বৰ্ষৰ বাজেটত ওপৰত উল্লেখ কৰা প্ৰায়ভাগ অঞ্চলতেই নতুন প্ৰয়াস হাতত লোৱাৰ ইঙ্গিত আছে। কিন্তু ইয়াৰ বাবে যি গাঁথনিগত সংস্কাৰৰ প্ৰয়োজন তাক লাভ কৰাটো সহজ নহয়— বিশেষকৈ কিছুমান কামত বৈতৰণী পাৰ হ'বলৈ উন্নত বিচাৰধাৰা, দৃঢ়তা আৰু সবল মানসিকতাৰ আৱশ্যক হয়। ২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছিল এই বুলি— এটা বিকশিত অৰ্থনীতি, এটা অনুকূল বহিঃ পৰিৱেশ, তেলৰ কম মূল্য তথা সংস্কাৰ সাধনৰ বাবে এটা শক্তিশালী পাঁচবছৰীয়া ৰাজনৈতিক জনাদেশৰ আৱশ্যক। কিন্তু এই অৰ্থ-গধুৰ তত্ত্বক

আগুৱাই নিবলৈ প্ৰয়াস কৰা হোৱা নাই আৰু দীৰ্ঘদিনে অৱহেলিত কৰি অহা হৈছে। তাৰ ঠাইত ৰাজনৈতিক দৰ্শনত বি-মুদ্ৰাকৰণৰ বিষয়টোৱেহে ঠাই পায়। গোলকীয় ভাল অভ্যাসৰ স'তে মিল নথকা এটা অনাৱশ্যক পদক্ষেপ— যিটো উল্লেখ কৰা কোনো এটা উদ্দেশ্য লাভ কৰা যেন নালাগে আৰু চেঁচা পানী ঢলা সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা— যাৰ ভিন ভিন কৰৰ নিৰিখে বিষয়টো জটিল কৰি তোলে আৰু তাৰ ফলস্বৰূপে সেই গাঁথনিত বহুত সংশোধন কৰিব লগা হয় তথা সেই প্ৰক্ৰিয়াৰ এতিয়াও অন্ত পৰা নাই।

সমীক্ষাত কৰ প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰ সন্দৰ্ভতো উদ্বেগ প্ৰকাশ কৰিছে। সেয়া অধিক জটিল ৰূপ ধাৰণ কৰিবলৈ লোৱা যেন লাগে। আগলৈ কি হ'ব সেই বিষয়ৰ নীতি ব্যৱস্থাৰ পৰিৱেশত তেনে ধৰণৰ আশ্বাসৰ অভাৱ। কৰ পদ্ধতিৰ দিশ আৰু হাৰৰ ক্ষেত্ৰতো স্থিৰতাৰ বিষয়টো ভাবিব লগা। সামগ্ৰী আৰু সেৱাৰ ওপৰত শীৰ্ষ কৰ হাৰ বিকাশ গতি অৱনমিত হোৱাৰ সময়ত হ্ৰাস পোৱাতকৈ বৃদ্ধিহে পায়। ইয়াত সেৱা সামগ্ৰীৰ ৰপ্তানিও সাঙুৰ খাই আছে। কেন্দ্ৰৰ মুঠ কৰ ৰাজহ ২০১৪-১৫ বৰ্ষৰ ১০ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰপৰা ২০১৬-১৭ বৰ্ষত ১১.৭ শতাংশলৈ বৃদ্ধি পায়। কৰ্পোৰেট কৰ হাৰ হ্ৰাস কৰোঁতে আমেৰিকাই কম কৰা কৰ নিৰিখলৈ মন কৰা প্ৰয়োজন; কিয়নো তেনে নতুন কৰ মুক্ত গোলকীয় অৰ্থনীতিত স্বাভাৱিক বুলি গণ্য কৰা হয়। কৰ সংস্কাৰৰ দিশত বিসঙ্গতি থকা যেন লাগে। সংস্কাৰৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল সেয়া আছিল কম প্ৰগতিশীল তথা অধিক অস্পষ্ট পৰোক্ষ কৰৰ ওপৰত নিৰ্ভৰতা কম কৰাটো। কিন্তু এতিয়া তাৰ গতিপথ ওলোটা হোৱা যেন লাগে। যোৱা পাঁচ বছৰৰ কালত কেন্দ্ৰৰ মুঠ কৰ ৰাজহৰ ভিতৰত প্ৰত্যক্ষ কৰৰ অংশ ভাগ ২০১৩-১৪ বৰ্ষৰ ৫৬ শতাংশৰপৰা ২০১৮-১৯ বৰ্ষৰ আনুমানিক বাজেটত ৫১ শতাংশলৈ হ্ৰাস পায়।

অৰ্থনৈতিক সমীক্ষাত 'শিক্ষিত' শ্ৰমিক শক্তিৰ বিষয়ে উল্লেখ কৰোঁতে 'মানৱ সম্পদক পশ্চাদগামী' কৰাৰ এটা চিহ্ন বুলিহে ভাবে; কিয়নো গাঁথনিগত ৰূপান্তৰ সাধনত তেনে মানসিকতাই আগলৈ যোৱাত বাধাহে সৃষ্টি কৰাৰ আশা অধিক। কাৰ্যতঃ বৈজ্ঞানিক মানসিকতাৰ ওপৰত প্ৰস্তুত কৰা নীতি তেনেদৰে বিশেষভাৱে আলোকপাত কৰা হোৱা নাই যেন লাগে আৰু উৎপাদনশীল বিষয়টোলৈ চাই চাকৰি সৃষ্টি কৰাৰ বিষয়তো তেনেদৰে মনোযোগ দিয়া হোৱা নাই। এ এছ ই আৰৰ অধ্যয়নত স্কুল পৰ্যায়ত গ্ৰহণ কৰা নিঃকিন আধাৰমূলক দক্ষতাৰ বিষয়টোৰ প্ৰতি উল্লেখ কৰে। আনপিনে মূল 'মেইক্ ইন ইণ্ডিয়া' কাৰ্যসূচী থৰক-বৰককৈ আগবাঢ়িছে। তাৰ কাৰণ হ'ল পৰিপূৰক উপযুক্ততাৰ বিষয় আৰু উৎপাদনশীল গুণ বৃদ্ধি সাধনৰ সংস্কাৰ উপায়সমূহৰ অনুপস্থিতিতেই কাম চলিছে। কাম-কাজ কৰাৰ সহজ শ্ৰেণীকৰণত নাটকীয়ভাৱে যি উন্নতি হোৱা দেখা যায়, সেয়া বাস্তৱ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনতকৈ প্ৰক্ৰিয়াবিশেষৰ পৰিৱৰ্তনৰ বাবেই এনে হয়। পিছে ই কমেইহে অনুপ্ৰাণিত কৰিব পাৰে, কিয়নো ব্যক্তিগত বিনিয়োগকাৰীসকলক তেওঁলোকৰ ধনৰ টোপোলাৰে আকৰ্ষণ কৰিবলৈ তথা বিশ্বাস জন্মাবলৈ অসমৰ্থ হয়। এইখিনিতে উল্লেখযোগ্য যে বিশ্ব বেংকৰ মুখ্য অৰ্থনীতিবিদজনে প্ৰক্ৰিয়াগত পৰিৱৰ্তনৰ বিষয়ত কামৰ পৰা ইস্তফা দিয়ে।

সদৌ শেষত এইটো কোৱা উচিত হ'ব যে অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত প্ৰশাসন আৰু প্ৰতিষ্ঠানসমূহৰ ভূমিকাক কেতিয়াও অত্যধিক লেখৰে মাপ কৰিব নোৱাৰি। বিনিয়োগকাৰী-সকলক বিশ্বাসত ৰখা প্ৰয়োজন যে আইনৰ শাসনে সামাজিক শৃংখলা অটুট ৰাখিব আৰু অৰ্থনৈতিক স্বাধীনতাৰো নিশ্চয়তা দিব। তেনে পৰিৱেশত সামগ্ৰীৰ ব্যৱহাৰ তথা সম্পদৰাজিৰ যথাবিহিত কামত খটুৱাৰ বিষয়টো ব্যক্তিগত পছন্দ আৰু বজাৰৰ স'তে জড়িত থকা শক্তিসমূহলৈ এৰি দিয়া হয় আৰু তাক বিপত্তি সৃষ্টি কৰোঁতাৰদ্বাৰা বিচ্ছিন্ন কৰিবলৈ এৰি দিয়া নহয়। শক্তিশালী আৰু চৰকাৰৰ পৰা থাউকতে পোৱা স্বতন্ত্ৰীয়া-ভাৱে সুকাৰ্য কৰা প্ৰতিষ্ঠানসমূহে বিনিয়োগকাৰীৰ বিশ্বাস গঢ়ি তোলাত প্ৰেৰণা যোগায়। অৱশ্যে এনে এটা ভাব গঢ়ি উঠিছে যে সেই আত্মবিশ্বাসৰ গুণাৱলী অধিক শক্তিশালী আৰু অধিক স্বতন্ত্ৰীয়া হোৱাতকৈ স্খলনহে ঘটিছে। অৰ্থনৈতিক সমীক্ষাই ন্যায় প্ৰশাসনৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিছে আৰু কিবা উদ্বেগৰ বিষয় থাকিলে সেইবোৰ আইনী আদালত তথা স্বতন্ত্ৰীয়া বিধি-ব্যৱস্থাৰে সমাধান কৰিব পাৰে। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰপৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবছাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবছাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# ২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ জীৱিকা নিৰ্বাহৰ ওপৰত গুৰুত্ব

**ৰঞ্জিৎ মেহতা***

আজিৰ পৃথিৱীখনত চৰকাৰে হাতত লোৱা এটা সৰু সিদ্ধান্তৰেই বহু শাখা-প্ৰশাখা থাকিব পাৰে। তাক বাছি ল'বৰ কাৰণে সাৱধানেৰে মূল্যাংকন কৰিব লাগিব— যাতে তাৰপৰা মজলীয়া ধৰণৰ কিম্বা অন্য স্তৰৰ অথবা নিম্ন স্ৰোতৰ অধিক প্ৰভাৱ পৰিব পাৰে। বাজেটে বহু বাছনিৰ বিষয় উপস্থাপন কৰে আৰু যদি তাক ৰূপায়ণ কৰা হয়, তেনেহ'লে ভাৰতৰ অৰ্থনৈতিক নীতিত কিছু হ'লেও ৰদ-বদলৰ সূচনা কৰিব পাৰে।

২০১৮-১৯ বৰ্ষৰ কেন্দ্ৰীয় বাজেট চলিত বৰ্ষৰ ১ ফেব্ৰুৱাৰীত বিত্ত মন্ত্ৰীয়ে সদনত উপস্থাপন কৰে। ই বিশেষ বৈশিষ্ট্যও বহন কৰে; কিয়নো ২০১৭ বৰ্ষৰ জুলাইত সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণ কৰিবলৈ লোৱাৰ পাছত এইখনেই হ'ল প্ৰথম বাজেট। অৰ্থনৈতিক সংস্কাৰ সাধন কৰিবলৈ লোৱাৰ পিছৰ এই দীঘলীয়া সময়ছোৱাত— য'ত নিৰ্লিপ্ত ধৰণৰ অৰ্থনৈতিক বিকাশ সাধন বিৰাজ কৰে, য'ত প্ৰত্যাহ্বানমূলক বিত্তীয় পৰিস্থিতি আৰু কৃষিৰ বিপদাপন্ন অৱস্থাই বিৰাজ কৰে— তেনে অৱস্থাতো বাজেটত অনেক বিষয়ৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰে। তাৰ ভিতৰত উল্লেখযোগ্য বিষয়বোৰ হ'ল— দৰিদ্ৰতা, গ্ৰাম্য অৰ্থনীতি, স্বাস্থ্য ৰক্ষা, শিক্ষা, আন্তঃগাঁথনি আৰু এখন আধুনিক, শক্তিশালী তথা দৃঢ়তাপূৰ্ণ ভাৰত গঢ়ি তোলাৰ দিশত ডিজিটেল ব্যৱস্থাৰ ৰূপায়ণ। বছৰটোত নীতি আৰু গাঁথনিগত সংস্কাৰ সাধনৰ ক্ষেত্ৰত উল্লেখযোগ্য কাৰ্য সমাপন কৰা দেখা যায়। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পুনৰ পুঁজিকৰণ ব্যৱস্থা গ্ৰহণ তথা অকাৰ্যকৰী ঋণ সমস্যা সমাধান কৰাৰ দিশত আগতীয়া পদক্ষেপ গ্ৰহণ কৰিবলৈ লোৱা ঘোষণা বেচ আদৰণীয় আৰু সেইটোৱে কৰিব লগা কিছুমান কামৰ গুৰুত্বপূৰ্ণ প্ৰয়াসৰেই ইঙ্গিত দিয়ে— যাৰদ্বাৰাই ভাৰতৰ বেংক ব্যৱস্থা আৰু ঋণ দানৰ ক্ষেত্ৰত থকা দুৰ্বলতাৰ সমাধান কৰিবলৈ বিচৰা হৈছে। বিভিন্ন সংস্কাৰ আৰু অগ্ৰগতি সাধনৰ দৃশ্যপট আন্তৰ্জাতিক 'ক্ৰেডিট ৰেটিং' অৰ্থাৎ ঋণৰ স্থান নিৰ্ণয়ৰ মান প্ৰায় ১৩ বছৰৰ পাছত এটা স্তৰলৈ উন্নীত হয়।

বিত্ত মন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত চৰকাৰৰ আস্থাৰ কথাকেই ইঙ্গিত দিয়ে আৰু সেই আস্থা হ'ল এটা সৎ, নিকা আৰু স্বচ্ছ চৰকাৰ প্ৰদান কৰা। লগতে ভাৰতীয় অৰ্থনীতিৰ বিকাশ গতিক পুনৰ স্থাপন কৰা। বাজেটত ঘোষণা কৰা ব্যৱস্থাৱলীয়ে তাকেই প্ৰমাণ কৰে। অৰ্থনৈতিক বৃদ্ধিৰ মাত্ৰা ৮ শতাংশৰ ওপৰলৈ যাব বুলি চৰকাৰে আশা কৰিছে; আৰু এই বাজেটখনৰ লক্ষ্য হ'ল গ্ৰাম্য আন্তঃগাঁথনি সবল কৰা তথা ২০২২ চনৰ ভিতৰত কৃষকৰ উপাৰ্জনো দুগুণ কৰা। বাজেটৰ ঘাই আলোকপাতৰ বিষয় হ'ল কৃষকসকলক সমৰ্থন জনোৱা আৰু গ্ৰাম্য অঞ্চলসমূহৰ বিকাশ সাধন কৰা। ইয়াৰ লগতে বিকাশ, চাকৰি আৰু ব্যক্তিগত বিনিয়োগক উৎসাহিত কৰা বিষয়বোৰ আছেই। কৰৰ আধাৰ বহল কৰা, কৃষকৰ উপাৰ্জন বৃদ্ধি, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক উৎসাহ প্ৰদান কৰা তথা অৰ্থব্যৱস্থাত কোনো সুৰুঙা নথকাকৈ বিধিসন্মত কৰি তোলা বিষয়বোৰে চৰকাৰৰ উল্লিখিত গুৰুত্ব আৰু দীৰ্ঘকালিন কাৰ্যক্ৰমণিকাক স্পষ্টভাৱে প্ৰতিফলিত কৰিছে।

আন্তঃগাঁথনিৰ প্ৰতি ল'ব লগা বৃহৎ উৎসাহজনক কাম-কাজ, সাৰ্বজনীন স্বাস্থ্য ৰক্ষা 'আয়ুষ্মান' কাৰ্যসূচী, সকলোৰে বাবে বাসগৃহ, শিক্ষাৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা আৰু আনুযঙ্গিক খণ্ডবোৰৰ প্ৰতি সমৰ্থন— এই সকলোবোৰৰ বিষয়ে অৰ্থনীতি আগুৱাই যাবৰ কাৰণে সদিচ্ছাৰ ভাবকেই প্ৰকাশ কৰিছে আৰু সেই আনুযঙ্গিক খণ্ডবোৰৰ উল্লেখযোগ্য বিভাগবোৰ হ'ল— মীন, খাদ্য সংসাধন তথা বস্ত্ৰ— যাৰ গুৰুত্ব উলাই কৰিব লগা নহয়। বিত্ত মন্ত্ৰীয়ে তেওঁৰ বাজেটত আকৌ এবাৰ চাকৰিৰ সা-সুবিধা সৃষ্টি

*লিখক ড° ৰঞ্জিৎ মেহতা এগৰাকী বিশ্ববিদ্যালয়ৰ স্বৰ্ণপদক প্ৰাপ্ত ব্যক্তি। মেনেজমেণ্টত পী এইছ ডী লাভ কৰা ড° মেহতা হ'ল আইন স্নাতক আৰু তেওঁ বিভিন্ন খণ্ডত নেতৃত্বৰ ভূমিকা গ্ৰহণ কৰা ৩০ বছৰৰ অভিজ্ঞতাৰে উদ্যোগৰ নেতা তথা নীতি তৈয়াৰ কৰোঁতাসকলৰ স'তে নিকটভাৱে কাম কৰিছে। নতুন দিল্লী পী এইছ ডী চী চী আইৰ প্ৰধান সঞ্চালক ৰূপে তেওঁ এই কামত ন্যস্ত আছে।

কৰাৰ বিষয়ে দোহাৰে। নীতি তৈয়াৰ কৰাৰ সময়ত ই এটা কেন্দ্ৰীভূত বিষয় বুলিও তেওঁ উল্লেখ কৰে। গ্ৰাম্য অঞ্চলত আন্তঃগাঁথনি আৰু জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত ১৪.২৪ লাখ কোটি টকা ব্যয় কৰিবলৈ লোৱা বিষয়টো এই দিশৰ প্ৰতি এটা বৈশিষ্ট্যপূৰ্ণ পদক্ষেপ। কিয়নো দেশখনত কৃষিৰ ক্ষেত্ৰত যি এটা হতাশজনক ভাব বিৰাজ কৰিছে তালৈ চাই নিশ্চয়ে এয়া প্ৰেৰণাদায়ক। একেদৰে কৃষিৰ ক্ষেত্ৰত সৰ্বমুঠ ঋণৰ পৰিমাণ ১১ লাখ কোটি টকা কৰা হয়।

১০০ নিযুত পৰিয়ালৰ বাবে ৰাষ্ট্ৰীয় বীমা আঁচনিৰ প্ৰচলন এটা উল্লেখযোগ্য বিষয়। কেৱল সেয়াই নহয়, ৫০০ নিযুত হিতাধিকাৰীক বছৰি ৫ লাখ টকা পৰ্যন্ত প্ৰয়োজন ভিত্তিক লাভ কৰাৰ সুচলতাই অধিক তাৎপৰ্য বহন কৰিছে আৰু সেয়ে ই বিশ্বৰ বৃহত্তম ৰাজহুৱা স্বাস্থ্য বীমা আঁচনিৰ শাৰীত পৰিব। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগলৈ বিত্ত মন্ত্ৰীয়ে ২৫০ কোটি টকা পৰ্যন্ত উপাৰ্জন কৰা কোম্পানীৰ বাবে ২৫ শতাংশ কৰ্পোৰেট কৰ হাৰ হ্ৰাস কৰা সুবিধা আগবঢ়ায়। কৰ আদায় দিয়া ৯৯ শতাংশ কোম্পানীক ই সামৰি লয়। ইয়াৰ ফলত কেৱল ক্ষুদ্ৰ আৰু মজলীয়া কোম্পানীবোৰকেই কেৱল উপকৃত কৰিব এনে নহয়, তদুপৰি সেইবোৰ কোম্পানীয়ে নিজৰ ক্ষমতা সম্প্ৰসাৰণ কৰাতো সহায় কৰিব।

কৰ্পোৰেট বণ্ডৰ সন্দৰ্ভত আৱশ্যকীয় বজাৰ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা বহু দিনৰপৰা অনুভৱ কৰা হৈছে আৰু সেই অনুযায়ী প্ৰয়াসো কৰা হৈছে। সম্প্ৰতি চৰকাৰে বৃহৎ কৰ্পোৰেট প্ৰতিষ্ঠানসমূহক বণ্ড মাৰ্কেটৰ পৰা প্ৰায় ২৫ শতাংশ তেওঁলোকৰ বিত্তীয় আৱশ্যকতা পূৰণ কৰিবৰ বাবে সুবিধা দিয়াৰ বিষয়ে বিবেচনা কৰিছে আৰু এই ব্যৱস্থাই বজাৰত অধিকভাৱে বণ্ড যোগান ধৰাৰ সুবিধা কৰিব। এই ক্ষেত্ৰত অধিক চাহিদা যোগান ধৰিবৰ কাৰণে কম হাৰৰ বণ্ডৰ বেহা কৰিবলৈ অনুমতি দিয়া হয়; আৰু ইয়াৰদ্বাৰাই বিনিয়োগকাৰীয়ে ভাৰতীয় কৰ্পোৰেট ঋণ বজাৰত (ইণ্ডিয়ান কৰ্পোৰেট ডেব্‌ট মাৰ্কেট) নিজৰ পছন্দ অনুযায়ী সুবিধা লাভ কৰিব পাৰিব।

এইখিনিতে উল্লেখযোগ্য যে 'গিফ্‌ট ছিটি'ত 'আই এফ এছ চী" বিকাশৰ সুবিধা আছে আৰু সেই অনুযায়ী অনাবাসিক লোকে মূলধনী লাভৰ কৰ আওতাৰপৰা কিছু 'ছিকুউৰিটি' হস্তান্তৰ কৰাৰ ক্ষেত্ৰত কৰ ৰেহাই পায়। এয়া এটা আদৰণীয় বিষয় যে বাহিৰৰ বাণিজ্য কাৰ্য আৰু মূল্য নিৰূপণৰ সন্দৰ্ভত ভাৰতলৈ উভতি আহি তাক সমাপন কৰাৰ আশা আছে। লগতে এনে ব্যৱস্থাই কিছুমান ঠাইৰ স'তে থিয় দিব পৰাকৈ প্ৰতিযোগিতামূলক কৰি তুলিব। তেনে স্থানসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— ছিঙ্গাপুৰ, হংকং, ডুবাই ইত্যাদি। এই 'গিফ্‌ট ছিটি'ৰ একক নিয়ামক ব্যৱস্থাই এই সন্দৰ্ভত জড়িত থকা সকলো বিষয়ৰ কাৰণে 'ছিঙ্গল উইন্দো'ৰূপে সুবিধা প্ৰদান কৰিব আৰু ভিন ভিন ধৰণৰ নীতি-নিয়মৰ ক্ষেত্ৰত সোনকালে সিদ্ধান্ত নিৰ্ণয় কৰাত সহায় কৰিব।

নিৰ্বিনিয়োজনৰ লক্ষ্য সাধন কৰাৰ ক্ষেত্ৰত চৰকাৰে এটা নতুন স্তৰ লাভ কৰিছে; আৰু সেয়ে উদ্যোগসমূহৰ আৰ্থিক উন্নতি সাধনৰ অৰ্থে আন্তঃগাঁথনি বিনিয়োগ ন্যাস সৃষ্টি কৰাটো হ'ল এটা ইতিবাচক বিকাশ। চৰকাৰে ষ্টক এক্সছেঞ্জসমূহত ১৪টা কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগক তালিকাভুক্ত কৰিবলৈ অনুমোদন জনায়। ইয়াৰ ভিতৰত বীমা কোম্পানীও আছে। পলমকৈ হ'লেও এয়াৰ ইণ্ডিয়াৰ কৌশলাত্মক দিশৰপৰা ব্যক্তিগতকৰণকে ধৰি ২৪টা তেনে ৰাজহুৱা খণ্ডৰ উদ্যোগত নিৰ্বিনিয়োজনৰ কাম আৰম্ভ কৰা প্ৰক্ৰিয়াই সেইবোৰৰ প্ৰশাসন ব্যৱস্থাৰ উন্নতি সাধন কৰিব।

### বাজেটত চাকৰি সৃষ্টিৰ সন্দৰ্ভত মূল বিকাশ ব্যৱস্থা

নিয়োগ সঞ্চাৰ তথা সা-সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ তৈয়াৰী নীতিত গুৰুত্ব আৰোপ কৰা হৈছে বুলি বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰে আৰু শ্ৰমিক-উন্মেষ খণ্ডবোৰত মনোযোগ দিব বুলিও কয়। এই খণ্ডবোৰৰ ভিতৰত বস্ত্ৰ, চামৰা, ক্ষুদ্ৰ, লঘু তথা মজলীয়া উদ্যোগকো ধৰা হৈছে। চাকৰি বৃদ্ধিৰ গতিত বৰঙণি যোগোৱাই হ'ল ইয়াৰ উদ্দেশ্য।

ভাৰত হ'ল ১৮ নিযুততকৈ অধিক নিবনুৱা লোকৰ গৃহ। এটা শেহতীয়া বিশ্ব বেংকৰ প্ৰতিবেদনত এই তথ্যও দাঙি ধৰা হয় যে ১৫ আৰু ২৯ বছৰ বয়সৰ মাজৰ ৩০ শতাংশতকৈ অধিক ভাৰতৰ জনসংখ্যাৰ শিক্ষা-দীক্ষা নাই, নিয়োগ নাই কিম্বা প্ৰশিক্ষণো লাভ কৰা নাই। এই সকলোবোৰ মিলি চাকৰি অথবা সংস্থাপনক দেশখনৰ বিকাশ সাধনৰ বাবে এটা ডাঙৰ বিষয় কৰি তুলিছে। সামগ্ৰিকভাৱে ভাৰতৰ নিবনুৱা হাৰ হ'ল ৩.৫ শতাংশ, কিন্তু আটাইতকৈ ডাঙৰ চিন্তাৰ বিষয়টো হ'ল ১৫-২৪ বছৰ বয়স গোটৰ অথবা প্ৰথম কাম কৰোঁতাসকলৰ নিবনুৱা হাৰ ২০১৭ বৰ্ষত ১০.৫ শতাংশলৈ বৃদ্ধি পায়। ২০১৪ বৰ্ষত এই হাৰ আছিল ১০ শতাংশ। এই তথ্য আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পায়। ইপিনে প্ৰতি মাহে এক নিযুত

লোক দেশখনৰ কৰ্মবাহিনীত যোগ হয়, কিন্তু চাহিদা অনুযায়ী তেনেদৰে চাকৰি সৃষ্টি নহয়। প্ৰধান মন্ত্ৰী ৰোজগাৰ প্ৰোৎসাহন যোজনাৰ অধীনত ২০১৬ বৰ্ষত এই আঁচনিখন প্ৰচলন কৰাৰ পৰা ৩০,৪৭৫টা প্ৰতিষ্ঠানত প্ৰায় ২,১৬৪,৫৭৫ কৰ্মচাৰীয়ে পঞ্জীকৃত কৰে। অৱশ্যে আঁচনিখনৰ অধীনত কিমান সংখ্যক লোকক ভিন ভিন উদ্যোগ প্ৰতিষ্ঠানলৈ লৈ যোৱা হয় সেই বিষয়ে সঠিকভাৱে জনা নাযায়।

বাজেটত অন্তৰ্ভুক্ত কেইটামান বিষয় মন কৰিবলগীয়া। তাক তলত দিয়া হ'ল—

নিৰ্মাণ খণ্ড হ'ল ভাৰতৰ বতৰ সাপেক্ষ এটা অন্যতম বৃহৎ নিয়োগ যোগান ধৰোঁতা। কৃষিৰ পাছতেই ইয়াৰ স্থান। ৪৫ নিযুততকৈ অধিক চাকৰি প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে সৃষ্টি কৰে। ২০১৮-১৯ বৰ্ষৰ বাজেটত আন্তঃগাঁথনিৰ বাবে কৃষিৰ বিপদাপন্ন অৱস্থা আৰু চাকৰি সৃষ্টি কৰিব নোৱাৰা বিষয়টোক উপলব্ধি কৰে; আৰু সেয়ে এই দুয়োটা বিষয়কে সমাধান কৰিবলৈ বিচাৰিছে। কৃষিৰ ক্ষেত্ৰত দেখা দিয়া বিপদজনক অৱস্থালৈ চাই কিছুমান গ্ৰাম্য যোজনা আৰম্ভ কৰিবলৈ প্ৰস্তাৱ কৰিছে। তাৰ ভিতৰত এইকেইটা বিষয় উল্লেখযোগ্য— সংযোগ পথ, গ্ৰাম্য বজাৰ, কৃষি সংসাধন কেন্দ্ৰ, খাদ্য উদ্যান, ক্ষুদ্ৰ জলসিঞ্চন, ৱাই-ফাই হটস্পট, শৌচাগাৰ, বহনক্ষম বাসগৃহ, স্বাস্থ্য আৰু কল্যাণ সাধন কেন্দ্ৰ, জিলা হাস্পতালবোৰৰ উন্নীতকৰণ, জিলা পৰ্যায়ৰ দক্ষতা কেন্দ্ৰ, মীন আৰু পশুধন পুঁজি। ইয়াৰ পৰা এইটো স্পষ্ট যে অন্য কোনো বাজেটত ইমান ব্যাপক আকাৰৰ গ্ৰাম্য যোজনাৰ কাৰণে প্ৰয়োজনীয় কামসমূহক চিহ্নিত কৰিবলৈ গভীৰভাৱে মন দিয়া নাই। গ্ৰাম্য অঞ্চলত জীৱিকা নিৰ্বাহ আৰু আন্তঃগাঁথনি সৃষ্টি কৰিবৰ বাবে বিত্ত মন্ত্ৰীয়ে বাজেটত বিভিন্ন মন্ত্ৰণালয়ৰদ্বাৰা মুঠ ১৪.৩৪ লাখ কোটি টকা ব্যয় কৰা হ'ব বুলি জানিবলৈ দিয়ে। বিত্ত মন্ত্ৰীৰ মতে কৃষি কাম-কাজ আৰু স্বনিয়োজনৰ হেতু নিয়োগ লাভ কৰাৰ বাহিৰেও উল্লেখ কৰা ব্যয়যোগ্য ধনৰাশিৰ ফলত ৩২১ কোটি লোকৰ কৰ্ম দিন সৃষ্টি কৰিব।

নিৰ্দিষ্টকালিন ঠিকাভিত্তিক কাম কৰাৰ দায়িত্ব সকলো খণ্ডলৈকে সম্প্ৰসাৰণ কৰা হৈছে— যাতে অন্য খণ্ডত শীঘ্ৰেই চাকৰি সৃষ্টি হ'ব পাৰে। এনে ব্যৱস্থাৰ ফলত নিয়োগকৰ্তাই নিৰ্দিষ্ট সময়ৰ বাবেহে ঠিকাৰ ভিত্তিত কৰ্মীক ৰাখিব পাৰিব আৰু যোজনাৰ কাম সম্পূৰ্ণ হ'লে তেনে কৰ্মীক আন ঠাইত সংস্থাপনৰ বাবে মুকলি কৰি দিব। বিভিন্ন খণ্ডত নিৰ্দিষ্টকালীন নিয়োগ ব্যৱস্থা প্ৰচলন কৰা আঁচনিয়ে চাকৰি সৃষ্টি কৰা কাৰ্যক উৎসাহিত কৰিব— যদিও কোনো কোনো ক্ষেত্ৰত সময় অনুকূল বিষয়টো আহি পৰিব পাৰে। খণ্ডবিশেষৰ প্ৰয়োজনীয়তাৰ ওপৰতহে সেইটো নিৰ্ভৰ কৰে, যেনে— বতৰসাপেক্ষ ৰোপণ কাৰ্য আৰু খনিৰ কাম।

আন্তঃগাঁথনিমূলক উদ্যোগৰ প্ৰতি উৎসাহ প্ৰদান মন কৰিবলগীয়া; কাৰণ ই হ'ল এটা বৃহৎ চাকৰি সৃষ্টি কৰাৰ আধাৰ। সেয়ে নিয়োগ সৃষ্টি আৰু সাহায্য পৰিমাণ বৃদ্ধি কৰিবৰ বাবে চৰকাৰৰ আনুমানিক বাজেট তথা অতিৰিক্ত বাজেট ব্যয় এই শিতানত বৃদ্ধি কৰিবলৈ লোৱা হৈছে। ২০১৮-১৯ বৰ্ষৰ কাৰণে ইয়াৰ পৰিমাণ হ'ল ৫.৯৭ লাখ কোটি টকা। ২০১৭-১৮ বৰ্ষত ইয়াৰ আনুমানিক ব্যয়ৰ পৰিমাণ আছিল ৪.৯৪ লাখ কোটি টকা।

২৫০ কোটি টকালৈকে উপাৰ্জন কৰা কোম্পানীৰ বাবে কৰ্পোৰেট কৰৰ হাৰ ২৫ শতাংশলৈ কম কৰা হয়। যোৱা বছৰৰ বাজেটত ৫০ কোটি টকা পৰ্যন্ত উপাৰ্জন কৰা কোম্পানীসমূহৰ বাবে এই কৰ হাৰ আছিল। বিত্ত মন্ত্ৰীৰ মতে এই বছৰৰ বিকাশে কৰ ৰিটাৰ্ণ দাখিল কৰা ৯৯ শতাংশ কোম্পানীক উপকৃত কৰিব আৰু যি ৰেহাই লাভ কৰিব সেই ধনৰাশিৰে অধিক চাকৰি সৃষ্টি কৰাত সহায়ক হ'ব।

মহিলা কৰ্মচাৰীৰ বৰঙণি তেওঁলোকে নিযোগ লাভ কৰা প্ৰথম তিনি বছৰৰ কাৰণে ৮ শতাংশ কমাবৰ কাৰণে কৰ্মচাৰী ভৱিষ্যনিধি আইনখন সংশোধন কৰিবলৈ বাজেটত প্ৰস্তাৱ কৰা হৈছে। অৱশ্যে নিয়োগকৰ্তাৰ বৰঙণি ১২ শতাংশ থাকিব। এই ব্যৱস্থাই অধিক মহিলাক কৰ্পোৰেট কৰ্মবাহিনীত যোগ দিবৰ কাৰণে উৎসাহিত কৰিব। বিত্ত মন্ত্ৰীয়ে এইটোও ঘোষণা কৰে যে প্ৰধান মন্ত্ৰী কৌশল কেন্দ্ৰ কাৰ্যসূচীৰ অধীনত প্ৰতিখন জিলাতেই চৰকাৰে কৌশল কেন্দ্ৰ স্থাপন কৰিব। আন এখন নতুন আঁচনি হ'ল আয়ুষ্মান ভাৰত যোজনা। সৰ্বাত্মক ৰূপত স্বাস্থ্য বিষয়ক সমস্যাবোৰ সমাধান কৰাৰ লক্ষ্যৰে এই আঁচনিখনে লাখ লাখ চাকৰি— বিশেষকৈ মহিলাৰ বাবে উদ্ৰেক কৰিব।

প্ৰধান মন্ত্ৰী ৰোজগাৰ প্ৰোৎসাহন যোজনাৰ কাৰণে আবণ্টন ৰাশিৰ পৰিমাণ ২০১৮-১৯ বৰ্ষৰ কালছোৱাৰ বাবে ১,৬৫২ কোটি টকাত ৰখা হয়। ২০১৭-১৮ বৰ্ষত পুনৰবৰ্দ্ধিত পৰিমাণ আছিল ৫০০ কোটি টকা। চামৰা উদ্যোগ হ'ল এনে এটা খণ্ড যাৰ সন্তোষজনক বৰ্দ্ধন ক্ষমতা আছে। ইতিমধ্যে চৰকাৰী আঁচনিৰ অধীনত হাজাৰ হাজাৰ নিবনুৱা যুৱকক প্ৰশিক্ষণ

দিয়া হৈছে আৰু চামৰা উদ্যোগত নিয়োগ কৰা হৈছে। এই যোজনাই চামৰা আৰু জোতা উদ্যোগত অধিক নিয়োগ সা-সুবিধা সৃষ্টি কৰিবৰ বাবে আৰু উৎসাহজনক ব্যৱস্থা গ্ৰহণ কৰিব। চৰকাৰে ২০১৬ চনতেই ৬,০০০ কোটি টকা পেকেজৰ এটা বিস্তৃত বস্ত্ৰ খণ্ডত অনুমোদন জনাইছিল। পোছাক আদি তৈয়াৰ কৰা শাখাক উৎসাহিত কৰিবৰ বাবে এই আঁচনিৰ উদ্দেশ্য। এতিয়া, অৰ্থাৎ ২০১৮-১৯ বৰ্ষৰ বাবে বস্ত্ৰ খণ্ডৰ কাৰণে ৭,১৪৮ কোটি টকা আবণ্টন কৰা হৈছে।

ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ড হ'ল দেশখনৰ বিকাশ আৰু নিয়োগৰ বাবে এটা বৃহৎ চালিকা শক্তি। সেয়ে এই খণ্ডটোত অধিক চাকৰি সৃষ্টি কৰিবৰ কাৰণে ৩,৭৯৪ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ঋণ সমৰ্থন, মূলধন, সুত ৰাজসাহায্য আৰু নতুন সৃষ্টিক উৎসাহিত কৰাই হ'ল ইয়াৰ উদ্দেশ্য। বাজেটত নতুন মহিলা কৰ্মীসকলে তেওঁলোকৰ কৰ্মচাৰী ভৱিষ্যনিধিলৈ দিব লগা বৰঙণি হাৰ কম কৰাৰ বিষয়ে ঘোষণা কৰে। এই বৰঙণি হাৰ হ'ব ১২ শতাংশৰ ঠাইত ৮ শতাংশ। কৰ্মবাহিনীত মহিলাসকলৰ অংশগ্ৰহণক উৎসাহিত কৰা তথা তেওঁলোকে ঘৰলৈ অলপ বৰ্দ্ধিত অংকৰ দৰমহাও লৈ যাব পাৰিব। তেনে ব্যৱস্থাৰদ্বাৰা তেওঁলোকক অনুপ্ৰাণিত কৰা— যাতে তেওঁলোকৰ অংশগ্ৰহণে অৰ্থনীতিত এটা ইতিবাচক প্ৰভাৱ পেলাব পাৰে। বিশেষজ্ঞ আৰু উদ্যোগৰ ক্ষেত্ৰত জড়িত থকা প্ৰবীণ লোকসকলে সেইটোকে আশা কৰে। কাৰণ ভাৰতত মহিলা কৰ্মবাহিনীৰ অংশগ্ৰহণৰ হাৰ উৎসাহজনক নহয়। গোলকীয় ৪০ শতাংশৰ বিপৰীতে এই হাৰ হ'ল ২৫ শতাংশৰো তলত।

বিত্ত মন্ত্ৰীয়ে কৃষি খণ্ডত 'উৎপাদনশীল চাকৰিৰ বিষয়েও' উল্লেখ কৰে। তেওঁ কয়, 'আমাৰ গুৰুত্ব প্ৰদানৰ বিষয় হ'ল কৃষক আৰু ভূমিহীন পৰিয়ালৰ বাবে কৃষি তথা অ-কৃষি নিয়োগৰ ক্ষেত্ৰত উৎপাদনশীল আৰু লাভজনক অৱস্থাৰ সৃষ্টি কৰা— যাৰ প্ৰভাৱ অনস্বীকাৰ্য।' অধিক চাকৰি সৃষ্টি কৰিবৰ বাবে স্ব-নিয়োজন আৰু উদ্যোগী মনোভাব গঢ়ি তোলাৰ বিষয়ে বাজেটত উল্লেখ কৰা হয়। ২০১৫ বৰ্ষৰ এপ্ৰিলত প্ৰচলন কৰা 'মুদ্ৰা (এম ইউ ডী আৰ এ) যোজনাই ঋণ হিচাপত ৪.৬ ট্ৰিলিয়ন টকা মঞ্জুৰ কৰাৰ পথ প্ৰশস্ত কৰে। ইয়াৰ ভিতৰত তিনি-চতুৰ্থাংশতকৈ অধিক ঋণৰ হিচাপ-বহী থকা মহিলাসকলে আৰু অসুবিধাগ্ৰস্ত শ্ৰেণীৰ লোকসকলে আধাভাগ অধিকাৰ কৰে। কিন্তু পূৰ্বৰ আটাইকেইটা বছৰৰ লক্ষ্য সফলতাৰে অতিক্ৰম কৰাৰ পাছত২০১৮-১৯ বৰ্ষৰ বাবে মুদ্ৰা যোজনাৰ অধীনত ঋণ প্ৰদানৰ বাবে ৩ ট্ৰিলিয়ন টকা মঞ্জুৰ কৰা হয়। এনে ঋণৰ ধনৰাশিয়ে ক্ষুদ্ৰ উদ্যোগীসকলৰ হাতত থাকিলে চাকৰি সৃষ্টি কৰাত সহায় কৰিব।

বাজেটত কৃষি খণ্ডৰ কাৰণে স্পষ্ট দিশ নিৰূপণ কৰিছে। কৃষিক সৰ্বাত্মক ৰূপত এটা উদ্যোগ হিচাপে গ্ৰহণ কৰা আৱশ্যক, কেৱল কৃষি কৰ্ষণৰ আওতাৰ ভিতৰত ধৰিলেই নহয়। সেয়ে কৃষি নীতি কেৱল উৎপাদনকেন্দ্ৰিক হ'ব নোৱাৰে; ই কৃষিৰ সমগ্ৰ মূল্যাংকন পদ্ধতিক নিশ্চয়েই উৎসাহিত কৰিব লাগিব আৰু সেই পদ্ধতিৰ ভিতৰত আছে— উৎপাদনৰ প্ৰাক্-অৱস্থাৰ পৰা পৰৱৰ্তী কালছোৱাৰ সমগ্ৰ যোগান চক্ৰ আৰু নীতি তৈয়াৰ কৰোঁতাসকলে আলোকপাত কৰিবৰ কাৰণে বিপণন প্ৰয়োজনীয়তা তথা চৰকাৰৰ কাৰ্যসূচীক সাৰ্থক ৰূপদান। কৃষি ব্যৱস্থাৰ কাৰ্যকাৰিতাত ভাৰসাম্য অটুট ৰাখিবলৈ আৰু যি দুৰ্বলতা চকুত পৰে তাক সবল আৰু সক্ষম কৰি তুলিবৰ অৰ্থে যুক্তি-সঙ্গত উপায় সংসাধন আৰু বিপণন আন্তঃগাঁথনিৰ ওপৰত এই বাজেটখনত বিশেষ আলোকপাত কৰা হয়। এই সকলোবোৰ দিশ উপযুক্তভাৱে চোৱা-চিতা কৰিলে নিয়োগ, খেতি চপোৱা কালৰ বিজ্ঞানসন্মত ব্যৱস্থাপনা, শীতলী-কৰণ ব্যৱস্থা আৰু খেতি চপোৱা কালৰ অন্যান্য বিকাশ কাৰ্যক উৎসাহিত কৰিব। ইয়াৰ কেইটামান বৈশিষ্ট্যমূলক পদক্ষেপ হ'ল এনেধৰণৰ—

★ ১০০ কোটি টকাৰো কম উপাৰ্জন কৰা কৃষক উৎপাদন সংগঠনক প্ৰথম পাঁচ বছৰৰ কাৰণে আয়কৰ ৰেহাই দিয়া হয়। খেতি চপোৱাৰ পৰৱৰ্তী কালত মূল্য উত্থান গতিক উৎসাহিত কৰিবৰ কাৰণে এই ব্যৱস্থা। উদ্যান শস্য যোগান চক্ৰত সঠিক মূল্যাংকন পাবৰ বাবে শাখাভিত্তিক কৃষি কৰ্ষণ আৰু বিকাশ।

★ বানপানীৰ সময়ত গ্ৰহণ কৰা কাৰ্যৰ দৰেই সেউজ অভিযান কালত কৃষিৰ বিভিন্ন বিষয়, সংসাধন আদিৰ ওপৰত আলোকপাত কৰিবলৈ গুৰুত্ব আৰোপ। ইয়াৰ বাবে আবণ্টন ধনৰাশিৰ পৰিমাণ হ'ল ৫০০ কোটি টকা। ই গ্ৰাম্য খণ্ডত নিয়োগ সৃষ্টি কৰিব। বিপণন থলীৰ মান উন্নত কৰিবৰ বাবে ২০০০ কোটি টকাৰ কৃষি বিপণন আন্তঃগাঁথনি পুঁজিৰ নিৰ্দ্ধাৰণ। ইয়াৰদ্বাৰাই সেউজ এ এম (গ্ৰাম্য স্তৰৰ বজাৰ আৰু আনুষঙ্গিক আশ্ৰয় কেন্দ্ৰ) স্থাপন কৰা হ'ব।

★ খাৰিফ শস্যৰ বাবে ন্যূনতম সমৰ্থন মূল্য। উৎপাদন মূল্যৰ ১.৫ গুণ হ'ব।

★ পুনৰগঠিত বেম্বো মিছন 'গ্ৰীণ গোল্ড'ৰ প্ৰচলনে খণ্ডটোক সৰ্বাত্মকভাৱে আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব। ইয়াৰ বাবে আবণ্টন পৰিমাণ হ'ল ১,২৯০ কোটি টকা।

★ জলসিঞ্চন বিকাশৰ আবণ্টনৰাশিৰ পৰিমাণ ২,৬০০ কোটি টকালৈ বৃদ্ধি। ৩০ শতাংশতকৈ কম থকা মাটিৰ ৯৬ জিলাত নিশ্চিত জলসিঞ্চনৰ ওপৰত আলোকপাত কৰাৰ লক্ষ্য।

★ মীন আৰু জল কৰ্ষণ আন্তঃগাঁথনি তথা পশুধন আন্তঃগাঁথনি বিকাশ পুঁজিৰ বাবে মুঠ আবণ্টন কৰা ধনৰাশিৰ পৰিমাণ হ'ল ১০,০০০ কোটি টকা।

★ খাদ্য সংসাধন উদ্যোগ মন্ত্ৰণালয়ৰ নিৰ্দ্ধাৰিত ধনৰাশিৰ পৰিমাণ দুগুণ কৰি ১,৪০০ কোটি টকা কৰা হয়। কৃষি সংসাধন বিত্তীয় প্ৰতিষ্ঠানক উৎসাহিত কৰাই হ'ল ইয়াৰ উদ্দেশ্য।

সামৰণিত এইটো ক'ব লাগিব যে বাজেটত আশা কৰা মতেই নিয়োগ উদ্ৰেক, গ্ৰাম্য কৃষি আৰু ক্ষুদ্ৰ, লঘু তথা মজলীয়া উদ্যোগ খণ্ডৰ ওপৰত আলোকপাত কৰিছে। এলানি নীতি ঘোষণাৰ জৰিয়তে কৃষকৰ উপাৰ্জন বৃদ্ধি, স্বাস্থ্য ৰক্ষা ব্যৱস্থাৰ যোগান আৰু ক্ষুদ্ৰ, লঘু তথা মজলীয়া উদ্যোগলৈ ঋণৰ সোঁত যোগান ধৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। লগতে মুদ্ৰা যোজনাৰ অধীনত পুঁজি বিতৰণৰ ব্যৱস্থা উন্নত কৰাৰ সন্দৰ্ভত মনোযোগ দিছে। সেই একেদৰে আন্তঃগাঁথনি খণ্ডত আবণ্টনৰাশিৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। বিত্ত মন্ত্ৰী বেচ আশাবাদী। তেওঁ কয়— 'মই নিশ্চিত আমি যি নতুন ভাৰত গঢ়ি তুলিবলৈ আশা কৰিছোঁ, সেয়া এতিয়া উদ্দীপ্ত হ'ব।' স্বামী বিবেকানন্দৰ উক্তি তেওঁ দোহাৰে— 'তুমি শূন্যত বিলীন হৈ অন্তৰ্দ্ধান হোৱা আৰু তোমাৰ ঠাইত নতুন ভাৰত গঢ়ি উঠিবলৈ দিয়া। হাতত নাঙল লৈ কৃষকৰ কুটীৰৰপৰা সেই ভাৰত জাগি উঠিবলৈ দিয়া, মাছমৰীয়াৰ জুপুৰি ঘৰৰপৰা জাগি উঠিবলৈ দিয়া। খাদ্য সামগ্ৰী বিক্ৰেতা দোকানৰপৰা, ভজা খাদ্য সামগ্ৰী বিক্ৰেতা জুহালৰ কাষৰপৰা জাগি উঠিবলৈ দিয়া। সেই নতুন ভাৰত কাৰখানা, বিপণন কেন্দ্ৰ আৰু বজাৰৰপৰা প্ৰকাশমান হ'বলৈ দিয়া। জোপোহা আৰু অৰণ্যৰপৰা, পৰ্বত-পাহাৰৰপৰা ওলাই আহিবলৈ দিয়া।'

মুঠৰ ওপৰত বিত্ত মন্ত্ৰীয়ে এখন সুন্দৰ বাজেট দাঙি ধৰিছে— য'ত মূল ক্ষেত্ৰবোৰত গুৰুত্ব আৰোপ কৰিছে আৰু তেনে ক্ষেত্ৰবোৰৰ ভিতৰত উল্লেখ্য হ'ল— কৃষি, স্বাস্থ্য ৰক্ষা, শিক্ষাৰ আন্তঃগাঁথনি আৰু গ্ৰাম্য বিকাশ। বিত্তীয় সামৰ্থ্যৰ ওপৰত নিৰন্তৰ আলোকপাত, নিৰ্মাণ খণ্ডক উৎসাহ প্ৰদান, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক সবলীকৰণ, স্বাস্থ্য ৰক্ষা ব্যৱস্থাৰ উন্নীতকৰণ তথা দক্ষতাৰ বিকাশ হ'ল মূল বিষয়— যিবোৰে এই বাজেটত গুৰুত্ব লাভ কৰিছে। একেষাৰতে ক'বলৈ গ'লে বাজেটখনে এটা নতুন তথা বিকশিত দিশৰ পিনে খোজ পেলোৱা ভাৰতৰ ওপৰত প্ৰাধান্যতাৰে আলোকপাত কৰিছে আৰু সেইবোৰে যে ভাৰতীয় অৰ্থনীতিলৈ সবলভাৱে বৰঙণি যোগাব, তাত কোনো সন্দেহ নাই। এইখন বাজেট পৰিক্ষাৰকৈ সেই বাজেট যি লাখ লাখ চাকৰি সৃষ্টি কৰাত সহায় কৰিব আৰু ৮ শতাংশ বৃদ্ধিৰ লক্ষ্য লাভ কৰিব। ❐

---

**(১২ পৃষ্ঠাৰ পৰা)**

প্ৰয়োজনীয়তা হ্ৰাস পাইছে। ই কোনো ধৰণে বুনিয়াদী সপ্ৰতিভতা প্ৰকাশ নকৰে যি এখন 'স্মাৰ্ট' মহানগৰত থকা প্ৰয়োজন।

শক্তি আৰু পৰিবহণৰ মাজতো আন্তঃখণ্ডৰ বিষয়বোৰ আছে। চৰকাৰে এই বিষয়টোত এটা লক্ষণীয় সজাগতা সৃষ্টি কৰিছে। লক্ষণীয় ধন আবণ্টনৰে ৰে'লপথ বৈদ্যুতিকীকৰণত উৎসাহ যোগোৱা হৈছে। সমান্তৰালভাৱে চৰকাৰে ২০৩০ৰ ভিতৰত সকলো পথ বাহন বৈদ্যুতিক বাহনলৈ পৰিৱৰ্তন কৰাৰ লক্ষ্য বান্ধি লৈছে। পথৰ ক্ষেত্ৰত দেখা যায় যে উদ্যোগ খণ্ডই চৰকাৰৰ সৈতে সম্পূৰ্ণৰূপে চুক্তি কৰিছে, এই অনুসৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত বৈদ্যুতিক বাহনৰ প্ৰচলনত গুৰুত্ব দিয়া হৈছে।

**সামৰণি**

শ্ৰীজেইটলিয়ে তেওঁৰ বাজেট ভাষণত উল্লেখ কৰিছে যে ভাৰতবৰ্ষই মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ বাবে ৫০ ত্ৰিলিয়ন টকাতকৈ অধিক বিনিয়োগ, পথ, বিমান, ৰে'ল, জাহাজ আৰু আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ জৰিয়তে দেশৰ সমন্বিত যোগাযোগ আৰু উন্নত মানৰ সেৱা আগবঢ়োৱা প্ৰয়োজন। তেওঁ ঘোষণা কৰে যে চৰকাৰ এই ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু প্ৰয়োজনীয় বিনিয়োগৰ নিশ্চিতি প্ৰদান কৰিব।

প্ৰত্যাহ্বান পৰ্যাপ্ত পৰিমাণৰ নিধিৰ-পৰা অহা নাই। এই ক্ষেত্ৰত সঠিক সময়ত নিশ্চিতভাৱে ৰূপায়ণৰ দিশটোহে চোৱা প্ৰয়োজন। ❐

# মহিলা সবলীকৰণ আৰু বাজেট ২০১৮-১৯

**শ্বাহিন ৰাজি***

এই বছৰৰ বাজেটৰ প্ৰস্তাৱসমূহ প্ৰস্তুত কৰোঁতে আমি ভাৰতীয় অৰ্থনীতিৰ, বিশেষকৈ কৃষি, স্বাস্থ্য, শিক্ষা, কৰ্মসংস্থান, মহিলা, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা আন্তঃগাঁথনি খণ্ডক শক্তিশালী কৰাৰ আমাৰ লক্ষ্যৰ দ্বাৰা প্ৰেৰিত হৈছোঁ। — অৰুণ জেইটলী।

২০১৮-১৯ৰ বাজেটখন ঐতিহাসিক আৰু বৈপ্লৱিক। বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে জনপ্ৰিয়মুখী নোহোৱাকৈ এনে এখন বাজেট উপস্থাপন কৰিলে য'ত নতুন চাকৰিৰ বাবে বিশেষ উৎসাহ প্ৰদান, ২৫ কোটিলৈকে বিক্ৰী কৰা কোম্পানীৰ কৰ্প'ৰেট কৰ ২৫ শতাংশলৈকে হ্ৰাস, সকলো খণ্ডতে ঠিকাভিত্তিক শ্ৰমিকৰ অনুমতিৰে শ্ৰম স্থিতিস্থাপকতা সৃষ্টি, কৃষিৰ উন্নতি, মহিলা সবলীকৰণ আৰু ১০ কোটি দৰিদ্ৰ পৰিয়ালৰ বাবে হাস্পতাল চিকিৎসা আঁচনি যিটো বোধ হয় বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ, আদিৰ ব্যৱস্থা কৰা হৈছে।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শেষৰখন সম্পূৰ্ণ বাজেট হৈছে ভাৰতৰ দৰিদ্ৰ, কৃষক, মহিলা আৰু বঞ্চিত-সকলৰ বাজেট। চৰকাৰে এতিয়া 'ইজ অৱ ডুয়িং বিজনেছ'ৰপৰা দৰিদ্ৰ আৰু বঞ্চিতসকলৰ বাবে 'ইজ অৱ লিভিং'লৈ অগ্ৰসৰ হৈছে। এয়া সংস্কাৰমুখী আৰু প্ৰগতিশীল, আৰু ই এক শক্তিশালী পুনৰুজ্জীৱিত ভাৰতৰ আত্মবিশ্বাসক প্ৰতিফলিত কৰিছে। স্বাধীনতাৰ পৰা, বিশেষকৈ ১৯৯০ৰ পৰা, ভাৰতে মহিলা সবলীকৰণৰ দিশত কাম কৰি আহিছে। চৰকাৰী আৰু বেচৰকাৰী খণ্ড উভয়ে মহিলাৰ শিক্ষা, উন্নত স্বাস্থ্য সেৱা, জীৱিকাৰ অৱকাশ আৰু ঘৰ তথা সমাজৰ সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। কন্যা সন্তানক জীয়াই থকাৰ উন্নত সুযোগ আৰু পৰিপূৰ্ণ জীৱন যাপনৰ সা-সুবিধা প্ৰদানেৰে তেওঁলোকৰ অৱস্থাৰ উন্নতিৰ দিশত বিশেষ মনোযোগ দিয়া হৈছে।

১৯৯৩ চনত হোৱা সংবিধানৰ ৭৩ তম সংশোধনী এই দিশত এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি আছিল। এই সংশোধনীয়ে অনুসূচিত জাতি আৰু জনজাতিৰ বাবে পঞ্চায়ত এলেকাত তেওঁলোকৰ জন-সংখ্যাৰ অনুপাতত আসন সংৰক্ষণৰ দিহা কৰিলে। পঞ্চায়তী ৰাজ সংস্থাসমূহত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ কৰাটো ফলদায়ক হৈছে, ইয়াৰ জৰিয়তে মহিলাসকল ৰাজনৈতিক আৰু সামাজিকভাৱে সবল হৈছে। সম্প্ৰতি ভাৰতত প্ৰায় ২,০০,০০০ পঞ্চায়ত প্ৰতিনিধি আছে যাৰ প্ৰায় ৭৫,০০০ হৈছে মহিলা, প্ৰায় বিশ্বৰ ভিতৰতে নিৰ্বাচিত মহিলাৰ সৰ্বাধিক সংখ্যা।

মোডী চৰকাৰে মহিলা সংৰক্ষণ বিধেয়ক উপস্থাপনৰ বিবেচনা কৰি আছে য'ত লোকসভা আৰু ৰাজ্যিক বিধান সভাসমূহৰ সকলো আসনৰ এক তৃতীয়াংশ মহিলাসকলৰ বাবে সংৰক্ষণ কৰাৰ প্ৰস্তাৱ আছে।

পঞ্চায়ত বা সংসদত যদিও সংৰক্ষণ গুৰুত্বপূৰ্ণ, ঘৰ আৰু সমাজৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাক জড়িত কৰোৱাটোহে প্ৰকৃত প্ৰত্যাহ্বান। নিজৰ দায়িত্ব সঠিকভাৱে ৰূপায়ণ কৰিব পৰাকৈ তেওঁলোকৰ সামৰ্থ্যৰ বিকাশ ঘটোৱাটো হ'ব প্ৰত্যাহ্বানমূলক। কিন্তু স্বাধীনতাৰ অৰ্দ্ধশতিকাৰো অধিক কাল পাছত মহিলাসকলৰ ভৰি বান্ধ খাই আছে টান শিকলিৰে। ইয়াৰ আৰম্ভণি ঘটে জন্মতেই, পঞ্জাব, দিল্লী আৰু হাৰিয়ানাৰ দৰে চহকী ৰাজ্যত। গাঁৱলীয়াৰপৰা অভিজাত নগৰীয়াৰ মাজত কন্যাৰ ভ্ৰূণ হত্যা আৰু লিংগ বৈষম্য ইয়াৰ প্ৰমাণ। এনে অশুভ আৰম্ভণিৰপৰা যৌন নিৰ্যাতন, যৌতুকক লৈ অত্যাচাৰ আৰু মৃত্যু, বৈষম্যমূলক চিকিৎসা, নিম্ন সাক্ষৰতা, কৰ্মস্থলীত বৈষম্য আৰু ঘৰত দমন— এই বেদনাদায়ক জীৱন হৈছে অন্তহীন যাৰ পৰা পলোৱাটোও কঠিন।

সেইবাবেই ভাৰতীয় মহিলাক সবল কৰি তুলিবলৈ ২০১৮-১৯ৰ বাজেটত বিভিন্ন আঁচনিৰ সূচনা কৰা হৈছে—

- প্ৰধান মন্ত্ৰীৰ উজ্বলা আঁচনি, ইয়াৰ অন্তৰ্গত ৫ কোটি এল পি জি সংযোগ দিয়া হৈছে, এতিয়া ইয়াৰ লক্ষ্য হৈছে ৮ কোটি দৰিদ্ৰ মহিলা।

*লিখক শ্বাহিন ৰাজি এজন অৰ্থনীতিবিদ আৰু শিক্ষাবিদ। লগতে তেওঁ U.G.C. Emeritus Fellow।

বাজেটৰ মহিলাকেন্দ্ৰিক গুৰুত্ব দৰিদ্ৰ পৰিয়ালৰ মহিলা সদস্যৰ নামত এল পি জি সংযোগ দিয়াৰ বাবে বিশেষ অভিযানৰ ঘোষণাতে পৰিলক্ষিত হয়।

এই পদক্ষেপৰ জৰিয়তে চৰকাৰে দুটা জটিল সমস্যাৰ সমাধান কৰিব বিচাৰিছে। প্ৰথমে মহিলাৰ স্বাস্থ্য-সংক্ৰান্তীয় সমস্যা দূৰ কৰা, বিশেষকৈ গ্ৰামাঞ্চলৰ সেইসকল মহিলাৰ যি দৈনিক ৰন্ধা-বঢ়াৰ বাবে খৰি, গোৱৰ বা কৃষিজাত অৱশিষ্টৰ দৰে পৰম্পৰাগত জৈৱ সামগ্ৰী ব্যৱহাৰ কৰে আৰু দ্বিতীয়তে, আভ্যন্তৰীণ প্ৰদূষণৰ বৰ্তমানৰ উচ্চ মাত্ৰা হ্ৰাস কৰে।

এই পদক্ষেপে মহিলাক সবল কৰি তুলিব আৰু তেওঁলোকৰ স্বাস্থ্য সুৰক্ষিত কৰিব। ই ৰন্ধা-বঢ়াত লগা কষ্ট আৰু সময় হ্ৰাস কৰিব। লগতে ই ৰন্ধন গেছৰ যোগান প্ৰক্ৰিয়াত গ্ৰামীণ যুৱকৰ কৰ্মসংস্থাপনো দিব।

চৰকাৰী আৰু বিভিন্ন পক্ষৰ অধ্যয়নত প্ৰকাশ পাইছে যে প্ৰতিবছৰে ভাৰতত প্ৰায় ৫ লাখ মৃত্যুৰ বাবে দায়ী হৈছে ঘৰুৱা বায়ু প্ৰদূষণ।

ই ৰন্ধন গেছৰ সাৰ্বজনীন বিস্তাৰ নিশ্চিত কৰিব এনে এখন দেশত য'ত পৰম্পৰাগতভাৱে গেছ ছিলিণ্ডাৰক উচ্চ মধ্যবিত্তৰ বিলাসিতা বুলি বিবেচনা কৰা হৈছে। বিত্ত মন্ত্ৰীয়ে কৈছে যে যদিও ক্ৰমান্বয়ে এই বিলাসিতা মধ্যবিত্তলৈ বিয়পিছে, দৰিদ্ৰই এতিয়াও ৰন্ধন গেছ ঢুকি পোৱা নাই। অৱশ্যে দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালক ৰন্ধন গেছ প্ৰদান কৰা হৈছে।

এতিয়ালৈকে, এই কাম ৰাজ্যিক ইন্ধন যোগানকাৰীৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতা পুঁজিৰপৰা কৰা হৈছিল, দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালক নতুন সংযোগ দিওঁতে কম বিস্তৃতি থকা ৰাজ্যসমূহক প্ৰাধান্য দিয়া হ'ব।

- প্ৰধান মন্ত্ৰীৰ সৌভাগ্য যোজনাৰ অন্তৰ্গত সকলো পৰিয়াললৈ বিদ্যুৎ যোগানৰ বাবে চৰকাৰে ১৬ হাজাৰ কোটি টকা খৰচ কৰিছে।
- নিৰ্ভয়া পুঁজিকে ধৰি মহিলাৰ সুৰক্ষাৰ বাবে ১৯.৭৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে।
- মাৰ্চ ২০১৯লৈকে মহিলা আত্মসহায়ক গোটসমূহক ঋণ প্ৰদান কৰিবলৈ ৭৫,০০০ কোটি টকা যোগান ধৰা হ'ব।
  জৈৱিক খেতিৰ বাবে মহিলা আত্ম-সহায়ক গোটসমূহৰ উদ্যোগবোৰলৈ ঋণ আৰু উৎসাহ প্ৰদান কৰা হ'ব।
- মহিলাসকলে বেংকত ২.২৫%ৰ পৰা ২.৫%লৈ সুদৰ হাৰত সোণ জমা থ'ব পৰাকৈ এখন নতুন ঋণ আঁচনি সোনকালেই প্ৰযোজ্য হ'ব।
- মহিলা চাকৰিয়ালৰ ই পি এফ ১২%ৰ পৰা ৮%লৈ প্ৰথম তিনি বছৰৰ বাবে হ্ৰাস কৰা হৈছে। নিয়োগকাৰীৰ অৰিহণাত কোনো সাল-সলনি নহয়।
- মহিলা চাকৰিয়ালক সম্পূৰ্ণ বেতন-সহ ৬ মাহৰ মাতৃত্ব ছুটী প্ৰদান কৰা হ'ব। কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে সকলো মন্ত্ৰণালয় আৰু বিভাগক নিৰ্দেশ দিছে যাতে ভাৰাতীয়া গৰ্ভৰ দ্বাৰা সন্তান লাভ কৰা মহিলা চাকৰিয়ালেও মাতৃত্ব ছুটী অনুমোদন কৰিবলৈ দিল্লী উচ্চ ন্যায়ালয় ২০১৫ৰ আদেশ পালন কৰা হয়। এই ছুটীয়ে প্ৰসৱৰ আগৰ আৰু পাছৰ সময়ছোৱাক সামৰি ল'ব।
- ৰাষ্ট্ৰীয় মহিলা আয়োগৰ বাবে ২৪ কোটি টকাৰ অনুমোদন জনোৱা হৈছে।
- স্বচ্ছ ভাৰত অভিযানৰ অন্তৰ্গত ২ কোটি নতুন শৌচালয় নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত মহিলাৰ সন্মান, ছোৱালীৰ শিক্ষা আৰু পৰিয়ালৰ সামগ্ৰিক স্বাস্থ্যত যোগাত্মক প্ৰভাৱ পৰিব।
- 'বেটী বচাও বেটী পঢ়াও' কাৰ্যসূচীৰ বাবে ২৮০ কোটি টকা যোগান ধৰা হৈছে। ছোৱালীবোৰৰ বাবে থকা কল্যাণ-মূলক সেৱাৰ দক্ষতা বৃদ্ধি আৰু সজাগতা সৃষ্টিৰ লক্ষ্যেৰে ভাৰত চৰকাৰৰ অন্যতম সামাজিক অভিযান হৈছে 'বেটী বচাও বেটী পঢ়াও'। আৰম্ভণিতে ১০০ কোটি টকাৰে এই আঁচনিৰ সূচনা কৰা হৈছে। নিৰক্ষৰতা, অসমতা, যৌন নিৰ্যাতন আৰু কন্যা ভ্ৰূণ হত্যাৰ দৰে সমস্যাৰ সঠিক-ভাৱে নিৰাময় নকৰালৈকে মহিলাৰ উত্তৰণ প্ৰায় অসম্ভৱ।

'বেটী বচাও বেটী পঢ়াও' মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়, মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় আৰু স্বাস্থ্য আৰু পৰিয়াল মন্ত্ৰণালয়ৰ সমূহীয়া পদক্ষেপ আৰু ই ভাৰতৰ আটাইবোৰ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক সামৰি লৈছে। এই ধ্বজাবাহী আঁচনি ২০১৫ত আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ তিনিটা প্ৰাথমিক উদ্দেশ্য হৈছে—

- কন্যা ভ্ৰূণ হত্যা প্ৰতিৰোধ কৰা।
- প্ৰতিজনী কন্যা সন্তান নিৰাপদ আৰু সুৰক্ষিত হ'ব পৰাকৈ নতুন আঁচনি প্ৰস্তুত কৰা আৰু সমূহীয়াভাৱে কাম কৰা।
- প্ৰত্যেক শিশুৱে গুণগত শিক্ষা পোৱাটো সু-নিশ্চিত কৰা।
- সুকন্যা সমৃদ্ধি যোজনা হৈছে ভাৰত চৰকাৰৰ 'বেটী বচাও বেটী পঢ়াও' অভিযানৰ অংশ স্বৰূপে কন্যা সন্তানৰ বাবে এক ক্ষুদ্ৰ সঞ্চয়

**(৬৬ পৃষ্ঠাত চাওক)**

# ব্লেকবোৰ্ডৰপৰা ডিজিটেল বোৰ্ডলৈ বাজেট আৰু শিক্ষা খণ্ডত ইয়াৰ পৰিণাম

**কিৰণ ভাট্টী***

প্ৰতি বছৰে বাজেট ঘোষণাৰ আগে পিছে সম্ভাব্য পৰিণাম সম্পৰ্কীয় সংশয় আৰু প্ৰত্যাশাৰে বাট চাই থকা হয়। যদিও বৃহৎ কিবা নীতিগত ঘোষণা বাজেটত সাধাৰণতে কৰা নহয়, তথাপি ইংগিতবোৰলৈ ৰাইজে বাট চায়। পৰৱৰ্তী সাধাৰণ নিৰ্বাচনৰ পূৰ্বে এইখনেই যিহেতু অন্তিমখন বাজেট, সেয়ে ৰাইজে ভাবিছিল যে চৰকাৰে এক জনপ্ৰিয় ৰণকৌশল অৱলম্বন কৰিব আৰু পুনৰুত্থান তথা সাহায্যৰ প্ৰয়োজন থকা সমাজৰ বিশেষ কিছু শ্ৰেণীৰ বাবে অলপ ৰেহাইৰ দিহা কৰিব। সেয়ে এইবাৰৰ বাজেটত কৃষি আৰু গ্ৰামীণ খণ্ডক অধিক গুৰুত্ব দিয়াক লৈ কোনো আচৰিত হ'ব লগা কথা নাছিল।

অৱশ্যে আগৰবাৰৰ তুলনাত এইবাৰ বিত্তমন্ত্ৰীৰ ভাষণত শিক্ষা খণ্ডক অত্যধিক প্ৰাধান্য দিয়াটো আশ্চৰ্যজনক। আশ্চৰ্য এইবাবেই যে যোৱাবাৰ তেওঁৰ ভাষণত শিক্ষাৰ নামমাত্ৰহে উল্লেখ আছিল, আৰু দল নিৰ্বিশেষে নিৰ্বাচনৰ পাছত নিৰ্বাচনত জনপ্ৰিয়তাৰ তালিকাত শিক্ষাক এক সফল বিষয়বস্তু ৰূপে অন্তৰ্ভুক্ত কৰা হোৱা নাই। সেয়ে এইবাৰ শিক্ষা খণ্ডৰ অগ্ৰাধিকাৰৰ লগতে গ্ৰামীণ অৰ্থনীতিৰ সুদৃঢ়কৰণ, আন্তঃগাঁথনিৰ সৃষ্টি আৰু জ্যেষ্ঠ নাগৰিকৰ প্ৰতি সহায়ে অগ্ৰাধিকাৰ লাভ কৰাটো হৃদয়স্পৰ্শী কথা বুলি ক'ব পাৰি। আনকি এইবাৰ অইন কেইবাৰতকৈ শিক্ষানীতিৰ দিক্ নিৰ্দেশনা সম্পৰ্কেও এক স্পষ্ট ধাৰণা এই বাজেটে দাঙি ধৰিব পাৰিছে।

শিক্ষাখণ্ডৰ এতিয়া মূল আলোচিত বিষয়ে হৈছে গুণগত মান আৰু ইয়াৰ বাবে প্ৰয়োজন হোৱা আহিলাসমূহ আৰু সেই দিশতে বাজেটত গুৰুত্ব প্ৰদান কৰা হৈছে। এয়া মূলতঃ দুটা ঘোষণাৰ আকাৰত প্ৰকাশ পাইছে। প্ৰথমটো হৈছে ব্লেকবোৰ্ডৰপৰা ডিজিটেল বোৰ্ডলৈ লোৱা পদক্ষেপৰ দৰে চৰকাৰৰ আটাইবোৰ পদক্ষেপৰে মূল চালিকা-শক্তি হ'ব প্ৰযুক্তি, আৰু দ্বিতীয়টো হৈছে প্ৰাথমিকৰ-পৰা মাধ্যমিকলৈ ধাৰাবাহিকতাৰ ক্ষেত্ৰত শিক্ষাৰ প্ৰতি চৰকাৰে এটা সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰিব। এই দুয়োটা নীতিগত পৰিমাণকে দৰাচলতে বাজেটৰ ঠিক পূৰ্বৰে পৰা সংবাদ শিৰোণাম দখল কৰিছিল। যোৱা চী এ বী ই সমিতিৰ সভাত অপাৰেশ্বন ডিজিটেল বোৰ্ড ঘোষণা কৰা হৈছিল, আৰু সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (শিক্ষক প্ৰশিক্ষণ কাৰ্যক্ৰম-সমূহকে ধৰি) মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে অৱধাৰণাপত্ৰ প্ৰস্তুত কৰিছিল। তদুপৰি নেশ্বনেল এচিচভমেণ্ট ছাৰ্ভেৰ (NAS) পৰিণামৰ ভিত্তিত জিলা পৰ্যায়ৰ নীতি নিৰ্দ্ধাৰণৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা আৰু শিক্ষকৰ শিক্ষণ প্ৰশিক্ষণৰ দিহা কৰা আদি ক্ষেত্ৰত গুণমানৰ উন্নয়নৰ বিষয়টো আঙুলিওৱা হৈছে। আন আন উল্লেখনীয় দিশসমূহ হৈছে নৱোদয় বিদ্যালয়ৰ আৰ্হিত জনজাতীয় অঞ্চলসমূহত আৱাসিক বিদ্যালয় স্থাপন আৰু পৰৱৰ্তী চাৰি বছৰত এক লাখ কোটি টকা পৰ্যন্ত পুঁজিৰ উদ্ভাৱন আৰু গৱেষণাৰ বাবে ধন বিনিয়োগ। নিঃসন্দেহে এই প্ৰতিটো ঘোষণাই আদৰণীয়। য'তেই সম্ভৱ শিক্ষা খণ্ডৰ স্বাৰ্থত প্ৰযুক্তিৰ প্ৰয়োগ হোৱা উচিত; শিক্ষাৰ ক্ষেত্ৰত এটা সামগ্ৰিক দৃষ্টিভংগী ল'লে এই বিভিন্ন স্তৰৰ মাজত এটা সামঞ্জস্য সৃষ্টি হ'ব, লগতে আমোলাতন্ত্ৰ আৰু বাজেটৰ মাজত সমন্বয় স্থাপন কৰিব, শিক্ষক আৰু তেওঁলোকৰ প্ৰশিক্ষণত বিনিয়োগৰ দিহা কৰিব, সুপৰিকল্পিতভাৱে কৰিব পাৰিলে শ্ৰেণীকোঠাৰ মানত ইয়াৰ এটা প্ৰত্যক্ষ প্ৰভাৱ পৰিব, শিক্ষণৰ স্তৰৰ নিয়মীয়া মূল্যায়নৰ বাবে জিলা পৰ্যায়ৰ 'কৃতিত্ব পৰীক্ষা'ক ভিত্তিৰূপে ল'ব পৰা হ'ব, মান অক্ষুণ্ণ ৰখা নীতিৰ বাবে গৱেষণা আৰু উদ্ভাৱনত বিনিয়োগ গুৰুত্বপূৰ্ণ উপাদান হ'ব আৰু জনজাতীয় অঞ্চললৈ মান-সম্পন্ন শিক্ষা সম্প্ৰসাৰণৰ প্ৰয়োজনে স্বীকৃতি লাভ কৰিব। দুভাৰ্গ্যক্ৰমে এই ঘোষণা আৰু ইয়াৰ আঁৰৰ সৎ উদ্দেশ্যৰ লগত খাপ খোৱাকৈ যথাযথ বিত্তীয় আবণ্টনৰ ব্যৱস্থা কৰা হোৱা নাই। এই অৱধাৰণাসমূহ বাস্তৱায়িত কৰাৰ বাবে বাজেটতো কোনো ইংগিত দিয়া হোৱা নাই।

যদিও যোৱা বছৰৰ ২৮,২৫৫কোটি টকাৰ তুলনাত ৩০০০ কোটি বৃদ্ধিৰে

*লিখিকা শ্ৰীমতী কিৰণ ভাট্টী ছেণ্টাৰ ফৰ্ পলিছি ৰিছাৰ্চৰ ছিনিয়ৰ ফেল'। বৰ্ডিয়া কমিটীৰ দৰে কেইবাখনো ৰাষ্ট্ৰীয় কমিটীৰ তেওঁ সদস্য।

এইবাৰ ৩১,২১২ কোটিৰে ৰাষ্ট্ৰীয় শিক্ষা অভিযানৰ বাজেট ধাৰ্য কৰা হৈছে, বাজেট ভাষণত ঘোষিত উচ্চাকাংক্ষী পৰিকল্পনাসমূহৰ বাবে এয়া পৰ্যাপ্ত নহয় যেন পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে অপাৰেশ্বন ডিজিটেল বোৰ্ডৰ যোগেদি শ্ৰেণীকোঠাত শিক্ষাৰ ডিজিটেলকৰণৰ বাবে প্ৰথমে বুনিয়াদী আন্তঃগাঁথনিৰ বিস্তৃত উত্তৰণৰ প্ৰয়োজন। বৰ্তমান যিহেতু কেৱল ৬২ শতাংশ বিদ্যালয়তহে বিদ্যুৎ সংযোগ আছে, মাত্ৰ ২৪ শতাংশতহে কাৰ্যক্ষম কম্পিউটাৰ আছে আৰু মাত্ৰ ৯ শতাংশতহে বিদ্যুৎ সংযোগ আৰু কাৰ্যক্ষম কম্পিউটাৰ দুয়োটা আছে DISE, ২০১৫-১৬। এই তথ্যত এই কথাটো সাঙুৰা হোৱাই নাই যে লাখ লাখ শিশু এতিয়াও বিদ্যালয়ৰ বাহিৰত (MHRD-ৰ মতে ৬ নিযুত আৰু NSS-ৰ মতে ২০ নিযুত), অৰ্থাৎ তেওঁলোকক বিদ্যালয়লৈ আনিবৰ বাবে আৰু অধিক আন্তঃগাঁথনিগত বিনিয়োগৰ প্ৰয়োজন হ'ব। এতিয়ালৈকে গ্ৰাম্য বৈদ্যুতিকৰণ অভিযানে বিদ্যালয়ক সাঙুৰি লোৱা নাই আৰু সেয়া নোহোৱালৈকে অপাৰেশ্বন ডিজিটেল বোৰ্ড সাৰ্থক হৈ উঠিব বুলি ক'ব নোৱাৰি। বিদ্যালয়ৰ শিক্ষা বাজেট নথিয়ে এই অভিযানৰ পুঁজি সন্দৰ্ভত একো সুনিশ্চিত উল্লেখ কৰা নাই। বৰঞ্চ ডিজিটেল ইণ্ডিয়া ই-শিক্ষাৰ বাজেট এই বছৰ ৫১৮ কোটিৰ পৰা ৪৫৬ কোটিলৈ হ্ৰাসহে পাইছে।

একেদৰে যদিও শিক্ষকৰ শিক্ষণত গুৰুত্ব দিয়া হৈছে, অথচ মদন মোহন মালৱীয় ৰাষ্ট্ৰীয় শিক্ষক আৰু প্ৰশিক্ষণ অভিযানৰ বাবে বাজেট যোৱা বছৰ আবণ্টিত ১২০ কোটিৰ সমানেই ৰৈছে। অৱশ্যে শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰাৰ উদ্দেশ্যত বাজেট সাহায্যত ৭০ কোটি বৃদ্ধি কৰা হৈছে, কিন্তু প্ৰায় ৪০ কোটি টকাৰে ভাষা শিক্ষক নিযুক্তিতে সেয়া ব্যয় হ'ব যেন লাগিছে (পৃষ্ঠা ১৮৮ দফা ২০)। সাধাৰণতে শিক্ষকৰ যি সাংঘাতিক অভাৱ, সেই ক্ষেত্ৰত এই পুঁজি বিশেষ কামত নাহে, বৰঞ্চ ভাষা শিক্ষকৰ প্ৰয়োজন থকা জনজাতীয় অঞ্চলতহে ব্যৱহাৰ হ'ব। শিক্ষকৰ যথোপযুক্ত প্ৰশিক্ষণ যে গুণগত মানৰ অত্যন্ত গুৰুত্বপূৰ্ণ উপাদান, সেয়া অনস্বীকাৰ্য, তথাপি এয়া শিক্ষক নিযুক্তিৰ বিনিময়ত হোৱা উচিত, বিশেষকৈ এনে এটা পৰিস্থিতিত য'ত শিক্ষকৰ সাংঘাতিক অভাৱৰ ফলত ইতিমধ্যে গুণগত সংকট গুৰুতৰ হৈ উঠিছে। প্ৰাথমিক বিদ্যালয়সমূহৰ ১১.৫ শতাংশ আৰু সকলোস্তৰৰ বিদ্যালয়সমূহৰ ৭.৫ শতাংশই য'ত একক শিক্ষক বিদ্যালয়, আৰু চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সংখ্যা য'ত গড়ে ৪.৩ আৰু এয়া প্ৰতি শ্ৰেণীত এজনকৈ শিক্ষকৰ পূৰ্ণাংগ ৰূপতকৈ যথেষ্ট কম, তেনে ক্ষেত্ৰত বুনিয়াদী শিক্ষাৰ এই দিশটো চিন্তনীয় বিষয়। ইয়ে গুণগত মান বুলিলে আমি যি বুজোঁ তাক লৈয়ো গুৰুত্বপূৰ্ণ প্ৰশ্ন অৱতাৰণা কৰে। পৰ্যাপ্ত সংখ্যক শিক্ষক অবিহনে মান উন্নীত কৰিব পাৰিনে? অপাৰেশ্বন ডিজিটেল বোৰ্ডত শিক্ষকবিহীন শ্ৰেণীকোঠা থাকিব নেকি?

নৱোদয় বিদ্যালয়ৰ আৰ্হিৰে জনজাতীয় অঞ্চলত বিশেষ বিদ্যালয় স্থাপন সন্দৰ্ভত মন্ত্ৰীয়ে কোৱা কথাখিনিৰ ক্ষেত্ৰতো ক'ব পাৰি যে শিক্ষা বাজেটত সেই সম্পৰ্কীয় আবণ্টন দৃষ্টিগোচৰ হোৱা নাই যদিও জনজাতীয় পৰিক্ৰমা বাজেটৰ অধীনত একলব্য বিদ্যালয়ৰ বাজেটত বৃদ্ধি পৰিলক্ষিত হৈছে। শিক্ষাৰ প্ৰতি এটা সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণৰ চৰকাৰী পৰিকল্পনাৰ পৰা এয়া বিচ্যুতি। প্ৰকৃতাৰ্থত এম এইছ আৰ ডী বা ৰাজ্যিক শিক্ষা বিভাগ আৰু সামাজিক ন্যায় আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰণালয় বা বিভাগ সমূহৰ মাজত দায়িত্বৰ বিতৰণ সমালোচিত হৈছে এই প্ৰশাসনৰ দ্বৈত ব্যৱস্থা গ্ৰহণৰ কাৰণতে। জনজাতীয় পৰিক্ৰমা বিভাগত শিক্ষাৰ বাবে বিশেষজ্ঞ সুলভ জ্ঞানৰ অভাৱ তদুপৰি সমস্ত শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনৰ একমাত্ৰ কৰ্তৃত্ব শিক্ষা বিভাগৰহে। এই বৈপৰীত্যই শিক্ষা কাৰ্য আগুৱাই নিয়াত জনজাতীয় পৰিক্ৰমা বিভাগক যথেষ্টখিনি বাধাগ্ৰস্ত কৰিছে। ভাষণ আৰু বিতৰণ কৰা নথিপত্ৰত প্ৰতিফলিত হোৱাৰ দৰে শৈক্ষিক আঁচনিসমূহৰ সংযুক্তকৰণৰ ধাৰণাটো আটাইবোৰ বিদ্যালয়লৈ সম্প্ৰসাৰণ কৰাটো জৰুৰী —বিশেষকৈ দুৰ্বল জনসাধাৰণৰ বাবে স্থাপিত বিদ্যালয়লৈ যাতে তেওঁলোকেও ইয়াৰ পৰা লাভ আহৰণ কৰিব পাৰে। জনজাতি পৰিক্ৰমা বিভাগৰদ্বাৰা পৰিচালিত আশ্ৰম স্কুলসমূহে পোৱা বৈষম্যমূলক সঁহাৰি অব্যাহত নথকাটো আৰু একলব্য বিদ্যালয়সমূহলৈ সেয়া পুনৰাবৃত্তি নোহোৱাটো জৰুৰী। মানৱ সম্পদ উন্নয়ন বিভাগ আৰু ৰাজ্যৰ শিক্ষা বিভাগসমূহৰ একে প্ৰশাসন আৰু এক্তিয়াৰলৈ আটাইবোৰ বিদ্যালয়ক অনাটোক সামগ্ৰিক দৃষ্টিভংগীৰ ধাৰণাত সন্নিৱিষ্ট কৰাৰ সময় আহি পৰিছে। দুৰ্ভাগ্যক্ৰমে বাজেটৰ নথিপত্ৰত এই সামগ্ৰিক ধাৰণাৰ কোনো ধৰণৰ প্ৰতিফলন ঘটা নাই। উদাহৰণ স্বৰূপে সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰু শিক্ষক প্ৰশিক্ষণৰ বাবে আবণ্টন পৃথক পৃথকেই হৈ আছে। সৰ্বশিক্ষা অভিযানৰ বাবে যোৱা বছৰৰ ২৩,৫০০ কোটি টকাৰপৰা এই বছৰ ২৬,১২৮ কোটি টকালৈ সামান্য বৃদ্ধি কৰা হৈছে আৰু আৰ এম এছ এৰ বাবে

৩,৯১৫ কোটিৰ পৰা ৪,৯১৩ কোটিলৈ বৃদ্ধি কৰা হৈছে। এইবোৰ জানো ৰাজ্যসমূহে একলগ কৰিব আৰু সমূহীয়াভাৱে খৰচ কৰিব? বিভিন্ন কাৰ্যসূচীৰ বাবে এইবোৰ কেনেদৰে আৱণ্টন কৰা যাব? সৰ্বশিক্ষা অভিযান আৰু আৰ এম এছ এৰ গাঁথনিত কেনে ধৰণৰ পৰিৱৰ্তন কৰা হ'ব— এই প্ৰশ্নবোৰৰ এতিয়ালৈকে কোনো উত্তৰ নাই। সেয়ে গুণমানৰ ক্ষেত্ৰত এই ধাৰণাৰ সামগ্ৰিক প্ৰভাৱ সম্পৰ্কে এতিয়াই নিশ্চিতভাৱে ক'ব নোৱাৰি। পৰিকল্পিত একত্ৰিতকৰণৰ ৰূপৰেখাৰ ওপৰত নিৰ্ভৰ কৰিব।

পৰৱৰ্তী চাৰি বছৰত গৱেষণা আৰু উদ্ভাৱনৰ বাবে ১ লাখ কোটিৰ খৰচৰ ঘোষণা আদৰণীয়, অৱশ্যে এয়া বোধ হয় উচ্চাকাংক্ষী, যিহেতু এইবাৰৰ আৱণ্টনত ইয়াৰ প্ৰতিফলন ঘটা নাই। এই বছৰ মাত্ৰ ৩৫০ কোটিহে দিয়া হৈছে—যোৱা বছৰৰ ৩১৯ কোটিতকৈ ৪৫ কোটি বেছি। অৰ্থাৎ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ হ'লে পৰৱৰ্তী ৩ বছৰত বাজেটৰ আকাৰ বহু বেছি সম্প্ৰসাৰণ কৰাটো জৰুৰী হৈ পৰিব।

বাজেট ভাষণত উল্লেখ কৰা গুণগত মানৰ আন আন উপাদান, যেনে—শিক্ষাৰ পৰিণাম উন্নীতকৰণৰ বাবে ভিত্তি প্ৰস্তুতি কৰা নেশ্বনেল এচিভমেণ্ট ছাৰ্ভেৰ বাবে বাজেটত স্পষ্টকৈ উল্লেখ নাই আৰু সেয়ে বিত্তীয় প্ৰতিবেদনত এইবোৰৰ অনুপস্থিতিয়ে কাৰো চকু কপালত তোলাৰ প্ৰয়োজন নাই। অৱশ্যে শিক্ষাৰ স্তৰ উন্নীতকৰণৰ বাবে জিলা পৰ্যায়ৰ পৰিকল্পনা গ্ৰহণৰ বাবে বিনিয়োগৰ প্ৰয়োজন হ'ব, যিয়ে প্ৰয়োজনসাপেক্ষে সঠিকভাৱে সঁহাৰি দিব পৰা ব্যৱস্থাকে আদি কৰি শিক্ষণ প্ৰক্ৰিয়াৰ সামগ্ৰিকভাৱে নিৰীক্ষণ কৰিব পাৰিব। এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ জিলা আৰু মহকুমা পৰ্যায়ৰ প্ৰশাসন কিদৰে প্ৰস্তুত হৈ উঠিব পাৰে সেয়া মন কৰিব লগীয়া হ'ব। ইয়াৰ বাবে কিছু বিত্তীয় কথাও জড়িত হৈ থাকিব। পৰৱৰ্তী বছৰৰ বাজেটে সেয়া হয়তো সামৰি ল'ব পাৰিব।

এই বছৰৰ বাজেটৰ গুৰুত্বপূৰ্ণ বাৰ্তাটো সেয়ে হৈছে ভাষণত শিক্ষাক দিয়া প্ৰাধান্য। ইংগিতেৰে বহু কথা কোৱা হৈছে। অৱশ্যে এই বছৰৰ বিত্তীয় আৱণ্টনত এই প্ৰাধান্যৰ প্ৰকৃতাৰ্থত প্ৰতিফলন দেখা পোৱা নাযায়। যিখিনি কোৱা হৈছে পুঁজিৰ আৱণ্টনৰ সৈতে তাৰ মিল নাই বা ক'ৰপৰা পুঁজি আহিব তাৰো ইংগিত নাই। ইয়াৰ ফলত এটা জৰুৰী প্ৰশ্ন উত্থাপন কৰিব পাৰি : চৰকাৰে তেনেহ'লে বাজেট বহিৰ্ভূত বা ব্যক্তিগত পুঁজিৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰিকল্পনা কৰিছে নেকি? ৰাজহুৱা শিক্ষাৰ ভৱিষ্যতত ইয়াৰ বৃহৎ প্ৰভাৱ পৰিব আৰু সেয়ে ৰাজহুৱা প্ৰেক্ষাপটত এই সম্পৰ্কে বিস্তৃত আলোচনা হোৱাটো জৰুৰী।

শিক্ষাৰ মান উন্নীতকৰণৰ চালিকা শক্তিৰূপে প্ৰযুক্তিৰ প্ৰয়োগো এটা নতুন ধাৰণাই, যাক প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱৰ লগতে শিক্ষণ প্ৰক্ৰিয়াত পৰিব পৰা প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত আৰু বেছি উন্মুক্ত কৰাৰ প্ৰয়োজন আছে। এই খণ্ডৰ আনুষংগিক গভীৰ প্ৰতিষ্ঠানিক সমস্যাসমূহক কাষৰীয়া কৰাৰ বাবে প্ৰযুক্তি এটা সুবিধাজনক উপায় হৈ পৰা নাইতো? চৰকাৰে তাৎক্ষণিক সমাধানলৈ মন দিছে নেকি আৰু শিক্ষাৰ অৱনমিত স্তৰ তথা নিম্ন মানৰ কাৰণৰূপে দীৰ্ঘ দিনৰপৰা স্বীকৃত ৰূপায়ণ সম্পৰ্কীয় ব্যৰ্থতাবোৰৰ বৃহত্তৰ বিষয়বোৰক আওকাণ কৰিছে নেকি? ❐

**(৬৩ পৃষ্ঠাৰ পৰা)**

আঁচনি। এয়া কন্যা সন্তানৰ বাবে বিশেষভাৱে আছুতীয়াকৈ প্ৰস্তুত কৰা হৈছে। এই আঁচনিৰ উদ্দেশ্য হৈছে কন্যা সন্তানৰ শৈক্ষিক আৰু বৈবাহিক খৰচৰ ব্যৱস্থা কৰা। এই আঁচনিত ৯.১% কৰবিহীন সুদৰ চক্ৰবৃদ্ধি হাৰত যোগান ধৰা হয়। কন্যা শিশুৰ নামত আইনগত অভিভাৱক/জৈৱিক অভিভাৱকে একাউণ্ট খুলিব পাৰে। ২১ বছৰ সম্পূৰ্ণ হ'লে বন্ধ কৰিব পাৰি। কন্যাৰ বিবাহ হ'লে ১৮ বছৰ সম্পূৰ্ণ হ'লেও নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বেই একাউণ্ট বন্ধ কৰিব পাৰি।

জনতাক সজাগ কৰিবলৈ মহিলা সজাগ হোৱাটো জৰুৰী। তেওঁলোক আগবাঢ়িলে পৰিয়াল আগবাঢ়ে, গাঁও আগবাঢ়ে, ৰাষ্ট্ৰ আগবাঢ়ে। সেয়ে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সূচনা কৰা মহিলা সবলীকৰণ কাৰ্যসূচী হৈছে শিক্ষাৰ জৰিয়তে কন্যা সবলীকৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

২০১৮ৰ বাজেট হৈছে ভাৰতৰ ৰূপান্তৰমুখী পথনিৰ্দেশক। সামাজিক খণ্ডক কেন্দ্ৰস্থললৈ অনা এয়া স্বাধীন ভাৰতৰ প্ৰথমখন বাজেট। বিত্ত মন্ত্ৰীয়ে ভাৰতীয় অৰ্থনীতিৰ কেতবোৰ জ্বলন্ত প্ৰত্যাহ্বানৰ সমাধানত গুৰুত্ব দিছে, যেনে— গুণগত চিকিৎসা সেৱা আৰু শিক্ষাৰ সুযোগৰ সম্প্ৰসাৰণ, মহিলা সবলীকৰণ, কৃষিৰ বিকাশ আৰু কৰ্মসংস্থান সৃষ্টি।

২০১৮-১৯ৰ বাজেটৰ লক্ষ্য হৈছে দ্ৰুত আৰ্থিক বিকাশ সুনিশ্চিত কৰা। আৰু মহিলাৰ সবলীকৰণ আৰু লিংগ বৈষম্য আঁতৰ কৰাতকৈ বিকাশৰ অধিক প্ৰভাৱশালী আহিলা আন কি হ'ব পাৰে। ❐

আপুনি জানেনে

# স্বৰ্ণ মুদ্ৰা ৰূপে প্ৰচলন আঁচনি

২০১৮-১৯ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিত্ত মন্ত্ৰীয়ে কয় যে চৰকাৰে মূল্যবান ধাতু সোণ এটা সম্পদৰ শ্ৰেণীতুল্য কৰি বিকাশ কৰিবলৈ এটা সৰ্বাত্মক স্বৰ্ণ মুদ্ৰা আঁচনি গঠন কৰিব। স্বৰ্ণ মুদ্ৰা আঁচনিয়ে জনসাধাৰণক এটা অসুবিধামুক্ত স্বৰ্ণ জমা একাউণ্ট খুলিবলৈ সমৰ্থৱান কৰাৰ বাবে অধিক উন্নত কৰা হ'ব। চৰকাৰে দেশত নিয়ন্ত্ৰিত স্বৰ্ণ বিনিময় বেঙ্কৰ বাবে গ্ৰাহক মিত্ৰ আৰু বাণিজ্য দক্ষ ব্যৱস্থা গ্ৰহণ কৰিব। স্বৰ্ণ বিনিময় হ'ল অতি বৃত্তিগত আৰু স্বচ্ছভাৱে স্বৰ্ণ ব্যৱস্থাপনাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টা। ই স্বৰ্ণ বাণিজ্যৰ মধ্যস্থতাকাৰী নিৰ্মূল কৰাৰ উপৰি উদ্যোগটো বেছ পৰিপক্ক আৰু ডিজিটেলভাৱে আগবঢ়া হোৱাত নিশ্চয় সহায় কৰিব। গ্ৰাম্য ভাৰতত এজন ব্যৱসায়ীৰদ্বাৰা ধাতুবিধৰ উৎপত্তি কৰাৰ বাবে সহজ আৰু ৰূপায়ণসাধ্য হ'ব। এই গ্ৰাম্য খণ্ডত ভাৰতীয় স্বৰ্ণ ব্যৱহাৰৰ পৰিমাণ হ'ল ৬৫ শতাংশৰো অধিক। মধ্যভোগীয়ে কৰা এটা বুজন পৰিমাণৰ হিচাপ বহিৰ্ভূত নগদ ধনৰ লেনদেন এতিয়া অতীত হৈ পৰিব।

স্বৰ্ণক মুদ্ৰাৰূপে প্ৰচলন আঁচনিখন কেন্দ্ৰীয় চৰকাৰে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাজেটত প্ৰৱৰ্তন কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল ভাৰতৰ পৰিয়ালবোৰত থকা সোণৰ সুৰক্ষাৰ লগতে উৎপাদনশীল কামত ব্যৱহাৰ কৰা। ইয়াৰ বৃহৎ উদ্দেশ্য আছিল দেশৰ ঘৰুৱা চাহিদা হ্ৰাস কৰি স্বৰ্ণ আমদানি হ্ৰাস কৰা। ঘটনাক্ৰমে চীনৰ পিছতেই ভাৰত হ'ল বিশ্বৰ দ্বিতীয় বৃহৎ সোণ ব্যৱহাৰ কৰা দেশ।

স্বৰ্ণ মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা আঁচনিয়ে স্বৰ্ণ জমাকাৰীলৈ ধাতু একাউণ্টৰ বাবে সুদৰ সুবিধা আগবঢ়ায়। এবাৰ এই একাউণ্টত ধাতু জমা হ'লে ইয়াৰপৰা সুদ লাভ কৰা আৰম্ভ হয়।

স্বৰ্ণ মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা আঁচনিৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

**সোণৰ সহজ মজুতকৰণ বা সঞ্চয় ঃ**

এই আঁচনিয়ে স্বৰ্ণ মজুতকৰণৰ ক্ষেত্ৰত সুৰক্ষা আগবঢ়োৱাৰ লগতে আঁচনিখনৰ কাল সম্পূৰ্ণ হ'লে গৰাকীলৈ ধনৰ ৰূপত বা কায়িক স্বৰ্ণ ঘূৰাই দিয়ে। পৰম্পৰাগতভাৱে ভাৰতীয়সকলে তেওঁলোকৰ মূল্যৱান ধাতুবিধ বেংকৰ লকাৰত ৰাখে আৰু এই সেৱা গ্ৰহণ কৰাৰ বাবে বেংকক এটা বছৰেকীয়া মাচুল পৰিশোধ কৰে। এই স্বৰ্ণ তেওঁলোকে বিবাহ অনুষ্ঠান বা পৰিয়ালৰ আন কিছুমান অনুষ্ঠানত পিন্ধাৰ উদ্দেশ্যেহে গ্ৰহণ কৰে।

**ব্যৱহাৰ নোহোৱা স্বৰ্ণৰ উপযোগিতা ঃ**

পুৰণি বা ব্যৱহাৰ নোহোৱাকৈ পৰি থকা সোণ বেংক বা ঘৰৰ লকাৰ বিশৃংখল কৰে। গতিকে সোণখিনি অব্যৱহৃত হৈ পৰি থাকে বা মুঠেই উৎপাদনশীল নহয়। আনকি কম দামত বিক্ৰী কৰিলেও ই নগদ ধন লাভ কৰাত সহায় কৰে। এই আঁচনিয়ে মাত্ৰ সুদৰ ধনকে আগবঢ়ায় এনে নহয়, তদুপৰি আঁচনিৰ সময় সম্পূৰ্ণ হ'লে সোণখিনি পৰিশোধ হোৱাটো বিকল্প প্ৰদান কৰে যিটোৱে সোণৰ মূল্য বৃদ্ধি হোৱাৰ সুবিধা আগবঢ়ায়।

**জমা শিথিলতা**

এই আঁচনিৰ অধীনত গহণা, মূল্যৱান ৰত্ন, মুদ্ৰা আদিৰ ৰূপত সোণ জমা ৰাখিব পাৰি। কিন্তু বাখৰখচিত সোণ জমাৰ বাবে গ্ৰহণীয় নহয়।

**পৰিমাণৰ ক্ষেত্ৰত শিথিলতা**

এই আঁচনিৰ অধীনত জমা কৰিব পৰা ন্যূনতম পৰিমাণ হ'ল ৩০ গ্ৰাম বিশুদ্ধ সোণ। সৰ্বোচ্চ পৰিমাণৰ কোনো নিৰ্দ্ধাৰিত সীমা নাই।

**সুবিধাজনক সময়সীমা**

এই আঁচনিৰ অধীনত তিনিটা সময় সীমাৰ জমা আঁচনি উপলব্ধ আৰু ইয়াৰ হ্ৰস্বকালীন সময় কাল হ'ল ১ বছৰৰপৰা ৩ বছৰ। নিৰ্দ্ধাৰিত সময়সীমাৰ পূৰ্বে জমাকাৰীয়ে স্বৰ্ণ উলিয়াই নিলে সামান্য পৰিমাণৰ জৰিমনা ভৰিবলগীয়া হয়।

**আকৰ্ষণীয় সুদৰ হাৰ**

ঘৰ বা লকাৰত এনেই পৰি থকা এই মূল্যৱান ধাতুবিধৰ পৰা জমা সময়ৰ ওপৰত ভিত্তি কৰি ০.৫ শতাংশৰপৰা ২.৫ শতাংশ সুদ অৰ্জন কৰিব পাৰি। হ্ৰস্বকালীন জমাৰ হাৰ সংশ্লিষ্ট বেংকে নিৰ্দ্ধাৰণ কৰে, মধ্যমীয়া আৰু দীৰ্ঘকালীন সময়ৰ জমাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লয়।

**সুদ নিৰ্দ্ধাৰণ বিভিন্নতা**

আঁচনিখনৰ অধীনত হ্ৰস্বকালীন সময়ৰ সুদ নিৰ্দ্ধাৰণ ধনৰ ৰূপত কৰা নহয়। এই ক্ষেত্ৰত গ্ৰাম হিচাপে সোণৰ ৰূপতহে সুদ প্ৰদান কৰা হয়। সেয়েহে এবছৰত ১ শতাংশ সুদ হিচাপে ১০০ গ্ৰাম সোণৰ সুদ হ'ব ১ গ্ৰাম সোণ। সি যি কি নহওক, মধ্যমীয়া আৰু দীৰ্ঘকালীন সময়ৰ বাবে জমা হোৱা সোণৰ সুদ জমাৰ সময়ৰ সোণৰ মূল্যৰ ওপৰত ভিত্তি কৰি টকাৰ ৰূপত সুদ নিৰ্দ্ধাৰণ কৰা হয়।

**বিশুদ্ধতাৰ প্ৰমাণ**

জমা সোণৰ বিশুদ্ধতা প্ৰমাণৰ বাবে সমগ্ৰ দেশতে ৩৩০টাৰো অধিক বিশুদ্ধিতা প্ৰমাণ কেন্দ্ৰৰ অনুমোদন জনোৱা হৈছে। কেন্দ্ৰসমূহে জমাকাৰীৰপৰা সোণ গ্ৰহণ কৰাৰ বাবদ সোণৰ পৰিমাণৰ এখন ৰচিদ দিব আৰু এইখন জমা কৰাৰ সময়ত আঁচনি প্ৰমাণ পত্ৰলৈ পৰিণত হ'ব।

**কৰ লাভ ঃ**

স্বৰ্ণ মুদ্ৰা ৰূপে ব্যৱহাৰ আঁচনিৰ জৰিয়তে লাভ কৰা মুনাফাৰ ওপৰত মূলধনী লাভ কৰ পৰিশোধ কৰিব নালাগে। মূলধনী লাভ সম্পদ কৰ আৰু আয়কৰ মুক্ত। ❐

# ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেট ঃ কৃষি আৰু উদ্যোগ খণ্ডত ইয়াৰ প্ৰভাৱ

**ববিতা শৰ্মা***

ভাৰতৰ বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰৰ ২০১৮-১৮ বৰ্ষৰ পূৰ্ণাংগ সাধাৰণ তথা শেষৰখন বাজেট দাখিল কৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী অৰুণ জেইটলিয়ে। বাজেটখন এখন জনমুখী, উন্নয়নমুখী, কৃষকমুখী, কল্যাণকামী বাজেট বুলি বিবেচনা কৰা হৈছে। বাজেটত জনসাধাৰণ বিশেষকৈ সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকক সামৰি সৰ্বাংগীন আৰু ব্যাপক উন্নয়নৰ জৰিয়তে কল্যাণৰ বিষয়সমূহক গুৰুত্ব প্ৰদান কৰিছে। ভাৰতৰ কৰ্মঠ জনসংখ্যাৰ ৫০ শতাংশতকৈ অধিক লোকক নিযুক্তি দিয়া কৃষিখণ্ডৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। বাজেটখনে কৃষক শ্ৰেণী, শ্ৰমিক আৰু দৰিদ্ৰ লোকৰ কল্যাণৰ কাৰণে গ্ৰাম্য অৰ্থনীতিক অগ্ৰাধিকাৰ প্ৰদান কৰি 'ৰুটী, কপড়া ঔৰ কিষাণ' হিচাপে বাজেটখনক বৰ্ণনা কৰিছে। বিত্ত মন্ত্ৰীগৰাকীৰ মতে, দেশৰ ৮৬ শতাংশ কৃষক হ'ল ক্ষুদ্ৰ আৰু প্ৰান্তিক কৃষক। সেয়েহে তেওঁলোকৰ জৰিয়তে উন্নয়ন আৰু বিকাশ সাধনত গুৰুত্ব দিছে আৰু এই সাধাৰণ জনতাৰ কাৰণে প্ৰয়োজনীয় আঁচনি নতুনকৈ গ্ৰহণ কৰাৰ উপৰি বৰ্তমানে প্ৰচলিত আঁচনিসমূহৰ কাৰণে প্ৰয়োজনীয় পুঁজিৰ পৰিমাণ বৃদ্ধিৰ কথা উল্লেখ কৰিছে।

২০১৮-১৯ বৰ্ষৰ বাজেটখন প্ৰধানতঃ কৃষি আৰু গ্ৰাম্য অৰ্থনীতিক গুৰুত্ব দি প্ৰস্তুত কৰা দেখা গৈছে। বাজেটত উল্লেখ কৰা মতে অহা ২০২২ চনৰ ভিতৰত কৃষিখণ্ডৰ উৎপাদন দুগুণ কৰা হ'ব আৰু লগতে পূৰ্বৰ বাজেটত ঘোষণা কৰা কৃষি খণ্ডৰ বিকাশ আৰু কৃষক শ্ৰেণীৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বাজেটত অন্তৰ্ভুক্ত বিভিন্ন আঁচনিৰ জৰিয়তে ২০২২ চনলৈ কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বিষয়টো লক্ষ্য হিচাপে গ্ৰহণ কৰিছে। বাজেটত কৃষকসকলক সকাহ দিবলৈ পূৰ্বতে আগবঢ়োৱা কৃষি ঋণৰ পৰিমাণ ৮.৫ লাখ কোটি টকা বৃদ্ধি কৰি বৰ্তমান ১১ লাখ কোটি টকাৰ কৃষি ঋণ প্ৰদান আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰায়বোৰ শস্যৰ ক্ষেত্ৰত উৎপাদন মূল্যতকৈ ন্যূনতম সমৰ্থন মূল্য (এম এছ পী) ডেৰ গুণলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তৰ জৰিয়তে কৃষক ৰাইজক উপকৃত কৰা হ'ব। কৃষক-সকলৰদ্বাৰা উৎপাদিত সামগ্ৰী আৰু সকলো প্ৰকাৰৰ শস্য ক্ৰয়ৰ ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা লক্ষ্য কৰি, যাতে বজাৰত সামগ্ৰী উচিত মূল্যত পোৱা যায় সেই উদ্দেশ্যে গ্ৰাম্য কৃষি বজাৰ ব্যৱস্থাৰ উন্নয়নৰ কাৰণে ২০০০ কোটি টকৰ মূলধনী পুঁজিসহ এটা কৃষি বজাৰ পুঁজি গঠনৰ প্ৰস্তাৱ লোৱা হৈছে বাজেটত। ২২ হাজাৰখন কৃষি বজাৰ সৃষ্টি কৰা হ'ব পুৰণি গ্ৰাম্য বজাৰৰ উন্নীতকৰণৰ জৰিয়তে। ফলত কৃষকসকলে মধ্যস্থতাকাৰীৰ অবিহনে প্ৰত্যক্ষভাৱে গ্ৰাহকক উৎপাদিত শস্য বিক্ৰী কৰিবলৈ সমৰ্থৱান হ'ব। জৈৱিক খেতিক উৎসাহিত কৰাৰ বাবে বাজেটত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশেষকৈ ঔষধী গছ আৰু সুগন্ধীযুক্ত গছৰ উৎপাদন বৃদ্ধিৰ বাবে ২০০ কোটি টকা আৱণ্টন কৰা হৈছে।

জলসিঞ্চনৰ বাবেও ভূগৰ্ভস্থ জল ব্যৱস্থাপনাৰ জলসিঞ্চন আঁচনিৰ অধীনত, বিশেষকৈ প্ৰধান মন্ত্ৰী কৃষি যোজনাৰ জৰিয়তে সকলো খেতিত পানীৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰিছে। জলসিঞ্চনৰ কাৰণে ২,৬০০ কোটি টকা ধাৰ্য কৰিছে ৯৬ খন জলসিঞ্চনৰ ব্যৱস্থা নথকা জিলাৰ কাৰণে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ লগত যৌথভাৱে খেতিয়কক সুবিধা প্ৰদান কৰাৰ অৰ্থে সৌৰ শক্তিৰে চালিত পাম্প ক্ৰয় কৰাত সহায় আগবঢ়াব। এনে সৌৰ শক্তিচালিত পাম্প ব্যৱহাৰ কৰি খেতিয়কসকলে জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ সক্ষম হ'ব।

উৎপাদিত শস্যৰ সঠিক মূল্য নোপোৱা সমস্যাটো সমাধানৰ ক্ষেত্ৰত 'সেউজ অভিযান' নামৰ আঁচনিখনৰ কথা ঘোষণা কৰিছে। ফলস্বৰূপে সহজে নষ্ট হোৱা সামগ্ৰী যেনে, বিলাহী, আলু, পিঁয়াজ আদিৰ দাম যাতে সঠিক হয় তাৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰিছে। লগতে মাছ, ফল-মূলকে ধৰি বিভিন্ন সামগ্ৰীৰ উন্নয়নৰ কাৰণে বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰা হৈছে। এনে ব্যৱস্থাৰ জৰিয়তে গ্ৰাহক আৰু কৃষক উভয়ে উপকৃত হ'ব বুলি ভাবিব পাৰি। লগতে

***লিখিকা ববিতা শৰ্মা হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা**

উৎপাদনকাৰীসকলৰ শস্যমূল্য হ্ৰাস হোৱাৰ পৰা ৰক্ষা কৰিব পৰা যাব।

বিত্ত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে যিহেতু ভাৰতৰ কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত যথেষ্ট সুবিধা আছে, সেয়েহে ৰপ্তানিজাত কৃষি সামগ্ৰীৰ ক্ষেত্ৰত চৰকাৰে উদাৰ নীতি গ্ৰহণ কৰিব। কৃষি ৰপ্তানিৰ সুবিধাৰ অৰ্থে ৪২ খন অত্যাধুনিক 'ফুড পাৰ্ক' স্থাপনৰ ব্যৱস্থা কৰা হ'ব। ২০১৮-১৯ বৰ্ষৰ বাজেটত খাদ্য প্ৰক্ৰিয়াকৰণ খণ্ডত আবণ্টিত ধন আগৰ বৰ্ষত আবণ্টন কৰা ধনৰাশি ৭১৫ কোটি টকাৰ পৰিৱৰ্তে তাৰ দুগুণ কৰি ১৪০০ কোটি টকালৈ বৃদ্ধি কৰিছে। চৰকাৰৰ এনে ব্যৱস্থাৰ যোগেদি দেশত উৎপাদন, খাদ্য প্ৰক্ৰিয়াকৰণ আৰু দেশৰ বাহিৰেও বিদেশত বিক্ৰীৰ জৰিয়তে দেশৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি হ'ব আৰু যথেষ্টসংখ্যক লোকক নিয়োজনৰ ব্যৱস্থা কৰিব পৰা যাব।

বাঁহশিল্প উদ্যোগক গুৰুত্ব প্ৰদান কৰি জেইটলীয়ে বাঁহগছক 'সেউজীয়া সোণ' বুলি অভিহিত কৰিছে। বাঁহ খণ্ডৰ প্ৰসাৰৰ কাৰণে ১২৯০ কোটি টকা আবণ্টন কৰিছে। এই পুঁজিৰদ্বাৰা ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ পুনৰ্গঠন কৰা হ'ব। এই ক্ষেত্ৰত অসমৰ লগতে উত্তৰ-পূব 'বাঁহ অভিযান' ফলপ্ৰসূ হ'ব বুলি ভাবিব পাৰি।

প্ৰাথমিক খণ্ড হিচাপে কৃষি খণ্ডৰ লগত জড়িত আনুষংগিক আন আন কাৰ্য হিচাপে মীন পালন আৰু পশু পালন কাৰ্যই গুৰুত্ব লাভ কৰে। বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰা মতে, দুগ্ধ প্ৰকল্পৰ আন্তঃগাঁথনিৰ উন্নয়নৰ কাৰণে ধন আবণ্টন কৰাৰ পিছত মীন পালন আৰু পশু পালনৰ বাবে ১০,০০০ কোটি টকা আবণ্টিত কৰিছে। মীন পালন আৰু পশু পালন এই দুয়োটা খণ্ডৰ কাৰণে আবণ্টিত ধনেৰে দুটা কোষ গঠন কৰাৰ সিদ্ধান্ত লৈছে। এই দুয়োটা খণ্ডৰ লগত জড়িত লোকক কিষাণ ক্ৰেডিট কাৰ্ডৰ ব্যৱস্থা গ্ৰহণ কৰি তেওঁলোকলৈ প্ৰয়োজনীয় মূলধন আহৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

মহিলা আত্মসহায়ক গোটসমূহক ২০১৯ চনৰ মাৰ্চ মাহলৈ ৭৫,০০০ কোটি টকা আদায় দিয়াৰ কথা উল্লেখ কৰিছে। মহিলা আত্মসহায়ক গোটসমূহক জৈৱিক কৃষিৰ বাবে সাহায্য আগবঢ়োৱা হ'ব। জীৱিকা সুযোগ প্ৰদান কৰাৰ বাবে গাঁও অঞ্চলত ব্যয় বৃদ্ধি কৰিব কৃষি খণ্ডৰ লগতে গ্ৰাম্য আন্তঃগাঁথনি খণ্ডত। কৃষি খণ্ডক বিশেষভাৱে উপকৃত কৰিবলৈ ভাৰতীয় খাদ্য নিগম পুনৰ্গঠনৰ ব্যৱস্থা কৰা হ'ব আৰু এই ক্ষেত্ৰত নিৰ্বিনিয়োজনৰ লক্ষ্য গ্ৰহণ কৰিছে মুঠ ৮০,০০০ কোটি টকা।

কৃষকৰ লগতে এই খণ্ডৰ উন্নয়নৰ বাবে যিবোৰ আঁচনি আৰু বিশেষ ব্যৱস্থাৰ যিবোৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে তাৰদ্বাৰা নিঃসন্দেহে এই খণ্ডত আমূল পৰিৱৰ্তনৰ আশা কৰিব পাৰি। বিত্ত মন্ত্ৰীয়ে দেশৰ অধিকসংখ্যক জনসাধাৰণ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ থকা কৃষি খণ্ডৰ উন্নয়নৰদ্বাৰা গ্ৰাম্য অৰ্থনৈতিক উন্নয়নত অধিক গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে অহা বিত্তীয় বৰ্ষত দেশৰ বিকাশৰ হাৰ ৭.৫ শতাংশৰ লক্ষ্যত উপনীত হ'ব বুলি আশা কৰা হৈছে। আৰ্থিক বিকাশত সুপ্ৰভাৱ পেলাবলৈ সক্ষম হ'ব দেশৰ কৃষি খণ্ডই।

ভাৰতীয় জাতীয় আয় বৃদ্ধিত উদ্যোগ খণ্ডৰ গুৰুত্ব অতি গুৰুত্বপূৰ্ণ। ২০১৮-১৯ বৰ্ষৰ বাজেটত উদ্যোগ খণ্ডত বৃহৎ উদ্যোগসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ পৰিৱৰ্তে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। পণ্য আৰু সেৱা কৰ (জী এছ টী) ব্যৱস্থাৰ ফলত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ প্ৰায় ৮৫ শতাংশ উদ্যোগে সংকটত পৰিছে। এই উদ্যোগসমূহৰ পুনৰ উত্থানৰ বাবে বাজেটত ৩,৭৯৪ কোটি টকা আবণ্টন কৰা হৈছে। ঋণ ব্যৱস্থা, মূলধন আৰু সুদত ৰাজসাহায্য প্ৰদান কৰাৰ বাবে। মুদ্ৰা যোজনাৰ অধীনত ২০১৮-১৯ বৰ্ষত ৩ লাখ কোটি টকাৰ ঋণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ক্ষুদ্ৰ ব্যৱসায়ী আৰু উদ্যোক্তাৰ কাৰণে আবণ্টিত ধনেৰে মুদ্ৰা আঁচনিৰ যোগেদি স্বনিয়োজন আৰু কৰ্মসংস্থাপন বৃদ্ধি কৰাত বিশেষ সহায়ক হ'ব। মুদ্ৰা যোজনাৰ অধীনত গ্ৰহণ কৰা ঋণৰ ৭৬ শতাংশ মহিলা আৰু ৫০ শতাংশতকৈ অধিক লাভ কৰিছে অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকসকলে।

দেশখনৰ ১০০ কোটি টকা বা ততোধিক ৰাজহ সংগ্ৰহ কৰা কৃষি উৎপাদনকাৰী কোম্পানীৰ ক্ষেত্ৰত প্ৰথম পাঁচ বছৰৰ বাবে ১০০ শতাংশ কৰ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ২০১৫-১৬ বৰ্ষৰ ৫০ কোটি টকাৰ কম উপাৰ্জন কৰা কোম্পানী আৰু২০১৬-১৭ বৰ্ষত ২৫০ কোটি টকা পৰ্যন্ত ৰাজহ থকা কোম্পানীসমূহৰ বাবে কৰ্প'ৰেট কৰ ২৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। বাঁহ উদ্যোগৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি উত্তৰ-পূবৰ ক্ষেত্ৰত প্ৰসাৰৰ অৰ্থে ১,২৯০ কোটি টকা আবণ্টন দিছে। নতুন নিযুক্তি প্ৰদান কৰা জোতা আৰু চামৰাৰ উদ্যোগসমূহক নতুন কৰ্মচাৰীক দৰমহা দিয়া ধনৰ ৩০ শতাংশ কৰ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উন্নয়নৰ জৰিয়তে দেশখনত অৰ্থনৈতিক উন্নয়নৰ লগতে কৰ্মসংস্থাপন বৃদ্ধি হ'ব বুলি মত পোষণ কৰিছে বিত্ত মন্ত্ৰীগৰাকীয়ে।

উদ্যোগৰ অনুকূল প্ৰতিৰক্ষা নীতিত গুৰুত্ব প্ৰদান কৰি বিত্ত মন্ত্ৰী জেইটলীয়ে দেশত দুটা প্ৰতিৰক্ষা ঔদ্যোগিক উৎপাদন কৰিড'ৰ গঢ় দিয়াৰ কথা উল্লেখ কৰিছে। পৰ্যটন উদ্যোগৰ বিকাশৰ কাৰণে ২০১৮-১৯ বৰ্ষৰ বাজেটত কিছু ব্যৱস্থা গ্ৰহণ কৰিছে। পৰ্যটন খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ কাৰণে ধন আবণ্টন কৰিছে। সমগ্ৰ দেশৰ দহখন ঠাইক আদৰ্শ পৰ্যটক স্থান হিচাপে গঢ়ি তোলাৰ জৰিয়তে দেশী-বিদেশী পৰ্যটকৰপৰা ৰাজহ বৃদ্ধি হোৱাৰ আশা কৰিব পাৰি। চৰকাৰে বিকল্প বিনিয়োগ পুঁজিৰ বৃদ্ধি আৰু আঁচনিসমূহ সফলতাৰে ৰূপায়ণ কৰাৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰাত গুৰুত্ব দিছে। আমদানি ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ চৰকাৰৰ 'মেইক্ ইন ইণ্ডিয়া' অভিযানক উৎসাহিত কৰাৰ কথা উল্লেখ কৰিছে যাৰদ্বাৰা ঘৰুৱা উৎপাদন বৃদ্ধি তথা দেশখনত কৰ্মসংস্থান সৃষ্টিত সহায়ক হ'ব। বাজেটত গ্ৰহণ কৰা আন এটা দিশ হ'ল প্ৰতিখন ৰাজ্যত ৩৭২টা নিৰ্দিষ্ট ব্যৱসায় সংস্কাৰ পদক্ষেপ চিনাক্ত কৰা হ'ব। জেইটলীয়ে উল্লেখ কৰা মতে, ভাৰতীয় খাদ্য নিগম পুনৰ্গঠন কৰা বিষয়টো গুৰুত্বপূৰ্ণ। নিৰ্বিনিয়োজনৰ বাবে ৮০,০০০ কোটি টকাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ-সমূহক অনলাইন ঋণ প্ৰদান ব্যৱস্থাত নতুনত্ব আনিছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহ আৰু কৰ্প'ৰেট খণ্ডক ইলেক্ট্ৰনিক প্লেটফৰ্ম (TReDS) ব্যৱস্থাৰ লগত অন্তৰ্ভুক্ত কৰি পণ্য আৰু সেৱা কৰ নেটৱৰ্ক ব্যৱস্থাৰ লগত সংযুক্ত কৰা হ'ব। এনে ব্যৱস্থাই উদ্যোগীসকলক কিছু পৰিমাণে সুবিধা প্ৰদান কৰা হ'ব বুলি ভবাৰ থল আছে।

সামৰণিত উল্লেখযোগ্য দিশটো হ'ল কৃষি খণ্ডৰ লগতে উদ্যোগ খণ্ডত আবণ্টিত ধনৰাশি আৰু বিভিন্ন নতুন আঁচনি গ্ৰহণেৰে বাজেটখনৰ যোগেদি যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে সেইখিনি কি অনুপাতে কাৰ্যকৰী হ'ব সেয়াহে লক্ষণীয়। বাজেটত কৃষি খণ্ডক উৎসাহিত কৰাৰ লগতে গাঁও অঞ্চলৰ উন্নয়নৰদ্বাৰা বিভিন্ন হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনাৰ পৰা যি বিকাশ ভাৰতত আশা কৰা হৈছে তাৰ সুফল সমগ্ৰ দেশখনে লাভ কৰিব। অৱশ্যে তাৰ কাৰণে আবণ্টিত পুঁজিৰ উচিত ব্যৱহাৰ হোৱা প্ৰয়োজন। বিভিন্ন দ্ৰব্য সামগ্ৰীৰ দৰ বৃদ্ধি কৰা হৈছে যদিও সেইবোৰ আমদানিকৃত উপভোগ্য দ্ৰব্যৰ আমদানি শুল্ক বৃদ্ধিৰ ফলত হোৱা দৰ। এই ব্যৱস্থাই ধনী শ্ৰেণীৰ উপভোক্তাৰ ওপৰতহে প্ৰভাৱ পেলাব। আনহাতে দৰিদ্ৰ পৰিয়ালত বিভিন্ন আঁচনিৰ জৰিয়তে সুবিধা প্ৰদান ব্যৱস্থাই জনসাধাৰণক কিছু পৰিমাণে সকাহ দিব বুলি আশা কৰা যায়। বিভিন্ন দিশ পৰ্যবেক্ষণ কৰিলে ২০১৮-১৯ বাজেটখন এখন বিকাশমুখী, বাস্তৱধৰ্মী, কৃষিমুখী, গ্ৰাম্য অঞ্চলৰ উন্নয়নমুখী, জনকল্যাণমুখী, আত্মনিৰ্ভৰ-শীলতা বৃদ্ধি কৰিব পৰা এখন পূৰ্ণ বাজেট। কৃষি, স্বাস্থ্য খণ্ড, গ্ৰাম্য অৰ্থনীতি, আন্তঃগাঁথনি আৰু দেশৰ জ্যেষ্ঠ নাগৰিকসকলৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণৰ জৰিয়তে চৰকাৰখনে জনসাধাৰণৰ লগত সুসম্পৰ্ক স্থাপন কৰা দেখা গৈছে। কৃষি আৰু গ্ৰাম্য অৰ্থনীতিৰদ্বাৰা উন্নয়নৰ হাৰ বৃদ্ধিৰ জৰিয়তে ভাৰতে বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে আগবাঢ়ি যোৱাৰ যি লক্ষ্য গ্ৰহণ কৰিছে তাত চৰকাৰী প্ৰশাসনৰ লগতে দেশখনৰ সৰ্বসাধাৰণ ৰাইজৰ সঠিক সহযোগ সকলোৰে কাম্য হোৱা উচিত। ❐

---

**(৩৭ পৃষ্ঠাৰ পৰা)**

সমূহক কৰ ব্যৱস্থাৰ অধীনলৈ আনিবলৈ বাজেটত প্ৰস্তাৱ দাঙি ধৰা হৈছে যে প্ৰত্যেক সংস্থা যাৰ বিত্তীয় বৰ্ষ একোটাত বিত্তীয় লেনদেন ২.৫০ লাখ টকা বা তাতকৈ অধিক, সেইসমূহে 'পান'ৰ বাবে আবেদন কৰিব লাগিব। লগতে এই প্ৰস্তাৱো কৰা হৈছে যে সঞ্চালক, অংশীদাৰ, প্ৰধান বিষয়া, কৰ্মকৰ্তা বা বিষয়ববীয়া অথবা সংস্থাসমূহৰ হৈ প্ৰতিনিধিত্ব কৰা যিকোনো ব্যক্তিয়েও 'পান'ৰ বাবে আবেদন কৰিব লাগিব।

**লক্ষ্য এতিয়াও সুদূৰ পৰাহত ঃ**

প্ৰধানমন্ত্ৰীৰ আহ্বান মৰ্মে যোৱা বছৰৰ নৱেম্বৰত চি বি ডি টিৰ এগৰাকী সদস্যৰ আহ্বানমৰ্মে আৰু মুখ্য অৰ্থনৈতিক উপদেষ্টাক স্থায়ী আমন্ত্ৰিত সদস্যৰূপে লৈ আৰু নতুন প্ৰত্যক্ষ কৰ আইনৰ খচৰা প্ৰস্তুত কৰিবলৈ আয়কৰ আইন ১৯৬১ পৰ্যালোচনা কৰিবলৈ ছজনীয়া কৰ্মী বাহিনী গঠন কৰা হয়। উচ্চ শক্তিসম্পন্ন সমিতিখনক ছমাহৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হয়। 'স্বচ্ছ ধন'ৰ লক্ষ্য অৰ্জন কৰি আমি সকলোৱে যাতে 'ইমানদাৰী কা উৎসৱ' (সততাৰ উৎসৱ) পালন কৰিব পাৰোঁ তাৰবাবে চৰকাৰখনে সৰ্বতোপ্ৰকাৰে বহু বছৰ ধৰি বহনক্ষম সংগ্ৰাম চলাই থাকি ক'লা ধনৰ উৎস উৎখাত কৰি পেলাব লাগিব। তথ্য প্ৰযুক্তিৰ ক্ৰমবৰ্দ্ধমান ব্যৱহাৰ আৰু বৰ্তমানতকৈ মানৱ সম্পদ উন্নয়ন উচ্চতৰ সম্পদ আবণ্টন কৰি ক'লা ধনৰ বিৰুদ্ধে আয়কৰ বিভাগৰ দীঘলীয়া সংগ্ৰামখন অব্যাহত ৰখাৰ ক্ষেত্ৰত সাফল্য অৰ্জন কৰিব পৰা যাব। ❐

# বাজেট ২০১৮-১৯ ঃ ৰে'লৰ বাবে কি কি?

নৰকান্ত বৈশ্য*

বিগত বৰ্ষত ভাৰতবৰ্ষৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰে'ল বাজেট বিলুপ্ত কৰি সাধাৰণ বাজেটৰ সৈতে ৰে'ল বাজেট সংলগ্ন কৰা হৈছিল। যোৱা ১ ফেব্ৰুৱাৰীৰ দিনা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে সাধাৰণ বাজেটৰ লগতে ২০১৮-১৯ বৰ্ষৰ বাবে ৰে'লৰ বাবে নিৰ্দ্ধাৰিত বাজেট সংসদত উত্থাপন কৰে। যোৱা বছৰটোত সংঘটিত হৈ যোৱা কেইবাটাও ৰে'ল দুৰ্ঘটনাৰ তিক্ততাপূৰ্ণ অভিজ্ঞতাৰ পাছত ভাৰতীয় ৰে'লৱেক বিশ্ব মানৰ লক্ষ্যৰে উন্নীত কৰাৰ বাবে আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব আৰোপ কৰি এই বাজেট দাখিল কৰা হয়। মূলতঃ যাত্ৰীৰ সুৰক্ষা আৰু সুবিধাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা এই বাজেটত ৰে'লৱেৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অধিকাংশ ধন ধাৰ্য কৰা হৈছে। মুঠ ১,৪৮,৫২৮ কোটি টকাৰ এইবাৰৰ ৰে'ল বাজেটত যাত্ৰী অথবা মাল ভাৰা হ্ৰাস-বৃদ্ধি তথা নতুন ৰে'ল চলাচলত কোনো সিদ্ধান্ত ঘোষণা কৰা হোৱা নাই।

এইবাৰৰ ৰে'ল বাজেটত ভাৰতীয় ৰে'লৱেৰ প্ৰায় ১১,০০০ খন ৰে'লত চী চী টীভী কেমেৰা সংস্থাপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। যাত্ৰীৰ সুৰক্ষাৰ বাবে ই এটা নিশ্চয় বৃহৎ পদক্ষেপ হ'ব। তদুপৰি, দেশৰ ৮,৫০০ টা ৰে'ল ষ্টেচনত চী চী টীভী কেমেৰা সংস্থাপন তথা ৰে'ল লাইনসমূহ পোহৰাই তোলাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। সমগ্ৰ দেশৰ প্ৰায় ৪০০০ কিঃ মিঃ ৰে'লপথ বৈদ্যুতিকৰণৰ লক্ষ্য আগন্তুক ৰে'ল বাজেটৰ অন্যতম ঘোষণা। ঠিক সেইদৰে, বহু বছৰ ধৰি অৱহেলিত হৈ থকা প্ৰায় ৩৬,০০০ কিঃ মিঃ ৰে'লপথ মেৰামতিৰ বাবে বৃহৎ পৰিমাণৰ ধন ধাৰ্য কৰা হৈছে। চী চী টীভীৰ সমান্তৰালকৈ প্ৰতিখন ৰে'ল আৰু প্ৰতিটো ষ্টেচনত ৱাই-ফাই ব্যৱস্থা স্থাপনৰ ঘোষণাও এই বাজেটৰ অন্যতম দিশ। এনৰইড ম'বাইল, লেপ্‌টপ-কম্পিউটাৰ, ফেচবুক-ৱাটচআপৰ সৈতে অভ্যস্ত ৰে'ল যাত্ৰীৰ বাবে এই ৱাই-ফাই ব্যৱস্থা কিমান গুৰুত্বপূৰ্ণ তাক ব্যাখ্যাৰ প্ৰয়োজন নাই। তদুপৰি, দৈনিক ২৫,০০০ তকৈ অধিক যাত্ৰীৰ সমাগম ঘটা ৰে'ল ষ্টেচনসমূহত চলন্ত ছিৰিৰ ব্যৱস্থাৰ বাবে পুঁজি নিৰ্দ্ধাৰণ কৰা হৈছে। দেশৰ ৬০০ টা ষ্টেচন আন্তঃৰাষ্ট্ৰীয় মানৰ সা-সুবিধাৰে সজাই তোলাৰ বাবেও এই বাজেটত পুঁজি আবণ্টন দিয়া হৈছে। বিদেশী পৰ্যটকক ৰে'ল যোগে ভ্ৰমণ কৰিবলৈ এনে পদক্ষেপে নিশ্চয় উৎসাহিত কৰিব। বডোদৰাত এখন ৰে'ল বিশ্ববিদ্যালয় স্থাপনৰ বাবে ধন নিৰ্দ্ধাৰণ কৰা হৈছে। এই বিশ্ববিদ্যালয়ত ৰে'ল পৰিচালনাৰ বাবে প্ৰয়োজনীয় সকলো পাঠ্যক্ৰমৰ লগতে বুলেট ট্ৰেইনৰ দৰে দ্ৰুতগতিসম্পন্ন ৰে'লৰ পৰিচালনাৰ উপযোগী কৰি তুলিব পৰাকৈ কৰ্মীসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। বিগত দিনসমূহত ৰে'ল সুৰক্ষাৰ ক্ষেত্ৰত দেখা দিয়া অন্যতম হেঙাৰ স্বৰূপ উন্মুক্ত লেভেল ক্ৰছিং নিৰ্মূলৰ ব্যৱস্থাও এই বাজেটত ৰখা হৈছে। স্পৰ্শকাতৰ বুলি চিনাক্ত হোৱা ৪,২৬৭টা উন্মুক্ত ক্ৰছিং সুৰক্ষিত কৰাৰ বাবেও এই বাজেটত ধন আবণ্টন কৰা হৈছে। সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষৰ মিটাৰগজ ৰে'লপথসমূহ ব্ৰ'ডগজলৈ ৰূপান্তৰিত কৰি ৰে'ল যাতায়াতৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তন কৰা হৈছে। এইবাৰ বাজেটতো ১৮,০০০ কিঃ মিঃ ৰে'লপথৰ গজ পৰিৱৰ্তনৰ লক্ষ্য স্থিৰ কৰা হৈছে। ভাৰতীয় ৰে'লৰ অন্যতম উপাৰ্জনকাৰী মুম্বাইৰ লোকেল ট্ৰেইনৰ সম্প্ৰসাৰণৰ বাবে ১১,০০০ কোটি আৰু বেংগালুৰুৰ ১৬০ কিঃ মিঃ ৰে'লপথ সম্প্ৰসাৰণৰ বাবে ১৭,০০০ কোটি টকা নিৰ্দ্ধাৰণ এই বাজেটৰ অন্যতম ঘোষণা।

২০১৮-১৯ বৰ্ষৰ ৰে'ল বাজেটত চৰকাৰী পুঁজিলৈ অপেক্ষা কৰি থাকি কোনো আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত স্থৱিৰ নোহোৱাকৈ ৰে'ল বিভাগৰ আৰ্জিত ধন খৰচৰ ব্যৱস্থা ৰখা হৈছে। যাত্ৰীৰ সুৰক্ষা তথা সুবিধা দুয়োটা দিশ লক্ষ্য ৰাখি এই বাজেটত কাৰ্যক্ৰমে যাত্ৰীবাহী/এক্সপ্ৰেছ ৰে'লসমূহত আন্তঃৰাষ্ট্ৰীয় মানৰ নৱ নিৰ্মিত দবা সংযোজনৰ লক্ষ্য স্থিৰ কৰা হৈছে। জুন ২০১৮'ৰ ভিতৰত একে দবা প্ৰথমে শতাব্দী এক্সপ্ৰেছত চলোৱা হ'ব বুলি আশা কৰা হৈছে। ঘন কুঁৱলীৰ বাবে ইতিমধ্যে বহুকেইটা দুৰ্ঘটনা হোৱালৈ লক্ষ্য ৰাখি ভৱিষ্যতে এনে দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে ৰে'লৰ ইঞ্জিনত 'ফ'গ পাছ' নামৰ অত্যাধুনিক প্ৰযুক্তিগত কৌশল স্থাপনৰ

*লিখক নৰকান্ত বৈশ্য উত্তৰ পূব সীমান্ত ৰে'লৱেৰ এগৰাকী বিষয়া

প্ৰস্তাৱো এই বাজেটত ৰখা হৈছে। ৭০০টা ৰে'ল ইঞ্জিনত এই যন্ত্ৰ স্থাপন কৰি কুঁৱলীৰ প্ৰভাৱ থকা উত্তৰ আৰু পূব ভাৰতৰ বিভিন্ন ৰে'লপথত এই বিষয়ক পৰীক্ষা-নিৰীক্ষা ইতিমধ্যে আৰম্ভ কৰা হৈছে বুলি বিত্ত মন্ত্ৰী জেইটলীয়ে বাজেট ভাষণত উল্লেখ কৰিছে। তদুপৰি, ছিগনেলিং ব্যৱস্থাৰ আধুনিকীকৰণ, পথ নিৰ্দেশনাৰ বাবে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, ১২ হাজাৰ মালবাহী দবা ক্ৰয়, ৫১৬০টা যাত্ৰীবাহী দবা ক্ৰয় আৰু ৭০০ অধিক অক্ষশক্তিৰ ইঞ্জিন ক্ৰয়ৰ লক্ষ্যও এই বাজেটত স্থিৰ কৰা হৈছে। দ্ৰুতগতিৰ ৰে'ল সঞ্চালনৰ বাবে প্ৰয়োজনীয় 'এলিভেটেড কৰিড'ৰ' নিৰ্মাণৰ বাবে ধাৰ্য কৰা ৪০ হাজাৰ কোটি টকা এই ৰে'ল বাজেটৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। কেৰল সুৰক্ষা শিতানত ধাৰ্য কৰা ৭৩,০০০ কোটি টকাৰ পুঁজি এই বাজেটৰ আটাইতকৈ উল্লেখনীয় ঘোষণা বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে।

২০১৮-১৯ বৰ্ষৰ ৰে'ল বাজেটত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লপথ বৈদ্যুতিকৰণৰ বাবে মুঠ ২,৩২৩ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। উঃ পূঃ সীঃ ৰে'লৱেৰ ১০০% ৰে'লপথ বৈদ্যুতিকৰণৰ লক্ষ্যৰে প্ৰায় ২৫৩৬ কিলোমিটাৰ (শাখা ৰে'লপথ সহ) বৈদ্যুতিকৰণৰ জৰিয়তে কাটিহাৰৰ পৰা মুৰ্কংচেলেককৈ তথা আগৰতলা পৰ্যন্ত সামৰি লোৱাৰ আশা কৰা হৈছে। ইতিমধ্যে বিগত বৰ্ষৰ বাজেটত উঃ পূঃ সীঃ ৰে'লৱেৰ ১১০২ কিঃ মিঃ ৰে'লপথ বৈদ্যুতিকৰণৰ বাবে ১৪৩২ কোটি টকা ধাৰ্য কৰা হৈছিল। এই পুঁজিৰে বৰ্তমান নিউবঙাইগাঁও-ৰঙিয়া-আজ্ঞাঠুৰি নিউবঙাইগাঁও-গোৱালপাৰা-কামাখ্যা, গুৱাহাটী-তিনিচুকীয়া শিমলুগুৰি -ডিব্ৰুগড় আৰু ৰাণীনগৰ-জলপাইগুৰি-শামুকতোলা ৰে'লপথ চাৰি ছোৱাৰ বৈদ্যুতিকৰণ চলি আছে। উল্লেখযোগ্য যে ইতিমধ্যে কাটিহাৰৰপৰা পুৰণি মালদালৈ বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে আৰু যোৱা ২৪ জানুৱাৰীৰ দিনা এই পথছোৱাত উঃ পূঃ সীঃ ৰে'লৱেৰ প্ৰথমখন বৈদ্যুতিক ইঞ্জিন চালিত যাত্ৰীবাহী ৰে'ল পৰীক্ষামূলকভাৱে চলোৱা হৈছে। বৰ্তমান উঃ পূঃ সীঃ ৰে'লৱেৰপৰা অহা-যোৱা কৰা ৰে'লসমূহত কাটিহাৰৰপৰা বৈদ্যুতিক ইঞ্জিন সংযুক্ত কৰা হয়। আগন্তুক ২০২০ চনৰ ভিতৰত সমগ্ৰ পথ বৈদ্যুতিকৰণৰ জৰিয়তে এই সমস্যা আঁতৰ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। বৰ্তমান আবণ্টিত ধনৰাশিৰ বিভিন্ন শাখাত নিম্নোক্ত ধৰণে খৰচ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে—

যদিহে আঁচনিমতে সঠিক সময়ত ৰে'লপথছোৱা বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈ উঠে আৰু পৰ্যাপ্ত পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন অথবা ৰপ্তানি কৰিব পৰা যায়, তেন্তে ২০২০ চনৰ ভিতৰত উঃ পূঃ সীঃ ৰে'লৱেল ইতিহাস নতুনকৈ ৰচা হ'ব। লগতে আঁচনিখনৰ সফল ৰূপায়ণে আৰ্থিকভাৱে পিছপৰা এই অঞ্চলটোত ঔদ্যোগীকৰণৰ সম্ভাৱনা সৃষ্টিৰ যোগেদি নতুন দিগন্তৰ সূচনা কৰাৰ আশা কৰিব পাৰি।

| ক্ৰ. নং | ৰে'লপথ | মুঠ কিঃ মিঃ | পুঁজি (কোটি) |
|---|---|---|---|
| ১ | কাটিহাৰ-তেজনাৰায়ণপুৰ, বাৰছৈ ৰাধিকাপুৰ, একলামী-বালুৰঘাট (একক লাইন) | ১৭৬ | ১৫৪.৮৭ |
| ২ | কাটিহাৰ-যোগবানী | ১০৯ | ১০৯.৯১ |
| ৩ | আলুৱাবাৰী-বাগডোগ্ৰা-শিলিগুৰি | ৭৬ | ৫৯.৬ |
| ৪ | ৰাণীনগৰ-হালদিবাৰী | ৩৪ | ২৭.৭১ |
| ৫ | নিউজলপাইগুৰি-নিউ মাল জংচন আলিপুৰদুৱাৰ-শামুকতোলা-নিউ কোচবিহাৰ-ফকিৰাগ্ৰাম-ধুবুৰী | ৫০৬ | ৪৭৫.৩১ |
| ৬ | ৰঙিয়া-ৰঙাপাৰা হাৰমতি-নাহৰলগুন | ৩৩৯ | ৩১১.০৯ |
| ৭ | হাৰমতি-মুৰ্কংচেলেক | ২৩০ | ২৩৭.৫২ |
| ৮ | চাপৰমুখ-শিলঘাট টাউন (শেনচোৱা-মালয়বাৰী হৈ) | ১৩০ | ১০৯.৩৫ |
| ৯ | মৰিয়নি-যোৰহাট টাউন-ফৰকাটিং/ তিনিচুকীয়া-মাকুম-টিৰাপ/মাকুম-দাংৰী | ১৭৪ | ১৮৩.৯৯ |
| ১০ | লামডিং-বদৰপুৰ | ১৭২ | ১৮৯.০৪ |
| ১১ | বদৰপুৰ-শিলচৰ/কাটাখলি-ভেৰৰী/ বদৰপুৰ-কৰিমগঞ্জ-আগৰতলা-চাত্ৰুম | ৫৯০ | ৪৯৪.২৪ |

❐